

গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা



দ্বাদশ বছৰ ■ সংখ্যা ৩৫০ ■ গুৱাহাটী ■ শুকুৰবাৰ, ২৯ জুলাই, ২০২২, ১২ শাওণ, ১৯৪৪ শক  RNP/GH/248/2114-2017  গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XII ISSUE NO. 350 Dainandin Barta ■ Guwahati, Friday ■ 29 July, 2022  ■ RNI REGD. NO. ASSASS/2010/39449  Total Pages =12 ■ Rs. 10.00 Only


## নগাঁৱত ক'ভিডত আক্ৰান্ত ১৭

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৮ জুলাই ঃ** কিছু দিন সাময়িক সকাহৰ পিছত নগাঁও জিলাত পুনৰ ক'ভিডৰ সংক্ৰমণ বৃদ্ধি হৈছে। আজি নগাঁও জিলাৰ বিভিন্ন চিকিৎসালয়ত ■ ৮ পৃষ্ঠাত




*নলবাৰী জিলা ছাত্ৰ সন্থাৰ বিশেষ অভিনন্দন অনুষ্ঠানত কোৰাচ পৰিবেশনৰ দৃশ্য, নলবাৰী নাট্য মন্দিৰত বৃহস্পতিবাৰে*

### যোগীঘোপাত মাইক্ৰ'ফাইনেন্সৰ ঋণ লৈ বিপদত ৰোগাক্ৰান্ত মহিলা

## কিস্তি বিচাৰি নিশালৈ হাৰাশাস্তিৰ অভিযোগ বেংক কৰ্তৃপক্ষৰ বিৰুদ্ধে

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোগীঘোপা, ২৮ জুলাই ঃ** যি সময়ত ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মাইক্ৰ'ফাইনেন্সৰ ঋণ লোৱা মহিলাসকলক সকাহ দিয়াৰ উদ্দেশ্যে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। আনকি ঋণ ■ ৮ পৃষ্ঠাত

## স্বাধীনতা দিৱসৰ প্ৰাক্‌মুহূৰ্তত বৰপেটা আৰক্ষীৰ জেহাদীবিৰোধী অভিযান



# ১১ সন্দেহযুক্ত জেহাদী ধৃত

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ২৮ জুলাই ঃ** বৰপেটা জিলাৰ বিভিন্ন স্থানৰ লগতে গুৱাহাটী মহানগৰীত বুধবাৰে ওৰেনিশা চলে বৰপেটা আৰক্ষীৰ জেহাদীবিৰোধী অভিযান। অভিযান কালত বৰপেটা জিলাৰ বিভিন্ন স্থানৰ লগতে গুৱাহাটীৰ হাতীগাঁৱৰ পৰা আটক কৰা হয় ১১ সন্দেহযুক্ত জেহাদীক। বৰপেটা আৰক্ষীয়ে মহানগৰ আৰক্ষীৰ সহযোগত ■ ৮ পৃষ্ঠাত



*শিলচৰ সদৰ থানা মুকলি কৰিছে ডিজিপি ভাস্কৰজ্যোতি মহন্তই*

### বন সংমণ্ডল বিষয়া, কোষাগাৰ বিষয়া, অতিৰিক্ত উপায়ুক্তৰে মুখ্যমন্ত্ৰীৰ বৈঠক

## বনাঞ্চলত অবৈধ ক্ৰিয়াকলাপ ৰোধৰ বাবে শক্তিশালী ব্যৱস্থা গ্ৰহণ কৰক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৮ জুলাই ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি খানাপাৰাৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত পৰিৱেশ আৰু বন বিভাগৰ ক্ষেত্ৰীয় সংমণ্ডলৰ মাণ্ডলিক বন বিষয়া, জিলা কোষাগাৰ বিষয়া আৰু অতিৰিক্ত ■ ৮ পৃষ্ঠাত

## সীমান্তৰ ১৮,০০০ ফুট উচ্চতাৰ ৪ জি, ৫ জি নেটৱৰ্ক আৰম্ভ কৰিব ভাৰতীয় সেনাই



**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৮ জুলাই ঃ** চীনৰ সমানে সমানে প্ৰযুক্তিৰ ক্ষেত্ৰত আগুৱাই যাব বিচাৰিছে ভাৰতেও। চীনে লাডাখ এলেকাত ৫ জি নেটৱৰ্কহে স্থাপন কৰিছে। লাডাখত চীনৰ সেনাই এনে অতি দ্ৰুত মোবাইল ফোনৰ সেৱা মুকলি কৰাৰ সময়তে ভাৰতীয় সেনায়ো দুৰ্গম পাহাৰীয়া এলেকাত ৪ জি আৰু ৫ জি নেটৱৰ্ক সৃষ্টিৰ পোষকতা কৰিছে। সেই মৰ্মে ভাৰতীয় সেনাৰ তৰফৰ পৰা নিবিদাও আহ্বান কৰা হৈছে। চীনৰ সৈতে তাল মিলাই ভাৰতীয় সেনাই দূৰৱৰ্তী উচ্চ-উচ্চতৰ অঞ্চলত ইয়াৰ যোগাযোগ আন্তঃগাঁথনি বৃদ্ধি কৰি থকাৰ কথা সেনাৰ সূত্ৰই প্ৰকাশ কৰিছে। সমুদ্ৰপৃষ্ঠৰ পৰা ১৮,০০০ ফুট উচ্চতাতো যাতে দ্ৰুত মোবাইল ফোনৰ সেৱা লাভ কৰিব পৰা যায় তাৰ বাবে বিশাল বিশাল টাৱাৰ স্থাপন কৰা ■ ৮ পৃষ্ঠাত



### দেশভক্তি দিৱস পালন

## এয়া ভাৰত মাতৃক বিশ্বত গৰ্বিত কৰিবলৈ সংকল্পবদ্ধৰ সুযোগ

### অসমবাসীৰ মাজত তৰুণৰাম ফুকনে স্বাধীনতা আন্দোলনৰ চেতনা জাগ্ৰত কৰিছিল ঃ মুখ্যমন্ত্ৰী



**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৮ জুলাই ঃ** 'দেশপ্ৰেমৰ জ্বলন্ত আদৰ্শ আৰু অনুপ্ৰেৰণাৰে ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাসত সোণালী আখৰেৰে নিজৰ নাম লিপিবদ্ধ কৰা মহান সংগ্ৰামী সকলৰ অন্যতম হৈছে দেশভক্ত তৰুণৰাম ফুকন। মহাত্মা গান্ধীৰ নেতৃত্বৰ প্ৰতি আনুগত্য প্ৰদৰ্শন কৰি স্বাধীনতা আন্দোলনক নেতৃত্ব দিয়া আত্মত্যাগী, ব্যক্তিত্ববান, দেশপ্ৰাণ পুৰুষসকলৰ মাজত ভোটাতৰাৰ দৰে দেশভক্ত তৰুণৰাম ■ ৮ পৃষ্ঠাত

## জেহাদীৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে আপোচ নকৰে ঃ মন্ত্ৰী মহন্ত

**মই এনে ষ্টেণ্ড কৰা ছাত্ৰ-ছাত্ৰী নিবিচাৰো, যিয়ে চাকৰি পোৱাৰ পিছত নিজৰ বৃদ্ধ পিতৃ-মাতৃক পথত এৰি থৈ আহে ঃ হিতেশ ডেকা**

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৮ জুলাই ঃ** 'জেহাদীৰ সম্পৰ্কত গোটেই বিষয়টো মুখ্যমন্ত্ৰীগৰাকীয়ে তদাৰক কৰি আছে। জেহাদীৰ ক্ষেত্ৰত কোনো কাৰণতে চৰকাৰ তথা মুখ্যমন্ত্ৰীগৰাকীয়ে আপোচ নকৰে।' -আজি নগাঁৱত এই মন্তব্য কৰে স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই। নগাঁৱত মহন্তই কয় যে— 'মুখ্যমন্ত্ৰীগৰাকীৰ নেতৃত্বত চৰকাৰখনে সুন্দৰকৈ কাম কৰি আছে। বহুতে বহু ষড়যন্ত্ৰ কৰি আছে। কিন্তু এইখন চৰকাৰৰ দিনত এনে ষড়যন্ত্ৰৰ ওপৰত কোনো আপোচ কৰা নহ'ব। উচিত ব্যৱস্থা লোৱা হ'ব। জাপানীজ এনকেফেলাইটিছৰ বাবে অসমত দহখন জিলা পৰ্যায়ৰ হাস্পতাল চিকিৎসাৰ বাবে ব্যৱহাৰ কৰিবলৈ দিয়া হৈছে। তাৰে ভিতৰত নগাঁও ভোগেশ্বৰী ফুকননী ■ ৮ পৃষ্ঠাত

# 'ৰাষ্ট্ৰপত্নী'

### কংগ্ৰেছৰ নেতা অধীৰ ৰঞ্জন চৌধুৰীক ক্ষমা খোজাৰ দাবী কেন্দ্ৰীয় মন্ত্ৰীদ্বয় সৰ্বানন্দ সোণোৱাল, সীতাৰমণৰ

### ৰাষ্ট্ৰপতিক লৈ কৰা মন্তব্যৰ বাবে অৱশেষত ক্ষমা খুজিলে কংগ্ৰেছ নেতা অধীৰ ৰঞ্জন চৌধুৰীয়ে

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৮ জুলাই ঃ** দেশৰ নৱতম ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক উদ্দেশ্যি কংগ্ৰেছৰ শীৰ্ষ নেতা অধীৰ ৰঞ্জন চৌধুৰীয়ে কৰা মন্তব্যক লৈ উত্তাল হৈ পৰিছে দেশ। বিশেষকৈ বিজেপিয়ে বিষয়টোক লৈ তাল-আফাল ■ ৮ পৃষ্ঠাত



যোৰহাটৰ ৰৌৰিয়া বিমানবন্দৰত আজি সংঘটিত হৈছে অঘটন। ৰানৱেৰ পৰা পিছলি মাটিলৈ নামি আহিল যোৰহাট-কলকাতা অভিমুখী ইণ্ডিগ' এয়াৰলাইন্সৰ বিমানৰ এটা চকা। বিয়লি ২.২০ বজাত যাব লগা ইণ্ডিগ' এয়াৰলাইন্সৰ ৬৭৫৭ নম্বৰৰ বিমানখনৰ চকা পিছলি গৈ বোকাত আবদ্ধ হৈ পৰে। ফলত যাত্ৰীসকলক বিমানৰ পৰা নমাই বিমানখন ৰানৱেলৈ উঠাবলৈ চেষ্টা অব্যাহত ৰাখিছে কৰ্তৃপক্ষই। ফলত বিমান যাত্ৰীৰ মাজত হুৱাদুৱা লাগে। সন্ধিয়ালৈকে যাত্ৰীসকল বিমানবন্দৰতে আবদ্ধ হৈ থাকে।

### দ্বিতীয় উত্তৰ-পূব ক্ৰেতা-বিক্ৰেতা সমাৰোহ

### উত্তৰ-পূৰ্বাঞ্চলে ইণ্ডো-আছিয়ান আৰু ইণ্ডো-বিবিএন সম্পৰ্ক সুদৃঢ় কৰাত বিশেষ ভূমিকা লোৱাৰ পূৰ্ণ সম্ভাৱনা বহন কৰিছে ঃ মুখ্যমন্ত্ৰী শৰ্মা

## অঞ্চলটো বিকাশৰ কেন্দ্ৰবিন্দু হিচাপে গঢ়ি উঠিছে

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৮ জুলাই ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে দক্ষিণ-পূব এছিয়াৰ দুৱাৰমুখ হিচাপে উত্তৰ-পূৰ্বাঞ্চলে ইণ্ডো-আছিয়ান আৰু ইণ্ডো-বিবিএন সম্পৰ্ক অধিক সুদৃঢ় কৰাত বিশেষ ভূমিকা গ্ৰহণ কৰাৰ পূৰ্ণ সম্ভাৱনা বহন কৰিছে। উত্তৰ-পূৰ্বাঞ্চলে দ্বিপাক্ষিক ■ ৮ পৃষ্ঠাত





### বংগৰ মন্ত্ৰীৰ ঘনিষ্ঠ অৰ্পিতাৰ ঘৰৰ পৰা ওলায়েই আছে টকাৰ পাহাৰ

## গণি গণি হায়ৰাণ ই ডিৰ বিষয়া

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৮ জুলাই ঃ** টকা আৰু টকা। যি ফালেই চোৱা যায় সেই ফালেই কেৱল টকা ওলাইছে বংগৰ মন্ত্ৰী পাৰ্থ চেটাৰ্জীৰ ঘনিষ্ঠ মডেল অৰ্পিতা মুখাৰ্জীৰ ঘৰৰ পৰা। জাপে জাপে ■ ৮ পৃষ্ঠাত





## মইনা নায়কক ক্ষতিপূৰণ নিদিয়ে লেপেটকটাৰ চাহ বাগিচা কৰ্তৃপক্ষই

### চৰকাৰ তথা শ্ৰম বিভাগৰ নিৰ্দেশনাক অংগুষ্ঠ প্ৰদৰ্শন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ২৮ জুলাই ঃ** লেপেটকটা চাহ বাগিচাত দুৰ্ঘটনাগ্ৰস্ত মইনা নায়কক ক্ষতিপূৰণ দিবলৈ অসমৰ্থ বাগিচা কৰ্তৃপক্ষ। শ্ৰম আয়ুক্ত আৰু ডিব্ৰুগড় জিলা উপায়ুক্তলৈ এই সন্দৰ্ভত পত্ৰ প্ৰেৰণ কৰিছে। ১৯ জুলাইত ■ ৮ পৃষ্ঠাত

## দুৰ্নীতিৰে ধনৰ পাহাৰ সাজি শেষত পাখি কটা গ'ল মন্ত্ৰী পাৰ্থ চেটাৰ্জীৰ

### মন্ত্ৰিত্বকে ধৰি তৃণমূলৰ সকলো পদৰ পৰা নিলম্বন

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৮ জুলাই ঃ** কথাতে আছে এশ গৰু মাৰিলে বাঘৰো মৰণ। সেয়াই দশা হ'ল বংগৰ শিক্ষামন্ত্ৰী পাৰ্থ চেটাৰ্জীৰ। বংগত সংঘটিত শিক্ষক নিযুক্তি কেলেংকাৰিত গ্ৰেপ্তাৰ হোৱা ■ ৮ পৃষ্ঠাত

### প্ৰসংগ ঃ চৰকাৰী পঞ্জীয়নভুক্ত নিৰ্মাণ শ্ৰমিকৰ চিকিৎসা সেৱা আঁচনিৰ নামত কোটি টকাৰ কেলেংকাৰি

## উচিত তদন্তৰ দাবীত শ্ৰমিকৰ প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ২৮ জুলাই ঃ** চৰকাৰী পঞ্জীয়নভুক্ত নিৰ্মাণ শ্ৰমিকৰ চিকিৎসা সেৱা আঁচনিৰ নামত সংঘটিত কোটি কোটি টকাৰ কেলেংকাৰিৰ উচিত তদন্তৰ দাবীত বঙাইগাঁও জিলা কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে জিলা শ্ৰম বিষয়াৰ কাৰ্যালয়ৰ সন্মুখত গণধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। উল্লেখ্য যে বঙাইগাঁও জিলাত শ্ৰমিক কল্যাণ বিভাগৰ ■ ৮ পৃষ্ঠাত



*শাওণৰ পথাৰত ৰোৱনী*

## মাংগালুৰু বিমানবন্দৰত কৰ্তব্যৰত চিআইএছএফে লাভ কৰিলে বুলেট প্ৰুফ বাহন

### দেশৰ প্ৰথম

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৮ জুলাই ঃ** সন্ত্ৰাসবাদীৰ পৰা আহি থকা ভাবুকিৰ মাজতে আজি দেশৰ প্ৰথমটো বিমান বন্দৰ হিচাপে মাংগালুৰু আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ চৌহদত কৰ্তব্যৰত কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনীৰ (চিআইএছএফ) বিমান সুৰক্ষা গোটক বুলেট প্ৰতিৰোধী বাহন প্ৰদান কৰা হৈছে। ব্যুৰো অৱ চিভিল এভিয়েচন ছিকিউৰিটীয়ে (বিচিএএছ) বিমানবন্দৰ পৰিচালকসকলক ■ ৮ পৃষ্ঠাত



# টীয়কৰ ৰাজহ চক্ৰ বিষয়া পথ সংযোগী এফআৰইউ হাস্পতাল পথৰ দুৰৱস্থাই জীয়াতু ভোগাইছে জনসাধাৰণক

## আজি পৰ্যন্ত কাম সম্পূৰ্ণ কৰিব নোৱাৰিলে জনপ্ৰতিনিধিয়ে

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ২৮ জুলাই ঃ** টীয়ক নগৰৰ সদ্য ব্যস্ত ৰাজহ চক্ৰ বিষয়া কাৰ্যালয় সংযোগী এফ আৰ ইউ হাস্পতাল পথটোয়ে দীৰ্ঘদিনৰ পৰা জীয়াতু ভোগাই আহিছে জনসাধাৰণক। মন কৰিবলগীয়া যে এই পথটোতে ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়কে ধৰি, টীয়ক পৌৰ কাৰ্যালয়, মধ্য টীয়ক গাঁও পঞ্চায়ত, টীয়ক সপ্তাহিক বজাৰ, প্ৰেছ ক্লাব, জ্যেষ্ঠ নাগৰিক মঞ্চকে ধৰি বহুতো অনুষ্ঠান-প্ৰতিষ্ঠান থকা এই পথটো আজি পৰ্যন্ত অদ্যপি পেভাৰ ব্লকেৰে নিৰ্মাণ ৭০ শতাংশ কাম হ'ল যদিও হস্পিতেলে সংযোগী পথ চোতাৰ পৰা কাম আজি পৰ্যন্ত নিৰ্মাণ কৰিব নোৱাৰিলে। উল্লেখ যে টীয়ক সমষ্টিৰ গ্ৰাম্য অঞ্চলৰ গৰিষ্ঠ সংখ্যক লোকে এই মূল পথেদিয়েই এফ আৰ ইউ হস্পিতেল লৈ অহা যোৱা কৰিব লাগে। অন্যহাতে নগৰৰ মাজ মজিয়াৰ ৩৭নং পথত দুৰ্ঘটনা, কিম্বা প্ৰতিবাদ অন্য সাধাৰণ ঘটনা হলে এই পথটোকে উপ পথ হিচাপে ব্যৱহৃত হয়। কিন্তু আজি পৰ্যন্ত অদ্যপি এই পথটো জন প্ৰতিনিধিয়ে গুৰুত্ব নিদিয়াত দল সংগঠন ক্ষোভিত হৈ পৰিছে। উল্লেখ যে টীয়ক পৌৰ সভাৰ যি গৰাকী প্ৰাক্তন পৌৰপতি আছিল তেওঁ কাৰ্যকালত বিভিন্ন বেমেজালি দেখা দিছিল নগৰখনত। অপৰিকল্পিতভাৱে গৃহ নিৰ্মাণ চাই ড্ৰেইন নলা আদি নিৰ্মাণ বিসংগতি দেখা দিছিল পৌৰ এলেকাত। এতিয়া ৰাইজৰ মাজত প্ৰশ্ন উঠিছে বৰ্তমান নৱ গঠিত দহটা ৱাৰ্ডৰে নতুন পৌৰপতি গৰাকীয়ে কি পদক্ষেপ গ্ৰহণ কৰে সেয়া সময়তহে হ'ব লক্ষণীয় বিষয়?



# দৰঙৰ নামখলাত জন্ম হ'ল 'নামখলা প্ৰেছক্লাব'

**দৈনন্দিন বাৰ্তাৰ সেৱা, নামখলা, ২৮ জুলাই ঃ** দৰং আৰু ওদালগুৰি জিলাৰ সীমান্তৱৰ্তী এখন ঠাই নামখলা। নামখলা পঞ্চায়তৰ অন্তৰ্গত নামখলা কলা কৃষ্টি পৰিষদ প্ৰাঙ্গনত অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক সীতাৰাম ঠাকুৰীয়াৰ সঞ্চালনাত অনুষ্ঠিত হোৱা এখন গাম্ভীৰ্যপূৰ্ণ সভাত নামখলা প্ৰেছ ক্লাব গঠন কৰা হয়। জ্যেষ্ঠ সাংবাদিক হেমন্ত কলিতাই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ পিছতে একোটাকৈ গছ পুলিৰে অভ্যাগত সকলক সম্ভাষণ জনোৱা হয়। নামখলাত প্ৰেছ ক্লাবৰ প্ৰয়োজনীয়তা অনুভৱ প্ৰকাশ কৰি সম্ভাষণ জনায় দ্বীপেন ডেকা, হৃষীকেশ ডেকা আৰু নিকুঞ্জ হাজৰিকাই। অৱসৰপ্ৰাপ্ত কৃতী শিক্ষকদ্বয় ক্ৰমে শৰৎ চন্দ্ৰ হাজৰিকা আৰু ফজলুল হক চৌধুৰীয়ে বন্তি প্ৰজ্বলন কৰি সভাৰ শুভাৰম্ভ কৰে। বিশিষ্ট লেখক পুনৰাম কলিতা, ৰাজিক জ্যেষ্ঠ নাগৰিক সন্মিলনৰ বিষয়ববীয়া অতুল বৰুৱা, অধ্যাপক ড' দুলাল হাজৰিকা কৃষক মোক্তাৰ হুচেইনকে ধৰি কেবাজনো বিশিষ্ট অতিথি উপস্থিত থকা সভাখনতেই হেমন্ত কলিতাক সভাপতি, দ্বীপেন ডেকাক সম্পাদক আৰু গজেন হাজৰিকা, সুদৰ্শন কলিতা, হৃষীকেশ ডেকাক সদস্য হিচাপে লৈ পাঁচজন সদস্যৰে প্ৰেছ ক্লাৱৰ সমিতিখন গঠন কৰা হয়। নামখলা অঞ্চলৰ বহুদিনীয়া অভাৱ এটা পূৰণ হোৱা বুলি ব্যক্ত কৰি সভাৰ সঞ্চালক সীতাৰাম ঠাকুৰীয়াই নতুনকৈ ভূমিষ্ঠ হোৱা নামখলা প্ৰেছ ক্লাবে অঞ্চলটোৰ পৰা নতুন সাংবাদিক সৃষ্টি কৰি সকলো বা-বাতৰি নিয়মীয়াকৈ প্ৰকাশৰ জৰিয়তে অঞ্চলটোৰ উন্নতিত অৰিহণা যোগাব বুলি আশা কৰে।

# দেউৰী পৰিষদৰ নিৰ্বাচন শীঘ্ৰে অনুষ্ঠিত কৰিবলৈ ৰাজ্যিক নিৰ্বাচন আয়োগৰ প্ৰতি আহ্বান দেউৰী ষষ্ঠ অনুসূচী দাবী সমিতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৮ জুলাই ঃ** অসমৰ আঠখন জিলাত সামৰি থকা দেউৰী স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচন শীঘ্ৰে অনুষ্ঠিত কৰিবলৈ অসম ৰাজিক নিৰ্বাচন আয়োগৰ প্ৰতি আহ্বান জনোৱা হৈছে। উল্লেখ্য যে ইতিমধ্যে নিৰ্বাচন অনুষ্ঠিত কৰিব পৰাকৈ অন্যান্য আনুসঙ্গিক কাম-কাজ সম্পূৰ্ণ কৰি তোলা হৈছে। নতুনকৈ সমষ্টি পুনৰ নিৰ্দ্ধাৰণ কৰি ২২ টালৈ বৃদ্ধি, মহিলা আৰু সাধাৰণ শ্ৰেণীৰ বাবে আসন সংৰক্ষণ, ভোটাৰ তালিকা প্ৰস্তুত কৰা আৰু আঠখন জিলাৰ পৰা নিৰ্বাচনী বিষয়া, সহকাৰী নিৰ্বাচনী বিষয়া ইত্যাদি নিযুক্তি প্ৰক্ৰিয়া সম্পূৰ্ণ কৰি তোলা হৈছে। ৰাজ্য চৰকাৰে জনজাতি পৰিক্ৰমা বিভাগ আৰু নিৰ্বাচন বিভাগৰ সহযোগত ওপৰোক্ত পদক্ষেপ সমূহ সম্পূৰ্ণ কৰা হৈছে। ইয়াৰ বাবে দাবী সমিতিয়ে চৰকাৰক ধন্যবাদ জনাইছে। এতিয়া একমাত্ৰ এটা বিষয় বাকী আছে- নিৰ্বাচনৰ দিন ঘোষণা কৰাটো। গতিকে ৰাজিক নিৰ্বাচন আয়োগে অতি শীঘ্ৰে দেউৰী পৰিষদৰ নিৰ্বাচনৰ দিন ৰাজহুৱা ভাৱে ঘোষণা কৰিব লাগে। এক প্ৰেছ বাৰ্তাৰ জৰিয়তে দাবী সমিতিৰ প্ৰধান সম্পাদক সুমন দেউৰী আৰু সহকাৰী সম্পাদক ধনীৰাম দেউৰীয়ে কয় যে বৰ্তমানৰ দেউৰী পৰিষদৰ কাৰ্যকাল কেতিয়াবাই উকলি গৈছে। কাৰ্যকাল তিনিমাহ বৃদ্ধি কৰি পৰিষদখনে ক্ষমতাত আছে। এই পৰিষদৰ কাৰ্যকাল পুনৰ বৃদ্ধি কৰিব নালাগে, ইয়াৰ বিপৰীতে দেউৰী পৰিষদ ভংগ কৰিব লাগে আৰু উত্তৰ অসম আয়ুক্তৰ হাতত পৰিষদৰ দায়িত্ব গতাই দিয়াৰ লগতে নতুন নিৰ্বাচনৰ দিন ঘোষণা কৰি নিৰ্বাচনী প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিব লাগে।

# আজিও সন্ধান ওলোৱা নাই অৰুণাচলত কাম কৰিবলৈ যোৱা ভাণ্ডাৰাৰ ৰাজেদ আলীৰ

## চৰকাৰলৈ কাতৰ আহ্বান পিতৃ-মাতৃৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাণিকপুৰ, ২৮ জুলাই ঃ** অৰুণাচল প্ৰদেশত কাম কৰিবলৈ যোৱা অসমৰ ১৯জনকৈ শ্ৰমিকৰ ভিতৰত মাণিকপুৰৰ ভাণ্ডাৰা গাঁৱৰ ওৱাজেদ আলী নামৰ শ্ৰমিকজনৰ আজিলৈকে কোনো সন্ধান ওলোৱা নাই। ১ মে'ত কামৰ উদ্দেশ্যে বেজাউল নামৰ ঠিকাদাৰৰ লগত অৰুণাচল প্ৰদেশত যায় আৰু ৫ জুনৰ পৰা নিৰুদ্দেশ হয়। নিৰুদ্দেশ হোৱা ১৯জন শ্ৰমিকৰ ভিতৰত কিছুমানৰ জীৱন্ত আৰু কিছুমানৰ মৃত হিচাপে উদ্ধাৰ কৰা হয় যদিও আজিলৈকে ওৱাজেদ আলীৰ কোনো সন্ধান ওলোৱা নাই কাৰণে পৰিয়ালৰ লোকে শোকত ভাগি পৰিছে। ওৱাজেদ আলী নামৰ এই শ্ৰমিকজনৰ সন্ধান উলিয়াই দিবলৈ পিতৃ-মাতৃয়ে চৰকাৰক কাতৰ আহ্বান জনাইছে।

# মাজুলীত 'উজ্জ্বল ভাৰত উজ্জ্বল ভৱিষ্যৎ' কাৰ্যসূচীৰ বিজুলী মহোৎসৱ সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নয়াবজাৰ, ২৮ জুলাই ঃ** বুধবাৰে বালি চাপৰি মিলিত সংঘত মাজুলী জিলা প্ৰশাসন আৰু অসম শক্তি বিতৰণ কোম্পানী লিমিটেড, যোৰহাট বৈদ্যুতিক চক্ৰৰ যুটীয়া উদ্যোগত ভাৰত চৰকাৰৰ 'উজ্জ্বল ভাৰত উজ্জ্বল ভৱিষ্যৎ' কাৰ্যসূচীৰ অধীনত বিজুলী মহোৎসৱ নামেৰে এখন সভা অনুষ্ঠিত হয়। উক্ত কাৰ্যসূচীত মাজুলী বিধানসভা সমষ্টিৰ বিধায়ক ভুৱন গাম, জিলা উপায়ুক্ত পুলক মহন্তকে প্ৰমুখ্যে কৰি অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ যোৰহাট বৈদ্যুতিক চক্ৰৰ জ্যেষ্ঠ বিষয়াসকল, নিপকোৰ ৰঙানদী প্ৰকল্পৰ মহা প্ৰৱন্ধক আৰু জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। কাৰ্যসূচীৰ লগত সংগতি ৰাখি শক্তি বিভাগৰ কেইবাখনো গুৰুত্বপূৰ্ণ তথ্যচিত্ৰ প্ৰদৰ্শন কৰাৰ লগতে শক্তি বিভাগৰ অধীনৰ বিভিন্ন উন্নয়ন মূলক কাম-কাজ সমূহৰ বিষয়ে আলোকপাত কৰা হয়। পৰৱৰ্তী সময়ত শ্ৰীশ্ৰী পীতাম্বৰ দেৱ গোস্বামী জিলা চিকিৎসালয়ত উপস্থিত হৈ জিলা উপায়ুক্তই যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ সৈতে চিকিৎসালয়খনৰ প্ৰশাসনিক কাম-কাজ পৰ্যবেক্ষণ কৰে আৰু চিকিৎসক, স্বাস্থ্যকৰ্মী তথা ৰোগীসকলৰ সৈতে মত বিনিময় কৰে।

## নলবাৰীৰ চান্দকুছি-জানিগোগ গড়কাপ্তানী পথেৰে এমাহে যাতায়াত বন্ধ!

# জেওৰা দি বন্ধ কৰি ৰখা হৈছে ব্যস্ত পথ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২৮ জুলাই ঃ** বিগত প্ৰায় এমাহে নলবাৰী জিলাৰ চান্দকুছিত লোক নিৰ্মাণ বিভাগৰ এটি গুৰুত্বপূৰ্ণ পথ বন্ধ হৈ থকাত যাতায়াত ব্যাহত হৈ পৰিছে। পথটোৰে চাৰিচকীয়া বাহন চলাচল কৰাটো দূৰৰে কথা ঠেলা-ৰিক্সা চলাচল কৰাটো বাধাগ্ৰস্ত হৈছে। উল্লেখ্য বিগত আহাৰমহীয়া কৃত্ৰিম বানত বাঢ়নী পানী ওলাই যোৱাৰ বাবে চান্দকুছি ম'হমৰা পুখুৰীৰ পৰা পূবে জানিগোগ হৈ যোৱা (হাজো-নলবাৰী মূল পথ সংলগ্ন )পকী গড়কাপ্তানী পথটোৰ ন-খন্দা পুখুৰীৰ পৰা গৈ জানিগোগ অংশত কাটি দিয়া হৈছিল। আৰু কটা অংশত বাঁহৰ জেওৰা দি পথটোৰে গাড়ী-মটৰ চলাচল বন্ধ কৰি দিয়া হৈছিল। কেইদিনমান পিছত পানীও কমিল। কিন্তু পথটোৰে এমাহে ব্যাহত হৈ থাকিল যাতায়াত। নলবাৰীৰ গড়কাপ্তানী গ্ৰাম্য পথ সংমণ্ডল কৰ্তৃপক্ষৰ পথটোৰ উক্ত কটা অংশ মেৰামতি কৰি যাতায়াত সুচল কৰিবলৈ আজিলৈকে আহৰি নোহোৱাত ভুক্তভোগী ৰাইজ ক্ষুন্ন হৈ পৰিছে। যাতায়াত বাধাগ্ৰস্ত হৈ থকা এই পথটো নলবাৰী সমষ্টিৰ বিধায়ক তথ জনস্বাস্থ্য মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ বাঁহজানীৰ চান্দকুছি বাসগৃহৰ পৰা ৰিং এটাৰ বাট। পথটোৰে মাত্ৰ চাইকেল কিম্বা বাইকৰহে কোনোমতে চলাচল হৈ আছে। পথটো সম্পূৰ্ণৰূপে মুকলি নহোৱাত ৰাইজে যাতায়াত ব্যৱস্থাত দুৰ্ভোগ ভগিব লগা হৈছে। লোক নিৰ্মাণ পথ বিভাগে পথটিৰে যাতায়াত স্বাভাৱিক কৰি তোলা কাৰ্যত হেমাহি কৰাৰ অভিযোগ উঠিছে।

## বৰুৱাগাঁৱৰ যুৱক উৎপল বৰুৱাক প্ৰয়োজন আৰ্থিক সঁহাৰি

# আৰ্থিক দীনতাৰ বাবে উন্নত চিকিৎসাৰ পৰা বঞ্চিত

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙামাটি, ২৮ জুলাই ঃ** ৰঙামাটিৰ সমীপৰ দেৰগাঁও বৰুৱাগাঁৱৰ যুৱক উৎপল বৰুৱাৰ কৰুন জীৱন গাঁথা। বিগত প্ৰায় ছবছৰ ধৰি উৎপল বৰুৱা এক ভয়াবহ পথ দুৰ্ঘটনাৰ বাবে ভূগি আছে এক জটিল সমস্যাত। আৰ্থিক দৈন্যৰ বাবে কোনো উন্নত চিকিৎসাও গ্ৰহণ কৰিব পৰা নাই উৎপল বৰুৱাই। যোৰহাট চিকিৎসা মহাবিদ্যালয়ত চিকিৎসা গ্ৰহণ কৰিছিল যদিয়ো এতিয়া উন্নত চিকিৎসাৰ বাবে পাটনালৈ যাবৰ বাবেও পইচাৰ অভাৱ। বাঁহৰ ঝাৰু বনাই বিক্ৰী কৰি দৰৱৰ যোগাৰ কৰে যদিয়ো অতি কষ্টৰে পাৰ কৰিছে জীৱন। আজিও কোনো বিশেষ চৰকাৰী আঁচনি গ্ৰহণ কৰিব পৰা সুযোগ পোৱা নাই এই যুৱকজনে সংবাদ মাধ্যমৰ যোগেদি কৰ্মদক্ষ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্ত, দেৰগাঁও সমষ্টিৰ বিধায়ক ভবেন্দ্ৰনাথ ভড়ালীক সহায় বিচাৰি কাতৰ আহ্বান জনাইছে। কোনো দল-সংগঠন, সুহৃদজনৰ অকণমান সহায়েও এই পৰিয়ালটোক দিব পাৰিব অকণমান সকাহ। Punjab national bank, Barua Bamungaon Golaghat, Account number 0641010095576, IFSC- PUNB00641:20 (Utpol Boruah) সহায় আগবঢ়াব পাৰিব।

# মৰিগাঁও মহাবিদ্যালয় আছু গোটৰ উদ্যোগত বিনামূলীয়া প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিগাঁও, ২৮ জুলাই ঃ** মৰিগাঁও মহাবিদ্যালয় আছু



গোটৰ উদ্যোগত আৰু মৰিগাঁও মহাবিদ্যালয় সহযোগত ছাত্ৰ-ছাত্ৰীৰ মাজত অন্তৰ্নিহিত কলা কৌশলৰ বিভিন্ন দিশসমূহৰ বিকাশ সাধন কৰাৰ মানসেৰে বিহু, নাটক আৰু চিত্ৰাংকনৰ এক বিনামূলীয়া প্ৰশিক্ষণমূলক কৰ্মশালা আয়োজন কৰা হয়। উক্ত কৰ্মশালাৰ উদ্বোধনী অনুষ্ঠানটোত মৰিগাঁও মহাবিদ্যালয় আছু গোটৰ সভাপতি গোলচন নবী আজাদে সভাপতিত্ব কৰা সভাখনত উপস্থিত থাকে সদৌ মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ সন্মানীয় সভাপতি দিপুল কুমাৰ নাথ আৰু উদ্বোধক হিচাপে উপস্থিত থাকে সদৌ মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ৰূপজ্যোতি মেধী। চিত্ৰাংকনৰ প্ৰশিক্ষক হিচাপে উপস্থিত থাকে ৰাজু দাস, নাটকৰ প্ৰশিক্ষক হিচাপে উপস্থিত থাকে বিকাশ ডেকা, লক্ষ্যজ্যোতি হাজৰিকা আৰু বিহুৰ প্ৰশিক্ষক হিচাপে উপস্থিত থাকে গৌতম বৰা, লুনা বৰা আৰু উক্ত অনুষ্ঠানত উপস্থিত থাকে মৰিগাঁও জিলা ইলেকট্ৰ'নিক মেডিয়া ক্লাবৰ সভাপতি ৰাতুল ডেকা, মৰিগাঁও সদৰ ছাত্ৰ সন্থাৰ সভাপতি ঘনেন্দ্ৰ বৰা, সাধাৰণ সম্পাদক প্ৰণৱজ্যোতি বৰ্মন আৰু উপদেষ্টা ক্ৰমে লোকেন্দ্ৰ ছেত্ৰী, কমল মহন্ত, সাংস্কৃতিক সম্পাদক বিকি বৰা, তৃণা দেৱী। মৰিগাঁও মহাবিদ্যালয় আছু গোটৰ সাধাৰণ সম্পাদক কাশ্যপ জ্যোতি বৰকাকতিয়ে আঁত ধৰা সভাখনত আছু গোটৰ উপদেষ্টা দেৱাশীষ মহন্ত আৰু চিন্ময় ভৰদ্বাজৰ লগতে আছু গোটৰ সমূহ বিষয়ববীয়াও উপস্থিত থাকে।

**Name Correction**

My correct & actual name is JAHANARA KHATUN, W/O MD JAKIR HOSSAIN, D/O ABDUL KADER acording to some of my school & other documents. But unfortunately in my electoral photo identity vide no MSR1249305 and same of my school documents entered as Mt.Jahanara Khatun instead of my correct name JAHANARA KHATUN. My father's correct & actual name is ABDUL KADER is in my verious particulars.But unfortunately my father's name enlisted in the voter list of 1965 & 1970 as Abdul Kader Miya & A.Kader Miya instead of his correct & actual name ABDUL KADER.

It is true by the affidavit of Magistrate, Barpeta. Date 18/07/2022.

**JAHANARA KHATUN**
W/O.MD JAKIR HOSSAIN
D/O. ABDUL KADER.
VIL&PO. NALI GAON
PS. SARTHEBARI
DIST. BARPETA
CONT.8876434239

**Name Correction**

MY correct & actual name is MD.JAKIR HOSSAIN, S/O ABDUR RAHMAN acording to my all school & other documents. But unfortunately my name is enlisted in the voter list of 1997 as JAKIR HOSSEN instead of MD. JAKIR HOSSAIN. MY father's correct & actual name is in my all particulars as ABDUR RAHMAN. But unfortunately my father's name enlisted in the voter list of 1965,1970,1997 as Abdul Rahman & A. Rahman instead of his correct name ABDUR RAHMAN. My mother's correct & actual name is DALIMAN NESSA. But unfortunately my mother's name enlisted in the voter list of 1970 as JALIMAN NESSA instead of her correct name DALIMAN NESSA.

It is true by the affidavit of the Magistrate, Barpeta Date 14/07/2022.

**MD.JAKIR HOSSAIN**
S/O ABDUR RAHMAN
VILL&PO NALI GAON
PS SARTHEBARI.
DIST BARPETA.
CONT.9859710092

# মাৰ্ঘেৰিটাত দেশভক্তি দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাৰ্ঘেৰিটা, ২৮ জুলাই ঃ** সমগ্ৰ ৰাজ্য লগতে আজি মাৰ্ঘেৰিটাতো দেশভক্তি দিৱস উদ্‌যাপন কৰা হয়।



মাৰ্ঘেৰিটা তথ্য আৰু জনসংযোগ বিভাগ মাৰ্ঘেৰিটাৰ উদ্যোগত আৰু মাৰ্ঘেৰিটা মহকুমা প্ৰশাসনৰ সহযোগত দেশভক্ত তৰুণৰাম ফুকনৰ মৃত্যু দিৱস উপলক্ষে দেশভক্তি দিৱসটি মাৰ্ঘেৰিটা খণ্ড উন্নয়ন কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীয়ে অনুষ্ঠিত কৰা হয়। পুৱা তৰুণৰাম ফুকনৰ প্ৰতিমূৰ্তীত মাল্যপণ কৰাৰ লগতে বন্তী প্ৰজ্বলন কৰা হয়। ইয়াৰ পিছতে মূল কাৰ্যসূচী মুকলি সভা অনুষ্ঠিত কৰা হয়। মুকলি সভাত সভাপতিত্ব কৰে মাৰ্ঘেৰিটা মহকুমাধিপতি পলাশ ৰাজকুমাৰ আহোমে। মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ প্ৰৱক্তা ৰমেন হাজৰিকাই আঁতধৰা এই অনুষ্ঠানত মহকুমাৰ প্ৰশাসনৰ কেইবাগৰাকী বিষয়া লগতে মহকুমাটো জ্যেষ্ঠ নাগৰিকৰ ওপৰিও জ্যেষ্ঠ সাংবাদিক তথা অসম বাৰ্তাজীৱী সংঘৰ দক্ষিণ পূব মণ্ডলৰ সম্পাদক আৰু তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক ৰাণাজ্যোতি নেওগ উপস্থিত হৈ দেশভক্ত তৰুণৰাম ফুকনৰ জীৱনৰ ওপৰত আলোকপাত কৰে। উক্ত মুকলি সভাত মাৰ্ঘেৰিটা সাংবাদিক সন্থাৰ বহু কেইগৰাকী সাংবাদিকো উপস্থিত থাকে।

# নলবাৰী জিলা প্ৰজ্ঞা ফাউণ্ডেচনৰ নৱগঠিত সমিতিৰ বৈঠক

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২৮ জুলাই ঃ** নলবাৰী জিলাৰ প্ৰজ্ঞা ফাউণ্ডেচনৰ নৱ গঠিত সমিতিখনৰ ২৬ জুলাইৰ আবেলি এখন বৈঠক নলবাৰী মুৰুলী ভৱনত অনুষ্ঠিত হয়। নলবাৰী জিলা প্ৰজ্ঞা ফাউণ্ডেচনৰ নৱ নিযুক্তি সভাপতি মুনিন দাসৰ সভাপতিত্ব অনুষ্ঠিত বৈঠকখনৰ আঁতধৰে সাধাৰণ সম্পাদক পংকজ ডেকাই। সভাত প্ৰজ্ঞা ফাউণ্ডেছনৰ নলবাৰীৰ প্ৰভাৰী অণুপ বৰ্মনে ভাষণত প্ৰজ্ঞা ফাউণ্ডেছনৰ লক্ষ্য উদ্দেশ্য কথা উল্লেখ কৰাৰ লগতে



বিশেষকৈ সাংস্কৃতিক দিশত জড়িত থকা ব্যক্তিসকলক লৈ বিভিন্ন সাংস্কৃতিক অনুষ্ঠান কৰা লগতে গুৰু পূজা অনুষ্ঠান কৰি অহাৰ কথা দোহাৰে। লগতে বৰ্মনে ৫ ছেপ্টেম্বৰত গুৰু পূজন আৰু বন্দেমাতৰ গীত শুদ্ধকৈ পৰিৱেশনৰ কৰাৰ উপৰি নৃত্য প্ৰতিয়োগিতা সমগ্ৰ ৰাজ্যতে হ'ব বুলি সদৰী কৰে।সভাত নলবাৰী জিলা ৰাষ্ট্ৰীয় স্বংয়সেৱক সংঘৰ কাৰ্যবাহ হিৰণ্য দত্ত,নলবাৰীৰ ৰাষ্ট্ৰীয় স্বংয়সেৱক সংঘৰ বিভাগ শাৰীৰিক প্ৰমুখ পংকজ বুজৰবৰুৱাই প্ৰজ্ঞ ফাউণ্ডেছনৰ নলবাৰী জিলা নৱ গঠিত সমিতিখনক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে আগন্তুক দিনত এই সমিতিখনে শক্তিশালীভাৱে কাম কৰিব বুলি আশা প্ৰকাশ কৰে। নলবাৰী জিলা প্ৰজ্ঞা ফাউণ্ডেছনৰ কোষাধ্যক্ষ অভিজিৎ বৰ্মন, প্ৰচাৰ বিভাগৰ (সংবাদ মাধ্যম) দ্বিজেন ডেকা,সামাজিক মাধ্যমৰ জিন্ত শৰ্মা, সদস্য ক্ৰমে ৰাতুল কুমাৰ গোস্বামী, অমৰ কিৰণ, দিগন্ত মিশ্ৰ, গৌতম কাকতি, গকুল মহন্ত, অৰূপ শৰ্মা, ৰাতুল কুমাৰ গোস্বামী আদিয়ে অংশগ্ৰহণ কৰে।

# বহিঃৰাজ্যত কাম কৰিবলৈ গৈ নিৰুদ্দেশ মাৰ্ঘেৰিটাৰ যুৱক

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাৰ্ঘেৰিটা, ২৮ জুলাই ঃ** পুনৰ বহিঃৰাজ্যত কাম কৰিবলৈ গৈ নিৰুদ্দেশ হ'ল মাৰ্ঘেৰিটা এজন যুৱক। মাৰ্ঘেৰিটা ষ্টেচন পাৰা নিৱাসী চন্দ্ৰ শেশৰ শৰ্মাৰ পুত্ৰ বিশাল শৰ্মা(২০) যোৱা শনিবাৰৰ পুৰণা দিল্লী পৰা নিৰুদ্দেশ হয়। জানিব পৰা অনুসৰি যোৱা ফেব্ৰুৱাৰী মাহত বিশাল মাৰ্ঘেৰিটাৰ পৰা কৰ্মসূত্ৰে পাঞ্জাৱলৈ গৈছিল আৰু লুধিয়ানত এটা প্ৰতিষ্ঠানত নিয়োজিত হৈ আছিল। কিন্তু যোৱা শুকুৰবাৰে অসম তথা ঘৰলৈ আহিবলৈ বুলি ৰে'লযোগে দিল্লীলৈ যাত্ৰ কৰিছিল। পুৰণা



দিল্লীত উপস্থিত হৈয়ে লগৰীয়াৰ মোবাইল ফোন যোগে পৰিয়ালৰ লগত যোগাযোগ কৰে আৰু অসম আহিব বুলি অৱগত কৰে। ইয়াৰ পিছৰে পৰা যুৱকজনৰ লগত পৰিয়ালৰ যোগাযোগ নাইকিয়া হৈ পৰে। পৰিয়ালৰ লোকে বহু খবৰ খাতি কৰিও যুৱকজনৰ লগত যোগাযোগ কৰিব নোৱাৰাত যুৱকজনৰ চিন্তাত উদ্বিগ্ন হৈ পৰিছে। কোনো লোকে যুৱকজনৰ কিবা সন্ধান পালে ওচৰৰ আৰক্ষী থানাত নাইবা ৯১৬০০৩৯১০০৭১ নম্বৰত যোগাযোগ কৰিবলৈ পৰিয়ালৰ লোকে কাতৰ আহ্বান জনাইছে।

## সন্ধান ওলাল মেৰাপানীৰ পৰা নিৰুদ্দিষ্ট মাতৃ-পুত্ৰৰ

# অপহৰণৰ বিপৰীতে স্বামীগৃহৰ নিৰ্যাতনৰ সন্মুখীন হৈ ঘৰ এৰিছিল মুনু বৰাই

**দৈনন্দিন বাৰ্তাৰ সেৱা, মেৰাপানী, ২৮ জুলাই ঃ** গোলাঘাট জিলাৰ বৰুৱাগাঁও চকৰধৰাৰ এগৰাকী বিবাহিতা মহিলাক পুত্ৰসহ অপহৰণ কৰা ঘটনাৰ এক নতুন মুৰ লৈছে। অৱশেষত সন্ধান ওলাল অপহৰণ হোৱা বিজয় কোঁৱৰ নামৰ ব্যক্তি জনৰ পত্নী মুনু বৰা কোঁৱৰৰ। যোৱা ১০ জুলাইত মেৰাপানীৰ বাৰীচোৱাৰ নিজ পিতৃ গৃহলৈ আহি অপহৃতা হোৱা বুলি অভিযোগ অনা স্বামী বিজয় কোঁৱৰৰ অভিযোগৰ বিপৰীতে স্বামী বিজয় কোঁৱৰে পত্নীক নিৰ্যাতন চলোৱাৰ অভিযোগ মুনু বৰা কোঁৱৰৰ। স্বামীগৃহৰ নিৰ্যাতন সহ্য কৰিব নোৱাৰি পুত্ৰসহ ঘৰ এৰি আঁতৰি যোৱা বুলি ভিডিঅ' প্ৰেৰণ নিৰুদ্দিষ্ট মহিলাৰ। সাংবাদিকলৈ প্ৰেৰণ কৰা ভিডিঅ'ত বিজয় কোঁৱৰ তথা তেওঁৰ পৰিয়ালে মুনুক দীৰ্ঘদিন ধৰি শাৰীৰিক, মানসিক নিৰ্যাতন চলাই আহিছিল বুলি অভিযোগ তুলিছে। ইফালে মুনু বৰা কোঁৱৰক অপহৰণৰ ঘটনাত কোনো কাৰণতেই জড়িত নহয় বুলি স্পষ্ট কৰিছে মুকুট বৰা নামৰ ব্যক্তি জনে। সংবাদ মাধ্যমৰ আগত বিজয় কোঁৱৰে মুকুট বৰাক অপহৰণকাৰী বুলি মিছা অপবাদ জাপি দিয়াৰ পাছতেই বহিঃৰাজ্যত কৰ্মৰত অৱস্থাৰ পৰাই নিজ গৃহত উপস্থিত হৈছেহি মুকুট বৰা। অপহৰণ অথবা পলোৱাই নিয়া ঘটনাৰ সন্দৰ্ভত মুকুট বৰা কোনো কাৰণতেই জড়িত নহয় বুলি মন্তব্য কৰাৰ লগতে মুকুট বৰাৰ তিনিগৰাকী পত্নী থকা কথাটো ভিত্তিহীন বুলি অভিহিত কৰিছে। ইফালে মুনু বৰা কোঁৱৰৰ পিতৃয়েও তেওঁৰ কন্যা অপহৃতা হোৱা নাই বুলি অৱগত কৰিছে। মুনুৰ পিতৃয়ে জানিবলৈ দিয়া মতে, জোৱায়েক বিজয় কোঁৱৰে তেওঁৰ কন্যা মুনুক নিৰ্যাতন চলাই অহাৰ পৰিপেক্ষিততি পিতৃয়ে মুনুক নিজ গৃহলৈ আনি বিজয় কোঁৱৰৰ পৰিয়ালৰ আঠ গৰাকী সদস্যৰ বিৰুদ্ধে বোৱাৰী নিৰ্যাতন সম্পৰ্কীয় গোচৰ তৰিছিল আৰু সেই গোচৰ বৰ্তমানেও আদালতত চলি আছে। বিজয়ে শহুৰেকক আদালতৰ পৰা গোচৰ উঠাই ল'বলৈ ভাবুকি প্ৰদান কৰি আহিছিল আৰু সকলো গোচৰ প্ৰত্যাহাৰ নকৰাৰ বাবেই তেওঁৰ কন্যা মুনুৰ ওপৰত মিছা অপবাদ যাপি বদনামী কৰাৰ ষড়যন্তত লিপ্ত হোৱা বুলি প্ৰতিঅভিযোগ কৰিছে। সম্প্ৰতি এই ঘটনাক লৈ বৰ্তমানেও অঞ্চলটোত চাঞ্চল্য অব্যাহত আছে।

# মাণিকপুৰৰ নাম্বাৰপাৰাত লক্ষাধিক টকাৰ মাছ নিধন, ৰামটাঙোন পৰিছে মীনপালক মুতালেপ মিঞাৰ মূৰত

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাণিকপুৰ, ২৮ জুলাই ঃ** বঙাইগাঁও জিলাৰ মাণিকপুৰ আৰক্ষী চকীৰ আন্তৰ্গত নাম্বাৰপাৰা তৃতীয় খণ্ড গাঁৱৰ আব্দুল খালেকৰ পুত্ৰ মুতালেপ মিঞাৰ পুখুৰীত লক্ষাধিক টকাৰ মাছ নিধন বিষ দিয়াৰ ফলত মাছৰ মৃত্যু হোৱা বুলি সন্দেহ কৰিছে। কিন্তু পানীত অক্সিজেন কম হোৱাৰ বাবে মৃত্যু হোৱা বুলি বহুতে সন্দেহ কৰিছে। মীন পালক মুতালেপ মিঞাই জানিব দিয়া মতে পাঁচটাকৈ পুখুৰীত মাছ



হোৱাত অঞ্চলব্যাপী প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। জানিব পৰা মতে যোৱা দুদিনে মুতালেপ মিঞাই ভাড়া লোৱা পুখুৰীত মাছৰ মৃত্যু হোৱাৰ লগতে উপঙি উঠে। বিভিন্ন ঔষধ ব্যৱহাৰ কৰি মাছসমূহ ৰখা কৰিবলৈ চেষ্টা কৰে যদিও লক্ষাধিক টকাৰ মাছ মৰি যায়। কোনো দুষ্ট চক্ৰই পুহিছিল যদিও চাৰিটাকৈ পুখুৰীৰ মাছ বানপানীত গুচি যায়। এটা পুখুৰীত মাছ আছিল। তাতে ভুতৰ ওপৰত দানহ পৰাদি লক্ষাধিক টকাৰ মাছ নিধন হোৱাত চকুপানী টুকিবলগীয়া হৈছে। চৰকাৰক সাহায্য কৰাৰ দাবী জনাইছে স্থানীয় ৰাইজে।

# খোলাবান্ধা চৰত দুই সন্তানৰ মাতৃৰ ৰহস্যজনক আত্মহত্যা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ২৮ জুলাই ঃ** চেঙা সমষ্টিৰ কাছুমাৰা আৰক্ষী থানাৰ অন্তৰ্গত খোলাবান্ধাচৰত সংঘটিত হৈছে এক চাঞ্চল্যকৰ আত্মহত্যাৰ ঘটনা। জানিব পৰা মতে আজি পুৱাই খোলাবান্ধা গাঁৱৰ বাসিন্দা আছৰুদ্দিনৰ পত্নী আন্না খাতুন (২৬) নামৰ বিবাহিতা মহিলাগৰাকীয়ে নিজ ঘৰতে ৰহস্যজনকভাৱে আত্মহত্যা কৰে। পৰিয়ালৰ লোকে বোৱাৰীগৰাকীক ঘৰৰ ভিতৰতে চিপ লৈ থকা অৱস্থাত প্ৰত্যক্ষ কৰি হুৱা-দুৱা লগায়। পিছত ঘটনাস্থলীত বহু লোকৰ সমাগম ঘটাত স্থানীয় লোকে আৰক্ষীক খবৰ দিয়াত ঘটনাস্থলীত আৰক্ষীৰ এটি দল উপস্থিত হৈ পৰিস্থিতিৰ বুজ লোৱাৰ লগতে চিপ লোৱা অৱস্থাত বোৱাৰীগৰাকীক আৰক্ষীয়ে উদ্ধাৰ কৰি থানাত আনি মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে বৰপেটা ফখৰুদ্দিন আলি আহমেদ মেডিকেল কলেজলৈ প্ৰেৰণ কৰিছে। দুই সন্তানৰ মাতৃৰ এনে ৰহস্যজনক আত্মহত্যাৰ ঘটনাই সমগ্ৰ অঞ্চলটোতে চাঞ্চল্যৰ সৃষ্টি কৰিছে।

# ৰাশিফলত আজিৰ দিনটো

**১২ শাওণ, শুকুৰবাৰ, ২৯ জুলাই, ১৪২৯ ভাস্কৰাব্দ**
**তিথি ঃ শুক্লা প্ৰতিপদ, নক্ষত্ৰ ঃ পুষ্যা, ৰাশি ঃ কৰ্কট**
**সূৰ্যোদয়- ৪-৫০-১৬ সূৰ্যাস্ত- ৬-৯-১২**



■ **মেষ ঃ** হাঁহি-ধেমালিৰে দিনটো ■ **বৃষ ঃ** প্ৰেমৰ সন্ধানত ব্যস্ত ■ **মিথুন ঃ** নতুন প্ৰেৰণা লাভ ■ **কৰ্কট ঃ** পুত্ৰৰ পৰা সুখবৰ ■ **সিংহ ঃ** আৰম্ভণি সুকলমে ■ **কন্যা ঃ** মানসিক দিশ উন্নত ■ **তুলা ঃ** ভক্তিভাব বাঢ়িব ■ **বৃশ্চিক ঃ** শৰীৰ সম্পৰ্কে সচেতন হ'ব ■ **ধনু ঃ** দাম্পত্য সুখ বৃদ্ধি ■ **মকৰ ঃ** নতুন প্ৰেমত আনন্দ ■ **কুম্ভ ঃ** ছাত্ৰ-ছাত্ৰীৰ সুনাম ■ **মীন ঃ** ৰাইজৰ লগত

জাতি, মাটি আৰু দেশৰ সেৱাত
# দৈনন্দিন বাৰ্তা
২৯ জুলাই, ২০২২ ■ শুকুৰবাৰ ■ ১২ শাওণ, ১৯৪৪ শক


## বৰুৱা বালিঝাৰ ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসক ডাঃ জিতেন কুমাৰ ভট্টাচাৰ্য, ডাঃ তুষাৰ দাসক সম্বৰ্ধনা



**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২৮ জুলাই ঃ** কামৰূপ জিলাৰ বকো বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰুৱা বালিঝাৰ ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ জ্যেষ্ঠ আয়ুৰ্বেদিক স্বাস্থ্য বিষয়া ডাঃ জিতেন কুমাৰ ভট্টাচাৰ্য আৰু ডাঃ তুষাৰ দাসক আজি উষ্ণ আদৰণি জনোৱা হয়। জানিব পৰা মতে বৰুৱা বালিঝাৰ অঞ্চলৰ এক মাত্ৰ চিকিৎসালয় বৰুৱা বালিঝাৰ ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ। দক্ষিণ কামৰূপ জিলাৰ অতি কৈ পিছপৰা অঞ্চল এই বৰুৱা বালিঝাৰ। স্বাধীনতাৰ পিছৰে পৰা এই অঞ্চলৰ জনসাধাৰণে চিকিৎসাৰ ক্ষেত্ৰত, শিক্ষাৰ ক্ষেত্ৰত, যাতায়াতৰ ক্ষেত্ৰত ভুগি আহিছে যমৰ যাতনা। অৱশেষত অঞ্চলটোৰ ৰাইজে এখন চিকিৎসালয় পালে যদি পোৱা নাছিল এজন ভাল চিকিৎসক। নাই তাৎকালীন সেৱা, জি এন এম নাৰ্ছ, উল্লেখ্য যে চিকিৎসাৰ ক্ষেত্ৰত শূন্য সহনশীলতা গ্ৰহণ কৰা বিজেপি নেতৃত্বাধীন চৰকাৰে চিকিৎসালয়খনত দুজনকৈ চিকিৎসক নিযুক্তি দিয়াত অঞ্চলটোৰ এক উল্লেখযোগ্য সমস্যা সমাধান হয়। আজি চিকিৎস্যকদ্বয়ক অঞ্চলবাসীৰ লগতে বৰুৱা আঞ্চলিক যুৱক সংঘ, বৰুৱা বালিঝাৰ বজাৰ পৰিচালনা সমিতি, আৰু দেশী জনগোষ্ঠীয় মঞ্চ, অসমৰ বৰুৱা আঞ্চলিক সমিতিৰ এটা সজাতি দলে চিকিৎসালয়ত উপস্থিত হৈ সম্বোৰ্ধনা জনায়। লগতে চিকিৎস্যালয়খনৰ পৰা উঠাই লৈ যোৱা এমবিবিএছ চিকিৎসকৰ পদটো পুনৰ বাহাল ৰখাৰ বাবে চৰকাৰৰ ওচৰত দাবী জনায়। উক্ত সম্বৰ্ধনা অনুষ্ঠানত অংশগ্ৰহণ কৰে বৰুৱা বালিঝাৰ বজাৰ পৰিচালনা সমিতিৰ সভাপতি আক্ৰাম হুছেইন, সম্পাদক ইমাৰ আলী, দেশী জনগোষ্ঠীয় মঞ্চ, অসমৰ বৰুৱা আঞ্চলিক সমিতিৰ সভাপতি ছামাদ আলী, সাধাৰণ সম্পাদক এজাৰ হুছেইন, দেশী জনগোষ্ঠীয় মঞ্চ, অসমৰ প্ৰাক্তন কেন্দ্ৰীয় সাধাৰণ সম্পাদক স্বাহজালাল আহমেদ, হজৰত আলী (আঞ্চলিক পঞ্চায়ত সদস্য) আব্দুল আজিজ, তাইজুদ্দিন আহমেদ, জৰিফ আলী, তৈয়ব আলী, কেৰামত আলী, গাজী ৰহমান, মজমূল হক, কুসুম উদ্দিন, সমেজুদ্দিন, আজিজুল, ছতিয়াৰ ছামছুল, জাকিৰ, ৰছিদুল, ওৱাৰ আলী, ছপিয়াৰ উপৰিও অঞ্চলটোৰ সচেতন ব্যক্তিসকলে।

## গোৱালপাৰাত দুই নম্বৰী ম’বিল ফেক্টৰী উৎখাত

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোৱালপাৰা, ২৮ জুলাই ঃ** গোৱালপাৰাখন হৈ পৰিছে এতিয়া নকল ব্যৱসায়ীৰ স্থলী। গোৱালপাৰাত দিনক দিনে বৃদ্ধি পাইছে অপৰাধ জনীত ঘটনা, মন কৰিবলগীয়া কথা যে একাংশ দুস্কৃতিকাৰীয়ে গোৱালপাৰাখনক অপৰাধৰ ঘাটি বনাবলৈ বিচাৰি আহিছে যদিও আৰক্ষী-প্ৰশাসনেও কিন্তু সিমানেই সন্তম হোৱা পৰিলক্ষিত হৈছে, যোৱা নিশা গোৱালপাৰা চহৰৰ কিচমৎপুৰত গোপন সূত্ৰৰ পম খেদি গোৱালপাৰা সদৰ আৰক্ষী বিষয়া দেৱজিৎ দাসৰ নেতৃত্বত আৰক্ষীৰ এটা সজাতি দলে উক্ত অঞ্চলটোত চলায় এক অভিযান, আৰক্ষীৰ অভিযান কালত ওলাই পৰে জোলঙাৰ মেকুৰী। কিচমৎপুৰৰ মনোৱাৰ হুচেইন নামৰ এজন ব্যাক্তিৰ ঘৰতে প্ৰস্তুত কৰা হয় দুই নম্বৰী জালি মবিল। ফেক্টৰীত কাম কৰি থকা অৱস্থাতে আৰক্ষীৱে আটক কৰে দুইজন যুৱকক। আটকাধীন যুৱক দুজনৰ নাম ক্ৰমে- আৰৱাজ হুচেইন আৰু ইব্ৰাহীম হুচেইন। যুৱক দুজনৰ ভিতৰত এজন হৈছে ঘৰ মালিক মনোৱাৰ হুছেইনৰ পুত্ৰ আৰু আনজন জোঁৱাই। দীৰ্ঘদিনৰ পৰাই মনোৱাৰ হুছেইনে ঘৰতে নামী দামী কোম্পানীৰ লেবেল লগাই প্ৰস্তুত কৰি আহিছিল দুইনম্বৰী মবিল। কেষ্ট্ৰল, বাজাজ, জি টি এ’ আদি নামৰ লেবেল ব্যৱহাৰ কৰি বজাৰত মেলি দিছিল এই জালি মবিলসমূহ। অৱশেষত যোৱা নিশা আৰক্ষীয়ে গোপন সূত্ৰত ভিত্তিত অভিযান চলাই দুই নম্বৰী মবিল ফেক্টৰীটো উৎখাত কৰাৰ লগতে দুয়োজনক আটক কৰে। গোৱালপাৰা জিলাৰ উপ-আৰক্ষী অধীক্ষক অনুৰাগ শৰ্মাই জনায় যে কালি সন্ধিয়াৰ পৰাই আৰাম্ভ কৰিছিল এক অভিযান আৰু এই অভিযানৰ অন্তত নিশা প্ৰায় ৯ মান বজাত উক্ত মবিলৰ ঘাটিটো উৎখাত কৰিবলৈ সক্ষম হয়, মবিলৰ ঘাটিটোৰ লগত জড়িত থকা এজনো সাৰি যাব নোৱাৰে বুলি উপ আৰক্ষী অধীক্ষক শৰ্মাই জনায়, লগতে শৰ্মাই জনায় ঘাটিটোৰ পৰা উল্লেখ কৰা সকলো সামগ্ৰী জব্দ কৰা হৈছে। উল্লেখ্য যে এই অভিযান কালত সদৰ আৰক্ষী বিষয়া দাসক সহযোগ কৰে গোৱালপাৰা নগৰ আৰক্ষী বিষয়া নিপু মনি চৌধুৰীয়ে।

## বিনায়ক ৰাও কানেটকাৰলৈ শ্ৰদ্ধাঞ্জলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৮ জুলাই ঃ** ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ কাৰ্যালয় ‘সুদৰ্শনালয়’ৰ কৰ্মযোগী গৌৰীশংকৰ চক্ৰৱৰ্তী সভাগৃহত আজি আবেলি ৫ বজাত সংঘৰ জ্যেষ্ঠ প্ৰচাৰক প্ৰয়াত বিনায়কৰাও কানেটকাৰ দেৱৰ সোঁৱাৰণত এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ গুৱাহাটী মহানগৰৰ উদ্যোগত আয়োজিত কৰা অনুষ্ঠানত প্ৰায় ৪০০ সংখ্যক অনুৰাগী, গুণমুগ্ধ তথা সহকৰ্মীৰ উপস্থিতিত প্ৰয়াত বিনায়কৰাও কানেটকাৰ দেৱৰ কৰ্মৰাজি, অৱদান অসম তথা দেশমাতৃৰ প্ৰতি আগবঢ়োৱা সেৱাৰ বিষয়ে সোঁৱাৰণ কৰে। উক্ত স্মৃতিচাৰণ সভা বন্তিপ্ৰজ্জ্বলন আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপনেৰে আৰম্ভ হয়। প্ৰয়াত বিনায়কজীৰ সান্নিধ্যৰ স্মৃতিতবক্তব্য ৰাখে ৰাষ্ট্ৰীয় স্বয়মসেৱক সংঘৰ জ্যেষ্ঠ প্ৰচাৰক মাননীয় শশীকান্ত চৌখাইৱালে, অসম ক্ষেত্ৰৰ মাননীয় সংঘচালক ডঃ উমেশ চক্ৰৱৰ্তী আৰু গুৱাহাটী মহানগৰ সংঘচালক মাননীয় গুৰুপ্ৰসাদ মেধিয়ে। ইয়াৰ পিছত ধন্যবাদ সূচক বক্তব্য আগবঢ়ায় স্মৃতিচাৰণ সভাৰ সভাপতি বশিষ্ঠ ৰাম ডেকাই। পূৰ্ণতা মন্ত্ৰ আৰু উপস্থিত ৰাইজৰ শ্ৰদ্ধাঞ্জলি প্ৰদানৰ দ্বাৰা স্মৃতিচাৰণ সভাৰ অন্ত পৰে। সভাত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ বিভিন্ন দায়িত্ব নিৰ্বাহ কৰি থকা তথা বহু স্বয়মসেৱক, গুণমুগ্ধ, সংঘৰ আদৰ্শত সহমত পোষণ কৰা বিভিন্ন অনুষ্ঠান, সংগঠনৰ কাৰ্যকৰ্তাও ব্যাপক হাৰত উপস্থিত থাকে। অনুষ্ঠানৰ ভিন্ন কাৰ্যসূচীৰ মাজে মাজে পৰিবেশন কৰা সংস্কৃত শ্লোক, ঘোষাপাঠ আদিয়ে গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিৰ গভীৰতা বহুলাংশে বৃদ্ধি কৰে।

# স্বীকৃতি লাভৰ আশাত বন্দী এগৰাকী কৰ্মোদ্যমী শিক্ষা বিষয়া

# ৰাষ্ট্ৰীয় বঁটা-মুখ্যমন্ত্ৰীৰ কৰ্মশ্ৰী বঁটাৰে সন্মানিত শিক্ষা বিষয়া নৃপেন দাস প্ৰাপ্যৰ পৰা বঞ্চিত হোৱাৰ অভিযোগ

### ষড়যন্ত্ৰৰ বলি হ’ল নেকি বিষয়াগৰাকী ? উদ্বিগ্ন শিক্ষা সচেতন মহল

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২৮ জুলাই ঃ** ৰাজ্যৰ শিক্ষা ক্ষেত্ৰত অনবদ্য সেৱা আগবঢ়োৱা এগৰাকী শিক্ষা বিষয়াই নিজৰ প্ৰাপ্য আসন লাভৰ পৰা বঞ্চিত হোৱাৰ অভিযোগ উঠিছে। শিক্ষা বিভাগৰ সৈতে জড়িত প্ৰায় প্ৰতিগৰাকী ব্যক্তিৰ মাজতে জনপ্ৰিয় বিষয়া হিচাবে পৰিচিত নৃপেন দাসে আজি নিজৰ অস্তিত্ব ৰক্ষাৰ বাবে কৰিবলগীয়া হৈছে সংগ্ৰাম। প্ৰাপ্ত বাতৰি মতে, শিক্ষাৰ ক্ষেত্ৰত পিচ পৰা জিলা কামৰূপ, গোৱালপাৰা আৰু দৰঙত বিদ্যালয়সমূহৰ পৰিদৰ্শক আৰু জিলা প্ৰাথমিক শিক্ষা বিষয়া হৈ থকা সময়ত নৃপেন দাসে তেওঁৰ কৰ্মস্পৃহা, নিজ কৰ্তব্য, নিষ্ঠা-সততা আৰু শৈক্ষিক উত্তৰণৰ ক্ষেত্ৰত গ্ৰহণ কৰা ব্যতিক্ৰমী পদক্ষেপৰ বাবে শিক্ষা বিভাগৰ লগত জড়িত সকলোৰে প্ৰেৰণা হৈ থিয় দিছিল। নিত্য নতুন চিন্তাৰে, বিজ্ঞানসন্মত নতুন উদ্ভাৱনীৰে শিক্ষা ব্যৱস্থাটোক অধিক কাৰ্যক্ষম কৰি তুলিবলৈ তেওঁৰ অধ্যয়নপুষ্ট গৱেষণালব্ধ চিন্তাৰ বাবে সকলোৰে উৎসাহিত হৈ আহিছিল। জিলা পৰ্যায়ৰ বিষয়া হিচাপে তেওঁৰ সফলতাৰ দিশটো শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত থকা তেওঁৰ জনপ্ৰিয়তাই প্ৰতীয়মান কৰি আহিছিল। যি সময়ত এচাম উচ্চ পৰ্যায়ৰ বিষয়াসকল কেৱল মাত্ৰ প্ৰশাসনিক দিশটোক লৈয়েই ব্যস্ত হৈ থাকে, ঠিক তেনে সময়তে বিশেষ ব্যক্তিত্বৰ অধিকাৰী বিষয়া নৃপেন দাসে ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰ লগতে বিদ্যালয় পৰিচালনা সমিতিসমূহৰ লগত এক সু-সম্পৰ্ক ৰক্ষা কৰি এজন দক্ষ আৰু সফল জিলা শিক্ষা বিষয়া আৰু বিদ্যালয়সমূহৰ পৰিদৰ্শক হিচাপে তেওঁ যথেষ্ট সুনাম আৰ্জিবলৈ সক্ষম হৈছিল। উল্লেখ্য অতি পিছপৰা Aspirational District হিচাপে চিহ্নিত গোৱালপাৰা জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ দায়িত্ব লৈ লকডাউনৰ সময়ছোৱাতো বিষয়াগৰাকীয়ে শিক্ষক- শিক্ষয়িত্ৰীসকলক লৈ ছাত্ৰ-ছাত্ৰীৰ ঘৰে ঘৰে গৈ ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলক লগ কৰি শিক্ষা প্ৰদান কৰিছিল। জিলাখনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাক উদ্বুদ্ধ কৰিবলৈ স্থান লাভ কৰা প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীলৈ তেওঁ ব্যক্তিগতভাৱে ‘সোণৰ পদক’ প্ৰদান কৰিব বুলি কৰা ঘোষণাত অনুপ্ৰাণিত হৈ তেওঁৰ কাৰ্যকালত গোৱালপাৰাৰ তিনিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাত স্থান লাভ কৰিবলৈ সক্ষম হয় আৰু ‘সোণৰ পদক’ লাভ কৰে। লগতে সেই একেবছৰতে জিলাখনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ উত্তীৰ্ণৰ হাৰ ৩ পৰা ৫৮ শতাংশলৈ বৃদ্ধি পায়। পিচে শিক্ষাকেই নিজৰ জীৱনৰ ব্ৰত ‘মানি লোৱা এনে এগৰাকী’ শিক্ষা বিষয়াই ভাৰতবৰ্ষৰ শিক্ষা ক্ষেত্ৰত নৱ চিন্তাৰ উদ্ভাৱনেৰে এক উল্লেখযোগ্য অৱদান আগবঢ়াই অসমক ভাৰতবৰ্ষৰ বুকুত উজলাই তুলিছিল সেই গৰাকী বিষয়াই আজি নিজা কৰ্মক্ষেত্ৰতেই প্ৰাপ্যৰপৰা বঞ্চিত হোৱাৰ গুৰুতৰ অভিযোগ উঠিছে। বৰ্তমান প্ৰাথমিক শিক্ষা সঞ্চালকালয়ত অতিৰিক্ত সঞ্চালক হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা নৃপেন দাসে ৰাজনৈতিক ষড়যন্ত্ৰতেই হওক বা অন্য কোনোবা কাৰণতেই হওক শেহতীয়াকৈ দুখজনকভাৱে বঞ্চিত হৈ আছে নিজৰ কৰ্মদক্ষতাৰ বাবে বিভাগীয়ভাৱে লাভ কৰিবলগীয়া স্বীকৃতিৰ। যাৰ ফলত বাৰুকৈয়ে উদ্বিগ্নতা প্ৰকাশ কৰিছে ৰাজ্যৰ শিক্ষা সচেতন মহলে। মন কৰিবলগীয়া, ৰাষ্ট্ৰীয় বঁটা আৰু মুখ্যমন্ত্ৰীৰ কৰ্মশ্ৰী বঁটাৰে সন্মানিত বিষয়া গৰাকীৰ অৱসৰলৈ মাত্ৰ ছমাহ সময় বাকী থকা অৱস্থাত অসমৰ শিক্ষাৰ দ্ৰুত উত্তৰণৰ স্বাৰ্থত অসমৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে সমূহ শিক্ষা সচেতন সমাজে চৰকাৰৰ ওচৰত বিষয়া গৰাকীৰ পদোন্নতি দাবী কৰিছে।

**হাইড্ৰেন্ট পাইপ আৰু ভেলভৰ বাৰ্ষিক তত্ত্বাৱধানৰ ঠিকা**

ই-নিবিদা জাননী নংঃ মেক-এলএমজি-ইটি-০১-২০২২-২৩; তাৰিখঃ ১৪-০৭-২০২২। নিম্নলিখিত কামৰ বাবে নিম্নস্বাক্ষৰকাৰীৰ দ্বাৰা ই-নিবিদা আহ্বান কৰা হৈছে। **কামৰ নামঃ** (০২) দুই বছৰ সময়সীমাৰ বাবে লামডিং ষ্টেচনত কোচচ ৱাটাৰিং চিষ্টেমৰ হাইড্ৰেন্ট পাইপ আৰু ভেলভৰ বাৰ্ষিক তত্ত্বাৱধানৰ ঠিকা। নিবিদা মূল্যঃ ৩৮,০৭,২২৮.০০ টকা; আমানত ধনঃ ৭৬,২০০.০০ টকা। **ই-নিবিদা বন্ধ কৰা হ’ব** ১৬-০৮-২০২২ তাৰিখৰ ১৩.০০ ঘণ্টাত। উল্লিখিত ই-নিবিদাৰ নিবিদা নথি-পত্ৰৰ সৈতে সম্পূৰ্ণ তথ্য ৱেবছাইট www.ireps.gov.in-ত উপলব্ধ হ’ব।
চিনিয়ৰ ডিএমই, লামডিং
**উত্তৰ পূব সীমান্ত ৰেলৱে**
হাঁহিমুখে গ্ৰাহকলৈ সেৱা

**NEMCARE Group of Institutions**
Approved By: HFW Govt. of Assam, AICTE, PCI and INC Govt. of India, and IMA
Affiliated to: SSUHS, Govt. of Asssam, ASTU Govt. of Assam, ANC Govt of Assam
ADMISSION OPEN FOR 2022-23
OUR COURSES
❖ B Pharm ❖ BSc Nursing
❖ D Pharm ❖ GNM
❖ B Pharm (Lateral)
❖ Master in Hospital Administration
CALL NOW FOR MORE INFORMATION
*Special Scholarship Available
Education Loan Facilities Available
98540 07355 98540 07356
www.ngiguwahati.in
info@ngiguwahati.in
Campus: NH-37, Santipur, Mirza, Kamrup Asssam-781125
*T&C applicable




*গুৱাহাটী প্ৰেছ ক্লাবত জি এম এ নিউজ (ভলুম-১০) মুকলি কৰিছে অসম সাহিত্য সভাৰ সভাপতি কুলধৰ শইকীয়াৰ লগতে অন্যান্য গণ্যমান্য ব্যক্তিসকলে, বৃহস্পতিবাৰে*

## আয়ুৰ্বেদিক চিকিৎসা সংস্থাৰ বিনামূলীয়া চিকিৎসা শিবিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, আমিনগাঁও, ২৮ জুলাই ঃ** আজি চাংসাৰি মলং প্ৰাথমিক বিদ্যালয়ত বানপীড়িত ৰাইজৰ সুবিধাৰ্থে এক বিনামূলীয়া স্বাস্থ্য শিৱিৰ অনুষ্ঠিত হয়। আয়ুৰ্বেদিক চিকিৎসা সংস্থা আৰু মলং ন-জোৱান সংঘৰ সহযোগত আয়োজন কৰা উক্ত চিকিৎসা শিৱিৰত বিশিষ্ট অতিথি হিচাপে মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰী, মুখ্যমন্ত্ৰীৰ ব্যক্তিগত সহায়ক প্ৰাণজিত ডেকা, যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ গুণিন্দ্ৰ দেৱ শৰ্মা, মহকুমা চিকিৎসা বিষয়া, উত্তৰ গুৱাহাটী প্ৰাথমিক চিকিৎলয়ৰ চিকিৎসক ডাঃ মুনিন্দ্ৰ চমুৱা, আয়ুৰ্বেদিক চিকিৎসা সন্থাৰ সভাপতি ডাঃ অৰবিন্দ দাস প্ৰমুখ্যে অন্যান্য গণ্য-মান্য ব্যক্তি সকল উপস্থিত থাকে। উক্ত শিৱিৰত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীয়ে আয়ুৰ্বেদিক চিকিৎসা সন্থাৰ দ্বাৰা লোৱা এই প্ৰচেষ্টাৰ শলাগ লয় আৰু ভৱিষ্যতৰ সময়তো এনেধৰণৰ স্বাস্থ্য শিৱিৰ অনুষ্ঠিত কৰি আৰ্তজনক সহায় কৰিব বুলি আশা প্ৰকাশ কৰে। বানপীড়িত আৰু দুখীয়া ৰাইজৰ সুবিধাৰ্থে আয়ুৰ্বেদিক চিকিৎসা সংস্থাই বিগত দিনবোৰত অসমৰ বিভিন্ন জিলাৰ লগতে মুখ্যমন্ত্ৰীৰ গৃহ সমষ্টি জালুকবাৰীৰ বেজেৰা, মলং আদি ভিতৰুৱা অঞ্চলসমূহত এনে শিৱিৰ অনুষ্ঠিত কৰি চিকিৎসাৰ লগতে স্বাস্থ্যজনিত সজাগতা সৃষ্টিত উদ্যোগ লৈ আহিছে। যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ গুণিন্দ্ৰ নাথ দেৱ শৰ্মাই দ্বাৰ মুকলি কৰা শিৱিৰটোত প্ৰায় ২০ জনৰো অধিক মেডিচিন, প্ৰসূতি আৰু স্ত্ৰীৰোগ বিভাগ, চকু, নাক-কাণ-ডিঙি, শল্য, দন্ত, শিশুৰোগ, বাৰ্ধক্যজনিত ৰোগৰ বিশেষজ্ঞ চিকিৎসকে সেৱা আগবঢ়োৱাৰ উপৰি প্ৰায় ৫২০ গৰাকী ৰোগীক চিকিৎসা আগবঢ়োৱা হয়।

## ধুবুৰীত একেদিনাই দুজন শিক্ষকৰ মৃত্যুত জামাদাৰহাট আঞ্চলত শোকৰ ছাঁ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ২৮ জুলাই ঃ** আব্দুল খালেক মোল্লা সহকাৰী শিক্ষক, কুশবাৰী মছল্যাবাৰী হাই স্কুল। তেখেতৰ আজি আকস্মিকভাৱে পৰলোক প্ৰাপ্তি ঘটে। তেখেত এগৰাকী দক্ষ আৰু অভিজ্ঞ শিক্ষক আছিল। তেখেত সদৌ অসম প্ৰাথমিক শিক্ষক সন্মিলনীৰ লগত ওতপ্ৰোতভাৱে জড়িত এগৰাকী দক্ষ বিষয়ববীয়া আছিল। তেখেত প্ৰকৃত অৰ্থত এগৰাকী ভদ্ৰ, নম্ৰ আৰু শৈক্ষিকদিশত অভিজ্ঞ শিক্ষাবিদ আছিল। তেখেতৰ আকস্মিক বিয়োগত আইৰকাটা অঞ্চলত শোকৰ ছাঁ পৰিছে। ইয়াৰোপৰি ধুবুৰী জিলাৰ ধূততলা গাঁৱৰ বাসিন্দা তথা গৌৰানণ্টাৰী এল পি স্কুলৰ সহঃ শিক্ষক লালচন আলীৰ (৩৪) বছৰ বয়সত আকস্মিক বিয়োগে সমগ্ৰ অঞ্চলখনত এক শোকৰ ছাঁ বিৰাজ কৰিছে।

**ACPL** ASSAM CARBON PRODUCTS LTD
**আছাম কাৰ্বন প্ৰডাক্ট লিমিটেড**
পঞ্জীয়ন কাৰ্যালয় ঃ বীৰকুছি, গুৱাহাটী, অসম-৭৮১০২৬
চিআইএন ঃ এল ২৩১০১ এএছ ১৯৬৩ পিএলচি ০০১২০৬
ফোন ঃ ০৩৬১ - ২৬৪০২৬২; ফেক্স ঃ ০৩৬১ - ২৬৪০৩৬৮
ই-মেইল ঃ acplghy&ascarbon.com; ৱেবছাইট ঃ www.assamcarbon.in

**৩০ জুন ২০২২ত সমাপ্ত ত্ৰৈমাসিক আন-অডিটেড ষ্টেণ্ডালোন বিত্তীয় ফলাফলসমূহৰ বিৱৰণ**

লাখৰ হিচাপত

| ক্ৰ নং | বিষয়-বস্তু | ত্ৰৈমাসিক সমাপ্তি ৩০-০৬-২০২২ (আন-অডিটেড) | ত্ৰৈমাসিক সমাপ্তি ৩১-০৩-২০২২ (অডিটেড) | বাৰ্ষিক সমাপ্তি ৩০-০৬-২০২১ (আন-অডিটেড) | বাৰ্ষিক সমাপ্তি ৩১-০৩-২০২২ (অডিটেড) |
|---|---|---|---|---|---|
| ১ | লেনদেনৰ পৰা মুঠ আয় | ১,২৮৯ | ১,৪৩৩ | ১,০৭১ | ৫,০৪২ |
| ২ | উক্ত সময়ৰ মুঠ লাভ/(লোকচান) (কৰৰ পূৰ্বে, এক্সেছেপচনেল আৰু/বা এক্সটা অৰ্ডিনেৰী আইটেমছ) | ১৮৭ | ৩১৯ | ১০৮ | ৮৮৩ |
| ৩ | উক্ত সময়ৰ মুঠ লাভ/(লোকচান), কৰৰ পূৰ্বে (পিছত এক্সেছেপচনেল আৰু/বা এক্সটা অৰ্ডিনেৰী আইটেমছ) | ১৮৭ | ৩১৯ | ১০৮ | ৮৮৩ |
| ৪ | উক্ত সময়ৰ মুঠ লাভ/(লোকচান), কৰৰ পিছত (পিছত এক্সেছেপচনেল আৰু/বা এক্সটা অৰ্ডিনেৰী আইটেমছ) | ১২৯ | ২৩৩ | ৭৯ | ৬৩১ |
| ৫ | উক্ত সময়ৰ মুঠ সামগ্ৰীক আয় (সামগ্ৰীক লাভ)/(লোকচান) উক্ত সময়ৰ (কৰৰ পিছত) আৰু অন্যান্য সামগ্ৰীক আয় (কৰৰ পিছত)) | ১২৯ | ২৫৬ | ৭৯ | ৬৫৪ |
| ৬ | ইকুইটি শ্বেয়াৰ কেপিটেল | ২৭৬ | ২৭৬ | ২৭৬ | ২৭৬ |
| ৭ | প্ৰতিটো শ্বেয়াৰৰ পৰা আয় (১০ টকা মূল্যত/প্ৰতিটো) | | | | |
| | বেছিক ঃ | ৪.৬৯ | ৮.৪২ | ২.৮৫ | ২২.৮৮ |
| | ডাইলোটেড ঃ | ৪.৬৯ | ৮.৪২ | ২.৮৫ | ২২.৮৮ |

**টোকা ঃ**
১) উক্ত বিত্তীয় ফলাফলসমূহ অডিট কমিটীয়ে পুনৰীক্ষণ কৰাৰ পিছত কোম্পানীৰ সঞ্চালক মণ্ডলীৰ যোৱা ২৮ জুলাই, ২০২২ তাৰিখে অনুষ্ঠিত বৈঠকত অনুমোদন জনোৱা হৈছে।
২) ছেবি (লিষ্টিং অব্লিগেছনছ এণ্ড ডিছক্লজাৰ ৰিকুৱায়াৰমেনছ) বিধি- ২০১৫ ৰ ভিত্তিত আৰু বিধি-৩৩ ৰ অধীনত ওপৰত উল্লেখ কৰা ত্ৰৈমাসিক/বিত্তীয় ফলাফলসমূহ ষ্টক এক্সছেঞ্জত দাখিল কৰা ধৰণৰ। এইক্ষেত্ৰত ত্ৰৈমাসিক/বিত্তীয় ফলাফলৰ সম্পূৰ্ণ তথ্য উপলব্ধ আছে কোম্পানীৰ ৱেবছাইট www.assamcarbon.in তআৰু কলকাতা ষ্টক এক্সছেঞ্জ লিঃৰ ৱেবছাইট www.cse-india.com ত।
৩) নিৰিখসমূহ পুনৰ সজোৱা আৰু পুনৰ গঠন কৰা হৈছে প্ৰয়োজন সাপেক্ষে। লগতে নিৰিখসমূহ লাখৰ ওচৰত সমাপ্ত কৰা হৈছে।
৪) উক্ত বিত্তীয় ফলাফলসমূহ প্ৰস্তুত কৰা হৈছ কোম্পনীজ (ইণ্ডিয়ান একাউণ্টিং ষ্টেণ্ডাৰ্ড) ৰুলছ-২০১৫ ৰ অধীনত, যেনেদৰে কোম্পানী আইন-২০১৩ ৰ শাখা-১৩৩ ৰ অধীনত ব্যাখ্যা কৰা হৈছে।

অসম কাৰ্বান প্ৰডাক্টছ লিঃৰ হৈ
স্বা/-(কে কে ভট্টাচাৰ্য)
*পৰিচালন সঞ্চালক*
ডিআইএন ঃ ০৭০১১২৪১
কলকাতা
জুলাই ২৮, ২০২২

## কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত ‘দেশভক্তি’ দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, আমিনগাঁও, ২৮ জুলাই ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে আজি কামৰূপ জিলাতো জিলা তথ্য আৰু জনসংযোগ বিভাগ তথা জিলা প্ৰশাসনৰ উদ্যোগত দেশভক্ত তৰুণৰাম ফুকনৰ মৃত্যু দিৱসটি ‘দেশ ভক্তি দিৱস’ হিচাপে পালন কৰা হয়। এই উপলক্ষে কামৰূপ জিলাৰ আমিনগাঁওস্থিত সংহত উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ




অনুষ্ঠানত জিলা উপায়ুক্ত, আৰক্ষী অধীক্ষককে ধৰি জিলা প্ৰশাসনৰ সকলো বিষয়া-কৰ্মচাৰী, আমন্ত্ৰিত বক্তা সকলে দেশভক্ত তৰুণৰাম ফুকনৰ প্ৰতিচ্ছৱিত মল্যাৰ্পণ কৰি স্বাধীনতা সংগ্ৰামী গৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে। কামৰূপ জিলাৰ উপায়ুক্ত কীৰ্তি জল্লীয়ে আৰম্ভণি ভাষণ প্ৰদান কৰা উক্ত অনুষ্ঠানত নিৰ্দ্দিষ্ট বক্তা হিচাপে আমন্ত্ৰিত পূব কামৰূপ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক খগেন্দ্ৰনাথ তালুকদাৰে ‘দেশভক্ত তৰুণৰাম ফুকনৰ দেশপ্ৰেম আৰু স্বাধীনতা সংগ্ৰামত তেখেতৰ অৱদান’ শীৰ্ষক বক্তৃতা প্ৰদান কৰি দেশভক্ত তৰুণৰাম ফুকনৰ দেশপ্ৰেম, স্বাধীনতা আন্দোলনত তেখেতৰ অৱদান, সাহিত্যৰ দিশলৈ আগবঢ়োৱা অৱদান ইত্যাদিৰ অৱলোকনেৰে সাৰগৰ্ভ ভাষণ প্ৰদান কৰে। ভাষণ প্ৰসংগত তেখেতে দেশভক্ত তৰুণৰাম ফুকনক ৰাইজৰ নেতা হিচাপে অভিহিত কৰাৰ লগতে সকলো শ্ৰেণীৰ প্ৰতি থকা তেখেতৰ অনুৰাগৰ বিষয়েও বক্তব্য আগবঢ়ায়। তেখেতে তৰুণৰাম ফুকনক ৰাইজৰ হৃদয়ে হৃদয়ে স্থান লাভ কৰা মহান নেতা বুলিও কয়। বক্তাগৰাকীয়ে লগতে দেশভক্তি দিৱসৰ দিনাখন দেশভক্ত তৰুণৰাম ফুকনৰ জীৱন আৰু অৰিহণাৰ বৰ্ণনাৰে পুস্তিকা প্ৰকাশৰ উদ্যোগ লবলৈ কয় যাতে নৱ প্ৰজন্মই এই গৰাকী নেতাৰ বিষয়ে ভালদৰে অৱগত হোৱাৰ উপৰি তেখেতৰ অকৃত্ৰিম দেশ প্ৰেমৰ আদৰ্শৰে উদ্বুদ্ধ হৈ দেশ সেৱাৰ প্ৰেৰণা লাভ কৰিব পাৰে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি উত্তৰ গুৱাহাটী সাহিত্য সভাৰ সম্পাদক তথা বিশিষ্ট সমাজ কৰ্মী, সাংবাদিক মধুসুধন মেধিয়ে ‘স্বাধীনতা সংগ্ৰাম তথা সাহিত্য জগতলৈ দেশভক্ত তৰুণৰাম ফুকনৰ অৱদান’ শীৰ্ষক বক্তৃতা প্ৰদান কৰি তৰুণৰাম ফুকনৰ সাহিত্যিক অৱদানৰ বিষয়ে ব্যাখ্যা আগবঢ়ায়। তেখেতে লগতে কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈৰ উত্তৰ গুৱাহাটীস্থিত সমাধিস্থলত তেখেতৰ মৃত্যু তিথিৰ দিনটোত অনুষ্ঠান আয়োজনৰ উদ্যোগ ল’বলৈ জিলা প্ৰশাসনক অনুৰোধ জনায়। আজিৰ এই অনুষ্ঠানত কামৰূপ জিলাৰ আৰক্ষী অধীক্ষক হিতেশ চন্দ্ৰ ৰায়, জিলা উন্নয়ন আয়ুক্ত নৰসিং বে, অতিৰিক্ত উপায়ুক্ত ক্ৰমে ধ্ৰুৱজ্যোতি দাস, সিদ্ধাৰ্থ গোস্বামী, কমল বৰুৱা, সুজাতা গগৈ, মুনমী কলিতা, সহকাৰী আয়ুক্ত সকলৰ লগতে জিলা প্ৰশাসন তথা অন্যান্য বিভাগীয় বিষয়া-কৰ্মচাৰীৰ তথা জ্যেষ্ঠ স্থানীয় সাংবাদিকসকল উপস্থিত থাকি দেশভক্ত তৰুণৰাম ফুকনৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে।

**ওৱাৰেন টি লিমিটেড**
পঞ্জীয়ন কাৰ্যালয় ঃ দেওহালি টি ইষ্টেট
পি অ’ ঃ হুগ্ৰীজান, জিলা ঃ তিনিচুকীয়া, অসম-৭৮৬ ৬০১
ফোন ঃ +৯১ ৯৫৩১০ ৪৫০৯৮, চিআইএন ঃ এল ০১১৩২ এএছ ১৯৭৭ পিএলচি ০০১৭০৬, ই-মেইল ঃ corporate@warrentea.com, ৱেবছাইট ঃ www.warrentea.com

**৩০ জুন, ২০২২ত সমাপ্ত ত্ৰৈমাসিক আন-অডিটেড ষ্টেণ্ডালোন আৰু কনচলিডেটেড বিত্তীয় ফলাফলসমূহৰ বিৱৰণ**

(লাখৰ হিচাপত)

| বিষয়-বস্তু | ষ্টেণ্ডালোন | | | কনছলিডেটেড | | |
|---|---|---|---|---|---|---|
| | ত্ৰৈমাসিক সমাপ্তিত ৩০-০৬-২০২২ | বাৰ্ষিক সমাপ্তিত ৩১-০৩-২০২২ | ত্ৰৈমাসিক সমাপ্তিত ৩০-০৬-২০২১ | ত্ৰৈমাসিক সমাপ্তিত ৩০-০৬-২০২২ | বাৰ্ষিক সমাপ্তিত ৩১-০৩-২০২২ | ত্ৰৈমাসিক সমাপ্তিত ৩০-০৬-২০২১ |
| লেনদেনৰ পৰা মুঠ আয় | ১৭৯১ | ১০১২২ | ১৮৭১ | ১৭৯১ | ১০১২২ | ১৮৭১ |
| মুঠ লাভ এক্সেপচনেল আইটেমছ আৰু কৰৰ পূৰ্বে | ১০৫ | ২৯৮ | ৮ | ১০৫ | ২৯৮ | ৮ |
| উক্ত সময়ত মুঠ লাভ পিছত এক্সেপচনেল আইটেমছ আৰু কৰৰ পূৰ্বে | ১০৫ | ৫৩৬ | ৮ | ১০৫ | ৫৩৬ | ৮ |
| উক্ত সময়ৰ মুঠ লাভ কৰৰ পিছত | ১০৫ | ৭১০ | ৮ | ১০৫ | ৭১০ | (৪৭) |
| উক্ত সময়ৰ মুঠ সামগ্ৰীক আয় (মুঠ লাভ উক্ত সময়ৰ (কৰৰ পিছত) আৰু অন্যান্য সামগ্ৰীক আয় (কৰৰ পিছত)) | ১৩০ | ৬২৫ | ১০৮ | ১২৯ | ৬০৩ | ৫৪ |
| ইকুইটি শ্বেয়াৰ কেপিটেল | ১১৯৫ | ১১৯৫ | ১১৯৫ | ১১৯৫ | ১১৯৫ | ১১৯৫ |
| সংৰক্ষণসমূহ পুনৰ মূল্যায়ণৰ বাহিৰে অডিটেড বেলেঞ্চশ্বিটত দেখুৱা ধৰণে | | ৯১৯৪ | | | ৯৮১৯ | |
| প্ৰতিটো শ্বেয়াৰৰ পৰা আয় (১০ টকা মূল্য/প্ৰতিটো) বেচিক আৰু ডায়লোটেড আয় (টকাৰ হিচাপত) | ০.৮৮ | ৫.৯৪ | ০.০৭ | ০.৮৬ | ৫.৪০ | (০.৪০) |

**টোকা ঃ**
উপৰোক্ত তথ্যসমূহ চিকিউৰিটিছ এণ্ড এক্সচেঞ্জ ব’ড’ অব ইণ্ডিয়া (লিষ্টিং অব্লিগেচন এণ্ড ডিছক্লজাৰ ৰিকুৱায়াৰমেনছ) বিধি-২০১৫ ৰ ৰেগুলেচন ৩৩ ৰ অধীনত যোৱা ৩০ জুন ২০২২ ত সমাপ্ত ত্ৰৈমাসিক আন-অডিটেড ষ্টেণ্ডালোন আৰু কনচলিডেটেড বিত্তীয় ফলাফলসমূহৰ বিৱৰণ ষ্টক এক্সচেঞ্জত দাখিল কৰা অনুসৰি। আন-অডিটেড ষ্টেণ্ডালোন আৰু কনচলিডেটেড বিত্তীয় ফলাফলসমূহৰ সম্পূৰ্ণ তথ্য উপলব্ধ আছে ষ্টক এক্সচেঞ্জৰ ৱেবছাইট (www.bseindia.com আৰু www.cse-india.com) আৰু কোম্পানীৰ ৱেবছাইটত।

PRESSMAN
কলকাতা,
২৮ জুলাই, ২০২২
বিনয় কে গোয়েংকা
কাৰ্যবাহী অধ্যক্ষ

দৈনন্দিন বাৰ্তা
জাতি, মাটি আৰু দেশৰ সেৱাত

সম্পাদকীয়
২৯ জুলাই ■ ২০২২ ■ ১২ শাওণ

# ৭৫ বৰ্ষপূৰ্তি স্বাধীনতা দিৱস উপলক্ষে 'হৰ ঘৰ ত্ৰিৰংগা'

১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনা ব্ৰিটিছে সেই সময়ৰ স্বাধীনতা আন্দোলনৰ প্ৰধান দল কংগ্ৰেছৰ হাতত ভাৰত ৰাষ্ট্ৰখনৰ শাসনভাৰ গতাই দিছিল। অৱশ্যে ব্ৰিটিছৰ কূটনৈতিক চক্ৰান্তৰ দেশখন হিন্দুস্তান আৰু পাকিস্তান নামেৰে দুভাগত ভাগ কৰিছিল। শাসনৰ লালসাত গান্ধীজীক একাষৰীয়া কৰি কংগ্ৰেছ দলটো দুটা ভাগত বিভক্ত হৈ শাসনৰ বাঘজৰী হাতত লৈছিল। বৰ্তমানৰ বিজেপি দলৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ প্ৰথম প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ আনুষ্ঠানিকভাৱে প্ৰথমে ভাৰতৰ ৰাষ্ট্ৰীয় পতাকা (ত্ৰিৰংগা) উত্তোলন কৰা ঐতিহাসিক দিনটোৰ কথা সুঁৱৰি স্বাধীনতাৰ ৭৫ বছৰ পূৰ্তি উপলক্ষে হৰ ঘৰ ত্ৰিৰংগা (ঘৰে ঘৰে ৰাষ্ট্ৰীয় পতাকা) কাৰ্যসূচীত দেশৰ নাগৰিকসকলক অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। প্ৰধানমন্ত্ৰী মোদীয়ে ৰাষ্ট্ৰীয় পতাকাক জনসাধাৰণৰ কাষলৈ লৈ যোৱাটোত গুৰুত্ব দিয়ে, কাৰণ ৰাষ্ট্ৰীয় পতাকা জনসাধাৰণৰ দেশপ্ৰেমৰ প্ৰতীক লগতে স্বাধীনতাৰ প্ৰতীক। সেয়ে গেৰুৱা দলটোৱে স্বাধীনতাৰ ৭৫ বছৰ উপলক্ষে 'আজাদী কা অমৃত মহোৎসৱ'ৰ কাৰ্যসূচীৰ অভিযান আৰম্ভ কৰিছে। লগতে স্বাধীনতাৰ হকে সংগ্ৰাম কৰাসকলক শ্ৰদ্ধাৰে স্মৰণ কৰিছে। বিৰোধী দল কংগ্ৰেছে কৈছে— স্বাধীনতা উপলক্ষে লাখ লাখ পতাকা যেন খাদী আন্দোলনত যুক্ত হৈ থকা খাদীৰ পৰিবৰ্তে বিদেশৰ পৰা আমদানি কৰা নহয় চৰকাৰে তাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় পতাকাখন অকল ৰাজনৈতিক দলৰ পতাকা নহয়। স্বাধীনতা তথা দেশপ্ৰেমৰ লগতে এই পতাকাই মহাত্মা গান্ধীৰ খাদী আন্দোলনক শক্তিশালী কৰিছে, যি আন্দোলনে প্ৰকৃততে আত্মনিৰ্ভৰশীল ভাৰত (মেক ইন ইণ্ডিয়া) নীতিক সমৰ্থন কৰি ভাৰতবাসীক স্বনিৰ্ভৰশীলতাৰে স্বাৱলম্বী কৰি গঢ়ি তোলাৰ। চৰকাৰে অহা ১৩ আগষ্টৰ পৰা ১৫ আগষ্টলৈ ঘৰে ঘৰে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিবলৈ দেশবাসীলৈ যি আহ্বান জনাইছে তাক দেশবাসী সকলোৱে সমৰ্থন জনাইছে।৭৫ বৰ্ষ স্বাধীনতা উদযাপন উপলক্ষে কেন্দ্ৰীয় চৰকাৰে স্বাধীনতা আন্দোলনকাৰী মহান ত্যাগৰ আদৰ্শ অনুসৰণকাৰীসকলৰ প্ৰতি শ্ৰদ্ধা জনাই গণতন্ত্ৰৰ চেতনা জগাই তোলাৰ প্ৰয়োজন উল্লেখনীয়। ৰাষ্ট্ৰীয় পতাকাখনৰ মহত্ত্ব বুজি সকলোৱে গণতন্ত্ৰ আৰু স্বাধীনতাৰ নৱ-প্ৰজন্মৰ হৃদয়ত স্থান দিয়া উপলব্ধিৰ আৱশ্যক। সেয়ে সকলো শ্ৰেণীৰ লোকে পতাকা 'হৰ ঘৰ ত্ৰিৰংগা' অভিযানৰ কাৰ্যসূচীৰে প্ৰকৃত দেশপ্ৰেমী, গণতন্ত্ৰপ্ৰেমীৰ পৰিচয় দিয়ক। সকলো শ্ৰেণীৰ লোকে জাতি-ধৰ্ম নিৰ্বিশেষে 'হৰ ঘৰ ত্ৰিৰংগা' অভিযানেৰে দেশ প্ৰেম, গণতন্ত্ৰ তথা স্বাধীনতা প্ৰেমৰ চেতনা জগাই তোলাৰ প্ৰয়োজন আছে।

## সম্পাদকলৈ চিঠি

মতামতৰ বাবে সম্পাদক দায়ী নহয়

### হিতাধিকাৰী নহয় স্বাৱলম্বী কৰক

আজি কালি চৰকাৰে দিব পাৰে কেৱল আঁচনি, কাৰণ আঁচনিৰে বহলভাৱে মানুহক সামৰি ল'ব পাৰে। কিন্তু প্ৰয়োজনতকৈ বেছি বিনামূলীয়া আঁচনিয়ে সমাজত বিরূপ প্ৰভাৱ পেলায়। মানুহৰ লোভ বাঢ়ি যায়। 'নিৰ্ভাচনৰ সময়ত দলৰ হৈ সভা-সমিতি গ'লো, ভোটদান কৰি জিকালো গতিকে আঁচনিত আমাৰো নাম দিব লাগিব। বুলি দলৰ কৰ্মীক খাটনি ধৰে'। চৰকাৰে দৰিদ্ৰৰ বাবে বুলি কয় কিন্তু দৰিদ্ৰৰ সংজ্ঞা সলনি হৈ থাকে। ঘৰ নথকা মানুহক চৰকাৰে ঘৰ দিয়ে গতিকে ঘৰ থাকি ধন নথকা মানুহক অকণোদয় দিয়ে। কিন্তু চৰকাৰে তিনি হাজাৰ টকা এনেই দিয়াতকৈ সেই টকা বিনিয়োগ কৰি উপাৰ্জনৰ পথ দিয়া উচিত আছিল। দুখীয়া বিধৱা বা অবিবাহিত মহিলাসকলে আৰ্থিক নিপুণতাৰে কাম কৰিব পাৰে। তেওঁলোকক হিতাধিকাৰী কৰাতকৈ কৰ্মক্ষম কৰি দেশৰ সম্পদ কৰিব লাগে। আজিকালি বহু দিব্যাংগ ব্যক্তিয়েও সাহায্য নিবিচাৰে কাম বিচাৰে দেশৰ উৎপাদনশীলতাৰ অংশ হ'ব বিচাৰে। উল্লেখ্য যে অৰ্থনীতিবিদসকলৰ শ্ৰীলংকাৰ দৰে নহ'বলৈ আঁচনি হ্ৰাস আৰু মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণৰ পৰামৰ্শ দিয়া দেখা গৈছে।

আধুনিক শিক্ষাৰ লগে ভেক্নুচালি কৰি লাখ লাখ শিক্ষিত নিবনুৱাই জটিল সমস্যাৰ সৃষ্টি কৰা সময়ত। নিবনুৱাৰ সংখ্যা বৃদ্ধিৰ চাহিদালৈ চাই চৰকাৰে চাৰিবছৰীয়া আৰু অস্থায়ী চাকৰিৰ চিন্তা কৰা সময়ত বিনামূলীয়া আঁচনি বন্ধ কৰা উচিত। কেৱল প্ৰকৃত দিব্যাংগ, অসহায় বৃদ্ধ-বৃদ্ধা, অনাথ, জটিল চিকিৎসা সমস্যাৰ ক্ষেত্ৰতহে চৰকাৰে আঁচনি প্ৰদান কৰা উচিত। আজি আমাৰ আঁচনিৰ নাম কম্পিউটাৰত নাচালে নামেই নাথাকে। প্ৰয়োজনীয়তা থকা বিদ্যালয়তহে ভাত খুৱাব লাগে। চৰকাৰে দ্ৰুত মূল্যবৃদ্ধি নিয়ন্ত্ৰণ কৰিবলৈ উৎপাদনশীলতাক গুৰুত্ব দিব লাগিব। জনগণক সম্পদ কৰি গঢ়ি তুলিলেহে দেশ-ৰাজ্য সমৃদ্ধিশালী হ'ব।

■ পৱন কুমাৰ বৰা

### সঘনাই বিদ্যুতৰ যোগান ব্যাহত

দৰং জিলাৰ পশ্চিম মঙলদৈৰ ভিতৰুৱা গাঁওবিলাকত বিদ্যুতৰ যোগান বহু দিনৰ পৰাই সঘনাই ব্যাহত হৈ থাকে। বিদ্যুতৰ লুকা-ভাকুৱে জনসাধাৰণৰ নানা সমস্যা সৃষ্টি কৰিছে। ছাত্ৰ-ছাত্ৰীসকলৰ পঢ়া-শুনাত নানা ধৰণৰ অসুবিধাই দেখা দিছে। গ্ৰামাঞ্চলত বিদ্যুতৰ নাটনি হোৱাটো দুৰ্ভাগ্যজনক বুলি বিবেচিত কৰা হয়। উল্লেখযোগ্য যে বিজেপি চৰকাৰে নিৰ্বাচনৰ আগতে ঘোষণা কৰিছিল যে ২৪ ঘণ্টাই নিয়মীয়াভাৱে বিদ্যুৎ যোগান ধৰা হয় কিন্তু দুটা বছৰ সম্পূৰ্ণ কৰা চৰকাৰে বাইজক আশ্বাস প্ৰদান কৰাত সক্ষম নহ'ল। এতিয়া দেখা গৈছে যে দিনটোত ১০-১৫বাৰ বিদ্যুৎ কৰ্তন কৰা হয়। বিদ্যুৎ বিভাগে গ্ৰাহকৰ পৰা মাহিলি এটি fixed charge লয়, দিনটোত যদি ১০-১৫বাৰ বিদ্যুৎ কৰ্তন কৰা হয় তেতিয়া হ'লে fixed chargeটো কৰ্তন কৰিলে হ'ব। গ্ৰামাঞ্চলত বিদ্যুৎ সেৱা এই কেইদিন ইমানেই শোচনীয় হৈ পৰিছে ২৪ ঘণ্টাৰ ভিতৰত মাত্ৰ ১০-১২ ঘণ্টাহে গ্ৰাহকসকলে সেৱা লাভ কৰি আছিছে। প্ৰচণ্ড গৰমত বিদ্যুতৰ অভাৱত গ্ৰাহকসকল বহুতো সমস্যাত পৰিছে, কিয়নো বেছি ভাগ লোকে ইনভাৰ্টাৰৰ ব্যৱস্থা কৰিব পৰা নাই, গাঁৱৰ খুব কমসংখ্যক লোকেহে ইনভাৰ্টাৰ ব্যৱহাৰ কৰে। মানুহে যদি নিয়মীয়াকৈ বিল পৰিশোধ কৰাৰ পিছতো বিদ্যুৎ কৰ্তন কৰা হয় তেতিয়া হ'লে বিল পৰিশোধ কৰিবলৈ অনিহা হোৱাটো স্বাভাৱিক। প্ৰায়ে দেখা যায় যে বিদ্যুতৰ তাঁৰবিলাকত বাঁহ, গছৰ ডাল আদি পৰি থাকে। বিদ্যুৎ কৰ্মীসকলে যদি এইবোৰ কাটি দিয়ে তেতিয়া হ'লে কিছু হ'লেও বিদ্যুৎ উন্নত হ'ব বুলি ধাৰণা। বিদ্যুৎ কৰ্মীসকলে এইবিলাকত গুৰুত্ব আৰোপ কৰিব লাগে কিয়নো তেওঁলোকৰ কৰ্তব্যই সেয়া।

■ ভাস্বতী কলিতা

ফোন : ৬৩০০৯-৫৭২০৭

### লেখক-লেখিকাৰ প্ৰতি

আপোনালোকক সন্মান সহকাৰে জনাওঁ যে 'দৈনন্দিন বাৰ্তা'ৰ 'সম্পাদকীয় পৃষ্ঠা'ৰ শিতানলৈ চিঠি-পত্ৰ আৰু সম্পাদকীয় পৃষ্ঠাৰ লগত জড়িত লেখা প্ৰেৰণ কৰিব পাৰে। এইখিনিতে এটা বিশেষ অনুৰোধ, লেখাবোৰ যথাসম্ভৱ চুটি হ'লে সম্পাদনা কৰাৰ বাবে সুবিধা হয়। লেখা পঠিওৱা প্ৰতিগৰাকী লেখক-লেখিকাকে জনোৱা হ'ল যে লেখাবোৰ নিৰ্দিষ্ট সময় অনুসৰি প্ৰকাশ পাব। লেখাবোৰ তলত উল্লেখ কৰা 'দৈনন্দিন বাৰ্তা'ৰ e-mail : editordbarta@gmail.comতো পঠিয়াব পাৰিব।

লেখা পঠিওৱাৰ ঠিকনা ঃ
'দৈনন্দিন বাৰ্তা'
জি এন বি ৰোড, চানমাৰি কলনি
গুৱাহাটী, পিন ঃ ৭৮১০০৩

■ সাত নম্বৰ সন্ধানত উত্থাপন কৰা এক কৰুণ দৃশ্যৰ বাস্তৱত ঘটিল লেপেটকটা বাগিচাত ■

# সংবাদ মাধ্যমৰ শিৰোনামৰ অপেক্ষাত এটা জাতি !

■ মৃদুল কুমাৰ চাহু

অসমৰ খ্যাতনামা চলচ্চিত্ৰ পৰিচালক আব্দুল মজিদে চাহ শ্ৰমিকৰ বাস্তৱ জীৱনশৈলীৰ কৰুণ আৰু যন্ত্ৰণাময় দিশবোৰ সুন্দৰ ৰূপত উত্থাপন কৰি নিৰ্মাণ কৰিছিল সাত নম্বৰৰ সন্ধানত নামৰ এখন পূৰ্ণদৈৰ্ঘ্য ছবি। ছবিখনত চাহ পুঁজিপতিৰ শোষণৰ এখন জীয়া ছবি তুলি ধৰিবলৈ সক্ষম হৈছিল। চাহ পুঁজিপতি বাগিচাৰ শ্ৰমিক নেতাৰ হঠকাৰী ভূমিকাৰ বাবে বাগিচাৰ শ্ৰমিকসকল কেনেদৰে শিক্ষা-দীক্ষাৰ লগতে প্ৰাপ্য পৰা বঞ্চিত হৈ তিল তিলকৈ এটা পৰিয়াল নিঃশেষ হৈ যায় তাৰেই জীৱন্ত দলিল ৰূপত নিৰ্মাণ কৰা বোলছবিখনত সংঘটিত এক কৰুণ ঘটনাৰ দৃশ্য বাস্তৱত ঘটিল লেপেটকটা চাহ বাগিচাত। বোলছবিখনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা অভিনেতাগৰাকীয়ে চাহ ফেক্টৰীত কাম কৰা অৱস্থাত অতি কৰুণভাৱে মৃত্যুক আঁকোৱালি লৈছিল। বাগিচা কৰ্তৃপক্ষই শ্ৰমিকৰ ৰূপত অভিনয় কৰা জনপ্ৰিয় শিল্পী জুবিন গাৰ্গ উন্নত চিকিৎসা নোপোৱা বাবেই অকালমৃত্যুৰ মৃত্যুক আঁকোৱালি লোৱাৰ দৰে লেপেটকটাত সংঘটিত ঘটনাৰ গুৰুতৰভাৱে আঘাত পোৱা মাইনা নায়কৰ দুৰ্ঘটনাৰ লগত সাত নম্বৰৰ সন্ধানত সংঘটিত ঘটনাত সাদৃশ্যই চাহ বাগিচাৰ শ্ৰমিক মহিলাৰ জীয়া ছবি বহিঃপ্ৰকাশ ঘটিল। এগৰাকী মহিলা শ্ৰমিকৰ চাহ পুঁজিপতি গোষ্ঠীয়ে পুৰুষৰ সমানে কামত নিয়োগ কৰি আহিছে। চাহপাত ছিঙা, চাহ গছ কলম কৰা, চাহ বাগিচাৰ নলা পৰিষ্কাৰ কৰাৰ লগতে চাহ ফেক্টৰীটো নিশা ৮.১০ বজালৈকে কামত নিয়োজিত কৰি ৰাখে। সমগ্ৰ ৰাজ্যখনৰ ৮৫০খনতকৈ অধিক চাহ বাগিচাৰেই পুৰুষৰ সমানে সমানে মহিলা শ্ৰমিকক নিয়োগ কৰি কাম আদায় কৰি অহা কাৰ্যক লৈ মাজে মাজে শ্ৰমিক সংগঠনসমূহে চাহ পুঁজিপতিৰ বিৰুদ্ধে সৰব হৈ পৰা পৰিলক্ষিত হয় যদিও প্ৰতিবাদৰ ধাৰা দুৰ্বল হোৱা হেতুকে চাহ পুঁজিপতি গোষ্ঠীয়ে উক্ত প্ৰতিবাদক কেৰেপ নকৰি নিজৰ শোষণ আৰু প্ৰৱঞ্চনাৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখি দিন-ৰাতি বিচাৰ নকৰাকৈ মহিলা শ্ৰমিকক নিয়োজিত কৰি আহিছে। চাইদেউ জিলাৰ অধিকসংখ্যক বাগিচাত মালিক গোষ্ঠীয়ে সক্ৰিয় পাচ বজাৰ পৰা নিশা দহ-বাৰ পৰ্যন্ত চাহ উৎপাদনৰ ফেক্টৰীত বিভিন্ন কামত নিয়োজিত ৰখাৰ তথ্য পোহৰলৈ আহিছে। চাহ উৎপাদনৰ যন্ত্ৰৰ সম্যক জ্ঞান থকা নিৰক্ষৰ যুৱতী-মহিলাক নিয়োগ কৰা চাহ পুঁজিপতি গোষ্ঠীৰ বিৰুদ্ধে আজি কোপতি ছাব মজদুৰ সংঘকে ধৰি শ্ৰমিকৰ অভিভাৱকৰূপে ভূমিকা পালন কৰা সংগঠনসমূহৰ ৰহস্যজনকভাৱে মৌনতা অবলম্বন কৰাৰ পৰিপ্ৰেক্ষিতত চাহ পুঁজিপতিসমূহে চাহ শ্ৰমিকৰ বাক্ স্বাধীনতা, মৌলিক অধিকাৰসমূহক খৰ্ব কৰি স্বেচ্ছাচাৰিতাৰে মানসিকতাৰে শ্ৰমিকসকলক ব্যৱহাৰ কৰি আহিছে। মাইনা নায়কেই চাহ পুঁজিপতিৰ হাতত আঘাত পোৱা প্ৰথম মহিলা শ্ৰমিক নহয়। ইয়াৰ পূৰ্বে বহুকেইটা ঘটনা সংঘটিত হৈ জীৱনৰ বাবে পংগু হৈ পৰা মহিলা শ্ৰমিকৰ তালিকা বিচাৰিলে নিশ্চয় বহু দীঘলীয়া হ'ব। চাহ শ্ৰমিকৰ প্ৰতি চাহ শ্ৰমিক নেতা-মন্ত্ৰী-বিধায়কসকলৰ দায়বদ্ধতা কিমান তাৰ ছবিখন উদঙালে মাইনা নায়কৰ ঘটনাই। শ্ৰেণী বৈষম্যৰ বাবে চাহ শ্ৰমিকসকল যে সকলো দিশতে অৱহেলিত তাৰ প্ৰমাণ স্পষ্ট ৰূপত বহিঃপ্ৰকাশ ঘটিল মাইনাৰ ক্ষেত্ৰত। অত্যন্ত গুৰুতৰ তথা জটিল অৱস্থাত মৃত্যুৰ সৈতে যুঁজ দি থকা মাইনাৰ উন্নত চিকিৎসাৰ বাবে নিবলৈ সাধাৰণ এম্বুলেঞ্চৰ ব্যৱস্থা কৰা হ'ল। কাৰণ তাই কোনো চেলিব্ৰিটি অথবা অভিজাত্য পৰিয়ালৰ নহয়। সাধাৰণ শ্ৰমিক বাবেই মাইনাক চোৱা হ'ল বৈষম্যমূলক দৃষ্টিকোণেৰে। এগৰাকী মহিলাৰ মৃত্যুৰ কোনো গুৰুত্ব নাই। সেই বাবেই নেকি মাইনা নায়কৰ দুৰ্ঘটনাক মানবীয় দৃষ্টিভংগীৰে চাহ পুঁজিপতিসমষ্টিতে সমাজখনৰ নেতৃত্ব দিয়া মন্ত্ৰী-বিধায়কৰ হৃদয়ত জোকাৰণি সৃষ্টি নকৰিলে। সামাজিক মাধ্যমত মাইনা নায়কৰ ঘটনাৰ প্ৰসংগ উত্থাপন কৰি ভিন্নজনে কৰা তীৰ্যক সমালোচনাই অন্তত মানৱতাৰ স্থিতি এখনৰ প্ৰতিচ্ছবি মাইনাৰ ওপৰত পৰিল আৰু উন্নত চিকিৎসাৰ বাবে চৰকাৰে নিজস্বভাৱে পদক্ষেপ গ্ৰহণ কৰিবলৈ প্ৰক্ৰিয়া আৰম্ভ কৰিলে। মাইনা নায়কৰ দুৰ্ঘটনাই চাহ পুঁজিপতিসকলে চাহ শ্ৰমিকসকলৰ ক্ষেত্ৰত গ্ৰহণ কৰি অহা উদাসীন মনোভাবৰ এখন কৰুণ ছবিৰ বহিঃপ্ৰকাশ ঘটালে। মাইনাক চিকিৎসা কৰাৰ পাছত হয়তো সুস্থ হৈ উঠিব। যদি মৃত্যু হয় (ভগৱানে নকৰক তাইৰ মৃত্যু) তাৰ পৰৱৰ্তী সময়ত চাহ পুঁজিপতি আৰু চৰকাৰে ক্ষতিপূৰণ দিব। এয়াই সমস্যাৰ একমাত্ৰ সমাধানৰ পথ নহয়। মাইনা নায়কৰ দৰে অনাগত দিনত যাতে চাহ ফেক্টৰীত কোনো মহিলাই প্ৰাণ নেহেৰুৱাই অথবা জীৱনৰ বাবে পংগু নহয় সেই সন্দৰ্ভত সমাজখনক নেতৃত্ব দিয়া মন্ত্ৰী-বিধায়ক তথা নেতাসকলো কেনে ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিব সেয়া হ'ব লক্ষণীয়। বৈষম্য দৃষ্টিকোণেৰে এগৰাকী শ্ৰমিকৰ মৃত্যুৰ কোলাত চটফটাই থকাৰ কৰুণ দৃশ্য প্ৰত্যক্ষ কৰা ব্যক্তিগৰাকীৰ হৃদয়ত জোকাৰণি সৃষ্টি নকৰে তেনে ব্যক্তিৰ হাতত এখন সমাজ এটা জাতিৰ ভৱিষ্যত কি অৱস্থাত অৱস্থান কৰিব অনুমেয় কৰকচোন। ৰাজনৈতিক নেতা, চাহ পুঁজিপতিক ওচৰত নেওৰ পেলাই জাতিৰ নিৰাপত্তাৰ শ্বাঁগান দিয়া ব্যক্তিয়ে চাহ শ্ৰমিকৰ মৌলিক অধিকাৰ, বাক্-স্বাধীনতাক চাহপাতৰ দ্ৰায়ালত মেলি দিছে। মাইনাৰ দৰে চাহ শ্ৰমিকৰ মৌলিক অধিকাৰ, বাক্ স্বাধীনতা মুমূৰ্ষু অৱস্থাত। মাইনায়ে ন্যায় পাবনে? ৰক্ষ হ'বনে মহিলা শ্ৰমিকক ফেক্টৰীত নিযুক্তি দিয়া ব্যৱস্থা। অৱশ্যে বহু বাগিচাত নিয়োজিত মহিলা শ্ৰমিকক (প্ৰধানকৈ ফেক্টৰীত কৰা) আয়ুৰক্ষাৰ নিমিত্তে বিশেষ পোছাকৰ ব্যৱস্থা কৰে। তেনে পোছাক পৰিধান কৰা হ'লে মাইনাৰ গুৰুতৰ দুৰ্ঘটনা নঘটিলেহেঁতেন। সদ্যহতে চিত্ৰ পৰিচালক আব্দুল মজিদৰ সাত নম্বৰৰ সন্ধানৰ কাহিনীত সন্নিৱিষ্ট কৰা বিশেষ হৃদয় চুই যোৱা ফেক্টৰীৰ দুৰ্ঘটনাৰ দৰেই মাইনাৰ জীৱন আৰু পৰিয়াললৈ নামি নাহে তাৰ প্ৰতি চৰকাৰে গ্ৰহণ কৰক গুৰুত্বপূৰ্ণ ভূমিকা। নিশ্চয় ড° হিমন্ত বিশ্ব শৰ্মাৰ দৰে এগৰাকী মানৱ দৰদী মুখ্যমন্ত্ৰীয়ে মাইনা নায়কক উন্নত চিকিৎসাৰ ব্যৱস্থাৰ লগতে ন্যায়তা দিয়াত কেতিয়াও অৱহেলা নকৰিব। এয়া আমাৰ বিশ্বাস, বাগিচাত ঘটনা সংঘটিত হোৱাৰ পিছতেই শ্ৰম আইনখনক লৈ সকলো সৰৱ হৈ পৰে। ডিব্ৰুগড়ৰ লেপেটকটাৰ বাগিচাত মইনা নায়কৰ নামৰ যুৱতীগৰাকীৰ চাহ ফেক্টৰীত গুৰুতৰভাৱে দুৰ্ঘটনা সংঘটিত হোৱাৰ পিছতেই ৰাজ্যুজুৰি ফেক্টৰী আইন ১৯৪৮ৰ ধাৰা ২০৭ প্ৰসংগক লৈ সকলোৱে সৰৱ হৈ চাহ পুঁজিপতিৰ বিৰুদ্ধে কঠোৰ হৈ পৰিছে। আমি আকৌ কৈছো, মইনা নায়কৰ দৰে প্ৰতিখন বাগিচাতে চাহ শ্ৰমিক পুৰুষ-মহিলাই অপ্ৰত্যাশিতভাৱে দুৰ্ঘটনাৰ সন্মুখীন হৈ আহিছে। বহু ঘটনাক গাপ দি ৰখাত সহায় কৰি আহিছে বাগিচাৰে একাংশ শ্ৰমিক নেতাৰূপী দালালে। বিপদৰ সময়ত শ্ৰম আইন, ফেক্টৰী আইনৰ প্ৰসংগ উত্থাপন নকৰি পুঁজিপতিৰ পক্ষত ওকালতি কৰি অহা সমাজখনৰ 'খটমল'ৰূপী নেতাসকলৰ সন্মুখতেই বহুসংখ্যক শ্ৰমিক পংগুত্বৰ জীৱন অতিবাহিত কৰিব লগা হৈছে। প্ৰমাণ চাবলৈ উজনি চৰাইদেউ জিলাৰ মথুৰাপুৰ বাগিচালৈ আহিলেই হ'ব। যিসকলে সমাজখনৰ নেতৃত্ব দিয়াৰ দায়িত্ব লৈছে আৰু মইনা নায়কৰ প্ৰসংগক লৈ পুঁজিপতিৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে তেওঁলোকে কেতিয়াবা ১৯৪৮ চনৰ ফেক্টৰী আইনৰ ২০ ধাৰাৰ কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত বাগিচা কৰ্তৃপক্ষৰ হেঁচা প্ৰয়োগ কৰিছেনে? মইনা নায়কৰ ঘটনাৰ পৰাই ৰাজ্যজুৰি আৰম্ভ হোৱা প্ৰতিবাদী ব্যৱস্থাই ফেক্টৰী আইনখনক চাহ পুঁজিপতিক কাৰ্যকৰী কৰিবলৈ বাধ্য কৰাত কিমান সফল হ'ব সময়ত গম পোৱা যায়। মইনা নায়কৰ ঘটনাৰ প্ৰতিক্ৰিয়াৰ মাজতে উজনিৰ তালাপ আৰু তিতাবৰৰ দুখন বাগিচাত হৃদয় ঘটনাৰ পুনৰাবৃত্তি হ'ল। তাৎপৰ্য বিষয় যে তালাপৰ বাগিচাত সংঘটিত আহত বিমল মিঞ্জ নামৰ শ্ৰমিকগৰাকীৰ ঘটনাক গাপ দিবলৈ চেষ্টা কৰিছিল যদিও শেষ মুহূৰ্তত তিনি দিনৰ বিৰতিৰ পিছত ঘটনা পোহৰলৈ আহিল। এনেদৰে কিমান ঘটনা কলঘৰৰ ভিতৰত ঘটিছে আৰু পোহৰলৈ নহাকৈ থাকি গৈছে শ্ৰমিক সংগঠনসমূহ নিশ্চয় এজনাকৈ থকা নাই। তেনে ঘটনাক গাপ দিবলৈ চেষ্টা কৰা সুবিধাবাদী চক্ৰ বাগিচাত গন্দাই গন্দাই আছে। পুঁজিপতিৰ সুবন্দৰ স্বাৰ্থত নিজৰ মানুহক বিশ্বাসঘাতকতা কৰিবলৈ কুণ্ঠাবোধ নকৰা নেতাৰ বাবেই চাহ শ্ৰমিক আজিও পুঁজিপতিৰ শোষণ আৰু প্ৰতাৰণাৰ পিঞ্জৰাৰ পৰা মুক্ত হ'ব পৰা নাই। ১৯৪৭ চনৰ পৰা বাগিচাৰ শোষণ-বঞ্চনাৰ বিৰুদ্ধে সংগ্ৰাম চলাই অহাৰ পাছতো সমাজখনে শিক্ষাৰ পোহৰৰ পৰা বঞ্চিত হৈ থাকিল। সমাজখনৰ পৰা যিসকল শিক্ষা-দীক্ষাৰে পৰিপূৰ্ণ হৈ ওলাই আহিল তেওঁলোকৰ অধিক সংখ্যকেই স্বাৰ্থান্ধ মানসিকতাৰে নিজৰ প্ৰকৃত পৰিচয় হেৰুৱাই আভিজাত্যৰ পৰিচয়ত নামি পৰিল। সমাজখনক দিয়া অৱদান, অনুপ্ৰেৰণা উৎসাহক ভেঙুচালি কৰি এখন স্বচ্ছবেশীৰ পোছাক পিন্ধি তথাকথিত শ্ৰমিকৰ ত্ৰাণকৰ্তাৰ ৰূপত নিজক পৰিচয় দিয়া ব্যক্তিসকলে সমাজখনৰ সামগ্ৰিক উত্তৰণৰ ক্ষেত্ৰত প্ৰধান হেঙাৰ ৰূপত থিয় দিছে। যিটো সময়ত আধুনিক প্ৰযুক্তি বিমানে মানুহক উত্তৰণমুখী চিন্তা-চেতনাৰে প্ৰলুব্ধ কৰি বহু ওপৰলৈ লৈ যোৱাৰ উপক্ৰম হৈছে তেনে সন্ধিক্ষণতেই শিৰীষ তলৰ শ্ৰমিকসকল গোজে প্ৰতি মৌলিক অধিকাৰ, বাক্ স্বাধীনতা হেৰুৱাই শোষক পুঁজিপতি আৰু ৰাজনৈতিক নেতাৰ সুবিধাবাদৰ পাকচক্ৰত সোমাই কক্‌বকাইছে। আনক সমালোচনা কৰি আত্মতুষ্টি লোৱা নেতাসকলে আত্মসমালোচনা কৰি উঠি অহা নতুন প্ৰজন্মৰ মাজত স্বাভিমানৰ আহ্বাণ সৃষ্টি কৰাত সফল হ'ব নোৱাৰিলে সমাজখনে যুগ-যুগান্তৰ পুঁজিপতিৰ শোষণৰ চক্ৰবেহুৰ পৰা মুক্ত হোৱাটো সম্ভৱ নহয়। প্ৰকৃতিয়ে তাণ্ডৱ চলোৱাৰ দৰে সমাজখনত সংঘটিত হৈ অহা কিছুমান ঘটনা-পৰিঘটনাৰ জীৱন্ত সাক্ষীৰ ৰূপত চৰ্চালৈ অহা ব্যক্তিসকলৰ ক্ষতিপূৰণ দিলেই জাতিটোৰ সমস্যা সমাধান হৈ যাবনে? ঘটনাৰ আলম লৈ জ্বলন্ত সমস্যাসমূহক স্থায়ী সমাধানৰ প্ৰয়োজনীতাৰ নিমিত্তে জনমত গঠন কৰিব পৰা পৰিৱেশ সৃষ্টি কৰাত কোনে কিমান গুৰুত্ব দিছে? বাগিচাৰ বাংলাসমূহত কৰ্মৰত হৈ থকা শ্ৰমিক যুৱতী-মহিলাসমূহে সন্মুখীন হোৱা সমস্যাৰ ক্ষেত্ৰত আজিও জনমত গঠন নহ'ল। বাগিচাৰ নতুন প্ৰজন্মৰ মাজত প্ৰভাৱ পৰা মদ-ভাঙৰ নৈৰ বিৰূপ প্ৰভাৱৰ ফলত পংগুত্ব দিশলৈ ধাৱমান হোৱা যুৱক-যুৱতীক সঠিক চিন্তাৰ প্ৰভাৱেৰে বিশ্বাস ঘটোৱাত আত্মবিশ্লেষণ কৰিব পৰাকৈ আত্মবিশ্বাসী কৰাৰ ক্ষেত্ৰত কোনে কিমান গুৰুত্ব আৰোপ কৰিছে? শিবসাগৰৰ পাথাৰ পৰিয়ালে দৰিদ্ৰতাক ভেঙুচালি কৰি নিৰ্যাতনৰ হত্যা কৰা ভালু ভূমিজৰ দৰে অজস্ৰ শিশুৰ ভৱিষ্যৎ তিল তিলকৈ শেষ কৰা অভিজাত্য ভাল মানুহৰ বিবেকবোধক কোনে পৰিৱৰ্তন ঘটাব? দৰিদ্ৰতাই জোঁক কৰা নিৰীহপৰিয়ালবিলাকৰ সমস্যাসমূহৰ ক্ষেত্ৰভিত্তিক তথ্য উদ্ঘাটন কৰি চৰকাৰৰ ওচৰত দাখিল নকৰা পৰ্যন্ত অনাগত দিনত বহু ভালুৱে বৰ্তমান আৰু ভৱিষ্যৎ হেৰুওৱাৰ সম্ভাৱনাক নুই কৰিব নোৱাৰি। ভালুৰ দৰে কিছুদিন পূৰ্বে আৰক্ষী দম্পতীৰ হাতত নিৰ্যাতিত হোৱা দুৰ্গাগীয়া পৰিয়ালে ন্যায় পালেনে? আৰক্ষীৰ পোছাকৰ নেপথ্যত পাষাণ চৰিত্ৰৰ ভূমিকা পালন কৰা অপৰাধীগৰাকীৰ ক্ষেত্ৰত কি হ'ল। জাতিৰ স্বাৰ্থপ্ৰতিবাকী শ্ৰমিক নেতা, নতুন প্ৰজন্মৰ হৃদয়ত যেতিয়ালৈকে 'জাতীয়তাৰ'ৰ ভাৱনাই সক্ৰিয় ৰূপত আত্মপ্ৰকাশ নকৰে তেতিয়ালৈকে বাগিচাত বহু ঘটনাক লৈ বাতৰিৰ শিৰোনাম হৈ থাকিব।

ফোন ঃ ৬০০২৭-৩৫৫০১

# ঔপন্যাসিক হিচাপে ৰজনীকান্ত বৰদলৈৰ কৃতিত্ব

■ জনাৰ্দন তালুকদাৰ

উপন্যাস সম্ৰাট হিচাপে ৰজনীকান্ত বৰদলৈৰ নামটো শুনি আহিছিলোঁ যদিও নামটো মন আৰু মগজুত ভালদৰে পৰিচিত হৈছিল স্নাতক মহলাত পোৱা অসমীয়া উপন্যাস ধাৰাৰ বিষয়ে জ্ঞান লাভ কৰি থকাৰ সময়ততহে। অসমীয়া উপন্যাস সাহিত্যত ৰজনীকান্ত বৰদলৈৰ স্থান সকলোতকৈ উৰ্দ্ধত বুলি এইবাৰে কোৱা হয়, কিয়নো তেওঁৰ পৰাই সামাজিক উপন্যাস ৰচনা কৰাৰ লগতে কেইবাখনো বুৰঞ্জীমূলক উপন্যাস ৰচনা কৰি অসমীয়া উপন্যাস সাহিত্যক সু-প্ৰতিষ্ঠিত কৰিছিল। আধুনিক অসমীয়া সাহিত্যই নিৰ্ভজ ৰূপ লৈছিল সেই সময়ৰ অসমীয়া কলেজীয়া ডেকাসকলে প্ৰকাশ কৰি উলিওৱা 'জোনাকী' কাকতৰ যোগেদি। যাৰ বাবে অসমীয়া সাহিত্যৰ সেই যুগটোক জোনাকী যুগ বুলি অভিহিত কৰা হৈছিল। এই জোনাকী যুগৰ প্ৰথমগৰাকীৰূপে উদ্ভাসী লেখক ৰজনীকান্ত বৰদলৈয়ে উপন্যাস ৰচনা কৰি অসমীয়া সাহিত্যক অমূল্য অৱদান আগবঢ়াইছিল। এটা কথা উল্লেখ নকৰাকৈ থাকিব নোৱাৰি যে অসমীয়া উপন্যাস সাহিত্যৰ মাগদৰ্শক আধুনিক পাশ্চাত্য সাহিত্য আৰু বঙলা সাহিত্য। উইলিয়াম স্কট আৰু বংকিম চন্দ্ৰৰ লেখাই মিসকল অসমীয়া ডেকাৰ মনত উপন্যাস লিখাৰ অনুপ্ৰেৰণা যোগাই ছিল, সেইসকল ডেকাৰ ভিতৰত ৰজনীকান্ত বৰদলৈ আছিল শীৰ্ষস্থানত। ইংৰাজ ঔপন্যাসিক উইলিয়াম স্কটৰ বুৰঞ্জীমূলক ৰচনাসমূহ পঢ়ি মুগ্ধ হোৱা ৰজনীকান্ত বৰদলৈয়ে বঙলা ঐতিহাসিক ঔপন্যাসিক বংকিম চন্দ্ৰৰ উপন্যাসসমূহো অধিক আগ্ৰহেৰে পঢ়িছিল। এই দুয়োজন লেখকৰ লিখনিয়ে ৰজনীকান্ত বৰদলৈক উপন্যাস ৰচনাৰ বাবে প্ৰেৰণা আৰু উৎসাহ যোগাইছিল। চৰকাৰী চাকৰি কৰি থকাৰ সময়ত ইংৰাজৰ উচ্চপদস্থ বিষয়া তথা অসমৰ প্ৰথম বিজ্ঞানসম্মত বুৰঞ্জী প্ৰণেতা এডৱাৰ্ড গেইটে বৰদলৈক অসমৰ জনসাধাৰণ, তেওঁলোকৰ জীৱনধাৰা, কৃষি-সংস্কৃতিক সজাগ দৃষ্টিৰে অনুধাৱন কৰিবলৈ পৰামৰ্শ দিছিল। বৰদলৈয়েও বিভিন্ন ঠাইত চাকৰি কৰি ফুৰোতে অনুসন্ধিৎসু দৃষ্টিৰে অসমৰ বিভিন্ন জাতি-উপজাতিৰে ভৰা অসমীয়া মানুহৰ জীৱনযাত্ৰা আৰু অতীত বুৰঞ্জী অধ্যয়ন কৰি অতীতৰ পটভূমিত লিখিবলৈ লৈছিল উপন্যাস। বৰদলৈয়ে সমসাময়িক অৱস্থাৰ পটভূমি বাছি নলৈ অতীতৰ বুকুলৈ উজাই যোৱাৰ উদ্দেশ্য আছিল- অতীতৰ অসমীয়া জাতিৰ সাহস, সৌৰ্য-বীৰ্যৰ নিদৰ্শন দাঙি ধৰি সমসাময়িক মুমূৰ্ষু, ভীৰু অসমীয়াৰ প্ৰাণত দেশাত্মবোধ জগাই মৃতপ্ৰায় প্ৰাণত সঞ্জীৱনী চলা, এসময়ৰ স্বাধীনচিতীয়া বীৰ অসমীয়া স্বাধীনতা লুপ্ত হোৱাৰ কাৰণ নিৰ্ণয় কৰা, ইংৰাজ ৰাজত্ব পটনৰ অব্যৱহৃত অসমীয়া সমাজৰ ৰীতি-নীতি আৰু ধৰ্ম-সংস্কাৰ আদিৰ চিত্ৰ দাঙি ধৰা, ঐতিহাসিক বা ৰাজনৈতিক ধুমুহাৰ অন্তৰালত প্ৰবাহিত জীৱনৰ চিৰন্তন সহজাত প্ৰবৃত্তিবোৰৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া প্ৰদৰ্শন কৰা। ৰজনীকান্ত বৰদলৈয়ে এই দৃষ্টিভংগী দাঙি ধৰিছিল তেওঁৰ উপন্যাসৰ চৰিত্ৰবোৰৰ মাজেদি। ৰজনীকান্ত বৰদলৈয়ে তেওঁৰ উপন্যাসৰ জৰিয়তে উপস্থাপন কৰিছিল এটা সম্পূৰ্ণ জীৱন। মানুহৰ মংগলৰ কাৰণে আধ্যাত্মিক চৰ্চাৰ যি প্ৰয়োজনীয়তা, তত্ত্বতে মানুহৰ বিশ্বাস নাথাকক, সেই তত্ত্বৰ মাজেদি মনক ভগৱতমুখী কৰাৰ আৱশ্যকতা আৰু সবাৰো উপৰি এক দেউ এক সেউ পৰম বিষ্ণুহে সৰ্বাদি দেৱ এই কথা ব্যক্ত কৰিবলৈকে বৰদলৈয়ে সৃষ্টি কৰিছিল বিবিধ চৰিত্ৰ। পুৰণি অসমৰ ৰজাঘৰীয়া, ৰাজ বিষয়াসকলৰ চিত্ৰ দাঙি ধৰাৰ লগতে উপন্যাসত অসমৰ চহা-হজুৱা, ব্ৰাহ্মণ-সজ্জনৰ পৰা গৰখীয়া, ম'হ গোৱালৈকে বিভিন্ন চৰিত্ৰৰ অৱতাৰণা কৰিছিল। সত্ৰীয়া পৰিৱেশ অংকন কৰাৰ লগতে সমসাময়িকভাৱে বৰ্ণনা কৰিছিল তান্ত্ৰিক সাধনাৰ দৰে অসমীয়া লোক-সংস্কৃতিৰ কথাও চিত্ৰ। বুৰঞ্জীমূলক উপন্যাস হ'লেও গাঁৱৰ সৰল মনৰ ডেকা-গাভৰুৰ প্ৰথম যৌৱনৰ প্ৰেম আৰু ঘটনাপ্ৰোতে মিলনোন্মুখ পীৰিতি ভেটি দি সহজে প্ৰেমক বিশ্বপ্ৰেমত লীন কৰাৰ চিত্ৰ তেওঁৰ ৰহদৈ লিগিৰী, নিৰ্মল ভকত, ৰংগিলী, তাম্ৰেশ্বৰী মন্দিৰ, দন্দুৱাদ্ৰোহ আদি উপন্যাসবোৰত স্পষ্ট। প্ৰথম দৃষ্টিত হোৱা প্ৰেমৰ সঞ্চাৰ ( love at first sight ) ৰজনীকান্ত বৰদলৈৰ মনোমতী উপন্যাসত সুন্দৰভাৱে দেখিবলৈ পোৱা যায়। পৃথ্বীত পানী খাবলৈ হৈ পাছ কৰি বিফল হোৱা ডেকা-গাভৰুক ৰহদৈ-দয়াৰাম, নিৰ্মল-কপৌ, শাস্তিৰাম-পদুমী, সৰবাম-ৰংগিলী আদি উপন্যাসৰ চৰিত্ৰসমূহৰ মনত বিৰহৰ বেদনা প্ৰকট হৈছিল যদিও কেতিয়াও মনৰ সংযম আৰু আত্মবিশ্বাস হেৰুওৱা নাছিল। মিলনত ব্যৰ্থ হৈ তেওঁলোকে কোনেও কাৰো প্ৰতি ঈৰ্ষা-অসূয়াৰ ভাব পোষণ কৰা নাছিল। আপোন গভীৰ প্ৰেম তেওঁলোকে অধ্যাত্মচিন্তাৰে সংযমিত হৈ লীন নিয়াইছিল বিশ্বপ্ৰেমলৈ, অপাৰ শান্তি লাভ কৰিছিল মানৱ সেৱাত। বিৰহৰ ধুমুনিয়াহ কাটি চকুলো টুকি কাল কটোৱা চৰিত্ৰ ৰজনীকান্ত বৰদলৈৰ উপন্যাসত দেখা পোৱা নাযায়। ৰজনীকান্ত বৰদলৈৰ উপন্যাসৰ কাহিনীসমূহ ৰাজনৈতিক ঘটনাৱলীৰ লগে লগে সামাজিক ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আদিৰ প্ৰতিচ্ছবিৰে পল্লৱিত হৈছিল। বংগিলী উপন্যাসখনত বৰ্ণনা কৰিছে অসমীয়া সংস্কৃতি বিহু, বিহুৰুক্ষেত্ৰিক বিভিন্ন খেল-ধেমালিৰ কথা, ছোৱালী পলুৱাই অনাৰ প্ৰথা। মিৰি জীয়ৰীত বৰ্ণাইছে মিৰি (মিছিং) সমাজৰ বিহু, মৰংঘৰত হোৱা পূজাৰ বিৱৰণ। তাম্ৰেশ্বৰী মন্দিৰ উপন্যাসত ৰহস্যজনকভাৱে চুকৈয়াখাঁতী গোসাঁনী তাম্ৰেশ্বৰী মন্দিৰৰ বৰ্ণনা আৰু প্ৰাচীন সমাজৰ নৰবলি দিয়াৰ বিস্তৃত বিৱৰণ। মনোমতী উপন্যাসত বৰপেটা সত্ৰত উত্থাপিত হোৱা ফাকুৱা উৎসৱৰ মনোৰম বৰ্ণনাৰে উপন্যাসবোৰৰ কাহিনীভাগ আগবঢ়াই নি পাঠক সমাজক পৰিচিত কৰিছিল পুৰণি অসমৰ একোখন সমাজ ব্যৱস্থা, লোক-সংস্কৃতি আৰু তাৰে আলমত কেতিয়াবা মানুহৰ কু-সংস্কাৰ আৰু অন্ধবিশ্বাস সৈতে। স্বপ্ন, সপোন, ভোজ-বাজি বা ভেল্কি, যোগশক্তিৰ প্ৰভাৱৰ প্ৰাচুৰ্য বৰ্ণনা তাম্ৰেশ্বৰী মন্দিৰ, ৰহদৈ-লিগিৰী, নিৰ্মল ভকত আদি উপন্যাসত দেখা পোৱা যায়। তেওঁৰ উপন্যাসত নাৰী চৰিত্ৰবোৰত সহানুভূতি, আন্তৰিক স্নেহ, প্ৰেম আদিৰ চিত্ৰ গভীৰভাৱে প্ৰকাশ পাই ছিল। ৰজনীকান্ত বৰদলৈৰে অংকিত নাৰী চৰিত্ৰবোৰে পুৰুষ চৰিত্ৰতকৈ অধিক প্ৰাধান্য পাইছিল যদিও সেই চৰিত্ৰৰ কোনোজনী নাৰীয়েই দুৰ্বল বাবেহে লেখকৰ সহানুভূতি লাভ কৰিছিল তেনে নহয়, ৰজনীকান্ত বৰদলৈৰ প্ৰতিটো নাৰী চৰিত্ৰৰ অন্তৰ পৱিত্ৰ, দেশপ্ৰেমেৰে সিক্ত, গভীৰ আত্মবিশ্বাসেৰে প্ৰত্যয়িত আছিল। সকলো মানুহেই প্ৰকৃততে সৎ, পৰিৱেশ আৰু কৰ্তব্যইহে মানুহক অসৎ প্ৰবৃত্তিৰ দাস কৰি তোলে। তথাপি সিহঁতৰ অন্তৰত লুকাই থাকে মৰম, সহানুভূতি আৰু অকৃত্ৰিম প্ৰেমৰ অনুভূতি। বৰদলৈৰ এই সৎ চিন্তা ঔপনিষদিক চিন্তাৰ প্ৰতিফলন। এই দৃষ্টি আগত ৰাখিহেই তেওঁ উপন্যাসত চৰিত্ৰ অংকন কৰিছিল। ৰজনীকান্ত বৰদলৈৰ উপন্যাসত ঘটনাৰ পৰিণতিৰ কাৰুণ্য দুই ধৰণে দেখা পোৱা গৈছিল। এয়া আছিল তেওঁৰ উপন্যাসৰ বিশেষত্ব। 'মিৰি জীয়ৰী' আৰু 'দন্দুৱাদ্ৰোহ'ৰ কাহিনীৰ পৰিণতি অতি শোকাবহ। কিন্তু 'ৰহদৈ লিগিৰী' আৰু 'নিৰ্মল ভকত'ত প্ৰেমৰ কৰুণ পৰিণতি দেখুৱাইছিল অন্য এক ধৰণে। তেওঁৰ এই উপন্যাসত নায়ক-নায়িকাক ভগৱত প্ৰেমৰ আশ্ৰয় দান কৰাইছিল আৰু সেইদৰে প্ৰেমৰ শোকাবহ পৰিণতি লাঘৱ কৰি উপন্যাসৰ কাহিনীভাগ সমাপ্ত কৰিছিল। ৰজনীকান্ত বৰদলৈ অসমীয়া উপন্যাস সাহিত্যৰ বাটকটীয়া আৰু প্ৰকৃতাৰ্থত তেওঁৰ হাতত অসমীয়া উপন্যাস সাহিত্যই প্ৰতিষ্ঠা লাভ কৰিছিল। উনবিংশ শতিকাৰ শেষ আৰু বিংশ শতিকাৰ আৰম্ভণিৰ সময়ছোৱাতেই ৰজনীকান্ত বৰদলৈয়ে উপন্যাস ৰচনাৰ আৰম্ভণিৰ যোগেদি পৰৱৰ্তী অসমীয়া ঔপন্যাসিকসকললৈ উপন্যাস ৰচনাৰ বাট মোকলাই দিছিল। উপন্যাসৰ যোগেদি তেওঁ অসমীয়া জাতিৰ মনত জাতীয় চেতনাৰ ভাৱ জাগ্ৰত কৰিছিল আৰু লগতে অসমীয়া জনসাধাৰণক আধ্যাত্মিক মনোভাৱেৰেও উদ্দীপিত কৰিছিল। ৰজনীকান্ত বৰদলৈৰ সহজ সৰল ভাষাৰে উপন্যাস ৰচনা কৰি সেই সময়ৰ অসমীয়া পাঠকৰ মনত গভীৰ আনন্দৰ যোগান ধৰিছিল। পুৰণি অসমৰ সমাজ ব্যৱস্থা, অসমীয়া সংস্কৃতি, ৰীতি-নীতি আদিৰ কথা উপন্যাসত উল্লেখ কৰি ৰজনীকান্ত বৰদলৈয়ে ঔপন্যাসিক হিচাপে কৃতিত্ব অৰ্জন কৰিবলৈ সক্ষম হৈছিল। অসমীয়া উপন্যাস সাহিত্যৰ বুৰঞ্জীত ৰজনীকান্ত বৰদলৈৰ স্থান সদায় চিৰস্মৰণীয় হৈ থাকিব।

ফোন ঃ ৬৯০০৭-৮৮৪৮০

# অসমীয়া মাধ্যমৰ চৰকাৰী বিদ্যালয়ত ইংৰাজী ভাষাত পাঠদান

■ ধ্ৰুৱজ্যোতি শইকীয়া

ইতিমধ্যে অসম চৰকাৰৰ শিক্ষা বিভাগে ঘোষণা কৰিছে যে বিজ্ঞান আৰু গণিত বিষয়ৰ পাঠদান ইংৰাজী ভাষাত হ'ব। ষষ্ঠ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰযোজ্য হ'ব। অৱশ্যে আগৰ অসমীয়া মাধ্যমত শিক্ষাদান চলি থাকিব বুলিও জনাইছে। ইয়াৰ বাবে বিশেষ এপ প্ৰস্তুত কৰি ৬৫,০০০ শিক্ষক-শিক্ষয়িত্ৰীক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হ'ব বুলিও শিক্ষামন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে। ইতিমধ্যে অসম চৰকাৰে ইংৰাজী মাধ্যমৰ চি বি এছ ই আদৰ্শ বিদ্যালয় স্থাপন কৰিছে। এইসমূহ বিদ্যালয়ৰ এই বৰ্ষত দশম শ্ৰেণীৰ ফলাফলো যথেষ্ট সন্তোষজনক। বিদ্যালয়কেইখনত উত্তীৰ্ণৰ শতকৰা হাৰ ৯৬.৮ আৰু ইয়াৰ ৭খন বিদ্যালয়ৰ ফলাফল ১০০ শতাংশ। এই ফলাফলে চৰকাৰী ইংৰাজী মাধ্যমৰ বিদ্যালয়লৈ আশাৰ বতৰাও কঢ়িয়াই আনিছে।

বিজ্ঞান আৰু গণিতৰ পাঠদান ইংৰাজী বিষয়ৰ পাঠদানে ছাত্ৰ-ছাত্ৰী, অভিভাৱকসকলৰ বাবে আশাৰ বতৰা কঢ়িয়াই আনিছে আৰু এই পদক্ষেপে চৰকাৰী বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি পোৱাৰ সম্ভাৱনাও অধিক। কাৰণ বহু অভিভাৱকৰ ইংৰাজী মাধ্যমৰ প্ৰতি দুৰ্বলতা আছে। কিন্তু এই ব্যৱস্থা প্ৰাথমিক পৰ্যায়তো হোৱাটো প্ৰয়োজন, কিয়নো তলৰ শ্ৰেণীত ইংৰাজী বিষয়ত এই বিষয়সমূহ নপঢ়িলে বহু ছাত্ৰ-ছাত্ৰীয়ে ষষ্ঠ শ্ৰেণীত টান পোৱাটো স্বাভাৱিক। অভিভাৱকসকলেও ইংৰাজী মাধ্যম বিষয়কেইটা পঢ়িলে নম্বৰ কম পাব বুলি ইচ্ছা প্ৰকাশ নকৰিব পাৰে। অৱশ্যে দেখা যায় যে অসমৰ চৰকাৰী মাধ্যমৰ বিদ্যালয়সমূহৰ পৰা প্ৰতি বছৰে ষষ্ঠ শ্ৰেণীৰ নতোবাৰ বিদ্যালয়ত নামভৰ্তি কৰি আছে। তেওঁলোকে ইংৰাজী মাধ্যমতেই পাঠদান কৰি আছে। অৱশ্যে এইসকল ছাত্ৰ-ছাত্ৰী সকলে পৰা সকলো বিষয়তে সাধাৰণতে পাৰ্গত হয়, গতিকে তেওঁলোকে বিশেষ অসুবিধাৰ সন্মুখীন নহয়। আমি সকলোৱে জ্ঞাত যে অসমীয়া মাধ্যমত দশম শ্ৰেণীলৈকে পাঠদান কৰা প্ৰায়বোৰ ছাত্ৰ-ছাত্ৰীয়ে উচ্চতৰ মাধ্যমিকত ইংৰাজী মাধ্যমতেই পাঠদান কৰে। বিশেষকৈ বিজ্ঞান শাখাত ৯০ শতাংশ ছাত্ৰ-ছাত্ৰীয়েই ইংৰাজী মাধ্যমত পাঠদান কৰে। এনেকুৱা বহু ছাত্ৰ-ছাত্ৰীৰ মাধ্যমৰ বাবে ফলাফল বেয়া হোৱাও দেখা যায় আৰু সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষাত কৃতকাৰ্য হোৱাত অসুবিধাৰ সৃষ্টি হয়। কিয়নো এই পৰীক্ষাসমূহৰ বাবে প্ৰয়োজনীয় দৰকাৰী কিতাপসমূহ প্ৰায়বোৰ ইংৰাজী মাধ্যমতে প্ৰকাশিত হয়। কোনো দিন গণিত আৰু বিজ্ঞান বিষয় ইংৰাজী মাধ্যমত নপঢ়া ছাত্ৰ-ছাত্ৰীসকলে প্ৰথম পৰ্যায়ত বহু অসুবিধাৰ সন্মুখীন হয়। বৰ্তমান চৰকাৰে লোৱা বিশেষ পদক্ষেপে বিশেষকৈ বিজ্ঞান শাখাত পঢ়িব বিচৰা ছাত্ৰ-ছাত্ৰীসকলক যথেষ্ট সহায় কৰিব। অসমৰ চৰকাৰী মাধ্যমৰ বিদ্যালয়সমূহত প্ৰাক প্ৰাথমিক শ্ৰেণীৰ পৰাই ইংৰাজী আৰু অসমীয়া দুটা মাধ্যমত পাঠদানৰ ব্যৱস্থা কৰিলে ইংৰাজী মাধ্যমত পঢ়ুৱাৰ বিচৰা অভিভাৱকসকলে নামভৰ্তি কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিব। সাধাৰণতে গ্ৰামাঞ্চলত থকা বহু অভিভাৱকে বহু টকা খৰচ কৰি ইংৰাজী মাধ্যমত পঢ়ুৱাবৰ বাবে নগৰমুখী হয়। সেইসকল অভিভাৱক এইক্ষেত্ৰত লাভবান্বিত হ'ব।

অৱশ্যে প্ৰাথমিক বিদ্যালয় সকলোতে এই পদ্ধতি অবলম্বন কৰা সম্ভৱ নহয় কাৰণ বৰ্তমানেও বহু বিদ্যালয়ত এজনীয়া শিক্ষকৰ দ্বাৰা পৰিচালিত হৈ আছে। আনহাতে, ছাত্ৰ-ছাত্ৰী বেছি থকা বহু প্ৰাথমিক বিদ্যালয়ত আত্মগাঁথনি আৰু শ্ৰেণী অনুসৰি শিক্ষক-শিক্ষয়িত্ৰীৰো অভাৱ। প্ৰথম পৰ্যায়ত প্ৰতিটো পঞ্চায়তত এখনকৈ বিদ্যালয়ত এই ধৰণৰ পদ্ধতি অবলম্বন কৰিলে মাধ্যমিক পৰ্যায়তো ইয়াৰ প্ৰভাৱ পৰিব। এখন বিদ্যালয়ত দুটা বিষয় ইংৰাজী বিষয়ত পাঠদান কৰিবলৈ যাওঁতে বিদ্যালয়ৰ শ্ৰেণী কোঠা, শিক্ষক-শিক্ষয়িত্ৰীৰ সমস্যা নিশ্চয় হ'ব। এটা শ্ৰেণীত যদি বেছিসংখ্যক ছাত্ৰ-ছাত্ৰী ইংৰাজী মাধ্যমত পাঠদান কৰিব বিচাৰে তেন্তে তেওঁলোকৰ বাবে বেলেগ শ্ৰেণী কোঠা আৰু শিক্ষকৰ প্ৰয়োজন হ'ব। তেওঁলোকৰ বাবে স্বাৰ্থত বিজ্ঞান আৰু গণিত বিষয়কেইটা ইংৰাজী বিষয়কেইটাত পাঠদান কৰাটো এক ইতিবাচক কথা যদিও ইয়াৰ বাবে যে বহু প্ৰত্যাহ্বানো আছে সি ধ্ৰুৱপ। এই প্ৰত্যাহ্বান অসম চৰকাৰৰ শিক্ষা বিভাগে কি দৰে মোকাবিলা কৰিব পাৰে সেইটো সময়ে ক'ব।

# বিশ্বনাথত ভাৰতীয় জনতা পাৰ্টীৰ ৰাজ্যিক সভাপতি ভৱেশ কলিতা

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ২৮ জুলাই ঃ** আগন্তুক লোকসভা আৰু পঞ্চায়ত নিৰ্বাচনক লৈ টঙালি বান্ধিছে ভাৰতীয় জনতা পাৰ্টীয়ে। সমষ্টিয়ে সমষ্টিয়ে দলীয় সাংগঠনিক ভেটি সবল কৰা উদ্দেশ্য দলটোৰ ৰাজ্যিক পৰ্যায়ৰ নেতা সাংগঠনিক কাম-কাজত ব্যস্ত হোৱা দেখা গৈছে। ইফালে বুধবাৰে ভাৰতীয় জনতা পাৰ্টি অসম প্ৰদেশৰ সভাপতি ভৱেশ কলিতা উপস্থিত হয় বিশ্বনাথত। বিশ্বনাথ বিধানসভাৰ গড়েহাগীস্থিত কমলাকান্ত নাট্য সমাজৰ সভাগৃহত এখন বিশেষ দলীয় সাংগঠনিক সভাত অংশগ্ৰহণ কৰে সভাপতি কলিতাই। উল্লেখযোগ্য যে উত্তৰ বিশ্বনাথ জিলা অন্তৰ্গত বিধান সভা সমষ্টিকেইটা বৰ্তমান বিজেপি দখলত আছে যদিও আগন্তুক পঞ্চায়ত নিৰ্বাচনক লৈ এতিয়া অধিক তৎপৰ হৈছে বিজেপি দলৰ নেতা-কৰ্মীসকল। ভাৰতীয় জনতা পাৰ্টিৰ বিশ্বনাথ জিলা সমিতিৰ উদ্যোগত আয়োজন কৰা এখন বিশেষ দলীয় সাংগঠনিক সভাত ৰাজ্যিক সভাপতি ভৱেশ কলিতা অংশগ্ৰহণ কৰি জিলাখনৰ গহপুৰ সমষ্টিৰ বিশ্বনাথ সমষ্টি বিহালী সমষ্টিৰ দলীয় কৰ্মীসকল আৰু বিধায়কসকলৰ সৈতে সাংগঠনিক আলোচনা কৰি



জিলাখনত বিজেপি দলটোৰ সাংগঠনিক দিশত অধিক সবল কৰা বাবে কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত লয় সভাত। উক্ত বিশেষ সাংগঠনিক সভাখনত উপস্থিত থাকে বিশ্বনাথ বিধানসভা সমষ্টিৰ বিধায়ক প্ৰমোদ বৰঠাকুৰ, ভাৰতীয় জনতা পাৰ্টি বিশ্বনাথ জিলা সভাপতি পংকজ বৰা, বিহালী সমষ্টিৰ বিধায়ক ৰঞ্জিত দত্ত, গহপুৰ সমষ্টিৰ বিধায়ক উৎপল বৰা, ৰাজ্যিক চাহ জনগোষ্ঠী মৰ্চাৰ সভাপতি দিগন্ত ঘাটোৱাৰ লগতে ৰাজ্যিক উপঃ সভাপতি অশোক ভট্টৰায়।

## পি এম গৃহৰ তালিকা দেখি হতভম্ব সচেতন ৰাইজ

# পূৰ্বতে গৃহ লাভ কৰা, আৰচিচি বিল্ডিং, চাকৰি, ট্ৰেক্টৰ থকা আঢ্যৱন্ত লোকৰ নাম তালিকাত সন্নিৱিষ্টক লৈ প্ৰতিক্ৰিয়া

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ২৮ জুলাই ঃ** আঁচনিত অনিয়ম-অনীতি হ'লে যদি প্ৰমাণ হয় তেন্তে পঞ্চায়ত প্ৰতিনিধিৰ পৰা আমোলালৈ কোনো সাৰি যাব নোৱাৰিব বুলি চৰকাৰে চৰম সকীয়নি প্ৰদান কৰাৰ পিছত দৰঙৰ ছিপাঝাৰ উন্নয়ন খণ্ডৰ চেঙেলীয়াঝাৰ গাঁও পঞ্চায়তত পিএম গৃহৰ হিতাধিকাৰীৰ তালিকাক লৈ সচেতন লোকসকল হতভম্ব হৈ পৰিবলগীয়া হোৱাৰ পিছত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰে সকলোৱে দৃষ্টি নিক্ষেপণত। অভিযোগ অনুসৰি, উল্লিখিত গাঁও পঞ্চায়তখনত পি এম গৃহৰ হিতাধিকাৰীৰ তালিকা এখন পঞ্চায়তে লাভ কৰাৰ পিছত আৰম্ভ হৈছে হিতাধিকাৰীসকলৰ জবকাৰ্ড-আধাৰকাৰ্ড লিংকৰ অনলাইন ব্যৱস্থা। আশ্চৰ্যজনক কথাটো হ'ল যে উক্ত হিতাধিকাৰীৰ তালিকাত পূৰ্বতে গৃহ লাভ কৰা, আৰচিচি বিল্ডিং, চাকৰি, ট্ৰেক্টৰ থকা আঢ্যৱন্ত পৰিয়ালৰ প্ৰায় ৪০ শতাংশ লোকৰ নাম সন্নিৱিষ্ট কৰা হৈছে বুলি অভিযোগ উত্থাপন হৈছে। আশ্চৰ্যজনকভাৱে অতিকৈ ডাল দৰিদ্ৰ পৰিয়ালে ঘৰ ঘৰ বুলি কান্দি থকাৰ পিছতো পি এম গৃহ লাভ কৰাৰ যোগ্যতাত নুঠিল। স্মৰ্তব্য যে যিসকল লোকে আঁচনিৰ হিতাধিকাৰী হিচাপে যোগ্যতা তুলাচনীত স্থান লাভ কৰিছে তেনে হিতাধিকাৰীসকলে আঁচনিৰ নীতি-নিয়ম অনুসৰি কিন্তু চৰকাৰী গৃহ পাব নোৱাৰে বুলি গাইড লাইনত প্ৰকাশ। তৎসত্বেও কি অদৃশ্য শক্তিৰ বাবে এইসকল লোকৰ নাম সন্নিৱিষ্ট হ'ল তাক লৈ হৈ পৰিছে নুবুজা সাঁথৰ। ছিপাঝাৰৰ তুৰাই গাঁও পঞ্চায়তত বহু দৰিদ্ৰ পৰিয়াল বঞ্চিত হ'বলগীয়া হোৱাত বিতৰ্কৰ সৃষ্টি হোৱা বুলি প্ৰকাশ। ইফালে সচেতন একাংশ লোকে অযোগ্য পৰিয়ালৰ লোকসকলে ৰহস্যজনকভাৱে গৃহ লাভ কৰিবলৈ সক্ষম হয় তেন্তে বিষয়টো ওপৰ মহলত অভিযোগ দাখিল কৰিব বুলি প্ৰকাশ। একাংশ লোকে গৃহসমূহ পঞ্চায়তৰ জিপিচিগৰাকীয়ে কাৰো মুখৰ কথাত নুশুনি আঁচনিৰ নীতি-নিয়ম বৰ্তাই যোগ্য হিতাধিকাৰীসকলক আগতে দিয়াৰ ব্যৱস্থা কৰিবলৈ আহ্বান জনাইছে। ইফালে ১.৩০ লাখ টকীয়া গৃহৰ কেইগৰাকীমান হিতাধিকাৰী অযোগ্য বুলি বিবেচিত গোপনে ৰহস্যজনকভাৱে ধনৰাশি মুকলি কৰি দিয়াৰ বাবে কূট-কৌশল চলাই থকা বুলি প্ৰকাশ। সচেতন লোকসকলে কিন্তু এই ক্ষেত্ৰত জিপিচিগৰাকীয়ে কি কৰে তাৰ ওপৰত নজৰ ৰাখিছে আৰু বিশেষভাৱে চোকা দৃষ্টি দি আঁচনি ৰূপায়ণ কৰাৰ বাবে জিপিচিক আগতীয়াকৈ জনাইছে। যদি আঁচনিত অনিয়ম হয় তেন্তে এই ক্ষেত্ৰত জিপিচিগৰাকীয়ে দায়ী হ'ব বুলি স্পষ্ট কৰি দিছে। মৰণামৰা যন্ত্ৰ থাকিলে চৰকাৰী গৃহ লাভত বাধা আছে। তেনে ক্ষেত্ৰত এগৰাকী আঢ্যৱন্ত লোকে কেনেকৈ গৃহ লাভ কৰিবলৈ সক্ষম হ'ল বুলি এইসকল লোকে জিপিচিক প্ৰশ্ন কৰি উত্তৰ বিচাৰিছে। এই অভিযোগ বিভাগত দাখিল কৰিব বুলি প্ৰকাশ। অভিযোগ অনুসৰি কুমাৰপাৰা গাঁৱত এটা পৰিয়ালৰ চাকৰি, ট্ৰেক্টৰ, আৰচিচি বিল্ডিং থকা অবিবাহিত যুৱকৰ নাম তালিকাত সন্নিৱিষ্টক লৈ ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। কি প্ৰদ্ধতিৰে পি এম গৃহ আবন্টন দিয়ে ইয়াক সকলোৱে লক্ষ্য ৰাখিছে।

# ব্ৰিটিছ পেইণ্টৰ নতুন কেম্পেইন মুকলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৮ জুলাই ঃ** ব্ৰিটিছ পেইণ্টে শেহতীয়াভাৱে 'হৰ ঘৰ মুস্কোৰায়ে, জব ৰং গুণগুনায়ে' শীৰ্ষক এটা নতুন কেম্পেইন মুকলি কৰিছে। বিশেষকৈ ঘৰ, কাৰ্যালয় অথবা ব্যক্তিগত স্থানসমূহত উচ্চ মানদণ্ডৰ ৰং ব্যৱহাৰে নিজৰ মনত আনন্দৰ সপোন তৈয়াৰ কৰাৰ লক্ষ্যৰেই মুকলি কৰা ৰং সমূহৰ ৰং মানুহৰ মনত অংকন কৰাৰ বাবেই কোম্পানীটোৱেই ইয়াৰ পুৰ্বৰ কেম্পেইন 'ৰং গুণগুনায়েক' আঁতৰাই এইবিধ নতুন কেম্পেইন মুকলি কৰা হৈছে। ইয়াৰ সৈতে সংগতি ৰাখি প্ৰায় ১০০ বছৰৰো অধিক সময়ৰ বাবে মানুহৰ মনত সোমোৱাই ৰখা ৰং সমুহৰ পৰিৱৰ্তে নতুনকৈ কেতবোৰ ৰং সংযোজন কৰা হৈছে। ৰঙীণ ৰঙৰ এই ব্ৰেণ্ডটোৱে শেহতীয়াভাৱে ইয়াৰ পূৰ্বৰ মেৰোন ৰঙটো আঁতৰাই ডাৰ্ক ইয়লো আৰু নেভি ব্লু ৰঙৰ সমাবেশ ঘটাইছে। প্ৰসংগত ব্ৰিটিছ পেইণ্টৰ মুখ্য পৰিচালন বিষয়া যোগেশ ভাটিয়া সিঙে কয় যে আমি সদায়েই গ্ৰাহকক তেওঁলোকে বনোৱা ঘৰটোৰ সৈতে আনন্দৰ ভাগবতৰা সম্পূৰ্ণভাৱেই আহৰণ কৰাৰ লগতে তেওঁলোকে ব্যৱহাৰ কৰাৰ এই ৰং সমুহ যাতে বহু বছৰলৈ দেখনিয়াৰ হৈ থাকে, সেই দিশত গুৰুত্ব আৰোপ কৰি আহিছো। ব্ৰেণ্ডটোৱে শেহতীয়াভাৱে তিনিবিধ নতুন ৰং পৰিসৰ মুকলি কৰিছে। উল্লেখ্য যে নতুন দিল্লীত মুখ্য কাৰ্যালয় থকা ব্ৰিটিছ পেইণ্টৰ উত্তৰ প্ৰদেশ, জম্মু আৰু কাশ্মীৰ, অন্ধ্ৰপ্ৰদেশ আৰু অসমত ৪টা উৎপাদন কেন্দ্ৰ আৰু ৫৯ৰো অধিক শাখা কাৰ্যালয় আছে।

# হৰেঘাট দলং আৰু সংযোগী পথত ষ্ট্ৰীট লাইটৰ ব্যৱস্থাৰ দাবী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ২৮ জুলাই ঃ** ডিব্ৰুগড় জিলাৰ লাহোৱাল আৰু টিংখাং সমষ্টিৰ সৈতে ডিব্ৰুগড়ৰ সংযোগী ডিব্ৰুগড় গড়কাপ্তানি পথ সংমণ্ডলৰ ডিব্ৰুগড় সাপেখাটি পথৰ বুঢ়ীদিহিং নদীৰ ওপৰৰ হৰেঘাট দলং আৰু দলং সংযোগী পথটো নিশাৰ আন্ধাৰত যাতায়াত কৰাৰ ক্ষেত্ৰত বহু সমস্যাৰ সৃষ্টি হৈছে। উল্লেখ যে ডিব্ৰুগড় সাপেখাটি সংযোগী পথটো হৰেঘাটেদি ডিব্ৰুগড়লৈ টিংখাং আৰু লাহোৱাল সমষ্টিৰ মাজত যাতায়াত সংযোগে টিংখাং সমষ্টিৰ ভিতৰুৱা গাঁৱকে ধৰি সমষ্টিৰ জনসাধাৰণে ডিব্ৰুগড়ৰ উপৰিও ডিব্ৰুগড় বিভিন্ন ঠাইলৈ অহা-যোৱা কৰা যাতায়াত হিচাপে বিবেচিত। কিন্তু নিশাৰ অন্ধকাৰত যানবাহন, মটৰ চাইকেল, চাইকেল আৰোহী, পথচাৰীয়ে আহ-যাহ কৰাত বিপদাপন্ন সমস্যাৰ উদ্ভৱ হৈ আহিছে। স্থানীয় টিংখাং আৰু লাহোৱাল সমষ্টিৰ অন্তৰ্গত অঞ্চলসমূহৰ ৰাইজে হৰেঘাট দলং আৰু পথত ষ্ট্ৰীট লাইটৰ ব্যৱস্থা গ্ৰহণৰ বাবে কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড় লোকসভাৰ সাংসদ তথা ডিব্ৰুগড় জিলাৰ উপায়ুক্তৰ প্ৰতি দাবী জনাইছে।

# জুবিলেণ্ট ফাউণ্ডেচনৰ দুখীয়া ছাত্ৰ-ছাত্ৰীৰ মাজত স্কুলীয়া সামগ্ৰী বিতৰণ কাৰ্যসূচী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৮ জুলাই ঃ** সামাজিক উন্নয়ন, শিক্ষা, স্বাস্থ্য আৰু ক্ৰীড়াৰ হকে কাম কৰিবলৈ আগবাঢ়ি অহা নতুনকৈ প্ৰতিষ্ঠিত হোৱা এন জি অ' জুবিলেণ্ট ফাউণ্ডেশ্যনে যোৱা দেওবাৰে মহানগৰীৰ চান্দমাৰিৰ ৰে'লৱে কলনিৰ আৰ্থিকভাৱে পিছপৰা দুখীয়া ছাত্ৰ-ছাত্ৰীৰ মাজত সহায়ৰ হাত আগবঢ়াই। অৰ্ধ শতাধিক দুখীয়া ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত অনুষ্ঠিত এখন মুকলি সভাত জুবিলেণ্ট ফাউণ্ডেশ্যনৰ অধ্যক্ষ তথা যুৱ সমাজকৰ্মী ছাজাদ আনোৱাৰে ছাত্ৰ-ছাত্ৰীৰ উজ্জ্বল ভৱিষ্যতৰ হকে কিছু গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়াই ছাত্ৰ-ছাত্ৰীসকলক কয়— "ছাত্ৰ-ছাত্ৰীসকল কাইলৈৰ দেশৰ ভৱিষ্যত। সকলো ছাত্ৰ-ছাত্ৰীয়ে সমপৰিমাণে শিক্ষা লাভ কৰা উচিত। দেশ তথা সমাজৰ প্ৰগতিৰ হকে ছাত্ৰ-ছাত্ৰীৰ শিক্ষা অত্যন্ত জৰুৰী। আৰু লগতে কয় যে দৈনন্দিন জীৱনত পঢ়া-শুনা কিমান লাগতিয়াল সেই বিষয়েও ছাত্ৰ-ছাত্ৰীসকলক পৰামৰ্শ দিয়ে।" অনুষ্ঠানৰ মাজতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ পৰা বহু প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰীয়ে নৃত্য-গীত পৰিৱেশন কৰে। সাধাৰণভাৱে অনুষ্ঠিত মুকলি সভাখনত জুবিলেণ্ট ফাউণ্ডেশ্যন প্ৰতিগৰাকী সদস্যই মুকলিকৈ ছাত্ৰ-ছাত্ৰীসকলৰ লগত ৰঙীণ সময় কটোৱাৰ লগতে ভৱিষ্যত জীৱনত আগবাঢ়ি যাবলৈ বহুমূলীয়া পৰামৰ্শ আগবঢ়ায়। সভাৰ শেষত জুবিলেণ্ট ফাউণ্ডেশ্যনৰ ফালৰ পৰা দুখীয়া ছাত্ৰ-ছাত্ৰীসকলক স্কুলীয়া সামগ্ৰী, বস্ত্ৰ আৰু খাদ্য বিতৰণ কৰা হয়। সহায়ৰ হাতখন দেখি ছাত্ৰ-ছাত্ৰীসকলৰ মন ক্ৰীড়াত এক আনন্দৰ পৰিৱেশ বিৰাজ কৰে। সদা সচেতন এন জি অ জুবিলেণ্ট ফাউণ্ডেশ্যনে লগতে কয় যে শিশুৰ বিকাশ, গ্ৰাম্য সমাজৰ উন্নয়ন, সমাজ কল্যাণ, মহিলাৰ সবলীকৰণৰ দিশতো অনাগত দিনত কাম কৰি যাব বুলি সংবাদ মাধ্যমৰ আগত প্ৰতিশ্ৰুতি দিয়ে। মুকলি সভাখনত বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকি জুবিলেণ্ট ফাউণ্ডেশ্যনক সামাজিক দায়বদ্ধতাৰে ভৱিষ্যতে কাম কৰি যাবলৈ পৰমাৰ্শ আগবঢ়ায়।

## ঐতিহাসিক দিচাংমুখ ডেকাবৰবৰুৱা পথৰ অবৈধ দখলৰ বিৰুদ্ধে সৰৱ সংগ্ৰামী সেনা অসম

# উচ্ছেদৰ দাবীৰে শিৱসাগৰ জিলা উপায়ুক্তক স্মাৰক-পত্ৰ প্ৰদান

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২৮ জুলাই ঃ** শিৱসাগৰ নগৰৰ পৰা ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথ অতিক্ৰম কৰি দিচাংমুখ ফেৰীঘাটলৈকে যোৱা প্ৰায় ১১ কিলোমিটাৰ দৈঘ্যৰ দিচাংমুখ ডেকা বৰবৰুৱা পথটোৰ অতিকৈ এটি ব্যস্ততম গ্ৰাম্য পথ। এই পথচোৱাৰ বিশেষত্ব হ'ল যে ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ অতিক্ৰম কৰি এই পথটোৱেদি দিচাংমুখ ফেৰীঘাট হৈ মাজুলি, ধেমাজি, লখিমপুৰ আদি জিলাৰ লগতে চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশলৈও যোৱাৰ ব্যৱস্থা আছে। পুৱাৰে পৰা সন্ধিয়ালৈকে যান-বাহন চলাচলৰে ব্যস্ত হৈ থকা পথটোৰ ঠায়ে ঠায়ে এচাম লোকে অবৈধ প্ৰক্ৰিয়াৰে দখল কৰি যান বাহন চলাচল কৰাৰ ক্ষেত্ৰত ব্যাঘাত জন্মাই আহিছে। বিগত সময়ত এই পথচোৱাত কেইবাটাও পথ দুৰ্ঘটনা সংঘটিত হোৱাৰ লগতে মানুহৰ জীৱনৰ ক্ষতি সাধন হৈছে। বিশেষকৈ দিচাংমুখ ৰংচাই (লংচাই) দলঙৰ পৰা দিচাংমুখ হাইস্কুললৈকে আৰু দিচাংমুখ থানা তিনিআলিৰ পৰা দিচাংমুখ ডাকঘৰলৈকে পথটোৰ ওপৰলৈকে একাংশ লোকে দখল কৰি অহাৰ ফলশ্ৰুতিত যানবাহন চলাচল কৰাত সমস্যাৰ সৃষ্টি হৈ অহাৰ উপৰি অনাকাংশীক দুৰ্ঘটনা সংঘটিত হোৱাৰ সম্ভাৱনা অধিক হৈ পৰিছে। এই ঐতিহাসিক পথচোৱাৰ ওপৰলৈকে এচাম লোকে দখল কৰি জনসাধাৰণৰ জীৱন-সম্পতিলৈ ভাবুকি কঢ়িয়াই অনা কাৰ্যৰ বিৰোধিতা কৰি বুধবাৰে শিৱসাগৰ জিলা উপায়ুক্ত মেঘনিধি দাহালক এখনি দাবী সম্বলিত স্মাৰক পত্ৰ প্ৰদান কৰিছে অসমৰ অন্যতম জাতীয় সংগঠন সংগ্ৰামী সেনা অসমে। সংগঠনটোৰ শিৱসাগৰ জিলা সমিতিৰ যুটীয়া সম্পাদক পাৰ্থজ্যোতি নৌকাক্ষ আৰু প্ৰচাৰ সম্পাদক প্ৰদীপ দত্তই স্বাক্ষৰ কৰি জিলা উপায়ুক্তগৰাকীলৈ প্ৰেৰণ কৰা দাবী সম্বলিত স্মাৰক পত্ৰখনত উল্লেখ কৰিছে যে দিচাংমুখ ডেকা বৰবৰুৱা পথটো এটি অতিকৈ ব্যস্ত পথ। কিন্তু সাম্প্ৰতিক সময়ত এচাম লোকে পথটোৰ ওপৰলৈকে দখল কৰি যান বাহন চলাচল কৰাৰ ক্ষেত্ৰত সমস্যাৰ সৃষ্টি কৰি আহিছে। ৰংচাই দলঙৰ পৰা দিচাংমুখ হাইস্কুললৈকে মূল পথচোৱাৰ ওপৰলৈকে জেউৰা আদি মাৰি দিয়াৰ ফলত মূল পথচোৱা ঠেক হৈ পৰিছে। পথচোৱা এনেকৈ ঠেক হৈ পৰাত যান বাহনৰ চলাচলত ব্যাপক সমস্যাই দেখা দিছে। ইতিমধ্যে পথচোৱাৰ ব্যাস হ্ৰাস পাই অহাত পথটোত কেইবাটাও পথ দুৰ্ঘটনা সংঘটিত হৈ আহিছে। এনে দুৰ্ঘটনাবিলাকত কেইবাজনো লোকৰ মৃত্যুপৰ্যন্ত হৈছে। সেয়ে বৃহত্তৰ ৰাইজৰ স্বাৰ্থত পথটোৰ ওপৰত চলি অহা এই অবৈধ দখলক উচ্ছেদ কৰি যান বাহন চলাচল কৰাৰ ক্ষেত্ৰত পথটোক উপযোগী কৰি তুলিবলৈ স্মাৰক পত্ৰখনত সংগঠনটোৰ তৰফৰ পৰা জিলা উপায়ুক্তক আহ্বান জনাইছে।

# বিশ্বনাথৰ সাধাৰু প্ৰাথমিক বিদ্যালয়ত বিশ্বনাথ চাহ জনজাতি মহিলা সমিতিৰ সভা

## সাধাৰু চাহ জনজাতি মহিলা সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ইটাখোলা, ২৮ জুলাই ঃ** বিশ্বনাথ জিলাৰ সদৰ বিশ্বনাথস্থিত সাধাৰুত যোৱা ২৬ জুলাইত বিশ্বনাথ চাহ জনজাতি মহিলা সমিতি চমুকৈ 'আটুৱা'ৰ প্ৰতিনিধিমূলক সভা অনুষ্ঠিত হৈ যায়। বিশ্বনাথ শাখা আটুৱাৰ সভানেত্ৰী অনিমা গোৱালাৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ আঁত ধৰে সম্পাদিকা মমী সিং তাঁতিয়ে।



সম্পাদিকাগৰাকীয়ে সভাৰ আত ধৰি চলিত বৰ্ষতে চাহ জনগোষ্ঠীৰ নাৰী শক্তিক একত্ৰিতকৰণ কৰি জনগোষ্ঠীটোৰ সামগ্ৰীক উন্নয়নত সহযোগিতাৰ লক্ষ্য আৰু উদ্দেশ্য আগত ৰাখি অসম চাহ জনজাতি ছাত্ৰ সন্থা আটছাই উদ্যোগ লোৱা প্ৰথমে সমগ্ৰ ৰাজ্যতে চাহ জনজাতি অধ্যুষিত এলেকা সামৰি সমষ্টি ভিত্তিত চাহ জনজাতি মহিলা সমিতি গঠন আৰু পৰৱৰ্তী দিনত জিলা সমিতিসমূহ গঠন কৰে। উক্ত বিশ্বনাথ শাখা আটুৱাৰ উদ্যোগত অনুষ্ঠিত প্ৰতিনিধিমূলক সভাৰ জৰিয়তে সাধাৰু প্ৰাথমিক আটুৱা গঠনৰে আগন্তুক দিনবোৰত বিশ্বনাথ শাখাৰ অন্তৰ্গত প্ৰত্যেক অঞ্চলত চাহ জনজাতি মহিলা সমিতিৰ প্ৰাথমিক গোট গঠনৰ শুভাৰম্ভণি বুলি বক্তব্য আগবঢ়ায়। কেন্দ্ৰীয় আটছাৰ সাংগঠনিক সম্পাদক ঐৱন তাঁতিৰ আতিথ্যত সাধাৰু প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত সভাত নাৰী সৱলীকৰণ আৰু নাৰী শক্তিৰ দ্বাৰা সমাজ উন্নয়নৰ ক্ষেত্ৰত থকা যোগাত্মক দিশ সম্পৰ্কে বক্তব্য আগবঢ়াই বিশ্বনাথ শাখা আটছাৰ উপ-সভাপতি জিতেন তাঁতিয়ে। অৰ্ধশতাধিক পুৰুষ-মহিলাৰ উপস্থিতিত সভাৰ প্ৰস্তাৱ সমৰ্থন যোগে ৰাণী গোৱালাক সভানেত্ৰী আৰু মিনু ঘাটোৱাৰক সম্পাদিকা হিচাপে লৈ মুঠ ২৫জনীয়া সাধাৰু চাহ জনজাতি মহিলা সমিতিখন গঠন কৰে। এক গাম্ভীৰ্যপূৰ্ণ সভাত বিশেষভাৱে উপস্থিত থাকে বিশ্বনাথ জিলা আটুৱাৰ সাংগঠনিক সম্পাদিকা অনিমা সোনাৰী আৰু বিশ্বনাথ শাখা আটুৱাৰ সাংগঠনিক সম্পাদিকা দ্বীপশিখা কুৰ্মীসহ কেইবাগৰাকী আটছা কৰ্মী।

# কলিয়াবৰত নৰ-কংকাল উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ২৮ জুলাই ঃ** কলিয়াবৰ মহকুমাৰ বাগৰি আৰক্ষী চকীৰ এলেকাধীন হাৰমতিৰ পিটনিৰ পৰা উদ্ধাৰ নৰ কংকাল। স্থানীয় ৰাইজে নৰ কংকালটো প্ৰত্যক্ষ কৰি খবৰ দিয়ে স্থানীয় বাগৰি আৰক্ষী তহলদাৰী চকীত। ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ নৰ কংকালটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁৱলৈ প্ৰেৰণ কৰে। এই পৰ্যন্ত নৰ কংকালটোৰ কোনো পৰিচয় উদ্ধাৰ কৰিব পৰা নাই।

# মহিলাৰ বেগ টানি তীব্ৰগতিত পলায়ন কৰিবলৈ গৈ ইৰানী গ্ৰুপৰ বাইক দুৰ্ঘটনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটাৰোড, ২৮ জুলাই ঃ** বৰপেটাৰোডত এক ভয়ংকৰ বাইক দুৰ্ঘটনা সংঘটিত হৈছে। ইৰানী গ্ৰুপৰ দুজন লোকে এগৰাকী মহিলাৰ টকাৰ বেগ টানি বাইকেৰে তীব্ৰ গতিত পলায়ন কৰিবলৈ লওঁতেই বিদ্যুতৰ খুঁটাত খুন্দা মাৰে। ফলত ইৰানী গ্ৰুপৰ এজন লোকৰ থিতাতে মৃত্যু ঘটে। নিহত ইৰানী গ্ৰুপৰ লোকজনৰ নাম আমীৰ গোৱালা বুলি জানিব পৰা গৈছে। নিহত আমীৰ গোৱালাৰ ঘৰ বিহাৰৰ কিষাণগঞ্জত বুলি জনা গৈছে। বাইকখনত থকা আনজন ইৰানী গ্ৰুপৰ লোক ৰোহিত সিং গুৰুতৰভাৱে আহত হয়। আহত লোকজনক সংকটজনক অৱস্থাত ততাতৈয়াকৈ বৰপেটাৰোডৰ চিকিৎসালয়ত ভৰ্তি কৰায় যদিও উন্নত চিকিৎসাৰ বাবে চিকিৎসকে বৰপেটালৈ প্ৰেৰণ কৰাৰ নিৰ্দেশ দিয়ে। কিন্তু মূৰ আৰু নাক-মুখেৰে তেজ নিৰ্গত হোৱা ইৰানী গ্ৰুপৰ লোকজনক বৰপেটা মেডিকেল কলেজলৈ নিয়াৰ বাবে চিকিৎসকে পৰামৰ্শ দিয়াৰ পাছতো প্ৰায় দুঘণ্টা সময় ধৰি আৰক্ষীৰ কোনো বিষয়া চিকিৎসালয়ত উপস্থিত নোহোৱাত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত ইৰানী গ্ৰুপৰ লোকজন বৰপেটাৰোডৰ চিকিৎসালয়তেই পৰি থাকিবলগীয়া হয়। স্মৰ্তব্য যে প্ৰায় তিনি ঘণ্টা পাছত আৰক্ষী বিষয়া উপস্থিত হোৱাৰ পাছতহে গুৰুতৰভাৱে আহত ইৰানী গ্ৰুপৰ লোকজনক ১০৮ ৰে বৰপেটালৈ প্ৰেৰণ কৰে। উল্লেখ্য শিমলাগুৰীৰ কলবাৰী গাঁৱৰ দুগৰাকী মহিলাই আত্মসহায়ক গোটৰ ৫০ হাজাৰ টকা বৰপেটাৰোডৰ বেংক অৱ ইণ্ডিয়াৰ পৰা উঠাই ই-ৰিক্সাৰে কলবাৰীৰ নিজ গৃহলৈ গৈ থকা সময়ত ইৰানী গ্ৰুপৰ লোক দুজনে মাজ ৰাস্তাত ই-ৰিক্সা ৰখাব দি মহিলাগৰাকীৰ পৰা টকাৰ বেগখন থাপ মাৰি লৈ বাইকেৰে তীব্ৰগতিত পলায়ন কৰিবলৈ চেষ্টা কৰে যদিও কিছু দূৰ অহাৰ পাছত শিমলাগুৰিৰ পথৰ দাঁতিত থকা বিদ্যুতৰ এটি খুঁটাত প্ৰচণ্ড জোৰে খুন্দা মাৰে। ফলত থিতাতে ইৰানী গ্ৰুপৰ এজন লোক নিহত হয়। আশ্চৰ্যকৰ কথা যে মহিলা দুগৰাকীয়ে বেংকৰ পৰা টকা ৫০ হাজাৰ উঠাই টকাখিনি ৰুমালেৰে মেৰিয়াই নিজৰ লগতে ৰাখিছিল। ইৰানী গ্ৰুপৰ লোক দুজনে বেগত টকা থকা বুলি সন্দেহ কৰি বেগখন টানিছিল যদিও বেগখনত নাছিল টকা।

# খাৰুপেটীয়াত ভিক্ষাৰীক হত্যা মানসিক বিকাৰগ্ৰস্ত ভিক্ষাৰীক নিশাৰ আন্ধাৰত হত্যা অচিনাক্ত দুৰ্বৃত্তৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধূলা, ২৮ জুলাই ঃ** দৰঙৰ খাৰুপেটীয়া আৰক্ষী থানাৰ অন্তৰ্গত ঘেনামাৰী গাঁৱত সংঘটিত হয় এক ভয়ংকৰ হত্যাকাণ্ড। গাঁওখনৰ ছিৰাজুদ্দিনৰ পুত্ৰ তাহেৰ আলী (৩৮) নামৰ এগৰাকী মানসিক বিকাৰগ্ৰস্ত আৰু মূকবধিৰ ভিক্ষাৰীক মঙলবাৰে নিশা অচিনাক্ত দুৰ্বৃত্তই হত্যা কৰে। ভিক্ষাৰীগৰাকীয়ে দীৰ্ঘদিন ধৰি জমা কৰা প্ৰায় ৩ লক্ষাধিক টকা লুটি নিয়াৰ লগতে বাৰীৰ পিছফালৰ লাল জোৰা নদীত মৃতদেহটো পেলায় থৈ যায়। খুজি-মাগি জমা কৰা ধনেই কাল হ'ল তাহেৰ আলীৰ। বুধবাৰে পুৱতি নিশা পৰিয়ালৰ লোকে লাল জোৰা নদীৰ পাৰত প্ৰত্যক্ষ কৰে তাহেৰ আলীৰ মৃতদেহ। লগে লগে পৰিয়ালৰ লোকে খাৰুপেটীয়া আৰক্ষীক খবৰ দিয়ে। উক্ত খবৰৰ ভিত্তিত দলগাঁও ৰাজহ চক্ৰৰ চক্ৰ বিষয়া আৰু আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে মঙলদৈ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। উক্ত ঘটনাক কেন্দ্ৰ কৰি অঞ্চলটোত তীব্ৰ চাঞ্চল্য বিৰাজ কৰিছে। মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰি বুধবাৰে সন্ধিয়া ৫ বজাত ঘেনামাৰী ৰাজহুৱা খেলপথাৰত তাহেৰ আলীৰ জানাজা সম্পন্ন হয়। সঠিক তদন্তৰ জৰিয়তে দোষীক শীঘ্ৰে কৰায়ত্ত কৰিবলৈ জিলা আৰক্ষী অধীক্ষকৰ ওচৰত দাবী জনাইছে স্থানীয় ৰাইজৰ লগতে অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ দৰং জিলাৰ সভাপতি মফিদুল ইছলাম আৰু আমছুৰ জিলা সভাপতি মাহ বুবুল আলমে।

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ নতুন উপাচাৰ্য ড° জিতেন হাজৰিকা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়ৰ, ২৮ জুলাই ঃ** উজনি অসমৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ নতুন উপাচাৰ্য হিচাপে পঞ্জীয়ক ড° জিতেন হাজৰিকাক নিযুক্তি প্ৰদান কৰিছে। বৰ্তমানৰ বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য ড° লীলাকান্ত নাথে আনুষ্ঠানিকভাৱে অৱসৰ গ্ৰহণ কৰাৰ পিছত বিশ্ববিদ্যালয়ৰ আচাৰ্য তথা ৰাজ্যপাল, অধ্যাপক জগদীশ মুখীয়ে ড° জিতেন হাজৰিকাক উপাচাৰ্য হিচাপে নিযুক্তি প্ৰদান কৰিছে। বিশ্ববিদ্যালয়ৰ বিত্তীয় কেলেংকাৰিৰ অভিযোগত অভিযুক্ত ড° ৰঞ্জিত তামুলীক অপসাৰণ কৰাৰ পিছত ড° আৰ এন এছ যাদৱক কিছুসময়ৰ বাবে ভাৰপ্ৰাপ্ত উপাচাৰ্য হিচাপে নিযুক্তি দি আচাৰ্য জগদীশ মুখীয়ে ড° লীলাকান্ত নাথক পূৰ্ণাংগ উপাচাৰ্য পদত নিযুক্তি প্ৰদান কৰে। কিন্তু ফাৰ্মাচিউটিকেল বিভাগৰ অধ্যাপক হিচাপে কাৰ্যনিৰ্বাহ কৰা উপাচাৰ্য ড° লীলাকান্ত নাথে সেই বিভাগৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পিছত উপাচাৰ্য হিচাপে প্ৰায় ছমাহ কাৰ্যনিৰ্বাহৰ অন্ততঃ ২৭ জুলাইত নতুন উপাচাৰ্য হিচাপে বিশ্ববিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপক তথা পঞ্জীয়ক ড° জিতেন হাজৰিকাক আনুষ্ঠানিকভাৱে উপাচাৰ্য হিচাপে নিযুক্তি প্ৰদান কৰে। উল্লেখ্য যে ইয়াৰ পিছতে ৰাজভৱনৰ তৰফৰ পৰা উপাচাৰ্য হিচাপে ড° জিতেন হাজৰিকাক আনুষ্ঠানিকভাৱে এক জাননীৰ জৰিয়তে উপাচাৰ্য হিচাপে নিযুক্তি প্ৰদানৰ কথা ঘোষণা কৰিছিল। কিন্তু পৰৱৰ্তী সময়ত আন এক জাননীৰ জৰিয়তে ৰাজভৱনে ড° লীলাকান্ত নাথকে উপাচাৰ্য হিচাপে বাহাল ৰখাৰ কথা প্ৰকাশ কৰিছিল। জানিব পৰামতে, এই পৰ্যন্ত ড° জিতেন হাজৰিকাক উপাচাৰ্য হিচাপে নিযুক্তি দিয়াৰ কথা ৰাজভৱনে আনুষ্ঠানিক জাননী জাৰি কৰা হোৱা নাই যদিও অহা ৪ আগষ্টত পঞ্জীয়ক ড° জিতেন হাজৰিকাক আনুষ্ঠানিকভাৱে উপাচাৰ্য পদত নিযুক্তি-পত্ৰ প্ৰদানৰ সম্ভাৱনা আছে। আনহাতে, সেইদিনাই ৰাজ্যপাল তথা আচাৰ্য জগদীশ মুখীয়ে ড° জিতেন হাজৰিকাক উপাচাৰ্য হিচাপে শপতবাক্য পাঠ কৰাব। উল্লেখ্য যে বিতৰ্কই লগ নেৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গৰিমা পুনৰ ওভতাই অনাৰ ক্ষেত্ৰত ড° হাজৰিকাৰ বাবে হ'ব যথেষ্ট প্ৰত্যাহ্বান। বিশ্ববিদ্যালয়ৰ এগৰাকী দক্ষ প্ৰশাসনিক বিষয়া হিচাপে সুনাম থকা ড° হাজৰিকাক ঐতিহ্যমণ্ডিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিচাপে নিযুক্তি দিয়াৰ খবৰে উৎফুল্ল কৰি তুলিছে বিশ্ববিদ্যালয়ৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীক। শেহতীয়াকৈ বিশ্ববিদ্যালয়ৰ বিত্তীয় কেলেংকাৰিৰ সন্দৰ্ভত পঞ্জীয়ক ড° জিতেন হাজৰিকাই গোচৰ প্ৰদান কৰিছিল। তদানীন্তন উপাচাৰ্য ড° ৰঞ্জিত তামুলীৰ বিৰুদ্ধে উত্থাপন হোৱা বিশ্ববিদ্যালয়ৰ বিত্তীয় কেলেংকাৰিৰ সন্দৰ্ভত গোচৰীয়া হিচাপে থকা ড° জিতেন হাজৰিকাই উপাচাৰ্য হিচাপে দায়িত্ব গ্ৰহণৰ পিছত এই ক্ষেত্ৰত কেনেধৰণে পদক্ষেপ গ্ৰহণ কৰিব সেয়া অত্যন্ত লক্ষণীয় হ'ব।

## জনজাতিৰ প্ৰমাণ-পত্ৰ জালিয়াতি

# দক্ষিণ কামৰূপ জিলা ট্ৰাইবেল সংঘৰ প্ৰতিক্ৰিয়া

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২৮ জুলাই ঃ** এগৰাকী অজনজাতিৰ যুৱকে জনজাতিৰ প্ৰমাণ পত্ৰ সংগ্ৰহ কৰি সা সুবিধা লাভ কৰি থকা খৱৰে কামৰূপ জিলাৰ দক্ষিণ কামৰূপত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি কামৰূপ জিলাৰ ছয়গাঁও আৰক্ষী থানাৰ অন্তৰ্গত কুশল পাৰা গাঁৱৰ পুলক কলিতাৰ পুত্ৰ জয়ন্ত কলিতাই ৰাভা উপাধি গ্ৰহণ কৰি ট্ৰাইবেল সংঘৰ প্ৰমাণ পত্ৰ সংগ্ৰহ কৰিছে। এই ঘটনা ফাদিল হোৱাত তাৎক্ষণিকভাৱে প্ৰতিক্ৰিয়া প্ৰকাশ কৰে দক্ষিণ কামৰূপ জিলা ট্ৰাইবেল সংঘই। বুধবাৰে সংঘৰ জিলা কাৰ্যালয়ত এই সন্দৰ্ভত সংঘৰ কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক বিপুল ৰাভাই সাংবাদিকৰ আগত এনে জঘন্য কাণ্ডৰ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে আৰু যি কৰ্তৃপক্ষৰ দ্বাৰা জয়ন্ত কলিতাই ৰাভা উপাধি গ্ৰহণ কৰি জনজাতিৰ প্ৰমাণ পত্ৰ সংগ্ৰহ কৰিছে তেওঁ লোককো নিন্দা কৰে। গতিকে বিষয়টো সম্পৰ্কে উৰ্ধতন মহলক চোকা নজৰ দিবলৈ আহ্বান জনাইছে। জিলা সমিতিৰ তত্ত্বাৱধানত আয়োজন কৰা সংবাদ মেলত উপস্থিত থাকে সভাপতি দিপৰ বড়ো, সম্পাদক দূৰ্গেশ্বৰ বড়োকে ধৰি বহুকেইজন সংঘৰ কৰ্মী।

## পথ দুৰ্ঘটনাত মৃত্যু হোৱা শিশু অভিনেতা অৰিন্দম কৌশিকলৈ বিশেষ শ্ৰদ্ধাঞ্জলি

# অৰিন্দম নাট্য বিদ্যালয়ৰ কণ কণ শিক্ষাৰ্থীয়ে 'ৰহিলা সুন্দৰীৰ বিয়া'ৰ জৰিয়তে অভিনয়ৰ আদি পাঠতে দেখুৱালে পাৰদৰ্শিতা-

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২৮ জুলাই ঃ** তেজপুৰৰ বাণ থিয়েটাৰৰ প্ৰেক্ষাগৃহত উপস্থিত থকা কেবাশতাধিক ৰাইজৰ সন্মুখত মঙলবাৰে নিশা ১৮টিকৈ শিশুৱে বাণৰ মঞ্চত উলহ-মালহেৰে আয়োজন কৰিলে 'ৰহিলা সুন্দৰীৰ বিয়া'। শিশু সকলৰ এই বিয়াৰ আয়োজন বুলিয়েই নহয় ৰজা মন্ত্ৰীৰ পৰা অৰণ্যৰ বিভিন্ন জীৱ- জন্তুলৈকে শিশুৰ মাজত এনে সুন্দৰ বেশ ভূষা প্ৰত্যক্ষ কৰি একপ্ৰকাৰ অভিভূত হৈ পৰিল জ্যেষ্ঠজন। উপস্থিত ৰাইজে ঐতিহ্যমণ্ডিত বাণ থিয়েটাৰৰ মঞ্চত দেখা পালে তেজপুৰৰ এদল সম্ভাৱনাপূৰ্ণ নাট্যশিল্পীৰ প্ৰতিভা। উল্লেখ্য যে ২০২১বৰ্ষৰ ৩০ নবেম্বৰত বহুমুখী প্ৰতিভাৰ নাট্যশিল্পী অৰিন্দম কৌশিকৰ সোঁৱৰণত স্থাপিত 'অৰিন্দম নাট্য বিদ্যালয়'ৰ তেজপুৰত চলিত বৰ্ষৰ জানুৱাৰী মাহৰ পৰা পাঠদান আৰম্ভ হোৱা প্ৰশিক্ষাৰ্থীসকলে জাতকৰ সাধু 'দ্য এনিমেল আৰ্মি'ৰ আধাৰত নিজেই নাট্যৰূপ আৰু সংলাপ সৃষ্টিৰে ৰচনা কৰি উলিয়াইছিল এখন বিশেষ বাৰ্তাবাহক মনোগ্ৰাহী শিশু নাটক 'ৰহিলা সুন্দৰীৰ বিয়া'। অসমীয়া লোক-সংস্কৃতিৰ আভাস আৰু প্ৰচেনিয়াম থিয়েটাৰৰ আৰ্হিৰে ছাত্ৰ-ছাত্ৰীসকলে সন্ধিয়া ৬-৪৫ বজাৰ পৰা বাণ থিয়েটাৰৰ মঞ্চস্থ কৰি অতি সাৱলীল অভিনয়ৰে দৰ্শকৰ প্ৰশংসা বুটলিবলৈ সক্ষম হয়। নাট্য বিদ্যালয়খনৰ অধ্যক্ষ, নাট্যকাৰ পৰিচালক দিগন্ত কুমাৰ ভূএঞাৰ লগতে ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ ডিপ্লমা প্ৰাপক দক্ষ নাট্যশিল্পী শোণিত জ্যোতি শইকীয়া আৰু অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰৰ বলিষ্ঠ অভিনেত্ৰী চিমি গোস্বামী, অমৰ জ্যোতি বৰা মুখ্য প্ৰশিক্ষক ৰূপে থাকি তেজপুৰৰ বিভিন্ন প্ৰান্তৰ এই ১৮ টাকৈ শিশুক নাটশিল্পৰ পাৰদৰ্শী কৰি তোলাৰ পিছত কালি নিশা প্ৰায় সকলোৱেই 'ৰহিলা সুন্দৰীৰ বিয়া'ত সুন্দৰ অভিনয় কৰি দৰ্শকক মুগ্ধ কৰি তোলে। দিগন্ত কুমাৰ ভূএঞাৰ অভিযোজনা আৰু পৰিচালনাৰ লগতে শোণিত জ্যোতি শইকীয়া, চিমি গোস্বামী আৰু অমৰজ্যোতি বৰাৰ পৰিকল্পনাৰে আৰু অতি অৰ্থবহ সংগীত আৰু আলোকেৰে প্ৰথম প্ৰয়াসতেই শিক্ষাৰ্থীসকলে সাৰ্থক অভিনয় কৰিবলৈ সক্ষম হয়। মন কৰিবলগীয়া যে শিক্ষাৰ্থী সকলৰ মাজৰ পৰা নিজেই ঘোষক আৰু সূত্ৰধাৰৰ ভূমিকাৰ লগতে শিশু ধ্ৰুৱজ্যোতি দাসৰ ঢোল বাদন, কৌস্তভ মণি কলিতাৰ তালবাদনৰ লগতে গণেশ বৰুৱাৰ খোলবাদন, নৃপেন শইকীয়াৰ তালবাদন, দিব্যজ্যোতি নাথৰ ৰূপসজ্জাৰে সফল মঞ্চায়ন হোৱা নাটকৰ অন্তত প্ৰশিক্ষাৰ্থীসকলক মানপত্ৰ প্ৰদান কৰাৰ পিছত সকলোৱে অকাল মৃত্যুক সাৱটি লোৱা প্ৰতিভাবান নাট্যশিল্পী অৰিন্দম কৌশিকৰ প্ৰতিচ্ছবিৰ সন্মুখত সমবেত হৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

No. SMEJ/JMCH/2633/2022/3200

**RE-TENDER NOTICE**

This is for information of all that the tender for "**Operation and Maintenance of Toilet Blocks on Pay & Use' Basis at Jorhat Medical College & Hospital, Jorhat**" floated vide IFB No. SMEJ/JMCH/2633/2022/2291 Date: 24/05/2022 (3rd Call) is hereby re-tendered as per following schedule:

| Date and Time from sale/download of Bid document | Date and Time of Spot survey/site verification | Date and Time of Pre-Bid Meeting | Date and Time of Start of Bid Submission | Date and Time of End of Bid Submission | Date and Time of Opening of Bid |
|---|---|---|---|---|---|
| 1.00 P.M of 29/07/2022 | From 2.00 P.M. of 29/07/2022 to 11.00 A.M. of 04/08/2022 | 12.00 P.M of 04/08/2022 | 12.00 P.M of 05/08/2022 | 12.00 P.M of 19/08/2022 | 12.00 P.M of 19/08/2022 |

**Instructions for tendering:**

1. Complete TENDER DOCUMENT sale/download through the official website: www.iorhatmedicalcollege.in.
2. All intending bidders are requested to submit their tender document in the **DROP BOX** to be available at 0/o. Principal cum Chief Superintendent, JMC&H, Jorhat as per schedule, failing which the tenders will be rejected.
3. The institute reserves the right to reject any/all applications without assigning any reason whatsoever.

**Principal cum Chisf Superintendent,**
**Jorhat Medical College & Hospital, Jorhat**

Janasanyog /C/7207/22

■ মৈৰাবাৰীত দুগৰাকীকৈ সাংবাদিকক গ্ৰেপ্তাৰ ■

# লাহৰীঘাট ৰাজহ চক্ৰৰ সন্মুখত প্ৰতিবাদী কাৰ্যসূচী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভুৰাগাঁও, ২৮ জুলাই ঃ** অপৰাধীক গ্ৰেপ্তাৰ কৰাৰ পৰিবৰ্তে গ্ৰেপ্তাৰ কৰিলে সংবাদ পৰিৱেশন কৰা দুজনকৈ সাংবাদিকক। মৈৰাবাৰীৰ নছিদুৰ ৰহমান আৰু মোস্তাফিজুৰ ৰহমান নামৰ দুই সাংবাদিকক গ্ৰেপ্তাৰ কৰিছিল মৈৰাবাৰীৰ আৰক্ষীয়ে। মৈৰাবাৰীৰ চাৰি লম্পটে এগৰাকী কিশোৰীক লৈ পৰ্ণ ভিডিঅ' নিৰ্মাণ কৰি ভাইৰেল কৰিছিল ছ'চিয়েল মিডিয়াত। সাংবাদিকক গ্ৰেপ্তাৰ কৰা ঘটনাক লৈ সমগ্ৰ জিলাখনতে সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়া। আৰক্ষীৰ ঊৰ্ধ্বতন কৰ্তৃপক্ষক হস্তক্ষেপ দাবী সাংবাদিকৰ। সমগ্ৰ ঘটনা সন্দৰ্ভত আজি লাহৰীঘাট প্ৰেছ ক্লাব আৰু মৈৰাবাৰী প্ৰেছ ক্লাবৰ উদ্যোগত লাহৰীঘাট চক্ৰ বিষয়া কাৰ্যালয়ৰ সন্মুখত প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা হয়। লগতে লাহৰীঘাট ৰাজহ চক্ৰৰ চক্ৰ বিষয়াৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ এখন স্মাৰক-পত্ৰ প্ৰেৰণ কৰে।





# হাজোত বানত ক্ষতিগ্ৰস্ত লোকৰ পৰিৱেশ পৰিদৰ্শন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ২৮ জুলাই ঃ** বুধবাৰে নিশা প্ৰায় আঠ বজাত হাজোত আহি উপস্থিত হয় কামৰূপ জিলাৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী। হাজোত উপস্থিত হৈ মন্ত্ৰীগৰাকীয়ে হাজো ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত চক্ৰ বিষয়া জাহ্নৱী সোণোৱালৰ সৈতে বানাক্ৰান্ত লোকসকলৰ ক্ষয়-ক্ষতিৰ লগতে বিভিন্ন অভাৱ-অভিযোগৰ মত বিনিময় কৰে। ইয়াৰ উপৰি, প্ৰতিটো ৰাজহ চক্ৰৰ সমান্তৰালকৈ অসম চৰকাৰে হাজো ৰাজহ চক্ৰতো নিৰ্ধাৰণ কৰি দিয়া তিনিজনীয়া বুথ কমিটীখনৰো বুজ লয় মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে। কোনো বানাক্ৰান্ত তথা ক্ষতিগ্ৰস্ত লোক যাতে চৰকাৰী সাহায্যৰ পৰা বাদ পৰি নাযায় তাৰ বাবেও হাজো ৰাজহ চক্ৰ বিষয়াক নিৰ্দেশনা দিয়ে অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে। ইয়াৰ পাছতে মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে অতিৰিক্ত উপায়ুক্ত প্ৰণৱ দত্ত গোস্বামী, ৰাজীৱ দত্ত চৌধুৰী, হাজোৰ চক্ৰ বিষয়া জাহ্নৱী সোণোৱালসহ কেইবাগৰাকী উচ্চপদস্থ বিষয়াৰ উপস্থিতিত হাজো নদীপাৰৰ বানত ঘৰবাৰী হেৰুৱাই মথাউৰিত আশ্ৰয় গ্ৰহণ কৰা জগন্নাথ মেধিৰ বাসগৃহত উপস্থিত হৈ চৰকাৰে সম্পূৰ্ণ ক্ষতিগ্ৰস্ত পৰিয়াললৈ আগবঢ়োৱা ৯৫ হাজাৰ টকা লাভ কৰিব বুলি উল্লেখ কৰে। তদুপৰি যিসকল বানত ক্ষতিগ্ৰস্ত লোকৰ নাম বাদ পৰিছে তেওঁলোকৰ নাম সন্নিৱিষ্ট কৰিবলৈ চক্ৰ বিষয়াৰ লগতে লাট মণ্ডল আৰু গাঁওপ্ৰধানক দায়িত্ব দিয়ে।

মুখ্যমন্ত্ৰীৰ প্ৰতিষ্ঠানিক গছপুলি ৰোপণ প্ৰকল্পৰ শুভাৰম্ভ মন্ত্ৰী উৰ্খাও গৌৰ ব্ৰহ্মৰ

# মুখ্যমন্ত্ৰীৰ প্ৰতিষ্ঠানিক গছপুলি ৰোপণ ওদালবাক্ৰা ভূমি সংৰক্ষণ প্ৰকল্পৰ অধীনত

**দৈনন্দিন বাৰ্তাৰ সেৱা, গুৱাহাটী, ২৮ জুলাই ঃ** ভূমি সংৰক্ষণ কাৰ্যালয়ৰ চৌহদত গছপুলি ৰোপণ কাৰ্যসূচীৰে শুভাৰম্ভ কৰা হয়। ভূমি সংৰক্ষণ, হস্ততাঁত আৰু ৰেচম বিভাগৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই স্থানীয় ৰাইজ তথা কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীৰ উপস্থিতিত প্ৰাতিষ্ঠানিক গছপুলি ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। ভূমি সংৰক্ষণ কাৰ্যালয়ৰ চৌহদত গছপুলি ৰোপণ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে বৰ্তমান গোলকীয় উষ্ণতাই বিশ্বপৰিৱেশৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাইছে। ইয়াৰ পৰা পৰিত্ৰাণ পাবলৈ আমি ব্যাপক হাৰত গছপুলি ৰোপণ কৰিব লাগিব। প্ৰকৃতিক জীয়াই ৰাখিবলৈ হ'লে গছ- গছনি অতিকৈ প্ৰয়োজন। ইয়াৰ বাবে প্ৰতিগৰাকী নাগৰিকে গছ-গছনি সংৰক্ষণৰ চিন্তা কৰিব লাগিব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে কয় যে আমি সাধাৰণতে গছপুলি ৰোপণ কৰো কিন্তু উপযুক্তভাৱে প্ৰতিপালন নকৰো। গছপুলি ৰোপণ কৰাৰ পিছত যথোচিতভাৱে প্ৰতিপালন কৰাৰ বাবে সকলোকে আহ্বান জনায় মন্ত্ৰী ব্ৰহ্মই। এইক্ষেত্ৰত ভূমি সংৰক্ষণ বিভাগৰ প্ৰতিগৰাকী বিষয়া - কৰ্মচাৰীক গছপুলি ৰোপণ কৰাৰ লগতে প্ৰতিপালন কৰিবলৈ আহ্বান জনায়। উল্লেখ্য যে গছপুলি ৰোপণ কাৰ্যসূচীত ভূমি সংৰক্ষণ বিভাগৰ সঞ্চালক হেমেন চন্দ্ৰ ৰয়, যুটীয়া সঞ্চালক চন্দনজ্যোতি শইকীয়া, দক্ষিণপাৰা ভূমি সংৰক্ষণ সংমণ্ডলৰ প্ৰাধিকাৰী প্ৰদীপ দত্ত, প্ৰধানমন্ত্ৰী কৃষি সিঞ্চাই যোজনাৰ জলচ্ছেদ উন্নয়ন সমিতি অসমৰ মুখ্য কাৰ্যবাহী বিষয়া পল্লৱী ফুকনসহ কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীসকলে গছপুলি ৰোপণ কৰে।




# ওদালগুৰিত আজাদী কা অমৃত মহোৎসৱত ত্ৰিৰংগা পতাকা প্ৰস্তুত



**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ২৮ জুলাই ঃ** ঘৰ ঘৰ ত্ৰিৰংগা আজাদী কা অমৃত মহোৎসৱ, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানত সকলোৱে ঘৰে ঘৰে ত্ৰিৰংগা পতাকা উৰুওৱাৰ লক্ষ্যৰে ওদালগুৰি জিলাৰ মাজবাট উন্নয়ন খণ্ডৰ অধীনস্থ ত্ৰিৰংগা বিক্ৰী কেন্দ্ৰটো ২৬ জুলাইত মুকলি কৰা হয়। বাস্তৱ মণ্ডল সংগঠনটোৰ উদ্যোগত এই ত্ৰিৰংগা অভিযান পৰিচালনা শাখাৰ মাজবাট উন্নয়ন খণ্ডৰ অধীনত সমূহ আত্মসহায়ক গোটৰ জৰিয়তে ত্ৰিৰংগা পতাকাসমূহ উৎপাদন কৰি বিক্ৰী কৰাৰ সুব্যৱস্থা ইতিমধ্যে গ্ৰহণ কৰা হৈছে বুলি সংগঠনটোৰ সভানেত্ৰী বিজয়া বৰা আৰু সম্পাদিকা বিজুলী কলিতা দাসে। জীৱিকা সখি গেলাবিল ভিচিডিচিৰ ৰিংকুমণি ডেকা, লিলি বসুমতাৰী, ৬৬নং ধনশ্ৰী ভিচিডিচিৰ সৰলা ডেকা, উমে ছালমা, ২নং শইকীয়া চুবুৰি ভিচিডিচিৰ ৰূপা দেৱী, প্ৰমিলা বসুমতাৰী, ওৰাং ভিচিডিৰ সুমিত্ৰা বৰা, নৱনীতা শৰ্মা, এছ এইচ জিৰ নমিতা চহৰীয়াই ত্ৰিৰংগা পতাকা প্ৰস্তুত কৰাৰ লগতে অনুষ্ঠানটোত খণ্ড সমন্বয়ক অমৰ লাক্ৰা, আইজাক দৈমাৰী উপস্থিত থাকি সহায়-সহযোগিতা আগবঢ়ায়।

## ছোনিয়া গান্ধীক ই ডিৰ জেৰাৰ প্ৰতিবাদত নগাঁৱত কংগ্ৰেছৰ সত্যাগ্ৰহ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৮ জুলাই ঃ** কংগ্ৰেছ সভানেত্ৰী ছোনিয়া গান্ধীক ই ডিয়ে জেৰা কৰাৰ প্ৰতিবাদত আজি নগাঁৱত কংগ্ৰেছ দলে সত্যাগ্ৰহ কাৰ্যসূচী পালন কৰে। নগাঁও জিলা কংগ্ৰেছৰ ৰাজীৱ ভৱনৰ সন্মুখত নগাঁও জিলা কংগ্ৰেছৰ নেতা-কৰ্মীসকলে এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে । আনহাতে, প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰি কংগ্ৰেছৰ নেতা-কৰ্মীসকল বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে সৰৱ হৈ পৰা পৰিলক্ষিত হয়। কংগ্ৰেছৰ নেতা-কৰ্মীসকলে অভিযোগ কৰে কয় যে বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে সৰ্বদিশৰ ব্যৰ্থতা ঢাকিবৰ বাবে কংগ্ৰেছ সভানেত্ৰী ছোনিয়া গান্ধীৰ বিৰুদ্ধে ষড়যন্ত্ৰ অব্যাহত ৰাখিছে। আনহাতে, বৰ্তমানৰ বিজেপি নেতৃত্বাধীন চৰকাৰখনে ই ডি, চি বি আইৰ দৰে চৰকাৰী সংস্থাসমূহক ৰাজনৈতিক স্বাৰ্থত ব্যৱহাৰ কৰি অহা বুলি কংগ্ৰেছৰ নেতা-কৰ্মীসকলে অভিযোগ কৰে। বিজেপি চৰকাৰৰ এনে দমনমূলক নীতিৰ বিৰুদ্ধে ৰাইজক ঐক্যবদ্ধ সংগ্ৰাম গঢ়ি তুলিবলৈ কংগ্ৰেছ দলে আহ্বান জনায়।

## নগাঁও গুৰুদ্বাৰ কমিটীৰ নতুন সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৮ জুলাই ঃ** নগাঁও গুৰুদ্বাৰ কমিটীৰ নতুন কমিটীখন কালি গঠন কৰা হয়। নগাঁৱৰ বিশিষ্ট সমাজসেৱক, নগাঁও গুৰুদ্বাৰ কমিটীৰ সভাপতি দেৱেন্দ্ৰ সিং চেহমি ষষ্ঠবাৰৰ কাৰণে পুনৰ সভাপতি হিচাপে নিৰ্বাচিত হৈছে। তেওঁৰ লগতে সম্পাদক হিচাপে নিৰ্বাচিত হৈছে এছ হৰিদয়াল সিং বাহৰাজ, কোষাধ্যক্ষ এছ হৰভজন সিং ৰাজপাল, অধ্যক্ষ এছ সৎপাত সিং চেমি, মঞ্চ সম্পাদক এছ হৰদৰ্শন সিং আৰি, সহকাৰী মঞ্চ সম্পাদক কৰমজিৎ কৌৰ লুঠাৰ নিৰ্বাচিত হয়। এই লোকসকলক নগাঁও গুৰুদ্বাৰা প্ৰবন্ধক কমিটীৰ তৰফৰ পৰা উষ্ম আদৰণি জনোৱা হয়। দেৱেন্দ্ৰ সিং চেহমিয়ে তেওঁ ষষ্ঠবাৰলৈ সভাপতি হিচাপে নিৰ্বাচিত হোৱাত সকলোকে আন্তৰিক শুভকামনা জনাইছে।

# ১৩-১৫ আগষ্টত উত্তোলনৰ বাবে যোৰহাটত ৪৭ হাজাৰ জাতীয় পতাকা প্ৰস্তুত

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম যোৰহাট, ২৮ জুলাই ঃ** ভাৰতবৰ্ষৰ স্বাধীনতাৰ ৭৫ সংখ্যক বৰ্ষৰ লগত সংগতি ৰাখি পালন কৰি থকা অমৃত মহোৎসৱ উপলক্ষে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে ১৩-১৫ আগষ্টলৈ ত্ৰিৰংগ পতাকা ঘৰে ঘৰে উত্তোলন কৰিবলৈ নিৰ্দেশনা দিছে। এই পতাকা প্ৰস্তুতৰ বাবে অসম গ্ৰামীণ জীৱিকা অভিযানৰ সৈতে জড়িত মহিলাসকলক দায়িত্ব অৰ্পণ কৰিছে। মহিলাসকল জড়িত থকা আত্মসহায়ক গোটসমূহৰ একত্ৰিত সংগঠন চি এল এফৰ পৰিকল্পনা-তত্ত্বাৱধানত পতাকাসমূহ প্ৰস্তুত কৰি থকা হৈছে। যোৰহাট জিলাৰ যোৰহাট উন্নয়ন খণ্ড এলেকাত ১৮৫৫ টা গোট আছে। চি এল এফ অনুপ্ৰেৰণাত ৪৮, ৪৯, ৫২, ৫৩, ৫৪, ৫৫, ৫৭ নং গাঁও পঞ্চায়তৰ গোটসমূহ, সঞ্জীৱনীত ৫৬, ৫৮, ৫৯, ৬০, ৬১, ৬২, ৬৩ নং গাঁও পঞ্চায়তৰ গোটসমূহ, অনিৰ্বাণত ৫০, ৫১, ৬৪, ৬৫, ৬৬, ৭৬নং গাঁও পঞ্চায়তৰ গোটসমূহ, সপ্তশিখাত ৬৭, ৬৮, ৬৯, ৭০, ৭১, ৭২নং গাঁও পঞ্চায়তৰ গোটসমূহ জড়িত হৈ আছে। যোৰহাট উন্নয়ন খণ্ড এলেকাত উত্তোলনৰ বাবে ২২ হাজাৰ জাতীয় পতাকা প্ৰস্তুত কৰি উলিয়াইছে। এই পতাকাসমূহ বিক্ৰীৰ বাবে লিচুবাৰী, মৰিয়নি, চিনামৰা আৰু জালুকনিবাৰীত একোটাকৈ বিক্ৰী কেন্দ্ৰ মুকলি কৰিছে। এই বিক্ৰী কেন্দ্ৰসমূহৰ পৰাই ৰাইজক চি এল এফে ধাৰ্য কৰা মূল্যত পতাকা ক্ৰয় কৰিবলৈ ব্লক প্ৰগ্ৰেম মেনেজাৰ নয়নমণি শইকীয়াই অনুৰোধ জনাইছে। উত্তৰ-পশ্চিম যোৰহাট উন্নয়ন খণ্ড এলেকাত ২২৫৬টা গোট পৰিচালিত হৈ আছে। উত্তোলনৰ বাবে ২৫ হাজাৰ পতাকা প্ৰস্তুত কৰি উলিয়াইছে। চি এল এফ তেজস্বিনীত ৩০, ৩১, ৩২, ৩৩, ৩৪নং গাঁও পঞ্চায়ত, ভোগদৈত ৩৫, ৩৬, ৩৭, ৩৮নং গাঁও পঞ্চায়ত, দিচৈপৰীয়াত ৩৯, ৪০, ৪১, ৪৪, ৪৫নং গাঁও পঞ্চায়ত, নমামিত ৪২, ৪৩, ৪৬, ৪৭নং গাঁও পঞ্চায়তৰ এলেকাভুক্ত গোটসমূহ জড়িত হৈ আছে। এই এলেকাৰ ৰাইজে ১৩-১৫ আগষ্টলৈ জাতীয় পতাকা উত্তোলনৰ বাবে দ-গাঁও তিনিআলি, বাহনা তিনিআলি, ৰজাহাউলী আৰু উত্তৰ-পশ্চিম যোৰহাট উন্নয়ন খণ্ড কাৰ্যালয়ৰ সমীপত প্ৰতিষ্ঠা কৰা বিক্ৰী কেন্দ্ৰৰ পৰা পতাকা ক্ৰয় কৰিব পাৰিব বুলি বি পি এম দেৱব্ৰত হাজৰিকাই জনাইছে আৰু চি এল এফে ধাৰ্য কৰা মূল্যত পতাকা ক্ৰয় কৰিবলৈ অনুৰোধ জনাইছে। অসম গ্ৰামীণ জীৱিকা অভিযানে অমৃত মহোৎসৱ আৰু ১৩-১৫ আগষ্টত ঘৰে-ঘৰে জাতীয় পতাকা উত্তোলনৰ বাবে ৰাইজক অনুৰোধ জনাই দুয়োটা উন্নয়ন খণ্ডতে সমদল উলিয়াই সভা-সমিতি পাতি ৰাইজক সজাগ-সচেতন কৰিছে। চি এল এফে দেশপ্ৰেমমূলক বিভিন্ন প্ৰতিযোগিতা ১২ আগষ্টৰ ভিতৰত দুয়োটা উন্নয়ন খণ্ডৰ বিভিন্ন স্থানত অনুষ্ঠিত কৰিব। এই প্ৰতিযোগিতাতো শিক্ষাৰ্থীৰ লগতে সকলোকে যোগদান কৰিবলৈ আহ্বান জনাইছে। গ্ৰাম্য সংগঠন, চি এল এফৰ সৈতে জড়িতসকলে ঘৰে ঘৰে গৈও ১৩-১৫ আগষ্টলৈ নিজা ঘৰত জাতীয় পতাকা উত্তোলন কৰি ভাৰতবৰ্ষৰ অমৃত মহোৎসৱৰ স্বাধীনতা দিৱসৰ এই বছৰৰ কাৰ্যসূচী সফল ৰূপায়ণ কৰিবলৈ কৰযোৰে অনুৰোধ জনাইছে।

## চেঙাৰ অনিল চন্দ্ৰ পাঠকৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুকালমুৱা, ২৮ জুলাই ঃ** বৰপেটাৰ চেঙাৰ অনিল চন্দ্ৰ পাঠকৰ আজি মৃত্যু হয়। প্ৰাক্তন ছাত্ৰ নেতা তথা পূব বৰপেটা অঞ্চলৰ উল্লেখযোগ্য সামাজিক-প্ৰশাসনিক অনুষ্ঠান চেঙা ঐক্য সন্মিলনৰ সভাপতি অনিল চন্দ্ৰ পাঠকৰ মৃত্যুত সমগ্ৰ চেঙা অঞ্চলত গভীৰ শোকৰ ছাঁ পৰিছে। উল্লেখ্য যে অসম গ্ৰামীণ বিকাশ বেংকৰ শাখা প্ৰবন্ধক হিচাপে অসমৰ বিভিন্ন ঠাইত নিষ্ঠা আৰু সততাৰে চাকৰি জীৱনৰ দায়িত্ব পালন কৰি অৱসৰ গ্ৰহণ কৰাৰ পাছতে সম্পূৰ্ণভাৱে সমাজিক কাম-কাজৰ সৈতে সংপৃক্ত হৈ পৰিছিল। চেঙাৰ সমাজ জীৱনক দুৰ্নীতিৰ পৰা মুক্ত আৰু আৰ্থ-সামাজিক ক্ষেত্ৰখন সুস্থিৰ কৰিবলৈ সমলৰ সন্ধান বিচাৰি কৰ্মসূচী ৰূপায়ণেৰে কম সময়ৰ ভিতৰতে চেঙা অঞ্চলক নতুনৰ গতি দিয়াবলৈ সক্ষম হোৱা কৰ্মদক্ষ অনিল চন্দ্ৰ পাঠকৰ মৃত্যুত স্বাভাৱিকতে শোকস্তব্ধ হৈ পৰিছে চেঙা অঞ্চল। উল্লেখ্য যে কিছু দিন আগতে হঠাতে অসুস্থ হৈ পৰা অনিল চন্দ্ৰ পাঠক গুৱাহাটীস্থিত জি এন আৰ চি হাস্পতালত চিকিৎসাধীন হৈ আছিল। আজি দুপৰীয়া অনিল চন্দ্ৰ পাঠকৰ 'জাপানীজ এনকেফেলাইটিছ'ত আক্ৰান্ত হৈ মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৩ বছৰ। প্ৰয়াত পাঠকে মৃত্যুৰ সময়ত পত্নীকে ধৰি উচ্চ শিক্ষিত এগৰাকী পুত্ৰ আৰু কন্যা সন্তান ইহসংসাৰত এৰি থৈ যায়।

# যোৰহাটত পেন্সনাৰসকলৰ বাবে সুখবৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, উত্তৰ যোৰহাট, ২৮ জুলাই ঃ** পেন্সনৰ পিছত প্ৰাপ্যৰ কাৰণে তাঁতবাটি কৰিবলগীয়া যোৰহাট জিলাৰ শিক্ষক সমাজৰ দীৰ্ঘদিনীয়া সমস্যা সমাধান হোৱাৰ পথত। পেন্সনাৰসকলৰ সুবিধাৰ্থে যোৰহাট জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ত ২৯ জুলাইত স্থাপন হ'ব পেন্সনাৰ সেৱা কেন্দ্ৰ। সেইদিনা দিনৰ ১০.৩০ বজাত কেন্দ্ৰটি উদ্বোধন কৰিব শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। উদ্বোধনী অনুষ্ঠানত যোৰহাট জিলাৰ বিধায়ক আৰু উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকিব। উদ্বোধনী অনুষ্ঠানত ৰাইজৰ উপস্থিতি শিক্ষা বিভাগে কামনা কৰিছে।

## ভাওৰাগুৰিত বিনামূলীয়া চকু পৰীক্ষা শিবিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও, ২৮ জুলাই ঃ** ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ ৭৫ বছৰ উপলক্ষে কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰা আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি আজি গোসাঁইগাঁও মহকুমাৰ ভাওৰাগুৰি বজাৰস্থিত ভাওৰাগুৰি ভিচিডিচি কমিউনিটী হলত ভাৰতীয় জনতা পাৰ্টীৰ কচুগাঁও মণ্ডল আৰু ভাওৰাগুৰি ভিচিডিচিৰ উদ্যোগত বিনামূলীয়া চকু পৰীক্ষা শিবিৰৰ আয়োজন কৰে। পুৱা শিবিৰটো উদ্বোধন কৰে মণ্ডল সভাপতি সিদ্ধাৰ্থ নাৰ্জাৰী। চুবুৰীয়া ৰাজ্য পশ্চিমবংগৰ চকু বিশেষজ্ঞ ডাঃ সন্দীপ অধিকাৰীয়ে চকু পৰীক্ষা কৰা উক্ত শিবিৰত শতাধিক ৰোগীয়ে চকু পৰীক্ষা কৰে। ভাওৰাগুৰি ভিচিডিচিৰ অধ্যক্ষ পাৰ্থ পালে কয় যে ভাওৰাগুৰিৰ নিচিনা অঞ্চলত ভাল চিকিৎসা ব্যৱস্থা নথকাৰ বাবে বহুতো দুখীয়া লোকে চিকিৎসা কৰিব নোৱাৰি বেমাৰক সংগী হিচাপে লৈ জীৱন যাপন কৰা ৰোগীসকলৰ বাবে এনে ব্যৱস্থা লোৱা হৈছে আৰু আগন্তুক দিনতো আন আন বেমাৰৰ বাবে এনেদৰে বিনামূলীয়া চিকিৎসা শিবিৰৰ আয়োজন কৰা হ'ব বুলি জানিবলৈ দিয়ে।

## মেলামাটিত চকু পৰীক্ষা শিবিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মেলামাটি, ২৮ জুলাই ঃ** তিতাবৰ সমষ্টিৰ অন্তৰ্গত মেলামাটি গাঁও পঞ্চায়তৰ প্ৰেক্ষাগৃহত ৩ দিনীয়া চকু পৰীক্ষা আৰু চশমা প্ৰদান শিবিৰৰ আজি সামৰণি পৰে। ভাৰত বিকাশ পৰিষদ আৰু স্নেহপদৰ উদ্যোগত মেলামাটি গাঁও পঞ্চায়তৰ সহযোগত অনুষ্ঠিত কাৰ্যসূচী উদ্বোধন কৰে তিতাবৰ সমষ্টিৰ বিধায়ক ভাস্কৰজ্যোতি বৰুৱাই। মেলামাটি গাঁও পঞ্চায়তৰ সভানেত্ৰী সংগীতা শইকীয়াই আঁত ধৰা উদ্বোধনী অনুষ্ঠানত তিতাবৰ প্ৰেছ ক্লাবৰ সভাপতি বিমান শইকীয়া, সমাজকৰ্মী ৰবীন বৰা, সাংবাদিক দুদুল বৰা, ভাৰত বিকাশ পৰিষদ আৰু স্নেহপদৰ কৰ্মকৰ্তাসকল, মেলামাটি গাঁও পঞ্চায়তৰ সচিব, পঞ্চায়তৰ সদস্যসকলৰ উপৰি শতাধিক শুভাকাংক্ষীয়ে অংশগ্ৰহণ কৰে। মিষ্টাৰ জাফৰ আৰু মিষ্টাৰ মুনিছে তিনি দিনৰ কাৰ্যসূচীত ৩৫৬ ৰোগীৰ চকু পৰীক্ষা কৰে আৰু প্ৰয়োজনত চশমা প্ৰদান কৰে। প্ৰায় ৫৮ ৰোগীক চকুৰ অস্ত্ৰোপচাৰৰ বাবেও পৰামৰ্শ দিয়ে।

# মৰিগাঁৱৰ পশ্চিমাঞ্চলত বান-খহনীয়া পৰিদৰ্শন মন্ত্ৰী পীযূষ হাজৰিকাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২৮ জুলাই ঃ** কালি মৰিগাঁও জিলাৰ পশ্চিমাঞ্চল মায়ঙৰ গৰুবান্ধা জলজলী গাঁৱৰ ব্ৰহ্মপুত্ৰৰ খহনীয়া পৰিদৰ্শন কৰে মন্ত্ৰী পীযূষ হাজৰিকাই। খহনীয়া পৰিদৰ্শন কৰি খহনীয়া ৰোধ কৰাৰ বাবে অতি সোনকালেই ব্যৱস্থা লোৱাৰ আশ্বাস দিলে ৰাইজক মন্ত্ৰী পীযূষ হাজৰিকাই। উল্লেখ্য যে বানপানী কমাৰ পিছত জাগীৰোড সমষ্টিৰ অন্তৰ্গত মায়ঙৰ তেতেলিগুৰি, গৰুবান্ধা জলজলী গাঁৱত ব্ৰহ্মপুত্ৰ নদীৰ খহনীয়া আৰম্ভ হয়। আজি উক্ত স্থান পৰিদৰ্শন কৰে মন্ত্ৰীগৰাকীৰয়ে। মন্ত্ৰীৰ আগমনৰ ক্ষন্তেক পিছতেই উক্ত স্থানত পাৰ্কু পাইন বান্ধ নিৰ্মাণৰ কাম কৰা পৰিলক্ষিত হৈছে। মন্ত্ৰীগৰাকীয়ে ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ স্থায়ী প্ৰতিৰোধৰ ব্যৱস্থা অহা ডিচেম্বৰ মাহত কৰিব বুলি স্থানীয় ৰাইজক আশ্বাস প্ৰদান কৰে।



## ৰামানুজন উঃ মাঃ বিদ্যালয়ত মৃত্যু তিথিত ড° এ পি জে আব্দুল কালামক স্মৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৮ জুলাই ঃ** ভাৰতবৰ্ষৰ ভূতপূৰ্ব ৰাষ্ট্ৰপতি মিছাইল মানৱ ড° এ পি জে আব্দুল কালামৰ আজি মৃত্যু তিথি উপলক্ষে নগাঁও চহৰৰ অগ্ৰণী শিক্ষানুষ্ঠান ৰামানুজন উচ্চ মাধ্যমিক বিদ্যালয়ত এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। বিদ্যালয়খনৰ ইংৰাজী বিভাগৰ শিক্ষক জয়ন্ত গোস্বামীয়ে আঁত ধৰা স্মৃতিচাৰণ সভাখনৰ আৰম্ভণিতে অধ্যক্ষ দিলীপ কুমাৰ বৰাই ড° এ পি জে আব্দুল কালামৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অধ্যক্ষ বৰাই ড° কালামৰ কৰ্ম আৰু জীৱনাদৰ্শৰ ওপৰত আলোকপাত কৰি দেশৰ ভৱিষ্যৎ ধাৰক ছাত্ৰ-ছাত্ৰীসকলক এইগৰাকী মহান ভাৰতীয়ৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ নিজ কৰ্তব্যত আত্মনিয়োগ কৰিবলৈ আহ্বান জনায়। আনহাতে, বিদ্যালয়খনৰ অসমীয়া বিভাগৰ শিক্ষয়িত্ৰী সুকন্যা বৰাই ড° এ পি জে আব্দুল কালামৰ দূৰদৰ্শী চেতনাৰ বিষয়ে উল্লেখ কৰি আকাশত উৰি ফুৰা মুক্ত পক্ষীয়ে কেনেদৰে মহান বিজ্ঞানীগৰাকীক প্ৰেৰণা যোগাইছিল সেই বিষয়ে ব্যক্ত কৰে। বিদ্যালয়খনৰ নৱম শ্ৰেণীৰ ছাত্ৰ সৌম্যদ্বীপ বৰাৰ বক্তৃতা আৰু ছাত্ৰী বেদশ্ৰী শইকীয়াই পৰিৱেশন কৰা গীতে সকলোকে মুগ্ধ কৰে। উপাধ্যক্ষা সংগীতা বৰুৱা বৰাই সংকীৰ্ণ আৰু তুচ্ছ লক্ষ্যৰ বিপৰীতে যুৱশক্তিৰে ভাৰতবৰ্ষক এখন উন্নত ৰাষ্ট্ৰ গঢ়াৰ ড° কালামৰ সপোনক বাস্তৱ ৰূপ দিয়াত আত্মনিয়োগ কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায়।

## নগাঁৱত এছ এফ আইৰ জিলা সন্মিলন সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৮ জুলাই ঃ** নগাঁও জিলাৰ বিভিন্ন শিক্ষানুষ্ঠানত খালী হৈ থকা শিক্ষকৰ পদসমূহ শীঘ্ৰে পুৰন কৰাৰ দাবী জনাইছে ভাৰতৰ ছাত্ৰ ফেডাৰেচনৰ (এছ এফ আই) নগাঁও জিলা সমিতিয়ে। কালি এছ এফ আইৰ নগাঁও জিলা সমিতিৰ নগাঁও নেহৰু যুৱ কেন্দ্ৰত অনুষ্ঠিত একাদশ নগাঁও জিলা সন্মিলনৰ সাধাৰণ সভাই এই দাবী উত্থাপন কৰে। জিলা সভানেত্ৰী বিপাশা মুছাহাৰীৰ সঞ্চালনাত অনুষ্ঠিত সাধাৰণ সভাত উল্লেখ কৰা হয় যে চৰকাৰী শিক্ষানুষ্ঠানসমূহত বছৰ বছৰ ধৰি শিক্ষকৰ পদ খালী হৈ থকাত ছাত্ৰ-ছাত্ৰীসকল শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে। সেয়ে চৰকাৰী শিক্ষানুষ্ঠানসমূহত খালী হৈ থকা শিক্ষকৰ পদসমূহ শীঘ্ৰেই পূৰণ কৰা উচিত। সভাই নগাঁৱত এখন বিজ্ঞান মহাবিদ্যালয় স্থাপন কৰা, মহাবিদ্যালয়সমূহত আসনৰ সংখ্যা বৃদ্ধি কৰা, নগাঁৱৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহৰ আন্তঃগাঁথনি উন্নত কৰা আৰু ব্যক্তিগত শিক্ষানুষ্ঠানসমূহৰ মাচুল নিয়ন্ত্ৰণ কৰাৰ বাবে চৰকাৰক দাবী জনায়। সভাত ভাৰতৰ ছাত্ৰ ফেডাৰেচনৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক ময়ূখ বিশ্বাসে অংশগ্ৰহণ কৰি বৰ্তমানৰ শিক্ষা নীতিৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰে। ছাত্ৰ নেতাগৰাকীয়ে বিজেপি নেতৃত্বাধীন চৰকাৰৰ জনবিৰোধী নীতিৰ কঠোৰ সমালোচনা কৰি ৰাইজক চৰকাৰৰ জনবিৰোধী নীতিৰ বিৰুদ্ধে ঐক্যবদ্ধ সংগ্ৰাম গঢ়ি তুলিবলৈ আহ্বান জনায়। সংগঠনটোৰ ৰাজ্যিক সাধাৰণ সম্পাদক নিৰংকুশ নাথে এছ এফ আইৰ নীতি আৰু আদৰ্শৰ বিষয়ে ব্যাখ্যা দাঙি ধৰাৰ লগতে মূল্যবৃদ্ধি নিয়ন্ত্ৰণত চৰকাৰ ব্যৰ্থ হৈছে বুলি অভিযোগ কৰে। সভাত নৰোত্তম দাসক সভাপতি আৰু নিশাদ ভূঞাক সম্পাদক হিচাপে লৈ সংগঠনটোৰ নগাঁও জিলা সমিতিৰ এখন ১৪জনীয়া কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়।

# কামপুৰ ৰাজহ চক্ৰত বানসাহায্য প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ২৮ জুলাই ঃ** যোগদা সৎসঙ্গ ছ'চাইটী অৱ ইণ্ডিয়াৰ গুৱাহাটী অধ্যায়ৰ স্বেচ্ছাসেৱকসকলে কামপুৰ ৰাজহ চক্ৰৰ বিভিন্ন ৱাৰ্ডত দুহাজাৰ ক্ষতিগ্ৰস্ত পৰিয়ালক ২৭ জুলাইত বানসাহায্য বিতৰণ কৰে। শেহতীয়াকৈ বানপানীত ক্ষতিগ্ৰস্ত অঞ্চলবোৰত অপৰিসীম দুখ আৰু যন্ত্ৰণাৰ সৃষ্টি কৰিছিল আৰু তেওঁলোকৰ বেছি ভাগেই ঘৰ এৰি অস্থায়ী শিবিৰ আৰু পথৰ কাষত আশ্ৰয় ল'ব লগা হৈছিল। কামপুৰ পৌৰ সভাৰ ১নং ৱাৰ্ডৰ পৰা ১০নং ৱাৰ্ডলৈ সামৰি লোৱা হৈছিল। ৱাইএছএছ দলটো পাৰ্থ চৌধুৰীৰ নেতৃত্বত গৈছিল আৰু প্ৰভাকৰ দুৱৰা আৰু জোনাৰ্ড কলিতাই সংগ দিছিল। কামপুৰৰ স্থানীয় স্বেচ্ছাসেৱকসকলৰ লগতে কামপুৰ চক্ৰৰ অধ্যক্ষ ধৰিত্ৰী বৰুৱা আৰু কামপুৰৰ বুথ সভাপতি জিনু বৰাই ক্ষতিগ্ৰস্ত পৰিয়াল আৰু স্থানসমূহৰ তালিকা সংকলন কৰাৰ ক্ষেত্ৰতো সমন্বয় সাধিছিল। এইটো উল্লেখ্য যে গুৱাহাটী মণ্ডলীয়ে ২০২১ চনতো বানাক্ৰান্ত কামপুৰ অঞ্চলত সাহায্য সামগ্ৰী বিতৰণ কৰিছিল। এই বছৰ ৭ জুলাইত, ৱাইএছএছ গুৱাহাটী মণ্ডলীয়ে ৰহা উপ-সংমণ্ডলৰো ১৯খন গাঁৱৰ ১২০০ পৰিয়ালক বান সাহায্য বিতৰণ কৰিছিল। লগতে, ৱাইএছএছৰ তেজপুৰ মণ্ডলীয়ে তেজপুৰৰ ওচৰৰ বালিপৰা বিভাগত বান সাহায্য সামগ্ৰী বিতৰণ কৰে। যোগদা সৎসঙ্গ ছ'চাইটী অৱ ইণ্ডিয়া (ৱাইএছএছ) হৈছে এক আধ্যাত্মিক আৰু দাতব্য সংগঠন, যি সকলো জাতি, ধৰ্ম, সংস্কৃতি আৰু ধৰ্মৰ লোকৰ বাবে মুকলি। ইয়াক ১৯১৭ চনত আধ্যাত্মিক শাস্ত্ৰত' অটোবায়োগ্ৰাফী অৱ এ যোগী'ৰ লেখক শ্ৰীশ্ৰীপৰমহংস যোগানন্দদেৱৰ দ্বাৰা প্ৰতিষ্ঠা কৰা হৈছিল। এই গ্ৰন্থখন, বিশ্বজুৰি ৫০টাতকৈ অধিক ভাষালৈ অনুবাদ কৰা হৈছে, যাৰ ভিতৰত অসমীয়াও আছে। ৱাইএছএছৰ এটা মুখ্য লক্ষ্য হৈছে ঈশ্বৰৰ প্ৰত্যক্ষ ব্যক্তিগত অভিজ্ঞতাপ্ৰাপ্ত কৰাৰ বাবে জাতিসমূহৰ মাজত ক্ৰিয়া যোগ ধ্যানৰ নিৰ্দিষ্ট বৈজ্ঞানিক কৌশলৰ জ্ঞান প্ৰচাৰ কৰা, সকলো প্ৰকৃত ধৰ্মৰ সম্পূৰ্ণ সম্প্ৰীতি, মৌলিক একতা আৰু উমৈহতীয়া ভেটি প্ৰকাশ কৰা। ৰাঁচী, কলকাতা, দ্বাৰহাট (ৰাণীখেত, উত্তৰাখণ্ডৰ ওচৰত) আৰু নয়দাত ৪খন আশ্ৰমৰ উপৰি, ৱাইএছএছৰ সমগ্ৰ ভাৰতৰ ২০০খনতকৈও অধিক মহানগৰ আৰু চহৰত ধ্যান কেন্দ্ৰ আছে। ইয়াৰ উপৰি ৱাইএছএছে বিদ্যালয়, মহাবিদ্যালয়, চিকিৎসালয়, ঔষধালয়, চিকিৎসা শিবিৰ চলায় আৰু বৃত্তি আৰু জৰুৰীকালীন সাহায্য কাৰ্যকলাপ আগবঢ়ায়। অসমত যোগদা সৎসঙ্গ ছ'চাইটী অৱ ইণ্ডিয়াৰ কাৰ্যকলাপ, ২০১৪ চনৰ ডিচেম্বৰত গুৱাহাটী আৰু তেজপুৰ ধ্যান মণ্ডলী (ধ্যান কেন্দ্ৰ) স্থাপনৰ দ্বাৰা আনুষ্ঠানিকভাৱে আৰম্ভ হয়। ২০১৬ চনৰ পৰা, ৱাই এছ এছৰ স্বেচ্ছাসেৱকসকলে অসমৰ বিভিন্ন জিলাত বানসাহায্য প্ৰদান কৰি আহিছে। শেহতীয়া ক'ভিড-১৯ মহামাৰীৰ সময়ত ই দৰং, শোণিতপুৰ আৰু নগাঁও জিলাৰ কেইবাখনো চিকিৎসালয়ত বিভিন্ন চিকিৎসা সামগ্ৰী প্ৰদান কৰিছিল।


# নাট্যকাৰ দীপক বৰা পৰিচালনাত ভুৱনেশ্বৰত ঐতিহাসিক বুৰঞ্জীপ্ৰসিদ্ধ নাট 'ফুলগুৰি ধেৰা' প্ৰদৰ্শন

ওড়িশাৰ ভুৱনেশ্বৰত ভাৰত ৰংগ মহোৎসৱত ২৪ জুলাইত সফলতাৰে মঞ্চস্থ হৈ যায় নগাঁৱৰ পুৰণিগুদামৰ অবিনশ্বৰ গোষ্ঠীৰ শিল্পী,কলা-কুশলী সকলৰ দ্বাৰা পৰিৱেশিত নাট ঐতিহাসিক 'ফুলগুৰি ধেৰা'। ওড়িশাৰ ভুৱনেশ্বৰত অনুষ্ঠিত ২২ সংখ্যক ভাৰত ৰংগ মহোৎসৱত অংশগ্ৰহণ কৰি ২৪ জুলাইৰ নিশা নগাঁৱৰ অন্যতম নাট্য গোষ্ঠী 'অবিনশ্বৰ গোষ্ঠী' য়ে নিৱেদন কৰে ব্ৰিটিছৰ আমোলত বৃদ্ধি পোৱা কৰকাটৰ পৰা পৰিত্ৰাণ পাবৰ বাবে ব্ৰিটিছ প্ৰশাসৰ বিৰুদ্ধে আন্দোলনৰ পথ বাছি লোৱা সৰ্বসাধাৰণ লোকে কৰা বিদ্ৰোহৰ ওপৰত নিৰ্মিত ঐতিহাসিক 'ফুলগুৰি ধেৰা' নামৰ বুৰঞ্জীমূলক নাটখন প্ৰদৰ্শন কৰে। ভুৱনেশ্বৰ কে আই আই টি প্ৰেক্ষাগৃহত বিশিষ্ট নাট্যকাৰ পৰিচালক দীপক বৰাৰ পৰিকল্পনা আৰু পৰিচালনাৰে স্বনামধন্য নাট্যকাৰ সাৰদা কান্ত বৰদলৈ ৰচিত বুৰঞ্জীপ্ৰসিদ্ধ নাটক 'ফুলগুৰি ধেৰা' মঞ্চস্থ কৰা হয়। ন-পুৰনি অভিনেতা- অভিনেত্ৰী সকলৰ সফল সুন্দৰ অভিনয়ৰ লগতে পোহৰ, ৰূপসজ্জা,সংগীত, দৃশ্যসজ্জা আদিৰ ধনাত্মক প্ৰয়োগে উপস্থিত সহস্ৰাধিক দৰ্শকক আপুত কৰে। ন-পুৰনি শিল্পী সকলৰ সুন্দৰ অভিনয়ৰে এখন ঐতিহাসিক বুৰঞ্জী প্ৰসিদ্ধ নাট প্ৰদৰ্শনৰ পাছত উপস্থিত দৰ্শক ৰাইজৰ জাউৰিয়ে- জাউৰিয়ে হাত চাপৰিত কে আই আই টি প্ৰেক্ষাগৃত ৰজনজনাই উঠে।





## জুবিন গাৰ্গৰ পৰিচালনাৰে ব'হাগ




জুবিন গাৰ্গৰ পৰিচালনাৰে আহি আছে বৃন্দাবন থিয়েটাৰ মঞ্চলৈ ৰাজদ্বীপৰ কলমেৰে নিগৰা ব'হাগ। নাটক খনৰ সংগীত পৰিচালনাও কৰিব হাৰ্ট থ্ৰব জুবিন গাৰ্গে। বিগত দুটা বছৰ বিৰতিৰ পিছত সুদক্ষ প্ৰযোজক গণেশ ৰায় মেধি(বংকিম)ৰ নেতৃত্বত ২১ জুলাইত বিগত সময় চোৱাৰ দুৰ্দিনবোৰক পাহৰি শুভ নাট্যাৰম্ভ হৈ যায় কৰে নটৰাজৰ আশীষ শিৰোগত কৰি। ভ্ৰাম্যমাণৰ থিয়েটাৰৰ অন্যতম নাট্যদল বৃন্দাবন থিয়েটাৰৰ বৰ্ণিল নাট্যপৰিক্ৰমাত সগৌৰৱেৰে ১২টা বৰ্ষ গৰকা এটি আগশাৰীৰ নাট্যদল হৈছে বৃন্দাবন থিয়েটাৰ। উল্লেখ্য, ২০২২-২০২৩ নাট্যবৰ্ষত নাট্যদলটিয়ে নতুন চমক আৰু পৃথক চিন্তনেৰে দৰ্শকৰ মাজলৈ আগুৱাই যোৱাৰ ক্ষেত্ৰত নাটক, শিল্পী কলা কুশলী সকলক লৈ বিশেষভাৱে গুৰুত্ব দিয়া দেখা গৈছে। ২০২২-২৩ নাট্যবৰ্ষত বৃন্দাবন থিয়েটাৰৰ নাট্যসম্ভাৰ হব সাম্প্ৰতিক সময়ৰ জনপ্ৰিয় নাট্যকাৰ ৰাজদ্বীপৰ 'বহাগ' আৰু পল্লৱ পৱনৰ 'ৰাজকন্যা' আৰু প্ৰণৱ বৰুৱাৰ 'অসুৰ'ৰে জীপাল হ'ব বৃন্দাবন থিয়েটাৰৰ মঞ্চ'। নাট্যদলটোৰ এইবেলি অভিনয় কৰিবলগীয়া শিল্পী সকলৰ তালিকাখনো বেছ চকুতলগা- চলচ্চিত্ৰ তথা মঞ্চ জগতৰ নাট্যযোদ্ধা ভৱেশ বৰুৱা, সুদৰ্শন অভিনেতা ৰাগ ঐনিতম, মোহময়ী অভিনেত্ৰী স্নিগ্ধা গগৈ, চন্দন বৰা, কংকন দেব নাথ, প্ৰণৱ শৰ্মা, অনুপ কুমাৰ ডেকা, কোকীল শইকীয়ী, পপী পৰ্ণাৰ লগতে এদল মঞ্চাভিজ্ঞ নাট্যসৈনিক। সম্পাদকৰ দায়িত্ব বহন কৰিব পদ্ম চেতিয়াই। শুভেচ্ছা থাকিল নাট্যদলটোৰ সন্মানিত প্ৰযোজক বংকিম ৰায় মেধি সৈতে জড়িত প্ৰতিগৰাকী শিল্পী কলা কুশলী তথা সমূহ আহ্বায়ক কমিটিবোৰলৈ।

# সাধুৰ আধাৰত শিশুৰ নাট্যৰূপ 'ৰহিলা সুন্দৰীৰ বিয়া'

## অৰিন্দম নাট্য বিদ্যালয়ৰ শিশুৰ মনপৰশা অভিনয়ৰে জীপাল বাণ থিয়েটাৰৰ মঞ্চ



তেজপুৰৰ ঐতিহ্যমণ্ডিত বাণ থিয়েটাৰৰ প্ৰেক্ষাগৃহত কালি সন্ধিয়া ১৮ গৰাকীকৈ শিশুৱে 'ৰহিলা সুন্দৰী বিয়া' শীৰ্ষক নাটকত সাৱলীল অভিনয় কৰি তেওঁলোকৰ প্ৰতিভাৰ পৰিচয় দিবলৈ সক্ষম হয়। উল্লেখ্য, তেজপুৰৰ বহুমুখী প্ৰতিভাৰ নাট্যশিল্পী অৰিন্দম কৌশিকৰ সোঁৱৰণত ২০২১বৰ্ষৰ ৩০ নৱেম্বৰত স্থাপিত 'অৰিন্দম নাট্য বিদ্যালয়'ৰ তেজপুৰত চলিত বৰ্ষৰ জানুৱাৰী মাহৰ পৰা পাঠদান আৰম্ভ হোৱা প্ৰশিক্ষাৰ্থী সকলৰ ১৮ টাকৈ শিশুৱে কালি সন্ধিয়া ঐতিহ্যমণ্ডিত বাণ থিয়েটাৰত জাতকৰ সাধু 'দ্য এনিমেল আৰ্মি'ৰ আধাৰত নিজেই নাট্যৰূপ আৰু সংলাপ সৃষ্টিৰে ৰচনা কৰি উলিয়াইছিল এখন বিশেষ বাৰ্তাবাহক মনোগ্ৰাহী শিশু নাটক 'ৰহিলা সুন্দৰীৰ বিয়া'। অসমীয়া লোক সংস্কৃতিৰ আভাসেৰে ছাত্ৰ-ছাত্ৰী সকলে ২৬ জুলাইৰ সন্ধিয়া ৬-৪৫ বজাৰ পৰা বাণ থিয়েটাৰত মঞ্চস্থ কৰি অতি সাৱলীল অভিনয়েৰে দৰ্শকৰ প্ৰশংসা বুটলিবলৈ সক্ষম হয়। নাট্য বিদ্যালয়খনৰ অধ্যক্ষ, নাট্যকাৰ পৰিচালক দিগন্ত কুমাৰ ভূঞাৰ লগতে ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ ডিপ্লমা প্ৰাপক নাট্যশিল্পী শোণিত জ্যোতি শইকীয়া আৰু অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰৰ বলিষ্ঠ অভিনেত্ৰী চিমি গোস্বামী, অমৰ জ্যোতি বৰা মুখ্য প্ৰশিক্ষক ৰূপে থাকি তেজপুৰৰ বিভিন্ন প্ৰান্তৰ এই ১৮ টাকৈ শিশুৱে 'ৰহিলা সুন্দৰীৰ বিয়া' ত সুন্দৰ অভিনয় কৰি দৰ্শকক মুগ্ধ কৰি তোলে। দিগন্ত কুমাৰ ভূঞাৰ অভিযোজনা আৰু পৰিচালনাৰ লগতে শোণিত জ্যোতি শইকীয়া, চিমি গোস্বামী আৰু অমৰজ্যোতি বৰাৰ পৰিকল্পনাৰে সংগীত আৰু আলোকেৰে প্ৰথম প্ৰয়াসতেই শিক্ষাৰ্থী সকলে সাৰ্থক অভিনয় কৰিবলৈ সক্ষম হয়। নাটকখনৰ বিভিন্ন চৰিত্ৰ সমূহ ৰূপায়ণ কৰিছিল ক্ৰমে ৰাজগুৰু চৰিত্ৰত সিদ্ধান্ত মহন্ত, খৰা শিয়াল, ৰতন, শিষ্য, ঘোষক, আঁৰকাপোৰ ধৰা চৰিত্ৰত অভিপ্ৰিয়া গোস্বামী, খৰিকটীয়া ৰূপত ৰতনৰ মাক আৰু ঘোষক হিচাপে মুক্তাৱলী মহন্ত, চম্পা শিয়ালী, আঁৰ কাপোৰ ধৰা শিষ্য ৰূপে কংকিতা ভৰালী, ৰহিলা সুন্দৰী, শিষ্য আৰু চৰাইৰ চৰিত্ৰত নিলাঞ্জনা শইকীয়া, সূত্ৰধাৰ, খৰিকটীয়া আৰু ৰহিলাৰ মাকৰ ৰূপত শৰণ্যা মহন্ত, সাপ, লিগিৰী, বিহু নাচনীৰ চৰিত্ৰত- পূজাশ্ৰী বৰা, হাতীৰ চৰিত্ৰত বাৰ্বী বৰুৱা, চৰাই, ৰাণী আৰু হৰিণৰ চৰিত্ৰত কৃষ্টি বৰা, ৰজা মহানন্দ সিংহৰ চৰিত্ৰত প্ৰণিত বৰা, মন্ত্ৰী, সিংহ আৰু বামুনৰ ৰূপত নিয়ৰ শইকীয়া, মন্ত্ৰী, বিপুল শিয়ালৰ চৰিত্ৰত জ্ঞানম মহন্ত, চিকাৰী , বিহু নাচনি, সেনাপতিৰ চৰিত্ৰত অংকিত শৰ্মা, বাঘ আৰু মন্ত্ৰীৰ চৰিত্ৰত ইয়াচমীন ফাৰহান আহমেদ আৰু হৃত্বিক বৰা, চৰাইৰ ৰূপত ক্ৰমে অহিৰণ শইকীয় আৰু মানৰ শৰ্মা। মনকৰিবলগীয়া যে শিক্ষাৰ্থী সকলৰ মাজৰ পৰা নিজেই ঘোষক আৰু সূত্ৰধাৰৰ ভূমিকাৰ লগতে শিশু ধ্ৰুৱজ্যোতি দাসৰ ঢোল বাদন, কৌস্তভ মণি কলিতাৰ তালবাদনৰ লগতে গণেশ বৰুৱাৰ খোলবাদন, নৃপেন শইকীয়াৰ তালবাদন, দিব্যজ্যোতি নাথৰ ৰূপসজ্জাৰে সফল মঞ্চায়ন হোৱা নাটকৰ অন্তত প্ৰশিক্ষাৰ্থী সকলক অৰিন্দম নাট্য বিদ্যালয়ৰ সভাপতি পংকজ বৰুৱা, উপদেষ্টা, তথা প্ৰয়াত অৰিন্দমৰ মাতৃ, অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড° জ্যোৎস্না শৰ্মা বেজবৰুৱা আৰু প্ৰশিক্ষক শিক্ষক সকলে মান পত্ৰ প্ৰদান কৰাৰ পিছত সকলোৱে অকাল মৃত্যুক সাৱটি লোৱা প্ৰতিভাবান নাট্যশিল্পী অৰিন্দম কৌশিকৰ প্ৰতিচ্ছবিৰ সন্মুখত সমবেত হৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

# আজি বৰদলৈচিলা থিয়েটাৰৰ নাট্যাৰম্ভ




দুটা বছৰ ক'ৰণা মহামাৰী বিভীষিকা আতৰাই ন ৰূপত নতুন উদ্যমেৰে চলিত ২০২২-২৩ নাট্যবৰ্ষত নজৰুল ইছলাম প্ৰযোজিত বৰদৈচিলা থিয়েটাৰৰ গৌৰৱোজ্জ্বল ৰূপালী জয়ন্তী বৰ্ষ । ইতিমধ্যে বৰদৈচিলা থিয়েটাৰে চলিত নাট্যবৰ্ষৰ সকলো ধৰণৰ প্ৰস্তুতি সম্পূৰ্ণ কৰি আজি পূব বনগাৱঁত থকা স্থায়ী আখৰা শিবিৰত ৰূপালী জয়ন্তী বৰ্ষৰ শুভ নাট্যাৰম্ভ কৰিব । শুভ মহুৰত অনুষ্ঠানটো উদ্বোধন কৰিব দিনমনি ভাণ্ডাৰ কায়স্থ, উপ প্ৰৱন্ধক এমট্ৰন।

চলিত বৰ্ষত বৰদৈচিলা থিয়েটাৰে ভ্ৰাম্যমাণ মঞ্চৰ দুগৰাকী জনপ্ৰিয় নাট্যকাৰৰ তিনিখন ভিন্ন ৰুচিৰ ভিন্ন পটভূমিৰ নাটক মঞ্চায়ন কৰিব। নাটক কেইখন হ'ল দানবৰ সমাজত মানৱতাৰ তাণ্ডৱ নাচেৰে সমৃদ্ধ অভিজিত ভট্টাচাৰ্যৰ 'মহাদেৱ' সত্তৰ দশকৰ দেশ কঁপোৱা ভয়ানক হত্যাকাণ্ডৰ আধাৰত অভিজিত ভট্টাচাৰ্যৰ 'ফাঁচি কাঠত ৰাজখোৱা' আৰু ত্যাগেৰে জীৱন সজোৱা দুটি জীৱনৰ হৃদয়স্পৰ্শী কাহিনীৰে বৰ্তমান সময়ৰ জনপ্ৰিয় ধাৰাবাহিক বেহাৰবাৰী আউটপোষ্টৰ চিত্ৰ নাট্যকাৰ পল্লৱ পৱনৰ 'হেংগুকাফ'। এইবেলি বৰদৈচিলা থিয়েটাৰৰ মঞ্চত অভিনয় কৰিব ছবি আৰু মঞ্চ যগতৰ বলিষ্ঠ অভিনেতা তপন দাস, সুদক্ষ অভিনেতা নিৰঞ্জন দাস, তপন শঞ্জইকীয়, পংকুল বৰা, নিতুল পাঠক, ৰাজদীপ কলিতা, বৰ্ণিল ভাস্কৰ, দীপাংকৰ প্ৰতিম, মোহময়ী অভিনেত্ৰী কল্পনা কলিতা, বিষ্মিতা বৰুৱা আৰু মমতা মজুমদাৰ। অহা আগষ্ট মাহৰ শেষ ভাগৰ পৰা বৰদলৈচিলা থিয়েটাৰে দৰ্শকৰ ওচৰত নাট প্ৰদৰ্শন আৰম্ভ কৰিব বুলি প্ৰযোজক পক্ষঞ্জই জানিবলৈ দিছে।

# ২৫টা বৰ্ষত বৰদৈচিলা থিয়েটাৰ

## বৰদৈচিলা থিয়েটাৰ

১৯৯৭ চনৰ এটি উৎকণ্ঠাৰে ভৰা দিন। এই দিনটোতেই অগ্ৰণী সাংস্কৃতিক কৰ্মী,অভিনেতা নজৰুল ইছলাম, নাট্যকাৰ ভবেন বৰুৱা আৰু সমাজকৰ্মী ভূপেন কলিতাই মিলিত প্ৰচেষ্টাৰে নলবাৰী জিলাত জন্ম দিছিল এখন আগশাৰীৰ ভ্ৰাম্যমাণ থিয়েটাৰৰ। যাৰ নাম বৰদৈচিলা থিয়েটাৰ। জন্মলগ্নৰে পৰা কোনো গিমিক বা ভেল্কিবাজীৰ আশ্ৰয় নোলোৱাকৈ সুস্থ ৰুচিৰ ভাল নাটকেৰে নাট্যপ্ৰেমীক আমোদ দি অহা অসমৰ জনপ্ৰিয় নাট্যদল বৰদৈচিলা থিয়েটাৰ আজি ২৫ বছৰীয়া হ'ল। এসময়ত মহেন্দ্ৰ বৰঠাকুৰ,ভবেন বৰুৱা,সেৱাব্ৰত বৰুৱা,হেমন্ত দত্ত,মুনিন বৰুৱা, অৱতাৰ সিং, পৱিত্ৰ ডেকাৰ দৰে বহু প্ৰসিদ্ধ নাট্যকাৰৰ কালজয়ী নাটকে গিজগিজাই থকা এই নাট্যদলটোত পিছলৈ অভিজিত ভট্টাচাৰ্য, সমৰেন্দ্ৰ বৰ্মন, চম্পক শৰ্মা, শ্যামসুন্দৰ জালান, সতীশ দাস, ভাস্কৰ বৰ্মন আদিৰ দৰে বহুকেইজন সুদক্ষ নাট্যকাৰে পদাৰ্পণ কৰি বিগত কেইবাটাও বৰ্ষ ভাল নাটক উপহাৰ দি আহিছে। যাৰ বাবে আজিও বৰদৈচিলা থিয়েটাৰৰ মঞ্চত নাটক চাবলৈ প্ৰেক্ষাগৃহত দৰ্শকে ভিৰ কৰা পৰিলক্ষিত হয়। তদুপৰি বিশিষ্ট অভিনেতা ভৱেশ বৰুৱা,তৌফিক ৰহমান, পবিত্ৰ প্ৰাণ বৰা,হৰেন মালাকৰৰ পৰা সম্প্ৰতি মৃদুল ভূঞা, প্ৰস্তুতি পৰাশৰ, তপন দাস, চম্পক শৰ্মা, মৃদুল চুতীয়া,জেৰিফা ৱাহিদ, গায়ত্ৰী মহন্ত,মুনমী কলিতা লৈকে অসমৰ প্ৰায়সংখ্যক তাৰকাই দুৰ্দান্ত অভিনয়েৰে বৰদৈচিলাৰ মঞ্চ জীপাল কৰি গৈছে। বৰদৈচিলাই মঞ্চস্থ কৰা কেইখনমান উল্লেখযোগ্য নাট হ'ল দখল,হাত, যোদ্ধা,অভাগিনী,ডাঃ বেজবৰুৱা, নিমখ হাৰাম, উকা দলিল,পাকিস্তানৰ প্ৰেয়সী, দৰমহা,ফোট,গধূলি গোপাল,পেঞ্চন,১৫ আগষ্ট,তই কৰিব লাগিব অগ্নিস্নান, ভগ্নাৱশেষ,মন ময়ুৰীৰ সংসাৰ,মৰমৰ বান্ধৱী বিদায় দিয়া আদি। পূৰ্বৰ সাফল্যৰ ধাৰা অব্যাহত ৰাখি এইবাৰো বৰদৈচিলা থিয়েটাৰে এক জাকত জিলিকা ৰূপত প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। ২৪ টা গৌৰৱোজ্জ্বল বৰ্ষ অতিক্ৰম কৰা নজৰুল ইছলাম প্ৰযোজিত বৰদৈচিলা থিয়েটাৰে এইবাৰ ৰূপালী জয়ন্তী বৰ্ষত মঞ্চস্থ কৰিব কিংবদন্তী নাট্যকাৰ ভবেন বৰুৱা দেৱলৈ শ্ৰদ্ধাঞ্জলি যাঁচি সত্তৰ দশকত দেশ জোকাৰি যোৱা ধুবুৰীত সংঘটিত এক লোমহৰ্ষক হত্যাকাণ্ডৰ আধাৰত জনপ্ৰিয় নাট্যকাৰ,পৰিচালক অভিজিত ভট্টাচাৰ্যৰ ফাঁচিকাঠত ৰাজখোৱা। দানৱৰ সমাজত মানৱতাৰ তাণ্ডৱ নাচেৰে সমৃদ্ধ অভিজিত ভট্টাচাৰ্যৰ তীক্ষ্ণ কলমৰ আন এক শক্তিশালী সৃষ্টি মহাদেৱ লগতে ত্যাগেৰে জীৱন সজোৱা দুটি জীৱনৰ হৃদয়স্পৰ্শী কাহিনীৰে যুৱ প্ৰজন্মৰ জনপ্ৰিয় নাট্যকাৰ পল্লৱ পৱন বৰাৰ হেংগুকাফ। এইবৰ্ষত বৰদৈচিলাৰ মুখ্য আকৰ্ষণ হ'ব মঞ্চ আৰু চলচ্চিত্ৰৰ বলিষ্ঠ অভিনেতা তপন দাসৰ সাৱলীল অভিনয়। তপন দাসৰ উপৰি অভিনয় কৰিব কল্পনা কলিতা, নিৰঞ্জন দাস, দীপাংকৰ প্ৰতীম বৰা, নিতুল পাঠক, তপন শইকীয়া, পংকুল বৰা, বৰ্ণিল ভাস্কৰ, ৰাজদ্বীপ কলিতা, ৰাজেশ খান্না, বিস্মিতা বৰুৱা,মমতা মজুমদাৰৰ লগতে বহু ন-পুৰণি অভিজ্ঞ নাট্যযোদ্ধাই। সকলো জল্পনা কল্পনাৰ অন্ত পেলাই আজি বৰদৈচিলা থিয়েটাৰে নলবাৰীৰ পূব বনগাঁওত থকা স্থায়ী আখৰা শিবিৰত চলিত (২০২২-২৩) ৰূপালী জয়ন্তী নাট্যবৰ্ষৰ দুৱাৰ মুকলি কৰিব। আনুষ্ঠানিকভাৱে মুখ্য দ্বাৰ মুকলি কৰিব এমট্ৰনৰ উপ-প্ৰবন্ধক দিনমণি ভাণ্ডাৰ কায়স্থই।





# মডেলিঙৰে আকাশ চুব খোজা হাটিঙাৰ ইন্দিৰা শইকীয়া



এগৰাকী দহ বছৰীয়া কনমানী কিশোৰী! কিশোৰী গৰাকীৰ নাম ইন্দিৰা শইকীয়া। শোণিতপুৰ জিলা তথা চতিয়া সমষ্টিৰ অন্তৰ্গত নদুৱাৰ অঞ্চলৰ হাটিঙা ৰামপুৰৰ কণমানি ইন্দিৰাই সৰুৰে পৰা মডেলিঙৰ প্ৰতি আগ্ৰহী আছিল । সম্ভৱাপূৰ্ণ কন্যা ইন্দিৰাই পোন প্ৰথমবাৰৰ বাবে তেজপুৰৰ মঞ্চত মডেলিঙ প্ৰদৰ্শন কৰি ৰাইজৰ মাজত চমক সৃষ্টি কৰি মৰম বুটলিবলৈ সক্ষম হয় । ২০২২ চনৰ পৰা মডেলিঙৰ জগতখনত খোজ পেলোৱা ইন্দিৰা হৈছে নদুৱাৰ অঞ্চলৰ হাটিঙা ৰামপুৰ নিবাসী ৰাজুমনি শইকীয়া আৰু মিতালী বৰ্মণ শইকীয়া তথা টুপীয়া উদয়ন শিক্ষালয়ৰ ছাত্ৰী । দহ বছৰীয়া ইন্দিৰাই মডেলিঙৰ জৰিয়তে পোন প্ৰথমবাৰৰ বাবে শোণিতপুৰ জিলাৰ উষানগৰী তেজপুৰৰ কেতেকীবাৰীস্থিত মোহিনী বিবাহ ভৱনত মিষ্টাৰ, মিচেছ, মিছ, টিনচ, কিডছৰ তেজপুৰ আসাম ২০২২ চিজন ওৱানৰ মঞ্চত এম পি ইচকোৱাৰে আয়োজন কৰা এখন সৌন্দৰ্য্য প্ৰতিযোগিতা ত প্ৰথম ৰানাৰচ আপৰ খিতাপ অৰ্জন কৰিবলৈ সক্ষম হৈছে । ইন্দিৰা এগৰাকী কনমানী ছোৱালী হৈয়ো তাইৰ মৰমলগা মাত আৰু হাঁহিয়ে সকলোৰে মন জয় কৰাৰ লগতে এনে সফলতা লাভ কৰিবলৈ সক্ষম হোৱাত অঞ্চলবাসীয়ে বহুত শলাগ লৈছে। উক্ত বঁটাত আছে এখন প্ৰশংসা পত্ৰ,এটা ৰূপৰ মুকুটৰে উস্ম আদৰণি জনায় বহু উৎসাহ যোগোৱা পৰিলক্ষিত হয়।কণমানি ইন্দিৰাৰ এই যাত্ৰা সপোন যেন বাস্তৱায়িত হওঁক তাৰে কামনা কৰিছে অঞ্চলবাসীয়ে।




# তীৰ্থনগৰীত কামৰূপা থিয়েটাৰৰ আখৰা শিবিৰ মুকলি

তীৰ্থ নগৰী হাজোৰ দিহিনা গাঁৱত চণ্ডিচৰণ দাসৰ প্ৰযোজিত কামৰূপা থিয়েটাৰৰ এইবেলি তৃতীয় বৰ্ষৰ বাবে অভিনৱ পৰিকল্পনাৰে সাজু হৈ উঠিছে। তদুপলক্ষে আজি নাট আখৰাৰ শুভ মহুৰত অনুষ্ঠানৰ আয়োজন কৰে আখাৰা গৃহত।বিগত বছৰৰ সাফল্যৰ পাছত এইবাৰ তিনিজন যশস্বী নাট্যকাৰৰ ভিন্ন ৰুচি পূৰ্ণ ব্যতিক্ৰম ধৰ্মী নাট ক্ৰমে জনপ্ৰিয় নাট্যকাৰ বুবু শৰ্মাৰ 'মই আৰু মোৰ ছাঁ' অনন্ত ডেকাৰ 'পাষণ্ড প্ৰেমিক' আৰু প্ৰযোজক চণ্ডিচৰণ দাসৰ 'মাছ মৰীয়াৰ ছোৱালী' দৰ্শক ৰাইজলৈ আগবঢ়াবৰ আশাৰে আজি আখৰা শিবিৰ তথা নাট উদ্বোধন কৰে সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা প্ৰকাশ চন্দ্ৰ দাসে। সম্পাদক দ্বিপেন দাসে আঁত ধৰা শুভমহুৰত অনুষ্ঠানত অভ্যাগত সকলক আদৰণি জনোৱাৰ লগতে তিনিওখন নাটকৰ কাহিনীৰ মূল কথাখিনি অবগত কৰে প্ৰযোজক চণ্ডি চৰণ দাসে। তিনিওখন নাট আখাৰাৰ বাবে মুকলি কৰি সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা প্ৰকাশ দাসে ভাষণত কয়— অসমীয়া কলাকৃষ্টি জীয়াই ৰাখিব লাগিব থিয়েটাৰ দল সমূহে আৰু থিয়েটাৰ দল সমূহ একোটা উদ্যোগ হিচাপে স্বীকৃতি দিব লাগিব ।অনুষ্ঠানৰ আৰম্ভণিতে নাট্যকাৰ বুবু শৰ্মাই থিয়েটাৰ আৰু নাটকৰ ওপৰত এক বহল ব্যাখ্যা দাঙি ধৰে ।অভিনেতা নৰেশ্বৰ ৰাজবংশীয়ে মহাপুৰুষ শ্ৰীশ্ৰী মন্ত শঙ্কৰদেৱৰ সৃষ্ট কলাকৃষ্টি অসমীয়া জাতিৰ মান ইয়াক জীয়াই ৰাখিব লাগিব আৰু আধুনিক অসমীয়া নাটক আৰু ভ্ৰাম্যমান থিয়েটাৰৰ জন্মৰ বিষয়ে ভাষণত কয় ভ্ৰাম্যমান থিয়েটাৰৰ জনক তথা মঞ্চ প্ৰভাকৰ অচ্যুত লহকৰৰ কথা উল্লেখ কৰে। অসমৰ কলাকৃষ্টি জীয়াই ৰখাৰ মাধ্যম হৈছে থিয়েটাৰ নাট্য দল সমূহ। ঘোষক হিচাপে অংশ গ্ৰহণ কৰে উদীয়মান শিল্পী অৰূপ দাসে। অনুষ্ঠানত নাট্যশিল্পী প্ৰতিনিধি অভিনেতা-অভিনত্ৰী স্থানীয় ৰাইজৰ লগতে সাংবাদিক প্ৰাঞ্জল কলিতা, পঙ্কজ লহকৰ, ধ্ৰুৱ ডেকা আদি কৰি শুভাকাংক্ষী সকল উপস্থিত থাকে।

# অসমীয়া চলচ্চিত্ৰ লংকাকাণ্ডৰ ট্ৰেইলাৰৰ



সম্প্ৰতি ছ'চিয়েল মিডিয়াত বহুপ্ৰত্যাসিত অসমীয়া ট্ৰেইলাৰে। কিছুদিন পূৰ্বে ট্ৰেইলাৰটোৱে অসমীয়া উন্নত হৈছে তাৰে লৈ চৰ্চা থিয়েটাৰৰ দুই তাৰকা শিল্পী চমকপ্ৰদ প্ৰদৰ্শনে দৃষ্টি আকৰ্ষণ উল্লেখ্য যে দীৰ্ঘ সময় ধৰি আঁতৰি আছিল এই দুই মুক্তিলাভ কৰা অশোক কুমাৰ আৰু ২০১২ চনত মুক্তিলাভ 'সমীৰণ বৰুৱা আহি আছে' অভিনয় কৰিছিল মৃদুল ১৯৯১ চনত মুক্তিলাভ কৰা জনমে', ১৯৯৭ চনত শইকীয়াৰ হিন্দী ভাষাৰ ছবি চনত মুক্তিলাভ কৰা অমল কৰিছিল চম্পক শৰ্মাই। তাৰ অসমীয়া ছবিত অভিনয় কৰা বৰ্মন (ৰাজ) পৰিচালিত অসমীয়া ছবিত অভিনয়ৰ ভ্ৰাম্যমাণ থিয়েটাৰৰ এই দুই ট্ৰেইলাৰটোত একচন, সংলাপ, আদিয়ে দৃষ্টি আকৰ্ষণ কৰিছে কাহিনী-চিত্ৰনাট্য ৰজনী বৰ্মন ব্যাপক চৰ্চালাভ কৰিছে চলচ্চিত্ৰ 'লংকাকাণ্ড'ৰ মুক্তিলাভ কৰা ছবিখনৰ ছবিয়ে কাৰীকৰি দিশত যথেষ্ট নেটিজেনৰ মাজত। ভ্ৰাম্যমাণ মৃদুল ভূঞা আৰু চম্পক শৰ্মাৰ কৰিছে চলচ্চিত্ৰপ্ৰেমীক। অসমীয়া চিনেমাজগতৰ পৰা তাৰকা। ১৯৯৯ চনত বিষয়াৰ 'বুকুৰ মাজত জ্বলে' কৰা প্ৰদ্যুৎ কুমাৰ ডেকাৰ অসমীয়া চিনেমাদুখনত ভূঞাই। তাৰ বিপৰীতে যাদৱ চন্দ্ৰ দাসৰ 'প্ৰেম জনমে মুক্তিলাভ কৰা ড° ভবেন্দ্ৰনাথ 'কালসন্ধ্যা' আৰু ২০০৪ বৰুৱাৰ 'ৰংমন'ত অভিনয় পাছত এই দুই অভিনেতাই নাছিল। শেহতীয়াকৈ ৰজনী 'লংকাকাণ্ড'ৰ জৰিয়তে কৰাৰ বাবে আগবাঢ়ি আহিছে জনপ্ৰিয় অভিনেতা। ছবিখনৰ সংগীত, কাৰীকৰি প্ৰযুক্তি বহুতকে। চলচ্চিত্ৰখনৰ (ৰাজ)ৰ, প্ৰযোজনা কৰিছে মনিষ আগৰৱালাই। মৃদুল ভূঞা আৰু চম্পক শৰ্মাৰ উপৰি ছবিখনিত অভিনয় কৰিছে ক্ৰমে— নিপন গোস্বামী, ৰীণা বৰা, অতুল পাচনী, ভ্ৰান্তি মেধি, বিবেক বৰা, মুনমী ফুকন, পল ফুকন, ড° আলখ্য বৰুৱা, জুনজুন বৰা, চিৰঞ্জীত বৰা, দোলা পাল, অমূল্য কুমাৰ, ৰমেন তামুলী, বাল্লী বৰা, যতীন খনিকৰ, জয়ন্ত দাস, কবিতা চুতিয়া, লিকুমা শৰ্মা, টুনটুন শইকীয়া বৰ্মন, বিনয় ডেকা, অঞ্জনজ্যোতি বেজ, তপন শইকীয়া, প্ৰকাশ মেধি, তৰুণ বৰা আৰু বহুতো ন-পুৰণি শিল্পীৰ লগতে শিশু শিল্পী শ্ৰেয়া, অদিতি নন্দিনী আৰু নিশান। চলচ্চিত্ৰখনৰ দৃশ্যগ্ৰহণৰ দায়িত্বত আছে চনু ডেকা আৰু ধৰ্ম থাপা। সংগীত পৰিচালনা অজয় ফুকন, গৌতম শৰ্মা, মৃণাল বৈষ্ণৱ। সংগীত ব্যৱস্থাপনা শেখৰজ্যোতি গোস্বামী আৰু সুদৰ্শন বৰকটকী। ছবিখনিৰ গীতসমূহত কণ্ঠদান কৰিছে জুবিন গাৰ্গ, নীল আকাশ, দীপলিনা ডেকা আৰু ৰিটিশাই। আৱহ সংগীত অজয় ফুকন, ছাউণ্ড ডিজাইনাৰ অনুপ মুখাৰ্জী (মুম্বাই)। পুণঃশব্দ সংযোজন




কৰিছে দীপক কুমাৰ দত্ত আৰু বাবুল দাসে। সম্পাদনা আৰু ডি.আই কৰিছে শ্যামল দাসে। সমৰকলা নিৰ্দেশনা আৰ. কে. শ্ৰী আৰু দাক্ষিণাত্যৰ একশ্বন গ্ৰুপে। নৃত্য নিৰ্দেশনা কৰিছে দীপক দে, অসীম গগৈ, শশীন বৰুৱাই। ভি. এফ. এক্স কৰিছে মৃগাংক পাৰ্তিক পৰাশৰ। ৰূপসজ্জা ৰুমী গোস্বামী, মিনতি ডেকা আৰু পিযু শৰ্মাৰ। উল্লেখ্য, ২৮ অক্টোবৰত ছবিখনি চিত্ৰগৃহলৈ আহিব।

# পৰশুৰামৰ ৰূপত সঞ্জীৱ শৰ্মা




এইবাৰ পৰশুৰামৰ ৰূপত মানৰ দৰদী, মৰমৰ সদাগৰ বলিষ্ঠ অভিনেতা সঞ্জীৱ শৰ্মা। এক ব্যতিক্ৰমী কাহিনীৰে সঞ্জীৱ শৰ্মাৰ সাৱলীল অভিনয়ৰে ৰণডংকা বাজি উঠিব সূৰ্যৰ মঞ্চত। অভিনয় কথাৰে ১৬টা বসন্ত অতিক্ৰম কৰা এইগৰাকী অভিনেতাৰো আছে এক সুবিশাল সত্তা। এমোকোৰা হাঁহি দুই ওঁঠত অনবৰতে লৈ ঘূৰি ফুৰে অভিনয়ৰ মাজেৰে জীৱনৰ অৰ্থ বিচাৰি। পিতৃ-মাতৃৰ আশীৰ্বাদেই সঞ্জীৱ শৰ্মাৰ জীৱনৰ অঞ্জলি। দৰ্শক শ্ৰোতাৰ মৰম জিনিব পৰা আছে এখন কোমল হৃদয়। ষষ্ঠ শ্ৰেণীৰ পৰাই অভিনয়ৰ পোকটোৱে হেনো মূৰত ধৰিছিল। 'কংকাল' নামৰ নাটক এখনত এটি শিশু চৰিত্ৰ জৰিয়তে অভিনয় জীৱনৰ পাতনি মেলে । তাৰ পিছত এখোজ দুখোজকৈ অপেছাদাৰী নাট্যযাত্ৰালৈ আগুৱাই লৈ যায় নিজৰ অভিনয় জীৱনৰ লগতে শৈক্ষিক যাত্ৰা। বাহাৰুল ইছলামৰ নেতৃত্বত ছিগালৰ জৰিয়তে নাট্যাভিনয়ৰ আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰে। জীৱন বৃত্তিৰ ভোক হিচাপে অভিনয় জীৱনকে সংগী কৰি আগুৱাই আহিল নীৰৱে-নিতালে নিৰৱছিন্নভাৱে। থিয়েটাৰ বৰদৈচিলাৰ জৰিয়তে ভ্ৰাম্যমাণ থিয়েটাৰত নিয়ৰৰ কোমল প্ৰথম খোজ পেলোৱা বলিষ্ঠ অভিনেতাগৰাকীয়ে সকলো শ্ৰেণী দৰ্শকৰ দৃষ্টি আকৰ্ষণ কৰি এতিয়া হৈ পৰিছে আমাৰ-আপোনাৰ মৰমৰ নয়নৰ মণি। বৰদৈচিলা, ৰাজতিলক, আশীৰ্বাদ, হেঙুল, ব্ৰহ্মপুত্ৰ, ইতিহাস, সূৰ্যৰ মঞ্চত কৰা সাবলীল অভিনয় কৰা নাটকসমূহৰ ভিতৰত অভিজিত ভট্টাচাৰ্যৰ ৰচনা পৰিচালনা গিৰিপ গাৰাপ কইনা আহিছে, ৰাংঢালী ছোৱালী মই, মাফিয়া সুন্দৰী, কলিজা, মাফিয়া কৰ্ণ, ৰাংকুকুৰ, মৰমৰ সদাগৰ, মালৱিকা মোৰ বান্ধৱীৰ লগতে ৰাজদ্বীপৰ বলীয়া কৃষ্ণ আৰু এই নাট্যবৰ্ষত থিয়েটাৰ সূৰ্যৰ মঞ্চত প্ৰশান্ত মেনাৰ পৰশুৰামৰ প্ৰেয়সী নাটকখনৰ পৰশুৰাম চৰিত্ৰত এক ব্যতিক্ৰমী ৰূপত দৰ্শকে দেখিবলৈ পাব। তেখেতৰ অভিনীত প্ৰথম ভিচিড আছিল 'আইও লাখৰে লখিমী', জামণি, দুৰদৰ্শন এটি যন্ত্ৰ, ৰাংঢালী, ৰংমন আৰু শেহতীয়াকৈ ৰং চেনেলত প্ৰচাৰিত মেগা ছিৰিয়েল যতীন বৰাৰ পৰিচালনাত প্ৰদৰ্শন হৈ যোৱা মৰীচিকাখনত কৰা সঞ্জীৱ শৰ্মাৰ অভিনয়ে বিশেষ সমাদৰ লাভ কৰে । হয়তো কম সময়ৰ ভিতৰত মুক্তি পাব সঞ্জীৱ শৰ্মা অভিনীত বিগ বাজেটৰ ছবি 'ৰাজনীতি'। য'ত অভিনয় কৰিছে তপন দাস, জুবিন গাৰ্গৰ লগতে একাধিক বলিষ্ঠ অভিনেতা-অভিনেত্ৰীয়ে।


দেবাশ্ৰী আৰু সঞ্জীৱ শৰ্মা যুটি সাজু হৈছে থিয়েটাৰ সূৰ্যৰ মঞ্চ কঁপাবলৈ প্ৰশান্ত মেনাৰ 'পৰশুৰামৰ প্ৰেয়সী'। এক ব্যতিক্ৰমী কাহিনী আৰু শক্তিশালী সংলাপেই হ'ব 'পৰশুৰামৰ প্ৰেয়সী' নাটখনৰ মূল আধাৰ অভিনেতাৰ। শক্তিশালী অভিনেতা সঞ্জীৱ শৰ্মাক নাটখনত এক ব্যতিক্ৰম ৰূপত তুলি ধৰিব নাট্যকাৰে। লগতে থাকিব মঞ্চ জগতৰ বলিষ্ঠ অভিনেতা প্ৰাণজিত দাস, সঞ্জীৱ শৰ্মা সুদৰ্শন অভিনেতা সুকুমাৰ, নৱজ্যোতি কাশ্যপ, সুনয়ন শৰ্মা, জয়ন্ত শৰ্মা, দীপাংকৰ তালুকদাৰ (বাহু), দেৱাশ্ৰী দাস, অৰ্চনা বৰা, হেলেনা আখতাৰৰ দৰে শিল্পীসকল। নাটকখনত আৱহ সংগীত দীপক বৰুৱাৰ আৰু কলা নিৰ্দেশনা বিশিষ্ট চিত্ৰ শিল্পী ত্ৰিদীপ তালুকদাৰৰ। 'পৰশুৰামৰ প্ৰেয়সী' নাটখনত এক ব্যতিক্ৰমী প্ৰেম কাহিনীৰ উপৰি এক ৰহস্যঘন ঘটনাচক্ৰৰ মাজেৰে নাট্যকাৰে দৰ্শকক সচকিত কৰি তুলিব বুলি জানিব পৰা গৈছে। ইতিমধ্যেই চৰ্চিত হৈ পৰা থিয়েটাৰ সূৰ্যৰ 'পৰশুৰামৰ প্ৰেয়সী' নাটকখনে দৰ্শকক যে নতুনত্বৰ সোৱাদ দিব তাকে লৈ আশাবাদী দৰ্শক। দৰ্শকৰ মনোজগতত পৰিৱৰ্তনৰ ধুমুহা সৃষ্টি কৰিবলৈ সক্ষম হোৱা সঞ্জীৱ শৰ্মালৈ অশেষ শুভকামনা জনালো।

# এলবাম দোলাৰী বেটি




অসমৰ এগৰাকী প্ৰচাৰবিমুখ নিৰৱ সাধনাৰত এগৰাকী আদিবাসী চাহ জনগোষ্ঠীৰ কণ্ঠশিল্পী নৰেন পানতাঁতি। বিশ্বনাথ জিলাৰ অসম অৰুণাচল সীমান্তৱৰ্তী ঘিলাধাৰী চাহ বাগিচাত কৰ্মৰত নৰেনে কেইবাখনো আদিবাসী চাহ জনগোষ্ঠীৰ বোলছবিত সহ পৰিছালকৰ দৰে গুৰুত্বপুৰ্ণ দায়িত্ব পালন কৰাৰ সমান্তৰালকৈ আদিবাসী, চাহ জনগোষ্ঠী, অসমীয়া আৰু উৰিয়া ভাষাত গীতৰ অডিঅ ,ভিডিঅ এলবাম প্ৰস্তুত কৰি গীত পৰিৱেশন কৰি আছে। বাগিচাৰ নিয়মিত কৰ্মৰ মাজতো গীত সমূহ নিজে ৰচনা কৰাৰ লগতে বিভিন্ন অডিঅ, ভিডিঅ এলবাম সম্পাদনা কৰাৰ উপৰি বোলছবিৰ জগততো ভুমুকি মৰা নৰেনে গীতিকাৰ, সুৰকাৰ, অভিনেতা আৰু সংগীত পৰিছালনা কৰি কৃতিত্ব অৰ্জন কৰিছে। এই গৰাকী প্ৰচাৰ বিমুখ শিল্পী গৰাকীয়ে সংগীতকে জীৱনৰ অংশ হিচাবে লৈ বিভিন্ন অনুষ্ঠান, প্ৰতিষ্ঠান তথা আখড়াত সুললিত গীতৰ সুৰত সকলোৰে মন মোহিব পৰা নৰেনে ইতিমধ্যে আন এখন গীতৰ এলবাম প্ৰস্তুত কৰিছে। কণ্ঠশিল্পী গৰাকীৰ Naren Pantanti Official Production নামৰ ইউটিউব চেনেলত 'দোলাৰী বেটি' নামৰ অডিঅ এলবামটি ইতিমধ্যে মুক্তি দিছে। কম সময়ৰ ভিতৰত এই গীতটি ৰাইজৰ মাজত যথেষ্ট সহাৰি লাভ কৰে। Naren pantanti Official Production১১ৰ নিবেদনত সদ্যমুক্তি প্ৰাপ্ত 'দোলাৰী বেটি' অডিঅ এলবামটিত নৰেন পানতাতিয়ে কণ্ঠদান কৰাৰ বিপৰীতে নেপথ্যত পায়েল ওৰাং আৰু সলিতা কিষাণে সুন্দৰকৈ এলবামৰ গীতটোত কণ্ঠদানেৰে এক বিশেষ মাত্ৰা প্ৰদান কৰিছে। সংগীত পৰিছালনা ইভৰু কাশ্যপৰ। শেহতীয়া মুক্তি প্ৰাপ্ত 'দোলাৰী বেটি' অডিঅ' এলবামটি ইউটিউব চেনেলত উপলব্ধ। সেয়েহে সকলো সংগীত প্ৰেমী ৰাইজক Naren Pantanti official Production নামৰ ইউটিউব চেনেলত চাবক্ৰাইব, লাইক, কমেণ্ট আৰু চেয়াৰ কৰি উপভোগ কৰাৰ অনুৰোধ জনাই কণ্ঠশিল্পী নৰেন পানতাঁতীয়ে।

# আজি চিত্ৰগৃহত উপসৰ্গ




'বিউটিফুল লাইভছ' নামৰ ছবিৰে অসমীয়া চলচ্চিত্ৰ জগতত আত্মপ্ৰকাশ কৰা যুৱ পৰিচালক কংকন ডেকাই পৰিচালনা কৰা নতুন অসমীয়া চলচ্চিত্ৰ 'উপসৰ্গ'ই আজি সমগ্ৰ অসমত মুক্তিলাভ কৰিব। কাৰ্ণেল ফিল্ম প্ৰডাকচনৰ বেনাৰত নিৰ্মিত 'উপসৰ্গ'ৰ কাহিনী, চিত্ৰনাট্য, সংলাপ আৰু প্ৰযোজনাও কৰিছে কংকন ডেকাই। 'টকা কাক নালাগে'— এই টেগলাইন ব্যৱহাৰ কৰা 'উপসৰ্গ'ৰ কাহিনীভাগ এনেধৰণৰ— কিংকৰ ওজা আৰু বেণুপাৰ্টীৰ অনিল দুই বন্ধুৰ ধনী হোৱাৰ মন। কম দিনতে লাগে বহুত টকা। বোবা ৰাজেনে সিঁহতক সাংঘাতিক উপায় এটা দিলে। কিংকৰৰ মন ৰেণুক প্লেনটোত চামিল কৰোৱাৰ। কামৰ লগতে মনটোও ভাল লাগি থাকিব। পিছে এই প্লেনটোনো কি ? কি ঘটনা-পৰিঘটনাৰ মাজেৰে যাব আটায়ে ? এনে এক কাহিনীৰে নিৰ্মিত ছবিখনিৰ মূল চৰিত্ৰত অভিনয় কৰিছে ক্ৰমে— কিংকৰ নাথ, অনিল নাথ, ৰাজশ্ৰী শৰ্মা, চন্দন কাশ্যপ, নীলিমা ডেকা, ৰাহুল ডেকা, জগদিশ ডেকা আদি। মূলতঃ মংগলদৈ আৰু গুৱাহাটীত দৃশ্যগ্ৰহণ কৰা ছবিখনিৰ দৃশ্যগ্ৰহণ কৰিছে চিদা বৰাই। সংগীত পৰিচালনা সৌৰভ মহন্তৰ। ছবিখনিৰ একমাত্ৰ গীতটি অৰূপ বৰুৱাৰ। ধীৰাজ মজুমদাৰে সম্পাদনা কৰা 'উপসৰ্গ'ৰ ডি আই কালাৰিষ্ট শ্যামল দাস। প্ৰচাৰৰ দায়িত্বত আছে অভিজিৎ লস্কৰ।

## প্ৰথম পৃষ্ঠাৰ পৰা—

## জেহাদীৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে

অসামৰিক চিকিৎসালয় অন্যতম।' তেওঁ লগতে কয় যে— ইয়িত্বে নগাঁৱত উদ্বেগজনকভাৱে জাপানীজ এনকেফেলাইটিছৰ বৃদ্ধি পাইছে আৰু কেইবাজনো লোকৰ মৃত্যু হৈছে। সেই বাবে এই চিকিৎসাৰ আগতে মেডিকেল কলেজত কৰা হৈছিল যদিও বৰ্তমান জিলা পৰ্যায়ৰ চিভিল হাস্পতালসমূহত এই চিকিৎসা প্ৰদান কৰাৰ ব্যৱস্থা কৰা হৈছে। আনহাতে, এই বেমাৰ নিৰ্মূল কৰাৰ উদ্দেশ্যে স্বাস্থ্য বিভাগৰ পৰা ল'ব লগা যাৱতীয় সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে।'

**মই এনে ষ্টেণ্ড কৰা ছাত্ৰ-ছাত্ৰী নিবিচাৰোঁ, যিয়ে চাকৰি পোৱাৰ পিছত নিজৰ বৃদ্ধ পিতৃ-মাতৃক পথত এৰি থৈ আহে ঃ হিতেশ ডেকা ঃঃ অসম যুৱ পৰিষদৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ কীৰ্তিমান ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা**

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৮ জুলাই ঃ** নগাঁও জিলা পুথিভঁৰাল সভাগৃহত অসম যুৱ পৰিষদৰ ভাতৃ সংগঠন অসম ছাত্ৰ পৰিষদ আৰু অসম যুৱ পৰিষদৰ নগাঁও জিলা সমিতিৰ উদ্যোগত চলিত বৰ্ষৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা নগাঁৱৰ কীৰ্তিমান ছাত্ৰ-ছাত্ৰীসকলক আজি সম্বৰ্ধনা জনোৱা হয়। নগাঁও জিলা অগপৰ সভাপতি মণিমাধৱ মহন্তৰ সভাপতিত্বত অনুষ্ঠিত সভাত অংশগ্ৰহণ কৰি বিশিষ্ট শিক্ষাবিদ তথা প্ৰাক্তন উপাচাৰ্য ড° হিতেশ ডেকাই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি দিয়া ভাষণত কয়— উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত ছাত্ৰ-ছাত্ৰীসকলৰ নতুন যাত্ৰা আৰম্ভ হয়। এই যাত্ৰা পথ সেন্দূৰীয়া নহয়, কাঁইটীয়া। সেয়ে ছাত্ৰ-ছাত্ৰীসকলে নিজৰ জীৱন যাত্ৰাত সঠিক দিশেৰে আগবাঢ়ি যাব লাগিব। পৰীক্ষাত ষ্টেণ্ড কৰা বিষয়টোৰ দুৰ্ঘোৰ বিৰোধী বুলি মন্তব্য কৰি ড° ডেকাই কয়— ষ্টেণ্ড কৰা ধাৰণা ভুল। মই এনে ষ্টেণ্ড কৰা ছাত্ৰ-ছাত্ৰী নিবিচাৰো, যিয়ে চাকৰি পোৱাৰ পিছত নিজৰ বৃদ্ধ পিতৃ-মাতৃক পথত এৰি থৈ আহে। মই এনে ছাত্ৰ-ছাত্ৰী বিচাৰো যি ছাত্ৰ-ছাত্ৰীয়ে নিজৰ গাঁওখনৰ কথা, নিজৰ স্কুলখনৰ কথা চিন্তা কৰে। বানপীড়িত লোকক সহায়ৰ বাবে আগবাঢ়ি আহে। সমাজ জীৱনৰ লগত জড়িত হৈ পৰে। সেয়া লাগিলে তৃতীয় বিভাগতেই উত্তীৰ্ণ হওক, দ্বিতীয় বিভাগতেই উত্তীৰ্ণ হওক। ভাষণ প্ৰসংগত বৃদ্ধাশ্ৰমৰ প্ৰসংগ উল্লেখ কৰি ড° ডেকাই কয়— অসমত বৃদ্ধাশ্ৰমৰ প্ৰসংগ ক'ৰ পৰা আহিল। অসমৰ সমাজ জীৱনত বৃদ্ধাশ্ৰমৰ প্ৰয়োজন আছে বুলি ভবাটো আচলতে উচিত নহয়। মোবাইল ফোনৰ প্ৰসংগ উল্লেখ কৰি ড° ডেকাই কয়— বৰ্তমানৰ প্ৰযুক্তি বিদ্যাৰ যুগত সকলোকে আধুনিক প্ৰযুক্তি বিদ্যা সম্পন্ন মোবাইল ফোনৰো প্ৰয়োজন আছে যদিও ইয়াৰ সঠিক ব্যৱহাৰ হ'ব লাগিব। মোবাইল ফোনক ভাল কামতো ব্যৱহাৰ কৰিব পাৰি আৰু বেয়া কামতো ব্যৱহাৰ কৰিব পাৰি। ভাল কামত ব্যৱহাৰ কৰিলে আমি সঠিক দিশেৰে আগুৱাই যাব পাৰিম। ছাত্ৰ-ছাত্ৰীসকলক অধ্যয়নৰ ক্ষেত্ৰত কিছু মুকলি মনেৰে আগবাঢ়ি যোৱাত অভিভাৱকসকলে সহায় কৰা উচিত। তেওঁ লগতে কয়-'আমাৰ ষ্টেণ্ড কৰাসকলৰ অধিকাংশই পৰৱৰ্তী সময়ত অসমৰ বাহিৰত অধ্যয়ন কৰি তাতেই সংস্থাপিত হয়। স্বদেশ আৰু জাতিৰ প্ৰতি তেওঁলোকৰ দায়বদ্ধতা নাথাকে। স্বদেশ আৰু স্বজাতিৰ প্ৰতি দায়বদ্ধ থাকিলেহে আমাৰ সমাজ আৰু জাতি আগুৱাই যাব। সভাত অংশগ্ৰহণ কৰি অসমৰ স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই নিজৰ ভাষণত কয়— ছাত্ৰ-ছাত্ৰীসকলে নিজকে ভাল পাবলৈ শিকিব লাগিব। তেতিয়া সকলো কথা ভালদৰে আগবাঢ়ি যাব। ষ্টেণ্ড কৰিলেই যে বিজ্ঞান শাখাত নামভৰ্তি কৰিব লাগিব, তেনেকুৱা কোনো কথা নাই। কোনটো বিষয়ত অধ্যয়ন কৰিলে আগবাঢ়ি যাব পাৰিব সেইটোহে আচল কথা। মূল কথাটো হ'ল— ছাত্ৰ-ছাত্ৰীসকল নিজৰ লক্ষ্যত উপনীত হ'ব লাগিব। প্ৰযুক্তিবিদ্যাত কিছু খেলিমেলি আছে যদিও সঠিকভাৱে প্ৰযুক্তিবিদ্যা ব্যৱহাৰ কৰিব লাগিব। ছাত্ৰ-ছাত্ৰীসকলে এইক্ষেত্ৰত শুদ্ধ সিদ্ধান্ত ল'ব লাগিব। ক'ভিডজনিত পৰিস্থিতিৰ বাবে আমি ছাত্ৰ-ছাত্ৰীসকলক অনলাইন ব্যৱস্থাৰে শিক্ষা দান দিব পাৰিছো। প্ৰযুক্তি নহ'লে এয়া সম্ভৱ হৈ নুঠিলহেঁতেন। সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক নিজৰ অঞ্চলত মেট্ৰিক দিব লগা ছাত্ৰ-ছাত্ৰীক অধ্যয়নৰ ক্ষেত্ৰত উৎসাহিত কৰিবলৈ মন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। সভাত প্ৰাক্তন মন্ত্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা, অসম যুৱ পৰিষদৰ সভাপতি জিতু বৰগোহাঁই, অসম ছাত্ৰ পৰিষদৰ সভাপতি ত্ৰিনয়ন বৰুৱা আদিয়ে ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি ভাষণ প্ৰদান কৰে। যুৱ পৰিষদৰ নগাঁও জিলা সমিতিৰ সভাপতি দিপুজ্জ্বল ৰাজখোৱা, সম্পাদক কাশ্যপ ফুকন আৰু ছাত্ৰ পৰিষদৰ নগাঁও জিলা সমিতিৰ সভাপতি পল কুমাৰ বৰদলৈয়ে অনুষ্ঠানৰ আঁত ধৰে। সভাতেই এইবাৰ স্থান লাভ কৰা নগাঁৱৰ শিক্ষানুষ্ঠানৰ মুৰব্বীসকলৰ লগতে জিলাখনৰ কীৰ্তিমান ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱা হয়। তদুপৰি আৰ্থিকভাৱে দুৰ্বল দহগৰাকী কীৰ্তিমানক জলপানি প্ৰদান কৰা হয়।

## নগাঁৱত ক'ভিডত আক্ৰান্ত ১৭

৪৭৪গৰাকী লোকক ক'ভিডৰ ৰেপিড এণ্টিজেণ্ট টেষ্ট কৰা হয়। ইয়াৰ ভিতৰত ১৭গৰাকী লোক ক'ভিডত আক্ৰান্ত হোৱাটো নিশ্চিত কৰা হৈছে। আজি ক'ভিডত আক্ৰান্ত হোৱা বুলি নিশ্চিত কৰা জিলাখনৰ ১৭গৰাকী লোককে হোম কোৱাৰেণ্টাইন কৰা হৈছে। ইপিনে, জিলাখনত আজিৰ দিনটোত ক'ভিড আক্ৰান্তৰ হাৰ ৩.৫৯ শতাংশ। স্মৰ্তব্য যে, ২৫ জুলাইৰ পৰা আজিলৈকে চাৰি দিনত জিলাখনত ৯০জন ক'ভিডত আক্ৰান্ত হৈছে। জিলাখনত ক'ভিডৰ লক্ষণ দেখা দিয়াৰ পাছতো বহু লোকে ক'ভিড পৰীক্ষা নকৰাকৈ থকা পৰিলক্ষিত হৈছে। তদুপৰি ৰেপিড এণ্টিজেন টেষ্ট আৰু আৰ টি পি চি আৰ টেষ্টৰ হাৰো তেনেই নগণ্য হোৱাত ক'ভিড আক্ৰান্তৰ সংখ্যাও কমকৈ ওলোৱা পৰিলক্ষিত হৈছে।

## মাংগালুৰু বিমানবন্দৰত

চিআইএছএফৰ বিমান সুৰক্ষাৰ সৈতে জড়িত দলটোক এনে বাহনৰে সজ্জিত কৰিবলৈ নিৰ্দেশ দিয়াৰ পিছত মাংগালুৰু বিমানবন্দৰৰ কৰ্তৃপক্ষই বুলেটপ্ৰুফ বাহনখন ক্ৰয় কৰিছিল। উল্লেখ্য, মাংগালুৰু বিমানবন্দৰেই হৈছে দেশৰ প্ৰথমটো বিমানবন্দৰ, যিটো বিমানবন্দৰত বুলেট প্ৰুফ বাহন ব্যৱহাৰ কৰা হৈছে। দেশৰ প্ৰথম অ-অতিসংবেদনশীল বিমানবন্দৰ হিচাপেও মাংগালুৰু বিমানবন্দৰে স্বীকৃতি লাভ কৰিছে। বিমান সুৰক্ষা কৰ্মীসকলে যাতে যিকোনো সুৰক্ষা সম্পৰ্কীয় পৰিস্থিতিৰ মোকাবিলা কৰিব পাৰে সেই উদ্দেশ্য আগত ৰাখিয়েই সুৰক্ষা কৰ্মীৰ হাতত বুলেট প্ৰুফ বাহন তুলি দিয়া হৈছে। কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনীয়ে সাধাৰণতে 'অতিসংবেদনশীল' মুম্বাই, বেংগালুৰু, দিল্লী আৰু হায়দৰাবাদ বিমানবন্দৰত অতন্দ্ৰ প্ৰহৰীৰ দৰে কাম কৰি থাকিবলগীয়া হৈছে। তেনে বিমানবন্দৰকেইটাতো বাহিনীটোৰ কৰ্মীসকলক বুলেট প্ৰতিৰোধী বাহন প্ৰদান কৰাৰ কথা চলি আছে। বুলেট প্ৰুফ বাহনখনত সুৰক্ষাৰ স্বাৰ্থতে লাইট মেচিন গানো লগাই দিয়া হৈছে। এনে বাহনে সুৰক্ষা কৰ্মীসকলৰ মনোবল বৃদ্ধি কৰিব বুলি ভবা হৈছে।

## দুৰ্নীতিৰে ধনৰ পাহাৰ সাজি

মন্ত্ৰী পাৰ্থ চেটাৰ্জীক মন্ত্ৰীসভাৰ পৰা আঁতৰাই দিয়া হৈছে। দৰাচলতে, গ্ৰেপ্তাৰ হোৱাৰ পিছত, মুখ্যমন্ত্ৰী মমতা বেনাৰ্জী বিৰোধীৰ লক্ষ্যৰ অধীনলৈ আহিছিল আৰু পাৰ্থ চেটাৰ্জীৰ বিৰুদ্ধে ব্যৱস্থা লোৱাৰ বাবে তেওঁৰ ওপৰত চাপ বৃদ্ধি পাইছিল। আজি কেবিনেট বৈঠকৰ পিছত পাৰ্থ চেটাৰ্জীক মন্ত্ৰী পদৰ পৰা আঁতৰাই দিয়া হৈছে। এই সন্দৰ্ভত বংগ চৰকাৰৰ দ্বাৰা এটা নিৰ্দেশ জাৰি কৰা হৈছে। ইয়াৰ পূৰ্বে, মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে পাৰ্থ চেটাৰ্জীক গ্ৰেপ্তাৰ কৰাৰ পিছত কৈছিল যে যদি কাৰোবাক দোষী সাব্যস্ত কৰা হয়, তেন্তে তেওঁক শাস্তি দিয়া উচিত। দলটোৱেও ব্যৱস্থা গ্ৰহণ কৰিব, কিন্তু ন্যায়পালিকাৰ ওপৰত আমাৰ সম্পূৰ্ণ বিশ্বাস আছে। এক সময়সীমা থাকিব লাগে যাৰ ভিতৰত সত্য আৰু আদালতৰ সিদ্ধান্ত ওলাই আহিব লাগে। যদি কাৰোবাক দোষী সাব্যস্ত কৰা হয়, তেন্তে তেওঁক শাস্তি দিয়া উচিত। মই মোৰ বিৰুদ্ধে বিদ্বেষপূৰ্ণ প্ৰচাৰৰ সমালোচনা কৰো।' প্ৰৱৰ্তন সঞ্চালকালয়ে পাৰ্থ চেটাৰ্জী আৰু তেওঁৰ ঘনিষ্ঠ সহযোগী অৰ্পিতা মুখাৰ্জীক শিক্ষক নিযুক্তি কেলেংকাৰিত গ্ৰেপ্তাৰ কৰিছে। সোমবাৰে, কলকাতাৰ এখন আদালতে প্ৰৱৰ্তন সঞ্চালকালয়ৰ (ইডি) দ্বাৰা দুয়োকে ১০ দিনৰ জিম্মালৈ প্ৰেৰণ কৰে। ইডিয়ে চেটাৰ্জীৰ ১৪ দিনৰ ন্যায়িক জিম্মা বিচাৰিছিল। প্ৰৱৰ্তন সঞ্চালকালয়ে পাৰ্থ চেটাৰ্জীৰ ঘনিষ্ঠ সহযোগী অৰ্পিতা মুখাৰ্জীৰ ঘৰত তালাচী চলাইছিল আৰু বহু কোটি টকা আৰু গহনা উদ্ধাৰ কৰিছিল। বুধবাৰে অৰ্পিতা মুখাৰ্জীৰ আন তিনিটা স্থানতো তালাচী চলোৱা হয়, য'ৰ পৰা কোটি কোটি টকা নগদ ধন আৰু ৩ কিলোগ্ৰাম সোণ উদ্ধাৰ কৰা হয়। জানিব পৰা মতে পাৰ্থ চেটাৰ্জীৰ অধীনস্থ বিভাগসমূহ এতিয়া মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়েই চোৰা-চিতা কৰিব।

## কিস্তি বিচাৰি নিশালৈ

প্ৰদানকাৰী সংস্থাসমূহক ঋণ বিচাৰি হাৰাশাস্তি নকৰিবলৈ বাৰম্বাৰ কৈ আহিছে। ঠিক তেনে সময়তে বঙাইগাঁও জিলাৰ যোগীঘোপাৰ চলন্তাপাৰাস্থিত নৰ্থ ইষ্ট স্মল ফাইনেন্স বেংকৰ কৰ্মচাৰীয়ে নিশালৈকে ঋণৰ কিস্তি বিচাৰি কাবাইটাৰীৰ এগৰাকী ৰোগাক্ৰান্ত মহিলাৰ ঘৰত বহি থকাৰ অভিযোগ উত্থাপন হৈছে। জানিব পৰা মতে, নৰ্থ ইষ্ট স্মল ফাইনেন্স বেংকৰ চলন্তাপাৰা শাখাৰ বিষয়া-কৰ্মচাৰীৰ এটি দলে কালি পুৱাৰে পৰা দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ শয্যাগত হৈ থকা কাবাইটাৰী চতুৰ্থ খণ্ড গাঁৱৰ আমেনা বেগম নামৰ মহিলাগৰাকীৰ বাসগৃহত উপস্থিত হৈ ঋণৰ কিস্তিৰ আদায়ৰ নামত হাৰাশাস্তি কৰে। নিশা ৮ বজা পৰ্যন্ত ৰুগীয়া মহিলাগৰাকীৰ ঘৰত প্ৰতিষ্ঠানটোৰ বিষয়া-কৰ্মচাৰী কেইজনমানে কিস্তিৰ নামত দিনটোত কেইবাবাৰো ঋণগ্ৰস্ত মহিলাগৰাকীৰ ঘৰত বহি থাকি পৰিয়ালটোক হাৰাশাস্তি কৰে। অভিযোগ মতে, দুৰ্যোগৰ মাজত থকা পৰিয়ালটোৰ কোনো কথাই শুনিবলৈ প্ৰস্তুত নহয় বিত্তীয় প্ৰতিষ্ঠানটোৰ বিষয়া-কৰ্মচাৰীকেইজনে। উল্লেখ্য, ঋণগ্ৰস্ত মহিলাগৰাকীয়ে প্ৰায় তিনি বছৰ আগতে উক্ত প্ৰতিষ্ঠানটোৰ পৰা ঋণ লৈছিল। মহিলাগৰাকীয়ে জনোৱা মতে, নিয়মিত ঋণৰ কিস্তি পৰিশোধ কৰি আছিল। পিছত মহিলাগৰাকী দুৰাৰোগ্য ৰোগত ভুগি থকাত আৰ্থিকভাৱে দুৰ্বল হোৱাত পিছৰ কিস্তি ধন কেইটামান পৰিশোধ কৰিব নোৱাৰাৰ ফলত বেংকৰ বিষয়া-কৰ্মচাৰীয়ে ঋণৰ কিস্তি বিচাৰি সঘনাই ঘৰলৈ আহি হাৰাশাস্তি কৰে। বৰ্তমান মহিলাগৰাকীয়ে কোনোপধ্যেই কিস্তি দিব নোৱাৰে কিন্তু বেংকৰ বিষয়া-কৰ্মচাৰী নাচোৰবান্দা। তেনে ক্ষেত্ৰত বিষয়টো অমীমাংসিত হৈ আছে যদিও বিষয়টো সন্দৰ্ভত চৰকাৰক উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে সচেতন মহলে।

## সীমান্তৰ ১৮,০০০ ফুট

হ'ব। চীনে কেইবাটাও ঠাইত প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাৰ (এলএচি) ওচৰত ৫ জি নেটৱৰ্ক স্থাপন কৰাৰ পিছতে ভাৰতেও তেনে কৰিবলৈ ওলাইছে। উল্লেখ্য, ২০২০ চনৰ গ্ৰীষ্মকালত লাডাখত চীনৰ সামৰিক বাহিনীয়ে ভাৰতৰ বহু ঠাই দখল কৰিছিল। ইয়াৰ পিছতে চীনে লাডাখত নিজৰ দেশৰ সেনাৰ বাবে ৫ জি নেটৱৰ্কৰ ব্যৱস্থা কৰে। ভাৰতীয় সেনায়ো ৪ জি আৰু ৫ জি মোবাইল চেলুলাৰ নেটৱৰ্কৰ বাবে প্ৰযুক্তি প্ৰদান কৰিবলৈ কোম্পানীবোৰৰ পৰা নিবিদা বিচাৰিছে। চীনৰ তুলনাত সীমান্তত ভাৰতৰ মোবাইল ফোনৰ নেটৱৰ্ক দুৰ্বল বুলি আলোচনা হৈ আহিছে। এনে সময়তে ভাৰতীয় সেনাই সুউচ্চ সীমান্তত উন্নত মোবাইল ফোনৰ সেৱা আৰম্ভ কৰিবলৈ বিচৰা কথাই সীমান্তত কৰ্মৰত সেনাক সহায় কৰিব বুলি ধাৰণা কৰা হৈছে। উল্লেখ্য, সীমান্তৰ লাডাখ এলেকাত চীনৰ সেনাই ভাৰতৰ বিশাল ভূ খণ্ড দখল কৰি আছে। ভাৰতৰ সৈতে লাডাখ বিবাদ সন্দৰ্ভত চীনৰ ১৬ লানি আলোচনা হৈছে যদিও চীনে লাডাখৰ পৰা সেনা আঁতৰাই নিয়া নাই।

## উচিত তদন্তৰ দাবীত শ্ৰমিকৰ প্ৰতিবাদ




অধীনত ২০২০-২১ বিত্তীয় বৰ্ষত ২,৩২৮গৰাকী নিৰ্মাণ শ্ৰমিকৰ স্বাস্থ্য পৰীক্ষা সাহায্যৰ নামত চৰকাৰে কেইবা কোটি টকা আবণ্টন দিছিল যদিও অধিকাংশ শ্ৰমিকে এই ধন লাভৰ পৰা বঞ্চিত হৈ আছে আৰু এই ধনক লৈ ব্যাপক কেলেংকাৰি সংঘটিত হোৱাৰ অভিযোগ উত্থাপন কৰিছে কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে। সংগঠনটোৱে নিজাববীয়াকৈ চলোৱা অনুসন্ধান আৰু তথ্য জনাৰ অধিকাৰ আইনৰ জৰিয়তে লাভ কৰা তথ্যৰ আধাৰত জিলাখনত নিৰ্মাণ শ্ৰমিকৰ স্বাস্থ্য পৰীক্ষা সাহায্যৰ নামত অহা ধনৰ কেলেংকাৰি সংঘটিত হোৱাৰ তথ্য পোহৰলৈ আহে। ইয়াৰ পিছতে সংগঠনটোৱে শ্ৰমিকৰ সহযোগত বৃহস্পতিবাৰে এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদী কাৰ্যসূচীৰ অংশ হিচাপে বঙাইগাঁও চহৰৰ বৰপাৰা চিলাৰায় ইনড'ৰ ষ্টেডিয়ামৰ সন্মুখৰ পৰা প্ৰতিবাদকাৰীসকলে সমদল কৰি গৈ জিলা শ্ৰম বিষয়া কাৰ্যালয়ৰ সন্মুখত উপস্থিত হৈ ধৰ্ণা দি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। সমদলকাৰীসকলে চৰকাৰী পঞ্জীয়নভুক্ত শ্ৰমিকৰ নামত অহা ধন লুণ্ঠন কৰা নচলিব, শ্ৰমিকৰ ধন ঘূৰাই দিব লাগিবই, শ্ৰমমন্ত্ৰী হায় হায়, শ্ৰম বিভাগত সংঘটিত হোৱা কোটি কোটি টকাৰ কেলেংকাৰিৰ তদন্ত ঘোষণা কৰিব লাগিবই আদি বিভিন্ন শ্ল'গান দি পৰিৱেশ উত্তাল কৰি তোলে। পিছত প্ৰতিবাদস্থলীত কাৰ্যবাহী দণ্ডাধীশ উপস্থিত হয় আৰু বিষয়টো সন্দৰ্ভত শ্ৰম বিভাগৰ বিষয়াৰ সৈতে আলোচনা কৰি অহা ১৮ আগষ্টলৈ সময় বিচাৰে। ১৮ আগষ্টত উপায়ুক্তৰ উপস্থিতিত শ্ৰম বিষয়া তথা বিভাগীয় লোকে প্ৰতিবাদকাৰীসকলক আবণ্টিত ধন কিয় শ্ৰমিকসকলে পোৱা নাই, ক'ত কি হৈ আছে আদি সকলো কথাৰ উত্তৰ দিব বুলি কাৰ্যবাহী দণ্ডাধীশে আশ্বাস দিয়াত ধৰ্ণা কাৰ্যসূচীৰ সামৰণি মাৰে। কাৰ্যসূচীৰ অন্তত জিলা কৃষক মুক্তি সংগ্ৰাম সমিতিৰ তৰফৰ পৰা উপায়ুক্তৰ জৰিয়তে ৰাজ্যৰ মুখ্যমন্ত্ৰীলৈ এখন স্মাৰক-পত্ৰ প্ৰেৰণ কৰে। ৰাজ্যৰ অসংগঠিত খণ্ডৰ চৰকাৰী পঞ্জীয়নকৃত শ্ৰমিকসকলৰ চিকিৎসা সাহায্য কেলেংকাৰিৰ উচিত তদন্তৰ ব্যৱস্থা কৰাৰ লগতে ঠিকাভিত্তিক শ্ৰমিকৰ কৰ্ম আৰু জীৱনৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ দাবীত প্ৰদান কৰা স্মাৰক-পত্ৰখন উপায়ুক্তৰ হৈ কাৰ্যবাহী দণ্ডাধীশগৰাকীয়ে গ্ৰহণ কৰে। স্মাৰক-পত্ৰত সংগঠনটোৱে সকলো শ্ৰেণীৰ শ্ৰমিকৰ ন্যূনতম মজুৰি, কৰ্মদিন, পেন্সন, স্বাস্থ্য আৰু জীৱনৰ নিৰাপত্তা সুনিশ্চিত কৰা, ঠিকাভিত্তিক শ্ৰমিকৰ স্থায়ী সংস্থাপন, ভৱিষ্যনিধি আৰু পৰিয়ালৰ কল্যাণৰ বাবে উপলব্ধ সকলো আঁচনি কাৰ্যকৰী কৰাৰ ব্যৱস্থা কৰা, অসমত অসংগঠিত খণ্ডৰ নিৰ্মাণ শ্ৰমিকৰ চিকিৎসা সাহায্য আৰু বিশেষ ভাত্তা প্ৰদানৰ ক্ষেত্ৰত হোৱা দুৰ্নীতি-অনিয়ম উচিত তদন্তৰ ব্যৱস্থা কৰা, বঙাইগাঁও জিলাৰ ২৩২৮ গৰাকী শ্ৰমিকৰ নামত আবণ্টিত চিকিৎসা সাহায্য আঁচনিৰ ধনৰ খেলিমেলিৰ উচ্চ পৰ্যায় তদন্ত ঘোষণা কৰাৰ লগতে তালিকাত উল্লিখিত প্ৰতিজন শ্ৰমিকৰ প্ৰাপ্য ধন আদায় দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰা আৰু চিকিৎসা সাহায্য আৰু বিশেষ ভাত্তা কেলেংকাৰিত জড়িত ব্যক্তিসকলৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰি শীঘ্ৰে দোষীক গ্ৰেপ্তাৰ কৰাৰ দাবী উত্থাপন কৰে। এইক্ষেত্ৰত বিষয়টো গুৰুত্বসহকাৰে বিবেচনা কৰি শীঘ্ৰে যথোচিত ব্যৱস্থা গ্ৰহণ নকৰিলে ইয়াৰ বিৰুদ্ধে ব্যাপক গণ আন্দোলন কাৰ্যসূচী গঢ়ি তোলাৰ বিকল্প নাথাকিব বুলিও স্মাৰক-পত্ৰত উল্লেখ কৰিছে। স্মাৰক-পত্ৰৰ প্ৰতিলিপি চাহ জনজাতি কল্যাণ আৰু শ্ৰমিক কল্যাণ মন্ত্ৰী, শ্ৰম আয়ুক্ত, বঙাইগাঁও জিলাৰ উপায়ুক্ত, জিলা শ্ৰম বিষয়া আৰু পৰিদৰ্শকলৈও প্ৰেৰণ কৰে। প্ৰতিবাদী কাৰ্যসূচীত জিলা কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সভাপতি মহীধৰ ৰায়ো উপস্থিত আছিল। ইপিনে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ জিলা সম্পাদক নন্দন দেৱ নাথে সংবাদ মাধ্যমৰ আগত কয় যে তথ্য জনাৰ অধিকাৰ আইনৰ জৰিয়তে আমি জানিব পৰা মতে বঙাইগাঁও জিলাখনত ২০২০-২০২১ বিত্তীয় বৰ্ষত চৰকাৰী পঞ্জীয়নভুক্ত নিৰ্মাণ শ্ৰমিকসকলক চিকিৎসা সাহায্য আগবঢ়োৱা হৈছিল। জিলাখনৰ প্ৰায় ২৩২৮ গৰাকী শ্ৰমিকৰ নামত পাঁচ হাজাৰ টকাকৈ প্ৰায় ১২ কোটি টকা মোকলাই দিয়া বুলি শ্ৰম বিষয়াৰ কাৰ্যালয়ৰ তৰফৰ পৰা আৰটিআইৰ তথ্যত উল্লেখ কৰিছে। লগতে বিভাগৰ নিজা ৱেবছাইটতো উল্লেখ কৰিছে। কিন্তু আচৰিত কথাটো হ'ল যে কোনো এজন শ্ৰমিকেই আজিলৈকে সেই ধন লাভ কৰিবলৈ সক্ষম হোৱা নাই আৰু একাউণ্টতো সোমোৱা নাই ধন। কেৱল ২০২০-২১ বৰ্ষ বুলিয়ে নহয় বৰং ২০১৯, ২০১৮ বৰ্ষকে ধৰি প্ৰতিটো বৰ্ষতে এই দুৰ্নীতি সংঘটিত হৈ আছে। আনকি শ্ৰমিকসকলে গমেই নাপায় তেওঁলোকৰ নাম যে সাহায্যপ্ৰাপ্ত তালিকাত সন্নিৱিষ্ট হৈ আছে। আৰটিআইৰ তথ্যৰ পিছতহে আমি জানিব পাৰিলো যে শ্ৰমিকৰ নামত এটা বৃহৎ কেলেংকাৰি সংঘটিত হৈ আছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সততে বৰ জনপ্ৰিয় মন্ত্ৰী বুলি জহাই ফুৰে। জনপ্ৰিয় মুখ্যমন্ত্ৰীগৰাকীৰ কাৰ্যকালতে এনেকুৱা দুৰ্নীতি সংঘটিত হোৱাটো এক ভয়ংকৰ লক্ষণ। এই কেলেংকাৰীৰ সৈতে মন্ত্ৰী সঞ্জয় কিষাণ, শ্ৰম আয়ুক্তকে ধৰি সকলো বিষয়া - কৰ্মচাৰী জড়িত হৈ থকা বুলিও সন্দেহ প্ৰকাশ কৰে জিলা সম্পাদক দেৱনাথে। লগতে বিজেপি চৰকাৰৰ দিনত অসমত সংঘটিত হোৱা এইটো এটা হয়টো আটাইতকৈ বৃহৎ দুৰ্নীতি হ'বলৈ গৈ আছে বুলিও কয়। গতিকে শ্ৰমিকসকলক তেওঁলোকৰ প্ৰাপ্য ধন আদায় দিব লাগে আৰু মুখ্যমন্ত্ৰীৰ ভিজিলেন্সৰ দ্বাৰা তদন্ত কৰি দোষী ব্যক্তিক গ্ৰেপ্তাৰ কৰি জে'ললৈ প্ৰেৰণ কৰিব লাগে। কৃষক মুক্তিৰ জিলা সম্পাদকগৰাকীয়ে প্ৰকাশ কৰা মতে প্ৰতি বছৰে শ্ৰমিকৰ চিকিৎসা সেৱাৰ নামত পাঁচ হাজাৰ টকাকৈ আহে যদিও আজিলৈকে কোনো এজন শ্ৰমিকে এই ধন কিন্তু পোৱা নাই। সেয়ে ১৮ আগষ্টৰ ভিতৰত যদি আমাক বিভাগে এই সন্দৰ্ভত কোনো সঠিক উত্তৰ দিব নোৱাৰে, তেতিয়াহ'লে আমি নিজাববীয়াকৈ চি এম ভিজিলেন্স আৰু বঙাইগাঁও থানাত গোচৰ ৰুজু কৰিম বুলিও প্ৰকাশ কৰে। আনহাতে, এজন শ্ৰমিকে কয় যে এয়া ২০২১ বৰ্ষৰ ২৫ মাৰ্চৰ কথা। আমি জানিব পাৰিছিলো যে শ্ৰমিকৰ স্বাস্থ্য পৰীক্ষাৰ বাবে ধন আহিছে। সেই মতে কাৰ্যালয়ত কেইবাৰো গৈ খবৰ কৰিছিলো যদিও আমাক ধন অহাৰ প্ৰমাণ ক'ত আছে বুলি ওলোটাইহে সোধে। কাৰ্যালয়ৰ তৰফৰ পৰা আমাক জনায় যে গুৱাহাটীত যাব লাগিব। পিছত গৈ গৈ ১৬ মাহ হৈ গ'ল যদিও ধন পাবলৈ সক্ষম নহ'লো। কিন্তু আৰটিআই তথ্যত সকলো জানিব পাৰিলো। গতিকে চৰকাৰে আমাক ধনখিনি আদায় দিয়াৰ ব্যৱস্থা কৰক। সেইদৰে মহিলা শ্ৰমিক এগৰাকীয়ে নিজৰ ক্ষোভ উজাৰি কয় যে চৰকাৰে শ্ৰমিক কি বুজি নাপায় নেকি ? শ্ৰমিকৰ টকা আত্মসাৎ কৰে। শ্ৰমিক মানে অট্টালিকাৰ চাদৰ ওপৰত কাম কৰাজন, ৰ'দত কাম কৰি থকাসকল, প্ৰতিদিনে আনৰ ঘৰত হাজিৰা কৰি থকাসকলেই শ্ৰমিক। শ্ৰমিক মানে কাৰ্যালয়ত ফেনৰ তলত বহি থকাজন শ্ৰমিক নহয়। সেইসকল নিৰ্লজ্জ। চাকৰি বাদ দিয়ক। শ্ৰমিকজনে কি কাম কৰে কৰি চাওক। আমাৰ টকা আত্মসাৎ কৰি বিলাসী গাড়ীত ঘূৰা এনে বিষয়াসকলক চাকৰিৰ পৰা বৰ্খাস্ত কৰিবলৈ দাবী জনায়। লগতে শ্ৰমিকসকলৰ প্ৰাপ্য ধন আদায় দিয়াৰ বাবে মুখ্যমন্ত্ৰীক ব্যৱস্থা গ্ৰহণ কৰিবলৈও অনুৰোধ জনায়। উল্লেখ্য যে কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে স্মাৰক-পত্ৰত উল্লেখ কৰা মতে অসমৰ বিভিন্ন উদ্যোগ প্ৰতিষ্ঠানত দৈনিক হাজিৰা ভিত্তিত নিয়োজিত শ্ৰমিক আৰু আন্তঃগাঁথনি উন্নয়নত জড়িত ৰাজ্যৰ অসংগঠিত খণ্ডৰ লক্ষ লক্ষ নিৰ্মাণ শ্ৰমিকৰ ভৱিষ্যতক লৈ গভীৰ অনিশ্চয়তাই দেখা দিছে। শ্ৰমিকসকলৰ ন্যায় আৰু কল্যাণৰ অৰ্থে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ অধীনত সুকীয়াকৈ শ্ৰম আয়োগ গঠন কৰি দিয়া হৈছে যদিও এনে ব্যৱস্থাই শ্ৰমিকৰ দুখ-দুৰ্দশা মোচন কৰিব পৰা নাই। প্ৰায়বোৰ উদ্যোগ-প্ৰতিষ্ঠান কৰ্তৃপক্ষই চৰকাৰে নিৰ্ধাৰণ কৰি দিয়া কৰ্মৰ সময় আৰু ন্যূনতম শ্ৰম মজুৰিৰ নীতি উলংঘা কৰি শ্ৰমিকসকলৰ ওপৰত চৰম শোষণ-বঞ্চনা চলাই আছে। আনকি ৰাজ্যৰ প্ৰায়বোৰ ইটাভাতা, শিলভঙা ক্ৰেচাৰ, শিল-বালি মহল, কয়লা খনি, হোটেল-ৰেষ্টুৰেণ্টকে ধৰি বহু কল-কাৰখানা আৰু অভিজাত পৰিয়ালৰ গৃহত বে-আইনীভাৱে শিশু আৰু মহিলা শ্ৰমিকক নিম্ন মজুৰিত খটুৱাই আহিছে। ৰাজ্যত বিপজ্জনকভাৱে শ্ৰমিকক ব্যৱহাৰ কৰাৰ শেহতীয়া উদাহৰণ হৈছে মইনা নায়ক, ডিম্পী ভূমিজ, বিনোদ মিশ্ৰ, মদন পাটৰ আদি। তেনেস্থলত চৰকাৰ-প্ৰশাসনে এইক্ষেত্ৰত কোনো ইতিবাচক পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। ইয়াৰ বিপৰীতে অসমত শ্ৰমিকসকলৰ ভৱিষ্যতক লৈ হেতালি খেলিছে স্বয়ং ৰাজ্যৰ শ্ৰমিক কল্যাণ বিভাগে। অসংগঠিত খণ্ডৰ পঞ্জীয়নভুক্ত নিৰ্মাণ শ্ৰমিকৰ স্বাস্থ্য পৰীক্ষাৰ সাহায্যৰ নামত বিভাগটোৱে লক্ষাধিক শ্ৰমিকক প্ৰতাৰণা কৰাৰ তথ্য লাভ কৰা গৈছে। কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে নিজাববীয়াকৈ চলোৱা অনুসন্ধান আৰু তথ্য জনাৰ অধিকাৰ আইনৰ অধীনত লাভ কৰা তথ্য অনুসৰি অসমত নিৰ্মাণ শ্ৰমিকৰ চিকিৎসা সাহায্য নামত ব্যাপক কেলেংকাৰিৰ তথ্য পোহৰলৈ আহিছে। কেৱল বঙাইগাঁও জিলাতে শ্ৰমিক কল্যাণ বিভাগৰ অধীনত ২০২০-২১ বিত্তীয় বৰ্ষত ২৩২৮ গৰাকী শ্ৰমিকৰ নামত প্ৰায় ১১ কোটি টকা স্বাস্থ্য পৰীক্ষা সাহায্যৰ প্ৰদান কৰাৰ তথ্য প্ৰকাশ কৰা হৈছে। কিন্তু আমাৰ অনুসন্ধানত উল্লিখিত সাহায্যপ্ৰাপ্ত শ্ৰমিকৰ তালিকাৰ সৰহসংখ্যকেই এই আঁচনিৰ অধীনত আজিলৈকে এটকাও লাভ কৰা নাই। বিভাগীয় ৱেবছাইটত লাভ কৰা তথ্য অনুসৰি ৰাজ্যৰ প্ৰতিখন জিলাৰ অসংগঠিত শ্ৰমিকসকলৰ বাবে চিকিৎসা সাহায্য, মৃতকৰ পৰিয়াললৈ সাহায্য আদি শ্ৰমিক কল্যাণ নিধিৰ ধন প্ৰদান কৰাৰ তালিকা প্ৰকাশ কৰা হৈছে যদিও প্ৰকৃত হিতাধিকাৰী শ্ৰমিকসকলে এই সুবিধা লাভ কৰিবলৈ সক্ষম হৈছেনে এয়া সন্দেহৰ আৱৰ্তত। বিজেপি দলৰ চৰকাৰৰ প্ৰথমটো কাৰ্যকালত তদানীন্তন মুখ্যমন্ত্ৰী তথা বৰ্তমানৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ৰাজ্যৰ ৩ লাখ ২২ হাজাৰ পঞ্জীয়নকৃত নিৰ্মাণ শ্ৰমিকৰ প্ৰত্যেককে বছৰি চিকিৎসাজনিত সাহায্য ৫ হাজাৰ টকাকৈ দিয়াৰ কথা ঘোষণা কৰিছিল। এই আঁচনিৰ শীঘ্ৰেই ৰাজ্যিক শ্ৰমিক কল্যাণ বিভাগৰ দ্বাৰা ৰূপায়ণ কৰি ৰাজ্যৰ লাখ লাখ শ্ৰমিক পৰিয়ালৰ মুখত হাঁহি বিৰিঙাবলৈ সক্ষম হ'ব বুলি তেতিয়াৰ চৰকাৰখনে ব্যাপক প্ৰচাৰ চলাইছিল। আনহাতে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও পি এম শ্ৰম যোগী মান ধন যোজনা আঁচনি ৰূপায়ণ কৰি শ্ৰমিকসকলক প্ৰকৃত ন্যায়, সন্মান আৰু প্ৰাপ্য অধিকাৰ দিয়াৰ অংগীকাৰ কৰিছিল। কেন্দ্ৰ আৰু ৰাজ্যত দুই ঠাইতে বিজেপি দলৰ চৰকাৰ শাসনত থকাৰ পিছতো ৰাজ্যত শ্ৰমিকৰ কল্যাণৰ নামত যি বৃহৎ অনিয়ম আৰু কেলেংকাৰি সংঘটিত হৈছে এয়া সঁচাকৈয়ে দুৰ্ভাগ্যজনক বিষয়। সেয়েহে কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে শ্ৰমিকসকলৰ প্ৰাপ্য অধিকাৰ, কল্যাণকামী আঁচনিৰ ক্ষেত্ৰত সংঘটিত অনিয়ম আৰু কেইবা কোটিটকীয়া চিকিৎসা সাহায্য কেলেংকাৰিৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ বাবে সংগঠনটোৱে স্মাৰক-পত্ৰত দাবী উত্থাপন কৰিছে।

## মইনা নায়কক ক্ষতিপূৰণ

লেপেটকটা চাহ বাগিচাত দুৰ্ঘটনাগ্ৰস্ত হোৱা মইনা নায়কৰ ক্ষতিপূৰণ হিচাপে দিবলৈ শ্ৰম আয়ুক্তই বাগিচা পক্ষক নিৰ্দেশ প্ৰদান কৰিছিল ১৩ লাখ ৩৩ হাজাৰ ৩৪ টকা। ২২ জুলাইত চাহ বাগিচাৰ কৰ্তৃপক্ষ, চাহ জনগোষ্ঠীয় সংগঠনৰ প্ৰতিনিধি, আছুৰ প্ৰতিনিধি, জিলা প্ৰশাসন আৰু শ্ৰম বিভাগৰ সৈতে আলোচনা আৰু আলোচনা অন্তত শ্ৰম বিভাগে মইনা নায়কৰ পৰিয়ালক উক্ত সাহায্য প্ৰদানৰ নিৰ্দেশনা দিছিল। ক্ষতিপূৰণ দিয়া সময় বান্ধি দিছিল তিনি দিনৰ। কিন্তু তিনিটা দিন অতিক্ৰম কৰি ইতিমধ্যে কেইবাদিনো উকলি যোৱাৰ পাছত বাগিচা কৰ্তৃপক্ষৰ শ্ৰম আয়ুক্তলৈ পত্ৰ প্ৰেৰণ কৰিছে। পত্ৰৰ জৰিয়তে লেপেটকটা চাহ বাগিচাই মইনা নায়কক ক্ষতিপূৰণ দিবলৈ বৰ্তমান অসমৰ্থ বুলি উল্লেখ কৰি মইনা নায়কৰ চিকিৎসা প্ৰদানহে কৰিব বুলি উল্লেখ কৰিছে। আনহাতে, পত্ৰত চিকিৎসকৰ প্ৰতিবেদনৰ ভিত্তিত বিষয়টো পৰৱৰ্তী সময়ত বিবেচনা কৰিব বুলি কয়। ইফালে মইনা নায়কক ক্ষতিপূৰণ দিবই লাগিব, বাগিচাৰ পক্ষই ক্ষতিপূৰণ দিয়াটো বাধ্যতামূলক বুলি মন্তব্য ডিব্ৰুগড় জিলা উপায়ুক্ত বিশ্বজিৎ পেগু আৰু ডিব্ৰুগড়ৰ সহকাৰী শ্ৰম আয়ুক্তৰ। পূৰ্বে বাগিচা কৰ্তৃপক্ষৰ সৈতে আলোচনা আৰু আলোচনাৰ অন্তত তেওঁলোকেও ক্ষতিপূৰণ দিয়াৰ কথা ঘোষণা কৰিছিল। এতিয়া বাগিচা কৰ্তৃপক্ষ অমান্তি হ'লে সকলো আইনৰ মতে হ'ব বুলি উপায়ুক্ত আৰু সহকাৰী শ্ৰম আয়ুক্তই কয়। আনহাতে, সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ (আছা) সভাপতি ষ্টিফেন লাক্ৰা, সাধাৰণ সম্পাদক দেবেন ওৰাঙে এই প্ৰেছ বিজ্ঞপ্তিত উল্লেখ কৰিছে যে- ডিব্ৰুগড় জিলাৰ মৰাণ সমষ্টিৰ অন্তৰ্গত লক্ষ্মী টী কোম্পানীৰ অধীনস্থ লেপেটকটা চাহ বাগিচাত ১৯ জুলাইত অস্থায়ী শ্ৰমিক মাইনা নায়ক চি টি চি চি ড্ৰায়াৰ মেচিনৰ সংস্পৰ্শলৈ আহি গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যুৰ সৈতে যুঁজ দি চিকিৎসাধীন হৈ থকাত অসম চৰকাৰৰ শ্ৰম বিভাগে ডিব্ৰুগড় জিলাৰ জ্যেষ্ঠ পৰিচালক দীনেশ চন্দ্ৰ ৰায়ক নিলম্বন কৰি দায়িত্ব সামৰিলে। মইনা নায়কৰ ক্ষতিপূৰণ হিচাপে ডিব্ৰুগড় জিলাৰ সহকাৰী শ্ৰম আয়ুক্তই ১৩,৩৩,০৩৪ টকা লক্ষ্মী টী কোম্পানীৰ স্বত্বাধিকাৰী জৈনক চেটাৰ্জীয়ে ডিব্ৰুগড় জিলাৰ সহকাৰী শ্ৰম আয়ুক্তৰ নিৰ্দেশক অংগুষ্ঠ দেখুৱাই আজিলৈকে উক্ত টকা প্ৰদান কৰা নাই আৰু বৰ্তমান নিৰ্ধাৰিত ক্ষতিপূৰণ প্ৰদান কৰাত অপাৰগতা প্ৰকাশ কৰিছে বুলি জানিব পৰা গৈছে। মইনা নায়কক দিবলগীয়া নিৰ্ধাৰিত ক্ষতিপূৰণ এসপ্তাহৰ ভিতৰত প্ৰদান নকৰিলে সদৌ অসম আদিবাসী ছাত্ৰ সন্থাই (আছা) লক্ষ্মী টী কোম্পানীৰ সকলো চাহ বাগিচাত গণতান্ত্ৰিক আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিবলৈ বাধ্য হ'ব বুলি সভাপতি ষ্টিফেন লাক্ৰা আৰু সাধাৰণ সম্পাদক দেবেন ওৰাঙে সকীয়নি দিছে।

## অঞ্চলটো বিকাশৰ কেন্দ্ৰবিন্দু

ব্যৱসায়-বাণিজ্য সুচল কৰাৰ ক্ষেত্ৰতো বিশেষ ভূমিকা ল'ব পাৰে। আজি ইণ্ডিয়ান চেম্বাৰ অব্ কমাৰ্চে ভাৰত চৰকাৰৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সহযোগত আজি গুৱাহাটীৰ নেড্‌ফি হাটত আয়োজন কৰা দ্বিতীয় উত্তৰ-পূব ক্ৰেতা-বিক্ৰেতা সমাৰোহত অংশ লৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই এইদৰে কয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে সমগ্ৰ দক্ষিণ-পূব এছিয়াৰ ভিতৰতে ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চল সম্প্ৰতি দ্ৰুত বিকশিত অৰ্থনীতিৰ অন্যতম হিচাপে চিহ্নিত হৈছে। তদুপৰি চীনকে ধৰি দক্ষিণ-পূব এছিয়া আৰু বিবিএন দেশসমূহৰ সৈতে উত্তৰ-পূৰ্বাঞ্চলৰ যি দীৰ্ঘ আন্তঃৰাষ্ট্ৰীয় সীমা আছে তাৰ ফলত বিকাশৰ কেন্দ্ৰবিন্দু হিচাপে অঞ্চলটো গঢ় লৈ উঠিছে। সমাৰোহত অংশ লোৱা আন্তঃৰাষ্ট্ৰীয় প্ৰতিনিধিসকলৰ সন্মুখত অসমৰ সম্ভাৱনা দাঙি ধৰি মুখ্যমন্ত্ৰীয়ে কয় যে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত অসম হৈছে সৰ্ববৃহৎ অৰ্থনীতি। ৰাজ্যখনত উপলব্ধ চাহ, তেল, কয়লা আৰু পৰ্যটনৰ সমলৰ বাবে এখন ঔদ্যোগিক ৰাজ্য হিচাপে অসমৰ এক সুকীয়া পৰিচয় আছে। ৩১২ খন ঘোষিত সংৰক্ষিত বনাঞ্চল, পাঁচখন ৰাষ্ট্ৰীয় উদ্যান আৰু ২০ খন বনাঞ্চলেৰে জৈৱ-বিচিত্ৰতাৰ দিশৰ পৰা অসম অতিশয় আকৰ্ষণীয়। এই কথা উল্লেখ কৰি শৰ্মাই কয় যে অসমৰ পেট্ৰ'লিয়াম উদ্যোগ ইতিমধ্যে সু-প্ৰতিষ্ঠিত আৰু উন্নত ৰাষ্ট্ৰসমূহত প্ৰচুৰ চাহিদা থকা 'গ্ৰীণ প্লাষ্টিক' উৎপাদনৰ ক্ষেত্ৰত ৰাজ্যখনে অগ্ৰণী ভূমিকা গ্ৰহণ কৰিব পাৰে। ৰাজ্যখনৰ বনাঞ্চলত দেখিবলৈ পোৱা কেতবোৰ বিৰল প্ৰজাতিৰ বন্য প্ৰাণী আৰু উদ্ভিদৰ প্ৰসংগ উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনত বন্যপ্ৰাণী পৰ্যটন তথা বিনিয়োগৰ যথেষ্ট সম্ভাৱনা আছে। ড° শৰ্মাই লগতে কয় যে অসমত উৎপাদিত আদা, নেমুটেঙা, ভোট জলকীয়া, ৰঙা আৰু ক'লা চাউল, জহা চাউল, আনাৰস, কমলা, কঁঠাল, কল আদিৰ ৰপ্তানিৰ প্ৰচুৰ সম্ভাৱনা আছে আৰু ইতিমধ্যে বিদেশৰ বজাৰলৈ ৰপ্তানিও হৈছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ভাৰত আৰু দক্ষিণ-পূব এছিয়াৰ মাজত গঢ় লৈ উঠা উন্নত যোগাযোগ ব্যৱস্থাই উত্তৰ-পূৰ্বাঞ্চলক প্ৰভূতভাৱে উপকৃত কৰিছে। ড° শৰ্মাই কয় যে দ্বিপাক্ষিক আৰু বহুমুখী যোগাযোগ প্ৰকল্প যেনে ভাৰত, থাইলেণ্ড আৰু ম্যানমাৰলৈ বিয়পি থকা ত্ৰিদেশীয় ৰাজমাৰ্গ আদিয়ে নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিছে। ইম্ফল আৰু ম'ৰেৰ মাজত ৰেলপথ নিৰ্মাণৰ বাবে জৰীপ কাৰ্য আৰম্ভ হৈছে। বাংলাদেশ আৰু আছিয়ান অঞ্চলৰ সৈতে ব্যৱসায়-বাণিজ্যক অধিক মাত্ৰা প্ৰদানৰ বাবে উত্তৰ-পূব অৰ্থনৈতিক ক'ৰিডৰ স্থাপনৰ বিষয়েও চিন্তা-চৰ্চা অব্যাহত আছে। আনহাতে বহিঃৰাষ্ট্ৰৰ পৰা অবৈধভাৱে হোৱা সামগ্ৰী সৰবৰাহৰ প্ৰসংগ উল্লেখ কৰি ড° শৰ্মাই যৌথ উন্নয়নৰ বাবে সীমা শুল্ক ব্যৱস্থাৰ ক্ষেত্ৰত পুনৰ চিন্তা-চৰ্চা কৰাৰো পোষকতা কৰে। এই সমাৰোহ আয়োজনৰ বাবে আইচিচি আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ প্ৰশংসা কৰি মুখ্যমন্ত্ৰী শৰ্মাই কয় যে এই পদক্ষেপে উত্তৰ-পূৰ্বাঞ্চলক এক শক্তিশালী অৰ্থনীতি হিচাপে বিকশিত হোৱাত তথা অঞ্চলটোৰ সামগ্ৰিক উন্নয়নত সহায় কৰিব। বাংলাদেশ, ভূটান, থাইলেণ্ড আৰু লাওচক বিশেষ দৃষ্টি প্ৰদানেৰে আয়োজন কৰা এই সমাৰোহে অংশীদাৰীসকলক নিজ নিজ অঞ্চলৰ সুপ্ত সম্ভাৱনাসমূহ ক্ৰেতাসকলৰ সন্মুখত তুলি ধৰাৰ ক্ষেত্ৰত ইতিবাচক পৰিৱেশ নিৰ্মাণ কৰিব বুলি তেওঁ কয়। আনহাতে উত্তৰ-পূৰ্বাঞ্চল আৰু চুবুৰীয়া অঞ্চলৰ সৈতে ঐতিহাসিক সম্পৰ্ক সজীৱ কৰি তোলাৰ দিশতো এই সমাৰোহে সহায় কৰিব বুলি ড° শৰ্মাই মন্তব্য কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী ড° ৰাজকুমাৰ ৰঞ্জন সিং আৰু উত্তৰ-পূব পৰিষদৰ সদস্য অঞ্জন কুমাৰ গগৈয়েও এই ক্ৰেতা-বিক্ৰেতা সমাৰোহত ভাষণ প্ৰদান কৰে।




## এয়া ভাৰত মাতৃক বিশ্বত

ফুকনৰ নাম জিলিকি আছে। 'তৰিলে দেশ, মৰিলে স্বৰ্গ', এই অমৰ বাণীৰে অসমবাসীৰ মাজত তৰুণৰাম ফুকনে স্বাধীনতা আন্দোলনৰ চেতনা জাগ্ৰত কৰিছিল।' আজি তথ্য আৰু জনসংযোগ বিভাগৰ উদ্যোগত মহানগৰীৰ ভৰলুমুখস্থিত দেশভক্ত তৰুণৰাম ফুকন উদ্যানত আয়োজিত দেশভক্তি দিৱসত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এইদৰে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে অতি নিষ্ঠাবান মানৱপ্ৰেমী হিচাপে তৰুণৰাম ফুকনে সমাজৰ আটাইতকৈ অৱহেলিত আৰু ঘৃণিত দুৰ্ভগীয়াসকলৰ সেৱাত আত্মনিয়োগ কৰিছিল। অসাধাৰণ ব্যক্তিত্ব সম্পন্ন দেশভক্ত ফুকন সঁচাকৈয়ে এজন সিংহপুৰুষ আছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে তেওঁ ভাৰতৰ স্বাধীনতা আন্দোলনত যি অৰিহণা আগবঢ়াই গ'ল সেয়া সকলোৱে সদায়ে শ্ৰদ্ধাৰে স্মৰণ কৰি থাকিব। স্বদেশপ্ৰেম তথা সমাজ জীৱনলৈ আগবঢ়োৱা অনবদ্য বৰঙণিৰ বাবে বিগত বৰ্ষৰ পৰা বৰ্তমানৰ ৰাজ্য চৰকাৰে এইগৰাকী মহান জননেতাৰ মৃত্যুৰ দিনটো দেশভক্তি দিৱস হিচাপে পালন কৰি আহিছে। দেশভক্ত তৰুণ ৰাম ফুকনৰ দৰে ভাৰতমাতৃৰ সেৱাত সৰ্বস্ব উজাৰি দিয়া স্বাধীনতা সংগ্ৰামী আৰু বীৰ শ্বহীদসকলৰ আদৰ্শ যাতে নৱ প্ৰজন্মই অনুসৰণ কৰি নিজকে দেশৰ সেৱাত আত্মনিয়োগ কৰিবলৈ অনুপ্ৰাণিত হয়, সেই উদ্দেশ্যৰে ৰাজ্য চৰকাৰে দেশভক্তি দিৱস পালন কৰিবলৈ সিদ্ধান্ত লৈছিল। আমাৰ দেশে স্বাধীনতাৰ গৌৰৱোজ্জ্বল ৭৫ তম বৰ্ষ উদ্‌যাপন কৰিছে। আজাদী কা অমৃত মহোৎসৱৰ এই স্বৰ্ণিল বৰ্ষই দেশমাতৃৰ হকে আত্মবলিদান কৰা বীৰসকলৰ স্মৃতি অধিক সজীৱ কৰি তুলিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে এগৰাকী বিচক্ষণ ৰাজনীতিজ্ঞ, সুবক্তা, পাকৈত চিকাৰী আৰু এগৰাকী কৃতি সাহিত্যিক হিচাপে পৰিচিত তৰুণৰাম ফুকনে কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ আৰু চন্দ্ৰনাথ শৰ্মাৰ সহযোগত অসমক সৰ্বভাৰতীয় ৰাজনৈতিক সংগ্ৰামৰ লগত পৰিপূৰ্ণভাৱে সংযুক্ত কৰি একেলগে আগুৱাই নিছিল। মুখ্যমন্ত্ৰীয়ে কয় যে তৰুণৰাম ফুকনে সমসাময়িক সমাজলৈ আগবঢ়োৱা অৱদানৰ লগতে ভৱিষ্যৎ সমাজ আৰু উত্তৰ সাধকসকললৈ কি থৈ গ'ল, সেই সম্পৰ্কে বিশ্লেষণ কৰিলে অসমত স্বাধীনতা আন্দোলনৰ চেতনা জাগ্ৰত কৰাত তেওঁ লোৱা ভূমিকা নিসন্দেহে উল্লেখযোগ্য। অসম ভ্ৰমণকালত মহাত্মা গান্ধী ৰাজ্যৰ কেইবাঠাইলৈকে যোৱাৰ সময়ত দেশভক্ত ফুকন তেখেতৰ সহযাত্ৰী আছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এইগৰাকী স্বাধীনতা সেনানীয়ে এই আন্দোলনৰ সফলতাৰ কাৰণে অসমৰ প্ৰত্যেক জিলাৰ গাঁৱে-ভূঞেলৈকে ভ্ৰমণ কৰিছিল। মুখ্যমন্ত্ৰীয়ে কয় যে ফুকনে স্বৰাজ নীতিত বিশ্বাস কৰিছিল আৰু এই নীতি আকোঁৱালি জাতিক তেওঁ উদ্ধাৰৰ চেষ্টা কৰিছিল। মুখ্যমন্ত্ৰীয়ে কয় যে অসমীয়াৰ মনোবৃত্তি পৰিৱৰ্তন সাধন কৰাৰ বাবে তেওঁ সদায়ে প্ৰয়াস চলাইছিল। অসমীয়াৰ মনত নিৰাশাৰ পৰিৱৰ্তে আশা আৰু কৰ্মহীনতাৰ ঠাইত কৰ্মপ্ৰাণতাৰ প্ৰেৰণা সঞ্চাৰ কৰাৰ বাবেও তেওঁ কাম কৰিছিল বুলি মুখ্যমন্ত্ৰীয়ে কয়। তৰুণৰাম ফুকনে দেশৰ প্ৰতি যি অৱদান দি গৈছে, সেয়া অতুলনীয় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে স্বাধীনতা আন্দোলনৰ যুগৰ তেওঁ আছিল এজন শ্ৰেষ্ঠ জননায়ক। দেশভক্ত ফুকনৰ জীৱন এগৰাকী সাধকৰ আত্মত্যাগৰ জীৱন, সুখ বা দুখ একোৱেই তেখেতৰ আদৰ্শ আৰু সংকল্পক টলাব নোৱাৰিছিল। এই মন্তব্য কৰি ড° শৰ্মাই কয় যে তেওঁৰ হৃদয় আছিল হিমালয়ৰ দৰে বিশাল আৰু গম্ভীৰ। কঠোৰ শ্ৰম, জলন্ত দেশপ্ৰেম আৰু অতুলনীয় কৰ্মদক্ষতাৰ বাবে ভাৰতৰ বিশিষ্ট নেতাসকলৰ সমকক্ষ হিচাপে তেওঁ নিজকে প্ৰতিষ্ঠা কৰিব পাৰিছিল। মুখ্যমন্ত্ৰীয়ে দেশভক্ত ফুকনৰ দূৰদৰ্শিতা, জাতিপ্ৰেম আৰু দেশপ্ৰেমক হৃদয়ংগম কৰি অসমৰ জাতীয় জীৱন সমৃদ্ধিশালী কৰিবলৈ সকলোকে আহ্বান জনায়। স্বাধীনতাৰ যুঁজত দেশৰ হকে ত্যাগ আৰু কষ্ট স্বীকাৰ কৰা তথা আত্মবলিদান দিয়া সংগ্ৰামীসকলৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অজস্ৰজনৰ অক্লান্ত সংগ্ৰাম আৰু ত্যাগৰ বিনিময়ত আমাৰ দেশে স্বাধীনতা লাভ কৰিছিল। দেশভক্তিৰ অম্লান স্ৰোত স্বাধীনতাৰ পিছতো অবিৰতভাৱে অসমবাসীৰ হৃদয়ত ফল্গুধাৰা হৈ বৈ আছে। তদুপৰি, ড শৰ্মাই কয় যে দেশপ্ৰেমিক স্বাধীনতা সংগ্ৰামী আৰু বীৰ শ্বহীদৰ ত্যাগে ভাৰত মাতৃৰ সেৱাত অধিক সমৰ্পণৰ মনোভাৱেৰে সেৱা আগবঢ়াই যাবলৈ অনুপ্ৰাণিত কৰি আহিছে। এই সকলৰ ত্যাগক সন্মান জনাই ভাৰতমাতৃক বিশ্বৰ বুকুত গৰ্বিত কৰিবলৈ দেশভক্তি দিৱসে সংকল্পবদ্ধ হোৱাৰ সুযোগ দিছে বুলিও তেওঁ কয়। আজিৰ অনুষ্ঠানত তৰুণ ৰাম ফুকনৰ নাতি ডাঃ হেমেন্দ্ৰৰাম ফুকনে ভাষণ প্ৰদান কৰে। তথ্য আৰু জনসংযোগ বিভাগৰ আয়ুক্ত সচিব দিগন্ত বৰাই আদৰণি ভাষণ প্ৰদান কৰা এই অনুষ্ঠানত তথ্য আৰু জনসংযোগ মন্ত্ৰী পীযুষ হাজৰীকা, গুৱাহাটীৰ পৌৰ নিগমৰ মেয়ৰ মৃগেণ শৰণীয়া, তথ্য আৰু জনসংযোগ বিভাগৰ সঞ্চালক বিষ্ণু কমল বৰা, তৰুণৰাম ফুকনৰ নাতি জীতেনৰাম ফুকন, নাতিনী ইন্দ্ৰানী বৰুৱা প্ৰমুখ্যে পৰিয়ালবৰ্গ আৰু অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

### যোগীঘোপাৰ ঔডুবীত দুৰ্ঘটনাৰ নামত ভুৱা প্ৰচাৰ ঃ শালবাৰীত নিশা উত্তপ্ত পৰিস্থিতি

## আৰক্ষীৰ বাবে গণৰোষৰ পৰা কথমপি ৰক্ষা পৰিল দুই যুৱক

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোগীঘোপা, ২৮ জুলাই ঃ** বঙাইগাঁও জিলাৰ যোগীঘোপা থানাৰ অন্তৰ্গত ঔডুবীত কালি নিশা এটা দুষ্ট চক্ৰই দুৰ্ঘটনা সংঘটিত হোৱা বুলি ভুৱা খবৰ প্ৰচাৰ কৰি দুগৰাকী যুৱকক গণৰোষত পেলোৱাৰ অপচেষ্টাই সমগ্ৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ভুৱা খবৰক কেন্দ্ৰ কৰি ঔডুবীৰ সমীপৱৰ্তী শালবাৰী বজাৰত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। ৰাইজৰ কবলৰ পৰা দুই যুৱকক বইটামাৰী আৰক্ষীয়ে উদ্ধাৰ কৰাত কথমপি গণৰোষৰ পৰা ৰক্ষা পৰে। জানিব পৰা মতে, কিছুদিন পূৰ্বে বইটামাৰী সংহত শিশু উন্নয়ন প্ৰকল্পৰ নিলম্বিত প্ৰকল্প বিষয়া ভাৰতী কলিতাৰ হৈ আত্মীয় দুজন যুৱকে ঔডুবীৰ একাংশ অংগনবাড়ী কৰ্মীৰ ঘৰলৈ আহে। যুৱক দুজনে একাংশ অংগনবাড়ী কৰ্মীৰ সৈতে আলোচনা কৰি ঘৰলৈ উভতি যোৱাৰ পথতে বইটামাৰী প্ৰকল্প অংগনবাড়ী কৰ্মী -সহায়িকা সন্থাৰ সভানেত্ৰী বেগম আনোৱাৰা আহমেদ আৰু সম্পাদিকা জামেলা খাতুনসহ একাংশ লোকে যুৱক দুজনক আগভেটি ধৰে। পিছত আগভেটি ধৰা লোকসকলে যুৱক দুজনে গাড়ীৰে দুৰ্ঘটনা সংঘটিত কৰি পলায়ন কৰা বুলি ভুৱা খবৰ প্ৰচাৰ কৰে। উক্ত খবৰ পোৱা মাত্ৰেই বইটামাৰীৰ শালবাৰীত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। পিছত একাংশ লোকে যুৱক দুজনৰ বাহনখন খেদি যায়। আনকি আৰক্ষীকো দুৰ্ঘটনা সংঘটিত কৰি পলায়ন কৰা বুলি জনায়। এই খবৰ শালবাৰী বজাৰলৈ বিয়পি পৰাত যুৱক দুজনক আটক কৰিবলৈ ৰাইজ একগোট হৈ এখন ডাম্পাৰ গাড়ীৰে পথ বন্ধ কৰি ৰাখে। তেনে সময়তে যুৱক দুজনক শালবাৰীত বাহনখনসহ আটক কৰি মাৰপিট কৰিবলৈ উদ্যত হোৱাৰ সময়ত বইটামাৰী আৰক্ষীয়ে শালবাৰীত উপস্থিত হৈ যুৱক দুজনক উদ্ধাৰ কৰি থানালৈ নিয়ে। আৰক্ষীৰ এই পদক্ষেপৰ বাবে যুৱক দুগৰাকী গণৰোষৰ পৰা কথমপি ৰক্ষা পৰে। অভিযোগ মতে, আনোৱাৰা আৰু জামেলা এই দুগৰাকী সন্থাৰ বিষয়ববীয়াই চিডিপিঅ'ৰ আত্মীয় দুজনক গণপ্ৰহাৰ কৰাৰ বাবে ভুৱা দুৰ্ঘটনাৰ খবৰ বিয়পাই শালবাৰী বজাৰত গোট খোৱা ৰাইজক উচটনি দিছিল। সমগ্ৰ ঘটনা আৰক্ষী অধীক্ষকগৰাকী অৱগত হোৱাৰ পিছত যুৱক দুজনক মোকলাই দিয়ে। ইপিনে ভুৱা খবৰ প্ৰচাৰ কৰি আৰক্ষীক বিপথে পৰিচালিত কৰাৰ লগতে আইন-শৃংখলা বিঘ্নিত কৰিব বিচৰা ব্যক্তিৰ বিৰুদ্ধে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ সচেতন মহলে আৰক্ষী অধীক্ষক দাবী জনাইছে।

## বনাঞ্চলত অবৈধ ক্ৰিয়াকলাপ

উপায়ুক্ত (ৰাজহ)সকলৰ সৈতে এক পৰ্যালোচনা বৈঠকত মিলিত হয়। বৈঠকত ৰাজ্যৰ সুন্দৰ প্ৰাকৃতিক পৰিৱেশ আৰু সম্পদসমূহ সংৰক্ষণৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী ড° শৰ্মাই বিশেষ গুৰুত্ব আৰোপ কৰে। বৈঠকত মুখ্যমন্ত্ৰীয়ে বৈজ্ঞানিক নিৰীক্ষণৰ বিষয়টো আলোকপাত কৰি ড্ৰোণ জৰীপ আৰু উপগ্ৰহৰ ছবিৰ সহায় লৈ বনাঞ্চলৰ বেদখল ৰোধ কৰাৰ বাবেও ব্যৱস্থা গ্ৰহণ কৰিবলৈ বন বিভাগৰ বিষয়াসকলক নিৰ্দেশ দিয়ে। তদুপৰি, ৰাজ্যত অব্যাহত থকা বৃক্ষৰোপণ কাৰ্যসূচী সমূহৰ ওপৰতো আজি বিতংভাৱে পৰ্যালোচনা কৰা হয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই এই বৃক্ষৰোপণ কাৰ্যসূচীসমূহ পূৰ্ণোদ্যমে চলাই যাবলৈ বিষয়াসকলক নিৰ্দেশ প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে প্ৰতিটো বন সংগুল এলেকাত অতি কমেও ৫ টাকৈ মীন প্ৰকল্প পৰিকল্পিতভাৱে নিৰ্মাণৰ বাবে পদক্ষেপ ল'বলৈ বন বিষয়াসকলক পৰামৰ্শ আগবঢ়ায়। মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰতিজন বিষয়া-কৰ্মচাৰীক ৰাজ্যৰ সমৃদ্ধিশালী বন সম্পদসমূহ সুৰক্ষিত কৰি ৰখাৰ লগতে যিকোনো ধৰণৰ অবৈধ ক্ৰিয়া কলাপ ৰোধ কৰাৰ বাবে শক্তিশালী ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ প্ৰদান কৰে। ৰাজ্যৰ উন্নয়নক অধিক শক্তিশালী কৰিবলৈ ন্যায় সংগতভাৱে বন সম্পদৰ ব্যৱহাৰ কেনেকৈ কৰিব পাৰি, সেই বিষয়েও আজিৰ বৈঠকত বিস্তৃত আলোচনা কৰা হয়। আজিৰ এই বৈঠকত অসম চৰকাৰৰ পৰিৱেশ আৰু বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, পৰিৱেশ আৰু বন বিভাগৰ অতিৰিক্ত মুখ্য সচিব ৰবি শংকৰ প্ৰসাদ, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহাৰ লগতে অন্যান্য জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

## ১১ সন্দেহযুক্ত জেহাদী ধৃত

হাতীগাঁৱৰ পৰা আটক কৰে ছাহানুৰ আলমক। ছাহানুৰ আলমৰ ঘৰ বৰপেটা থানাৰ অন্তৰ্গত বানিয়াৰাপাৰা গাঁৱত। আনহাতে, বৰপেটা আৰক্ষীয়ে জিলাখনৰ বিভিন্ন স্থানৰ পৰা আটক কৰা সন্দেহযুক্ত জেহাদীকেইটা হৈছে ক্ৰমে সৰ্থেবাৰীৰ ক্ষুদ্ৰ ফালাদিৰ জুবাইৰ খান (২৫), গৰেমাৰী গাঁৱৰ ৰফিকুল ইছলাম (২৭), জনিয়া সালেকুৰাৰ দেৱান হামিদুল ইছলাম (২০), আছমত আলী (৩০), মাৰোগ্ৰো আলী (৩৬) আৰু ছিদ্দিক আলী (২৭), চাপৰা গাঁৱৰ মইনুল হক (২২), মজিবুৰ ৰহমান (৫০), উত্তৰ চাপৰা গাঁৱৰ কাজিবুৰ হুছেইন (৩৭) আৰু জনিয়াৰ ছাহজাহান আলী (৩৪)। ধৃত আটাইকেইজনক বাংলাদেশৰ ইছলামিক জেহাদী সংগঠন আনচাৰুল্লাহ বাংলা টীম চমুকৈ এ বি টিৰ লিংকমেন বুলি সন্দেহ কৰা হৈছে। গ্ৰেপ্তাৰ কৰাসকলক কাইলৈৰ ভিতৰত আদালতত হাজিৰ কৰোৱাই আৰক্ষীয়ে কেইদিনমানৰ বাবে নিজৰ জিম্মাত লোৱাৰ সম্ভাৱনা আছে। সন্দেহযুক্ত জেহাদীকেইটাক সম্প্ৰতি বৰপেটা সদৰ থানাত জেৰা কৰি থকা হৈছে বুলি জানিব পৰা গৈছে। উল্লেখ্য, বৰপেটা আৰক্ষীয়ে জেহাদী আটক সম্পৰ্কীয় কোনো তথ্য এই পৰ্যন্ত সংবাদ মাধ্যমৰ আগত আনুষ্ঠানিকভাৱে সদৰী কৰা নাই।

**মৈৰাবাৰীত গ্ৰেপ্তাৰ জেহাদীৰ লিংক মেন মুফতি মুস্তাফাক গ্ৰেপ্তাৰ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৈৰাবাৰী, ২৮ জুলাই ঃ** মৰিগাঁও জিলাৰ অন্তৰ্গত চহৰীয়াপামৰ জমিউল হুদা নামৰ মাদ্ৰাছা চলাই অহা মুফতি মুস্তাফাক জেহাদী কাৰ্যত জড়িত থকাৰ অভিযোগত আজি মৈৰাবাৰীৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। তেওঁৰ বেংকৰ পাছবুকৰ লগতে ম'বাইল ফোন জব্দ কৰে আৰক্ষীয়ে। আৰক্ষীয়ে মাদ্ৰাছাৰ ছগৰাকী শিক্ষকৰ লগতে এগৰাকী শিক্ষয়িত্ৰীক মৈৰাবাৰী থানাত সোধা-পোছা কৰে। ২০১৮ চনত স্থাপন কৰা হৈছিল মাদ্ৰাছাখন। মাদ্ৰাছাখনত কটকটীয়া নিৰাপত্তাৰ বাবে আৰক্ষী মোতায়েন কৰা হৈছে। মুফতি মুস্তাফাক মৰিগাঁও সদৰ থানাত জেৰা অব্যাহত ৰাখিছে আৰক্ষীয়ে।

## গণি গণি হায়ৰাণ ই ডিৰ

ওলোৱা টকা গণি শেষ কৰিব পৰা নাই ই ডিৰ বিষয়াসকলে। পশ্চিমবংগৰ টিএমচি নেত্ৰী অৰ্পিতা মুখাৰ্জীৰ ঘৰত আজি ই ডিয়ে পুনৰ ১৫ কোটি টকা উদ্ধাৰ কৰিলে। ইয়াকে ধৰি অৰ্পিতা মুখাৰ্জীৰ ঘৰত জব্দ কৰা মুঠ টকাৰ পৰিমাণ ৩৫ কোটি টকালৈ বৃদ্ধি হয়। ইয়াৰ পূৰ্বে শনিবাৰে ২০ কোটি টকা জব্দ কৰিছিল ই ডিয়ে। অৰ্পিতা মুখাৰ্জীৰ এটা ঘৰ ছীল কৰি দিয়ে এনফ'ৰ্চমেণ্ট সঞ্চালকালয়ে। উল্লেখ্য, পশ্চিমবংগৰ শিক্ষা বিভাগৰ নিযুক্তি কেলেংকাৰিত প্ৰাক্তন শিক্ষামন্ত্ৰী পাৰ্থ চেটাৰ্জীৰ বিৰুদ্ধে এনফ'ৰ্চমেণ্ট সঞ্চালকালয়ে অভিযান চলোৱাৰ সময়তে মন্ত্ৰীগৰাকীৰ ঘনিষ্ঠ অৰ্পিতা মুখাৰ্জীৰ ঘৰত মুঠ ৩৫ কোটি টকা জব্দ কৰিছে ই ডিয়ে। আজি প্ৰায় ২৮ কোটি টকা উদ্ধাৰ হৈছে অৰ্পিতাৰ ফ্লেটৰ পৰা। ৯টা টকা গণনা কৰা মেচিনেৰে বাতৰি লিখা পৰলৈকে টকা হিচাব কৰি থকা হৈছে। অৰ্পিতাৰ ঘৰৰ পৰা ৪ কোটি ৩১ লাখ টকা মূল্যৰ সোণো উদ্ধাৰ হৈছে। ফ্লেটত গোটেই নিশা তালাচী চলোৱাৰ অন্তত তাৰ পৰা উদ্ধাৰ হোৱা টকা আৰু সোণ ট্ৰাংকত ভৰাই লৈ যোৱা হৈছে ষ্ট্ৰেণ্ড ৰোডৰ এছবিআই সদৰ কাৰ্যালয়লৈ। তাতেই ৰখা হ'ব জব্দ কৰা টকা আৰু সোণ। শুকুৰবাৰে টালিগঞ্জৰ এটা ফ্লেটৰ পৰা নগদ প্ৰায় ২২ কোটি টকা, সোণৰ গহণা আৰু বিদেশী মুদ্ৰা উদ্ধাৰ কৰে ই ডিয়ে। তাৰ পিছত বেলঘৰিয়াৰ ফ্লেটত অভিযান। ইপিনে অৰ্পিতাই উদ্ধাৰ হোৱা সকলো ধন মন্ত্ৰী পাৰ্থৰ বুলিয়েই দাবী কৰিছে। অৰ্পিতাই কৈছে যে তেওঁ মাত্ৰ সেই ধনৰ ৰখীয়াহে আছিল।

## 'ৰাষ্ট্ৰপত্নী'

লগাইছে। কংগ্ৰেছে শেহতীয়াকৈ দেশৰ ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক 'ৰাষ্ট্ৰপত্নী' বুলি অভিহিত কৰি দেশৰ সৰ্বোচ্চ পদ, ভাৰতীয় মহিলা আৰু জনজাতীয়সকলক যি চূড়ান্ত অপমান কৰিছে, তাৰ প্ৰতি তীব্ৰ বিষোদগাৰ প্ৰকাশ কৰিছে কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা সৰ্বানন্দ সোণোৱালে। আজি অৰ্থাৎ বৃহস্পতিবাৰে এই সন্দৰ্ভত নতুন দিল্লীস্থিত ভাৰতীয় জনতা পাৰ্টীৰ মুখ্য কাৰ্যালয়ত সংবাদ মাধ্যমক সম্বোধন কৰে সৰ্বানন্দ সোণোৱালে। সোণোৱালে কয়, 'দেশৰ প্ৰথম নাগৰিক, সন্মানীয় ৰাষ্ট্ৰপতি শ্ৰীযুতা দ্ৰৌপদী মুৰ্মু ডাঙৰীয়ানীক লৈ কংগ্ৰেছে যি অশিষ্টাচাৰমূলক টিপ্পনী কৰিছে, সেয়া অত্যন্ত গৰিহণাযোগ্য। এয়া দেশৰ সৰ্বোচ্চ পদৰ প্ৰতি, আদিবাসী মহিলা আৰু জনজাতীয় সম্প্ৰদায়ৰ প্ৰতি চূড়ান্ত অপমান। এয়া গণতন্ত্ৰৰ অপমান। এই অপমানসূচক ভাষা প্ৰয়োগে কংগ্ৰেছৰ প্ৰকৃত স্বৰূপ উদঙাই দিছে। ইয়াৰ বাবে তেওঁলোকে অনতিপলমে দেশবাসীৰ ওচৰত ক্ষমা খুজিব লাগে'। লগতে সোণোৱালে কয়— 'কংগ্ৰেছে তেওঁলোকৰ শাসন কালত জনজাতীয়, আদিবাসী, সামাজিকভাৱে পিছপৰা শ্ৰেণীক সম্পূৰ্ণৰূপে অৱহেলা কৰি ৰাখিছিল। জনজাতীয় লোকসকলৰ প্ৰতি তেওঁলোকৰ যে অকণো সন্মান নাই। সেই কথা আজি তেওঁলোকৰ ব্যৱহাৰে পুনৰবাৰ উদঙাই দিলে'। 'ময়ো এগৰাকী জনজাতীয় লোক হিচাপে কংগ্ৰেছৰ এই অশিষ্টাচাৰী বাক্যবাণক তীব্ৰ নিন্দা কৰিছোঁ। আমি অনুভৱ কৰিছোঁ যে, দেশৰ একতা আৰু অখণ্ডতা বিনষ্ট কৰা আৰু এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ ভাবনাক দুৰ্বল কৰাৰ দিশত এয়া কংগ্ৰেছৰ গভীৰ ষড়যন্ত্ৰ। দেশবাসীয়ে ইয়াৰ বাবে কংগ্ৰেছক কেতিয়াও ক্ষমা নকৰে'। সোণোৱালে এনেদৰে উল্লেখ কৰি কংগ্ৰেছক তীব্ৰ সমালোচনা কৰে। এই সংবাদ মেলত সোণোৱালৰ সৈতে উপস্থিত থাকে কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজু, কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰীদ্বয় ড° ভাৰতী পাৱাৰ আৰু ৰামেশ্বৰ তেলী। ইপিনে কংগ্ৰেছ নেতা অধীৰ ৰঞ্জনে প্ৰয়োজনত ৰাষ্ট্ৰপতিৰ ওচৰতহে ক্ষমা খুজিব বুলি কৈছে। বিজেপিৰ ওচৰত তেওঁ কোনো কাৰণতে ক্ষমা নোখোজে বুলিও স্পষ্ট কৰি দিছে।

**দেশৰ প্ৰথম ঃ মাংগালুৰু বিমানবন্দৰত কৰ্তব্যৰত চিআইএছএফে লাভ কৰিলে বুলেট প্ৰুফ বাহন**

সন্ত্ৰাসবাদীৰ পৰা আহি থকা ভাবুকিৰ মাজতে আজি দেশৰ প্ৰথমটো বিমান বন্দৰ হিচাপে মাংগালুৰু আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ চৌহদত কৰ্তব্যৰত কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনীৰ (চিআইএছএফ) বিমান সুৰক্ষা গোটক বুলেট প্ৰতিৰোধী বাহন প্ৰদান কৰা হৈছে। ব্যুৰো অৱ চিভিল এভিয়েচন ছিকিউৰিটীয়ে (বিচিএএছ) বিমানবন্দৰ পৰিচালকসকলক চিআইএছএফৰ বিমান সুৰক্ষাৰ সৈতে জড়িত দলটোক এনে বাহনৰে সজ্জিত কৰিবলৈ নিৰ্দেশ দিয়াৰ পিছত মাংগালুৰু বিমানবন্দৰৰ কৰ্তৃপক্ষই বুলেটপ্ৰুফ বাহনখন ক্ৰয় কৰিছিল। উল্লেখ্য, মাংগালুৰু বিমানবন্দৰেই হৈছে দেশৰ প্ৰথমটো বিমানবন্দৰ, যিটো বিমানবন্দৰত বুলেট প্ৰুফ বাহন ব্যৱহাৰ কৰা হৈছে। দেশৰ প্ৰথম অ-অতিসংবেদনশীল বিমানবন্দৰ হিচাপেও মাংগালুৰু বিমানবন্দৰে স্বীকৃতি লাভ কৰিছে। বিমান সুৰক্ষা কৰ্মীসকলে যাতে যিকোনো সুৰক্ষা সম্পৰ্কীয় পৰিস্থিতিৰ মোকাবিলা কৰিব পাৰে সেই উদ্দেশ্য আগত ৰাখিয়েই সুৰক্ষা কৰ্মীৰ হাতত বুলেট প্ৰুফ বাহন তুলি দিয়া হৈছে। কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনীয়ে সাধাৰণতে 'অতিসংবেদনশীল' মুম্বাই, বেংগালুৰু, দিল্লী আৰু হায়দৰাবাদ বিমানবন্দৰত অতন্দ্ৰ প্ৰহৰীৰ দৰে কাম কৰি থাকিবলগীয়া হৈছে। তেনে বিমানবন্দৰকেইটাতো বাহিনীটোৰ কৰ্মীসকলক বুলেট প্ৰতিৰোধী বাহন প্ৰদান কৰাৰ কথা চলি আছে। বুলেট প্ৰুফ বাহনখনত সুৰক্ষাৰ স্বাৰ্থতে লাইট মেচিন গানো লগাই দিয়া হৈছে। এনে বাহনে সুৰক্ষা কৰ্মীসকলৰ মনোবল বৃদ্ধি কৰিব বুলি ভবা হৈছে।

# মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিৰ তলত নিলম্বিত বিধায়কৰ দিনে-ৰাতিয়ে অৱস্থান ধৰ্মঘট

## কংগ্ৰেছ, আম আদমীকে ধৰি ৰাজ্যসভাৰ ২০ আৰু লোকসভাৰ চাৰি সাংসদক সদনৰ পৰা নিলম্বনৰ বিৰোধিতা

**নতুন দিল্লী, ২৮ জুলাই ঃ** সংসদৰ বাহিৰত মুক্ত আকাশৰ তলত মহ-মাখি আদিৰ পয়োভৰ আছে। কিন্তু এনে বিপদজনক অৱস্থাৰ মাজতো দেশৰ গণতান্ত্ৰিক পৰম্পৰা ৰক্ষাৰ বাবে একাংশ বিৰোধী দলৰ সাংসদে নিৰন্তৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰি আছে। সেয়েহে প্ৰতিবাদস্থলীত সাংসদসকলে ব্যক্ত কৰিছে যে আমাৰ তেজ ৰক্ষা কৰক— চৰকাৰৰ কৃপাত আম্বানী আৰু আদানীহ'তে আমাৰ তেজ শুহি খাইছে। তৃণমূল কংগ্ৰেছৰ এগৰাকী সাংসদে কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী মনসুখ মান্দাভিয়ালৈ উপলক্ষ্য কৰি টুইটাৰৰ জৰিয়তে এনেদৰে




নিজৰ বক্তব্য দাঙি ধৰিছে। উল্লেখ্য যে নিলম্বিত সাংসদসকলে বুধবাৰে মুকলি আকাশৰ তলত মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিৰ তলত কটাইছে। তেওঁলোকে প্ৰকাশ কৰা তথ্য অনুসৰি দেশত চৰকাৰে যধেমধে জি এছ টি আৰোপ কৰিছে। ফলত সামগ্ৰীৰ দাম আকাশলংঘী হৈছে। যিকোনো পৰিস্থিতিতে সামগ্ৰীৰ মূল্য হ্ৰাস পোৱাৰ কোনো সম্ভাৱনা নাই। ইফালে প্ৰতিবাদী সাংসদসকলে পঞ্চাশ ঘণ্টা জোৰা অৱস্থান ধৰ্মঘট কাৰ্যসূচী ঘোষণা কৰিছে আৰু শুকুৰবাৰে বিয়লি পাঁচ বজালৈকে এই কাৰ্যসূচী অব্যাহত থাকিব। নিলম্বিত সাংসদসকলৰ উপৰিও এই প্ৰতিবাদস্থলীত অন্যান্যসকলেও ভিৰ কৰা দেখা গৈছে। তেওঁলোকে প্ৰতিবাদস্থলত কোনোৱে যদি গান গাইছে, অন্য কোনোৱে যন্ত্ৰাংশত হাত বুলাই দিয়া দেখা গৈছে। নিলম্বিত সাংসদ মণিকাম ঠাকুৰে আকৌ ভিডিঅ' কৰি ইটোৰ পিছত সিটো প'ষ্ট আপলোড কৰি আছে। এজন সাংসদৰ হাতত এটা মহে তেজ শুহি থকাৰ ভিডিঅ' আপলোড কৰিছে আৰু আদানীৰ দ্বাৰা এই তেজ শুহি থকা বুলি অভিহিত কৰিছে। ৰাজ্যসভাৰ কাৰ্য ক্ৰমনিকাৰ পৰা চলিত সপ্তাহটোৰ কাৰণে ২০ জন সাংসদক নিলম্বিত কৰিছিল। তেওঁলোকক যোৱা মঙলবাৰে নিলম্বিত কৰাৰ পিছত বুধবাৰৰ পৰা এইদৰে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰি আছে। ইয়াৰ পূৰ্ব সোমবাৰৰ দিনটোত কংগ্ৰেছৰ চাৰি সাংসদক লোকসভাৰ পৰা নিলম্বন কৰিছিল। ইফালে বৃহস্পতিবাৰে অসমৰ নিৰ্দলীয় সাংসদ অজিত কুমাৰ ভূঞাকো ৰাজ্যসভাৰ পৰা নিলম্বন কৰিছে। এনেকৈয়ে তৃণমূল কংগ্ৰেছৰ সাতজন, ডি এম কে দলৰ ৬, টি আৰ এছ দলৰ তিনি, চিপিএমৰ দুই আৰু চিপিআই, আম আদমী আদিৰ এজনকৈ সাংসদক নিৰম্বন কৰা হৈছে। এই সাংসদসকলক ২৬ জুলাইৰ পৰা চলিত সপ্তাহটোৰ বাবে নিলম্বন কৰা হৈছিল। আনহাতে কংগ্ৰেছৰ চাৰি লোকসভাৰ সাংসদক বৰ্ষাকালীন অধিৱেশনৰ আটাইকেইটা দিনৰ কাৰ্যসূচীৰ পৰা নিলম্বন কৰা হৈছে। এনেকৈ দেশবাসীৰ তেজ যাতে আদানী আৰু আম্বানীহঁতে শুহি খাব নোৱাৰে তাৰ প্ৰতি সজাগ হৈ থাকিবলৈ নিলম্বিত সাংসদসকলে সংসদ ভৱনৰ চৌহদত অৱস্থিত জাতিৰ পিতা মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিৰ তলত অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰি আছে।



দৈনিক ১২০ মেট্ৰিকটন পাউডাৰ গাখীৰ উৎপাদন কৰা ছাবাৰ ডেইৰী শীৰ্ষক এটা উদ্যোগ শুভাৰম্ভ কৰিলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। গুজৰাটৰ ছাবাৰকান্থা নামৰ স্থানত স্থাপন কৰা এই উদ্যোগটোৰ বাবে বিনিয়োগ কৰা হৈছে ৩০০ কোটি টকাতকৈয়ো অধিক পুঁজি

### পশ্চিমবংগৰ শিক্ষক নিযুক্তি কেলেংকাৰী

# মন্ত্ৰী পাৰ্থ চেটাৰ্জীক অপসাৰণ কৰিলে মমতা বেনাৰ্জীয়ে

**কলকাতা, ২৮ জুলাই ঃ** প্ৰায় এসপ্তাহৰ পিছত হ'লেও পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে অপসাৰণ কৰিলে মন্ত্ৰী পাৰ্থ চেটাৰ্জীক। যোৱা শনিবাৰে তেওঁক এনফোৰ্চমেণ্ট বিভাগে গ্ৰেপ্তাৰ কৰিছিল। গ্ৰেপ্তাৰৰ পূৰ্বে প্ৰায় ২৭ ঘণ্টা ধৰি জেৰা কৰা বুলি প্ৰকাশ পাইছে। মন্ত্ৰী পাৰ্থক গ্ৰেপ্তাৰ আৰু জেৰাৰ পূৰ্বে এনফোৰ্চমেণ্ট বিভাগে অৰ্পিতা মুখাৰ্জীক গ্ৰেপ্তাৰ কৰিছিল। অৰ্পিতাৰ এটা বাসগৃহত নগদ ২০ কোটিতকৈ অধিক টকা উদ্ধাৰ হৈছিল। সেয়েহে ২২ জুলাইত অৰ্পিতাক গ্ৰেপ্তাৰৰ পিছত ২৩ জুলাই তাৰিখে পাৰ্থ চেটাৰ্জীকো এনফোৰ্চমেণ্ট বিভাগে গ্ৰেপ্তাৰ কৰিছিল। গ্ৰেপ্তাৰৰ পিছতে পাৰ্থ চেটাৰ্জী অসুস্থ হৈ পৰা বুলি তেওঁৰ অধিবক্তাই কলকাতা উচ্চ ন্যায়ালয়ত অৱগত কৰিছিল। গতিকে ন্যায়ালয়ৰ হস্তক্ষেপত উৰিষ্যাৰ ভূৱনেশ্বৰত অৱস্থিত এইমছৰ চিকিৎসালয়ত পাৰ্থক ভৰ্তি কৰোৱা হৈছিল। পিছত অৱশ্যে শাৰীৰিক জটিলতা নথকাৰ বাবে চিকিৎসালয়ৰ পৰা মুক্ত কৰি দিয়া হৈছিল। আনহাতে সেই সময়ছোৱাতে অৰ্পিতাই জেৰাৰ মাজতে ব্যক্ত কৰিছিল যে তেওঁৰ বাসভৱনটো পাৰ্থ চেটাৰ্জী আৰু কেইজনমান ব্যক্তিয়ে মিনি বেংক হিচাপে ব্যৱহাৰ কৰি আহিছে। সপ্তাহত এদিন বা দহ দিনত এদিনকৈ পাৰ্থ চেটাৰ্জীয়ে তেওঁলোকৰ বাসভৱনলৈ আহিছিল। লগত আছিল এজন বা দুজন তৃণমূলৰ কৰ্মী। সীমিতসংখ্যক লোকৰ বাবেহে প্ৰৱেশৰ অনুমতি আছিল। প্ৰতিবাৰেই অহাৰ সময়ত ধনৰ সৰবৰাহ তথা লেনদেন হৈছিল। সেয়েহে অধিসংখ্যক লোকক তেওঁলোকৰ বাসগৃহত প্ৰৱেশৰ অনুমতি দিয়া হোৱা নাছিল। ইফালে পাৰ্থ চেটাৰ্জীৰ এই দুৰ্নীতি সম্পৰ্কত মৌন হৈ আছিল মুখ্যমন্ত্ৰী মমতা। ফলত বিজেপি দলে কঠোৰ ভাষাৰে সমালোচনা কৰিছিল মমতা বেনাৰ্জীক। আনকি তৃণমূল কংগ্ৰেছৰ দলীয় সভাত পাৰ্থ চেটাৰ্জীৰ কাষত অৰ্পিতা মুখাৰ্জীক বহুৱাই লোৱা ফটো আৰু ভিডিঅ' ৰাজহুৱা কৰিছিল। গতিকে এই দুৰ্নীতি আৰু কেলেংকাৰীৰ ধন স্বয়ং মুখ্যমন্ত্ৰীৰ হাতলৈ যোৱা বুলি বিজেপিয়ে সন্দেহ কৰিছিল। নিৰপেক্ষ তদন্তৰ স্বাৰ্থত মুখ্যমন্ত্ৰী মমতাক পদত্যাগৰ দাবী কৰিছিল।



বিজেপিৰ এনে সমালোচনাৰ প্ৰত্যুত্তৰত বাধ্যত পৰি মমতা বেনাৰ্জীয়ে নীৰৱতা ভংগ কৰা দেখা গৈছিল। তেওঁ কয় যে দুৰ্নীতি কৰিলে পশ্চিমবংগত কোনেও ৰেহায় নাপায়। গতিকে প্ৰমাণ পালেই পাৰ্থ চেটাৰ্জীৰ বিৰুদ্ধে ব্যৱস্থা লোৱা হ'ব। সেই ব্যৱস্থা বৃহস্পতিবাৰে লৈ দেখুৱালে মুখ্যমন্ত্ৰীয়ে। অৰ্থাৎ পাৰ্থ চেটাৰ্জীক দলৰ সকলো পদবীৰ পৰা অপসাৰণ কৰা হৈছে। লগতে মন্ত্ৰী পদৰ পৰাই পাৰ্থক অপসাৰণ কৰিছে। মুঠৰ ওপৰত পশ্চিমবংগৰ শিক্ষক নিযুক্তি কেলেংকাৰী এতিয়া কিমান দূৰলৈ শিপাইছে সেই তথ্য অনুসন্ধানৰ জৰিয়তেহে পোহৰলৈ হাটো নিশ্চিত হৈ পৰিছে।

# ধনকুবেৰ অৰ্পিতাই ফ্লেটৰ চাফাই কৰ্মীৰ মাচুল দিয়া নাছিল আদায়

**কলকাতা, ২৮ জুলাই ঃ** অৰ্পিতা মুখাৰ্জীৰ দুটাকৈ ফ্লেটৰ পৰা নগদ পঞ্চাশ কোটিতকৈ অধিক ধন জব্দ হৈছে। লগতে চাৰে চাৰি কোটি টকা মূল্যৰ আ-অলংকাৰ আদিও অনুসন্ধানকাৰী সংস্থা এনফোৰ্চমেণ্টৰ দ্বাৰা জব্দ কৰা হৈছে। কিন্তু আচৰিত কথা এয়ে যে অৰ্পিতা মুখাৰ্জীয়ে নিজৰ ফ্লেটৰ বাবে আদায় দিব লগা চাফাই কৰ্মীৰ সামান্য মাচুলকেইটাও পৰিশোধ কৰা নাছিল। বছৰৰ পিছত বছৰ ধৰি সহ আবাসীসকলে বিচাৰি আহিলেও ছ'চাইটিৰ চাফাই কৰ্মীৰ বাবে আদায় দিব লগা মাচুলখিনি অৰ্পিতাই আদায় দিয়া নাছিল। এনেকৈয়ে অৰ্পিতা মুখাৰ্জীয়ে দুটাকৈ ফ্লেটৰ বাবদ প্ৰায় ১১ হাজাৰ টকাৰ মাচুল অনাদায় হৈ আছে। এতিয়া সেইগৰাকী ধনকুবেৰ অৰ্পিতাৰ আৱাসত কোটি কোটি নগদ ধন উদ্ধাৰ হোৱাৰ পিছত সহআবাসীসকল আচৰিত হৈ পৰিছে। সততে মাচুল দিবলৈ অপাৰগ হোৱা অৰ্পিতাৰ আৱাসলৈ কেনেকৈ





আহিল ইমান বৃহৎ পৰিমাণৰ নগদ ধন। সেই বিষয়টো এতিয়া অধিক চৰ্চিআত হোৱা দেখা গৈছে। পশ্চিমবংগৰ শিক্ষক নিযুক্তি কেলেংকাৰীত জড়িত তদানীন্তন শিক্ষামন্ত্ৰী পাৰ্থ চেটাৰ্জীয়ে মূলতঃ দুৰ্নীতি আৰু কেলেংকাৰীৰ সকলো সীমা অতিক্ৰম কৰিছিল। এনফোৰ্চমেণ্ট বিভাগে গোপনে অনুসন্ধানৰ পিছত পাৰ্থ চেটাৰ্জীৰ এই ধনৰ বৃহৎ ভৰাল চিনাক্ত কৰিবলৈ সক্ষম হৈছে। সেয়েহে পশ্চিমবংগৰ ৰাজনীতিত এক আলোড়নৰ সৃষ্টি কৰি শিক্ষক নিযুক্তি কেলেংকাৰীয়ে এতিয়া মুখ্যমন্ত্ৰী মমতা বেনাৰ্জী আৰু শাসকীয় ৰাজনৈতিক দল তৃণমূল কংগ্ৰেছৰ বাবে এক বৃহৎ প্ৰত্যাহ্বান হৈ পৰা বুলিব পাৰি।

### টকাৰ পাহাৰ পুনৰ উদ্ধাৰ হ'ল অৰ্পিতাৰ আৱাসত, ৫০ কোটি নগদ ধনৰ উপৰিও দুই কোটিতকৈ অধিক মূল্যৰ সোণ-হীৰা আৰু ৰূপৰ গহণা

# ষ্টেট বেংকৰ টকা গণনা কৰা মেচিনৰ জৰিয়তে ওৰে ৰাতি গণনা


**কলকাতা, ২৮ জুলাই ঃ** পশ্চিমবংগৰ অপসাৰিত মন্ত্ৰী পাৰ্থ চেটাৰ্জীৰ ঘনিষ্ঠ বান্ধৱী অৰ্পিতা মুখাৰ্জীৰ দুটাকৈ বাসভৱনৰ পৰা কমেও ৫০ কোটি টকা নগদ ধন উদ্ধাৰ কৰা হৈছে। সমান্তৰালভাৱে দুই কোটিতকৈ অধিক মূল্যৰ সোণ-ৰূপ, হীৰা আৰু বিভিন্ন ধাতুৰ অলংকাৰ আদিও উদ্ধাৰ হৈছে। অন্যান্য দামী দামী ঘৰুৱা আজবাবৰ পৰিসংখ্যা এতিয়াও গণনাৰ বাহিৰতে আছে। উল্লেখ্য যে প্ৰথমে প্ৰায় ২০ কোটি টকা নগদ ধন উদ্ধাৰ হৈছিল অৰ্পিতা মুখাৰ্জীৰ এটা ফ্লেটৰ পৰা। কিন্তু বুধবাৰে বিয়লি একেগৰাকী ৰহস্যময়ী মহিলাৰ অন্য এটা ফ্লেটত উদ্ধাৰ হয় ৩০ কোটিতকৈয়ো অধিক নগদ ধন। এই ধনৰ পাহাৰ দেখি তদন্তকাৰী বিষয়া-কৰ্মীৰ অৱস্থা কাহিল হৈ পৰিছে। এই বিশাল ধনৰাশি তেওঁলোকে কেনেদৰে গণনা কৰি উলিয়াব তাক লৈ দুঃচিন্তাত আছিল। কিন্তু কলকাতাৰ ষ্টেট বেংক কৰ্তৃপক্ষৰ পৰা টকা গণনা কৰিবলৈ কেবাটাও মেচিন ধাৰে লয় এনফোৰ্চমেণ্ট বিভাগে। ফলত বুধবাৰে ওৰে নিশা ধনৰ গণনা অব্যাহত ৰখা হয়। গতিকে অৰ্পিতা মুখাৰ্জীৰ দুটা বাসভৱনত লাভ কৰা ধনৰ পৰিমাণ ৫০ কোটিতকৈ অধিক হ'ব বুলি কোৱা হৈছে। বৃহস্পতিবাৰে পুৱা পৰ্যন্ত এই গণনা অব্যাহত আছিল। ইয়াৰ পিছতে অৱশ্যে নগদ ধনৰ সম্পূৰ্ণ গণনা বাকী আছে বুলি কোৱা হৈছে। অধিক ক্ষীপ্ৰতাৰে টকা গণনা কৰিব পৰা এই মেচিনত এক লাখ টকা গণনা কৰিবলৈ মাত্ৰ পাছ মিনিটৰ আৱশ্যক হ'ব। আনহাতে টকা গণনা কৰি কৰি কেবাটাও মেচিন বিকল হৈ পৰা বুলিও প্ৰকাশ পাইছে। গণনাৰ অন্তত প্ৰকাশ পোৱা তথ্য অনুসৰি ৩০ কোটি টকা কেৱল ২০০০ টকীয়া আৰু ৫০০ টকীয়া নোটৰ বান্ধিলত আৱদ্ধ আছে। একোটাকৈ বান্দিলত ৫০ লাখ টকা পেকেজিং কৰা আছিল। ২০০০ টকীয়া নোটৰ পঞ্চাশ লাখ টকীয়া বান্দিলৰ বিপৰীতে ৫০০ টকীয়া নোটৰ দ্বাৰা ২০ লাখ টকীয়া বান্দিল প্ৰস্তুত কৰা হৈছিল। আনহাতে ৪.৩১



কোটি টকা মূল্যতকৈ অধিক পৰিমাণে আ-অলংকাৰ পোৱা গৈছে। তিনিটা টোপোলাত আছে এক কেজিকৈ সোণৰ আ-অলংকাৰ, খাৰু, ইত্যাদি। এনফোৰ্চমেণ্ট বিভাগে যোৱা শুকুৰবাৰে অৰ্পিতা মুখাৰ্জীক বেলঘৰীয়া অঞ্চলত অৱস্থিত আৱাসৰ পৰা গ্ৰেপ্তাৰ কৰিছিল। সম্প্ৰতি এনফোৰ্চমেণ্টৰ জিম্মাত থকা অৰ্পিতাই দেখুৱাই গৈছে কেনেদৰে মন্ত্ৰী পাৰ্থ চেটাৰ্জীয়ে বক্ৰ পথেৰে আহৰণ কৰা কোটি কোটি টকা জমা কৰি ৰখা হৈছে। এনে এক পৰিৱেশৰ বাবেই বৃহস্পতিবাৰে পাৰ্থ চেটাৰ্জীক পশ্চিমবংগ মন্ত্ৰীসভাৰ পৰা বিতাৰিত কৰা হৈছে।

# অনলাইন গেমত ১৫ লাখ হেৰুৱাই তামিলনাডুৰ এজন ব্যক্তিৰ আত্মহনন

**চেন্নাই, ২৮ জুলাই ঃ** তামিলনাডুৰ এজন ৪৭ বছৰীয়া ব্যক্তিৰ আত্মহননৰ ঘটনাই ৰাজ্যখনত অনলাইন জুৱা আৰু গেমিঙৰ কু-প্ৰভাৱ পুনৰবাৰ উন্মোচিত হ'ল। প্ৰাপ্ত তথ্য মতে উক্ত ব্যক্তিজনে অনলাইনত ৰামী খেলিছিল। ইয়াৰ পূৰ্বেও ব্যক্তিজনে কেৰালা লটাৰীত নিয়মীয়াকৈ নিজৰ জমা ধন ব্যয় কৰি টিকট ক্ৰয় কৰি আহিছিল। লটাৰীত এনেদৰে তিনি লাখ টকা পৰ্যন্ত লোকচান হৈছিল নিজৰ সাচতীয়া ধনৰ পৰা। লটাৰী এৰি ব্যক্তিজনে অনলাইন গেমিঙত যোগ দিয়া দেখা গ'ল। অনলাইন ৰামীত নিজকে নিয়োজিত কৰাৰ পিছত ইটোৰ পিছত সিটো বিনিয়োগৰ জৰিয়তে নিজৰ সাচতীয় ধনৰাশি সম্পূৰ্ণকৈ ব্যয় কৰিছিল। কিন্তু লাভৰ মূৰত ব্যক্তিজনে এটকাও ঘূৰাই পাবলৈ সক্ষম হোৱা নাছিল। ফলত আত্মহননৰ পথ বাচি লোৱা বুলি কোৱা হৈছে। কেৱল উক্ত ব্যক্তিজনেই নহয়, ৰাজ্যখনত অনলাইন ৰামীৰ কবলত পৰি কমেও ১৭টা এনেধৰণৰ আত্মহননৰ ঘটনা সংঘটিত হোৱা বুলি কোৱা হৈছে। সহজে চহকী হোৱাৰ বাসনা আৰু বিজ্ঞাপনৰ ভেল্কীবাজী ভাষণত মোহিত হৈ এইসকল লোকে অনলাইন ৰামীৰ জৰিয়তে নিজৰ জমা টকাঁ বিনিয়োগ কৰে। কিন্তু ফলাফলৰ সময়ত এইসকল লোকে হৃত ধনৰাশি ঘূৰাই আনিবলৈ সক্ষম নহ'ল। ফলত নিৰাশ হৈ পৰা লোকসকলে আত্মহত্যাৰ দৰে চৰম সিদ্ধান্ত ল'বলৈ বাধ্য হোৱা বুলিব পাৰি। ইফালে তামিলনাডু চৰকাৰে অনলাইন গেমিং সম্পৰ্কত অধ্যয়ন কৰিবলৈ আৰু জনসাধাৰণক এই আসক্তিৰ পৰা মুক্ত কৰিবলৈ এধন উচ্চ পৰ্যায়ৰ সমিতি গঠন কৰি দিছে। আনকি ২০২১ চনৰ ফেব্ৰুৱাৰী মাহত ৰাজ্য বিধানসভাত এক বিধেয়ক উত্থাপন কৰিছিল আৰু অনলাইন প্ৰক্ৰিয়া নিষিদ্ধ কৰা হৈছিল। অৱশ্যে নিষিদ্ধ কৰা সত্বেও ৰাজ্যখনৰ বিভিন্ন স্থানত লুকাই চুৰকৈ হ'লেও অনলাইন ৰামী আৰু অন্যান্য গেমসমূহ অব্যাহত আছিল। গতিকে বিনিয়োগ কৰা ধন ঘূৰাই আনিব নোৱাৰি এইসকল লোকে অনলাইন ৰামীৰ কবলত পৰি অধিক সৰ্বস্বান্ত হোৱা দেখা গৈছে। আগন্তুক সময়ত যাতে ৰাজ্যখনৰ কোনো ব্যক্তিয়ে অনলাইন মাধ্যমেৰে কোনো ধৰণৰ জুৱা খেলত আত্মনিয়োগ নকৰে তাৰ প্ৰতি সতৰ্ক কৰিবলৈ চৰকাৰে এক বিশেষ পদক্ষেপ গ্ৰহণ কৰাৰ পোষকতা কৰিছে।



### কৰ্ণাটকত যুৱ বিজেপিৰ হত্যাৰ প্ৰতিবাদ অব্যাহত

# আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিলে দুই সন্দেহযুক্ত হত্যাকাৰীক



**মাংগালুৰু, ২৮ জুলাই ঃ** কৰ্ণাটকত বিজেপিৰ যুৱ মৰ্চাৰ এজন নেতাক হত্যা কৰা ঘটনাৰ বিৰুদ্ধে গেৰুৱা দলৰ নেতা-কৰ্মীসকলে তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা দেখা গৈছে। এই ঘটনাই আনকি ৰাজ্যখনৰ বাসৱৰাজ বোম্মাই চৰকাৰৰ মজিয়াত কঁপনি তোলা দেখা গৈছে। একাংশ যুৱ বিজেপিৰ লগতে গেৰুৱা দলৰ বিধায়কে নিজৰ দলীয় নেতা-কৰ্মীক সুৰক্ষা দিব নোৱাৰাৰ অভিযোগ উত্থাপন কৰিছে আৰু তেওঁলোকে সমুহীয়াভাৱে পদত্যাগ কৰিব বুলিও হুংকাৰ দিছে। দুদিনৰ পূৰ্বে প্ৰবীণ নেট্টাৰো নামৰ যুৱ বিজেপিৰ কৰ্মীজনক বাইকত অহা দুষ্কৃতিকাৰীয়ে আক্ৰমণ কৰি হত্যা কৰিছিল। ইফালে বৃহস্পতিবাৰে আৰক্ষীয়ে দুই সন্দেহযুক্ত ব্যক্তিক গ্ৰেপ্তাৰ কৰিছে। ছফিক বালেৰা আৰু জাকিৰ ছাভানুৰু নামৰ দুই অভিযুক্তক মাংগালুৰু আৰক্ষীয়ে আটক কৰা বুলি প্ৰকাশ পাইছে। ইয়াৰ উপৰিও বুধবাৰে আৰক্ষীয়ে ২১ জন ব্যক্তিক আটক কৰিছিল যদিও হত্যাকাণ্ডৰে এইসকল লোক জড়িত হয় নে নহয় সেয়া নিশ্চিত কৰিব পৰা হোৱা নাই। এই হত্যাকাণ্ডৰ ঘটনাত নিষিদ্ধ ঘোষিত পি এফ আই আৰু এছ ডি পি আই নামৰ মৌলবাদী মুছলমান সংগঠনৰ ব্যক্তি জড়িত থকা বুলি অভিযোগ উত্থাপিত হৈছে। বেল্লাৰা অঞ্চলৰ বাসিন্দা নেট্টাৰুৰ এই হত্যাকাণ্ডই দক্ষিণ কানাড়া জিলাত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। মঙলবাৰে নিশাৰ ভাগত নিজৰ ব্যৱসায়িক প্ৰতিষ্ঠানৰ পৰা ঘৰলৈ ঘূৰি অহাৰ সময়ত দুষ্কৃতিকাৰীয়ে গ্ৰেপ্তাৰ কৰিছিল। বাইকত অহা দুৰ্বৃত্তই উপৰ্যুপৰি আক্ৰমণ কৰাৰ ফলতে যুৱ বিজেপি নিৰীহ কৰ্মীজনৰ প্ৰাণ নাশ হৈছিল। ইতিমধ্যে বিজেপি আৰু সংঘপৰিবাৰৰ সমৰ্থকসকলে সমগ্ৰ দক্ষিণ কানাড়া জিলাত বন্ধ, হৰতাল, শোভাযাত্ৰা আদিৰে পৰিৱেশ উত্তাল কৰি ৰাখিছে। পৰিকল্পিতভাৱে এজন হিন্দু যুৱকক হত্যা কৰা ঘটনাৰ উত্তেজনা অব্যাহত আছে। গতিকে পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আনকি আৰক্ষীয়ে ঠায়ে ঠায়ে লাঠীছাৰ্জ কৰিব লগা হৈছে। বৰ্তমানলৈকে হত্যাৰ কাৰণ উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা নাই। হত্যাকাণ্ডত জড়িত আটাইকেইজন অভিযুক্তক আটক কৰাৰ পিছতহে হত্যাৰ উদ্দেশ্য আৰু আভ্যন্তৰীণ বিষয় পোহৰলৈ আহিব বুলি ধাৰমা কৰা হৈছে।



বেংক প্ৰৱঞ্চনা গোচৰৰ তদন্ত কালত চিবিআইৰ দ্বাৰা উদ্ধাৰ হৈছে বহুমূলীয়া পেইন্টিং, ঘড়ী আদি। ইয়াৰে দুখন পেইন্টিঙৰ মূল্য ৫.৫ কোটি বুলি কোৱা হৈছে। আনহাতে জেকব এণ্ড কোম্পানী, ফ্ৰেংক মুল্লাৰ জেনেভাৰ দ্বাৰা নিৰ্মিত দুটা ঘড়ীও উদ্ধাৰ হৈছে, যাৰ মূল্য পাঁচ কোটি টকা



দেশৰ নৱ নিৰ্বাচিত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক ফুলৰ থোপাৰে অভিবাদন জ্ঞাপন কৰিছে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে, বৃহস্পতিবাৰে ৰাষ্ট্ৰপতি ভৱনত

### ৰাষ্ট্ৰপত্নী ঃ দেশৰ ৰাষ্ট্ৰপতিক উদ্দেশ্যি কংগ্ৰেছ সাংসদ অধিৰঞ্জন চৌধুৰীয়ে কৰা মন্তব্যই সৃষ্টি কৰিছে ব্যাপক প্ৰতিক্ৰিয়াৰ

# ছোনিয়া গান্ধীক ক্ষমা খোজাৰ দাবী জনালে বিজেপিৰ মন্ত্ৰী-সাংসদে

**নতুন দিল্লী, ২৮ জুলাই ঃ** ৰাষ্ট্ৰপতি নহয়, ৰাষ্ট্ৰপত্নী। এনেকৈয়ে অসন্মানজনকভাৱে দ্ৰৌপদী মুৰ্মুক অভিহিত কৰিলে কংগ্ৰেছৰ এজন সাংসদে। লোকসভাত কংগ্ৰেছৰ দলপতি তথা পশ্চিমবংগৰ সাংসদ অধিৰঞ্জন চৌধুৰীয়ে নৱ নিৰ্বাচিত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক ৰাষ্ট্ৰপত্নী বুলি অভিহিত কৰি দেশজুৰি নতুন বিতৰ্কৰ সূত্ৰপাত ঘটালে। ইয়াৰ লগে লগে বিজেপি সাংসদ, মন্ত্ৰী আদিয়ে কংগ্ৰেছৰ বিৰুদ্ধে সোচ্চাৰ হৈ পৰিছে। তেওঁলোকে আনকি দলৰ মুৰব্বী ছোনিয়া গান্ধীক ৰাজহুৱাকৈ ক্ষমা খোজাৰ দাবী উত্থাপন কৰিছে। এই সম্পৰ্কত বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে বৃহস্পতিবাৰে কংগ্ৰেছক কঠোৰ ভাষাৰে সমালোচনা কৰিছে। তেওঁ কয় যে ইচ্ছাকৃতভাৱে অতি অপমানজনক ভাষাৰে ৰাষ্ট্ৰপ্ৰধানক লঘু কৰিব খোজা হৈছে। ইয়াৰ বাবে দেশবাসীৰ ওচৰত অধিৰঞ্জন চৌধুৰীয়ে ক্ষমা খুজিব লাগে। আনহাতে নিজৰ দলৰ সাংসদৰ এনে অসৌজন্যমূলক বক্তব্যৰ বাবে ছোনিয়া গান্ধীয়েও দেশবাসীৰ ওচৰত মাৰ্জনা বিচাৰিব লাগে। তেওঁ কয় যে যি সময়ত সমগ্ৰ দেশবাসী একত্ৰিত হৈছিল এগৰাকী জনজাতীয় আৰু আদিবাসী মহিলাক দেশৰ সাংবিধানিক মুৰব্বী পদত অধিষ্ঠিত কৰিবলৈ। গতিকে ৰাষ্ট্ৰপতি শব্দটো কোনো পতি-পত্নী বা স্বামী-স্ত্ৰী বুজোৱা শব্দ নহয়। কিন্তু বিৰোধী দলৰ সাংসদসকলে মহিলাক কেৱল পত্নী বা স্ত্ৰী হিচাপেহে গণ্য কৰে। ইয়াৰ উৰ্ধলৈ তেওঁলোকে চিন্তা কৰিবলৈ সক্ষম হোৱা নাই বুলি অভিহিত কৰিছে। আনহাতে নিজৰ অযাচিত মন্তব্যৰ বাবে দুখ প্ৰকাশ কৰিছে কংগ্ৰেছ সাংসদজনে। এয়া তেওঁৰ ভ্ৰান্তি আৰু জিভা পিছল খোৱা বুলি স্বীকাৰ কৰিছে। গতিকে প্ৰয়োজনত ৰাষ্ট্ৰপতিৰ ওচৰত ক্ষমা বিচাৰিবলৈ সাজু থকা বুলি অধিৰঞ্জন চৌধুৰীয়ে ব্যক্ত কৰিছে। আনহাতে মন্ত্ৰী স্মৃতি ইৰাণীয়ে অধিক আক্ৰমণাত্মক হৈছে এই বিষয়টোক লৈ। তেওঁ আনকি ছোনিয়া গান্ধীক উদ্দেশ্যি কয় যে এতিয়া আমি অৰ্থাৎ বাকী থকাসকলে কি কৰা উচিত। যিহেতু কংগ্ৰেছে দেশৰ ৰাষ্ট্ৰপতিকো অপমানিত কৰিছে গতিকে বাকী সদস্যসকল নীৰৱ হৈ নাথাকে বুলি সকিয়াই দিছে।

# কৃত্ৰিম বানত জলমগ্ন নলবাৰী চহৰ

## পানীৰে একাকাৰ বাট-পথ, চৰকাৰী কাৰ্যালয়, শিক্ষানুষ্ঠান, গৃহবন্দী জনতা



**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২৮ জুলাই ঃ** যোৱানিশা আৰু আজি পুৱা অব্যাহত থকা বৰষুণত বুৰ গৈছে নলবাৰী চহৰ। ফলত চহৰখনত স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত হৈ পৰিছে। বৰষুণৰ পানীত সৰু চহখনৰ হাজো-নলবাৰী পথ, পল্লা ৰোড, কলেজ ৰোড, পিএনচি ৰোড, দেৱীৰাম স্কুল সংযোগী পথ, নলবাৰী আইন মহাবিদ্যালয় পথকে ধৰি প্ৰায় কেইবাটা প্ৰধান পথ বুৰ গৈ যাতায়াত ব্যৱস্থা বাধাগ্ৰস্ত হৈ পৰিছে। বৰষুণৰ পানীত অতি ব্যস্ত হাজো-নলবাৰী পথৰ পুৰণি বাছ আস্থান, সত্ৰ এম ভি স্কুল, নলবাৰী ৰাজহ চক্ৰৰ সমীপ, আইন মহাবিদ্যালয়ৰ সমীপ আদি অংশত একাঁঠু পৰ্যন্ত পানী জমা হৈছে। ইপিনে নলবাৰী কলেজ, গৰ্ডন স্কুল, বি এছ এন এল কাৰ্যালয়, কল্পনা ষ্টুডিঅ' আদি অংশ বৰষুণৰ পানীত বৃহৎ পুখুৰীসদৃশ হৈ পৰিছে। এতিয়া আপুনি চহৰৰ যি পথেই প্ৰত্যক্ষ কৰে পৌৰ সভাৰ কৃপাত একাঁঠু পানী মাথোঁ পানী...। কৃত্ৰিম বানত ফলত আজি বহু সময় ধৰি জনতা গৃহবন্ধী হৈ থাকিব লগা হৈছে। আনহাতে, বৰষুণৰ পানীত চহৰৰ কেই বাখনো স্কুলৰ লগতে বহুকেইটা চৰকাৰী কাৰ্যালয় চৌহদ বুৰ গৈ কাম-কাজ, শিক্ষাদান ব্যাহত হৈ পৰিছে। ইপিনে চহৰৰ মূল পথসমূহ বুৰ যোৱাৰ ফলত পথৰ দুয়োকাষে থকা দোকান-পোহাৰ, ব্যৱসায়িক প্ৰতিষ্ঠানৰ গৰাকী একপ্ৰকাৰ জলবন্দী হৈ পৰিছে। বাধা প্ৰাপ্ত হৈছে তেওঁ লোকৰ বিক্ৰী। অৱশ্যে দুপৰীয়াৰ পিছত বতৰ ফৰকাল হয়।

## কলিয়াবৰত 'ঘৰে ঘৰে ত্ৰিৰংগা' অভিযান

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ২৮ জুলাইঃ** ভাৰতৰ স্বাধীনত ৭৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে 'আজাদী কা অমৃত উৎসৱ'ৰ লগত সঙ্গতি ৰাখি দেশত 'ঘৰে ঘৰে ত্ৰিৰংগা' অভিযানে অসমতো এক গতি লাভ কৰিছে। কলিয়াবৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত পঞ্চায়তসমূহত প্ৰস্তুত কৰি উলিওৱা পতাকাসমূহৰ বিক্ৰীৰ বাবে আজি হাটবৰ আৰু জখলাবন্ধাত দুটাকৈ বিক্ৰী কেন্দ্ৰ মুকলি কৰে। বিক্ৰী কেন্দ্ৰ দুটাৰ মুকলি অনুষ্ঠানত উপস্থিত থাকে কলিয়াবৰ মহকুমাৰ ভাৰপ্ৰাপ্ত মহকুমাধিপতি পৱিত্ৰ কুমাৰ দাস আৰু কলিয়াবৰ উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া ঋতুপৰ্ণা বৰগোহাঁই। আজি পুৱা হাটবৰত মহিলা আত্মসহায়ক গোটসমূহৰ জ্ঞানোদয় মণ্ডল পৰ্যায়ৰ সংগঠনৰ বিক্ৰী কেন্দ্ৰটো আনুষ্ঠানিকভাৱে মুকলি কৰে কলিয়াবৰ মহকুমাৰ ভাৰপ্ৰাপ্ত মহকুমাধিপতি পৱিত্ৰ কুমাৰ দাসে। কেন্দ্ৰটো মুকলি কৰি পৱিত্ৰ কুমাৰ দাসে ভাৰতৰ স্বাধীনত ৭৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে 'আজাদী কা অমৃত উৎসৱ'ৰ লগত সঙ্গতি ৰাখি আয়োজন কৰা 'ঘৰে ঘৰে ত্ৰিৰংগা' অভিযানত কলিয়াবৰীয়া ৰাইজৰ সহযোগিতা কামনা কৰে। তদুপৰি, দাৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা পৰিয়ালসমূহৰ বাবে কলিয়াবৰৰ সকলো সুলভ মূল্যৰ দোকানতে প্ৰতিখন ৰাষ্ট্ৰীয় পতাকাত কেৱল ওঠৰ টকাত উপলব্ধ হ'ব বুলিও ঘোষণা কৰে। আনহাতে, সাধাৰণ পৰিয়ালৰ বাবে এই পতাকাৰ মূল্য চল্লিশ টকা ধাৰ্য কৰা হৈছে বুলিও মহকুমাধিপতিগৰাকীয়ে অৱগত কৰে। আনহাতে, জখলাবন্ধাত আজি বিয়লি বেলা মহিলা আত্মসহায়ক গোটসমূহৰ পঞ্চায়তৰ নৱপ্ৰদীপ মণ্ডল পৰ্যায়ৰ সংগঠনৰ ৰাষ্ট্ৰীয় পতাকা বিক্ৰী কেন্দ্ৰটো মুকলি কৰে কলিয়াবৰ উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া ঋতুপৰ্ণা বৰগোহাঁয়ে। খণ্ড উন্নয়ন বিষয়াগৰাকীয়ে পতাকা ক্ৰয় কৰি ১৩ৰ পৰা ১৫ আগষ্টলৈকে ঘৰে ঘৰে ত্ৰিৰংগা পতাকা উত্তোলন কৰাৰ লগতে এই অভিযানে দেশৰ স্বাধীনতা দিৱসৰ মৰ্ম উপলব্ধি কৰি দেশ মাতৃৰ সেৱাৰ মনোভাৱ জগাই তুলিব বুলি আশা প্ৰকাশ কৰে। বিয়লিৰ অনুষ্ঠানটোত মহকুমাধিপতি পৱিত্ৰ কুমাৰ দাসৰ উপস্থিতি থাকে। দুয়োটা মুকলি অনুষ্ঠানতে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ বিষয়াবৰ্গৰ লগতে আত্মসহায়ক গোটৰ সদস্যাসকল উপস্থিত থাকে।

# চৰাইদেউ জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত দেশভক্তি দিৱস উদ্যাপন সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, সোণাৰি, ২৮ জুলাই ঃ** সমগ্ৰ ৰাজ্যৰ লগতে চৰাইদেউ জিলাতো দেশভক্ত তৰুণ ৰাম ফুকনৰ ৮৩সংখ্যক মৃত্যু বাৰ্ষিকী উপলক্ষে দেশভক্তি দিৱস উদ্যাপন কৰা হয়। দেশভক্তি দিৱস উপলক্ষে জিলা তথ্য আৰু জনসংযোগ বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত তথা চৰাইদেউ জিলা প্ৰশাসনৰ সহযোগত উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এখন সভাত উপায়ুক্ত পল বৰুৱাই সভাপতিত্ব কৰে। সভাত উপায়ুক্ত প্ৰমুখ্যে আমন্ত্ৰিত মুক্তিযুঁজাৰুসকলে দেশভক্ত তৰুণ ৰাম ফুকনৰ প্ৰতিচ্ছবিৰ আগত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে। নিজ বক্তব্যত উপায়ুক্তগৰাকীয়ে স্বাধীনতা সংগ্ৰামত দেশভক্ত তৰুণ ৰাম ফুকনৰ অৱদানৰ বিষয়ে শ্ৰদ্ধাৰে সোঁৱৰে। এই দিৱস উদযাপনৰ জৰিয়তে নৱ প্ৰজন্মক দেশসেৱাৰ প্ৰতি আত্মনিয়োগ আৰু উদ্বুদ্ধ কৰাত সহায়ক হ'ব বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয় যে, স্বাধীনতা সংগ্ৰামত দেশভক্ত তৰুণ ৰাম ফুকনৰ অৱদান অপৰিসীম। তেওঁ লগতে কয় যে, দেশভক্ত তৰুণ ৰাম ফুকনৰ লগতে অন্যান্য স্বাধীনতা সংগ্ৰামী তথা বীৰ শ্বহীদ সকলে আমাৰ ভৱিষ্যৎ সুৰক্ষিত কৰাৰ স্বাৰ্থত তেওঁলোকৰ বৰ্তমান উচৰ্গা কৰিছে। এই চিৰনমস্য ব্যক্তি সকলৰ চিন্তা-দৰ্শনৰ অধ্যয়ন আৰু আলোচনাৰ প্ৰাসংগিকতা সদায়ে আছে আৰু থাকিব বুলিও তেওঁ উল্লেখ কৰে। সভাত সোণাৰি মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড° সুনীল দত্তই আমন্ত্ৰিত বক্তা হিচাপে দেশভক্ত তৰুণ ৰাম ফুকনৰ জীৱন, দৰ্শন, কৰ্মৰাজি তথা অৱদানৰ ওপৰত সাৰগৰ্ভ বক্তব্য প্ৰদান কৰে। তেওঁ দেশভক্ত গৰাকীৰ আদৰ্শ আৰু দৰ্শনৰ সৈতে নৱপ্ৰজন্মক পৰিচয় কৰোৱাটো অতি প্ৰয়োজনীয় বুলি মন্তব্য কৰে। সভাত জিলাখনৰ পাঁচগৰাকী প্ৰবীণ মুক্তিযুঁজাৰু ক্ৰমে- গোলাপী চেতিয়া, পদৰাম ফুকন, কালিনাথ কোঁৱৰ, কুঞ্জ কোঁৱৰ আৰু গন্ধেশ্বৰ ৰাজকোঁৱৰক উপায়ুক্ত পল বৰুৱাই সম্বৰ্ধনা জনায়। সহকাৰী আয়ুক্ত জাহ্নৱী গোস্বামীয়ে সভাত আদৰণী ভাষণ প্ৰদান কৰাৰ লগতে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। সভাৰ শেষত শলাগৰ শৰাই আগবঢ়ায় জিলা তথ্য আৰু জনসংযোগ কাৰ্যালয়ৰ কৰ্মচাৰী ভাস্কৰ বৰদলৈয়ে। অনুষ্ঠানত অতিৰিক্ত উপায়ুক্ত অভিজিত গগৈ, সহকাৰী আয়ুক্তদ্বয় সমুজ্জ্বল বড়া আৰু সুপ্ৰভা ৰয়, নিৰ্বাচনী বিষয়া নিবেদিতা বৰঠাকুৰ, জিলা তথ্য আৰু জনসংযোগ বিষয়া চৈয়দা হাচনাহানা, জিলা মুক্তি যুঁজাৰু সন্মিলনৰ উপ- সভাপতি প্ৰবীণ চেতিয়া, সম্পাদক দিলীপ ৰাজকোঁৱৰ লগতে ভালেসংখ্যক স্থানীয় সাংবাদিক উপস্থিত থাকে।

## চামগুৰিত পথ দুৰ্ঘটনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, চামগুৰি, ২৮ জুলাই ঃ** চামগুৰি থানাৰ সন্মুখৰ ৰাষ্ট্ৰীয় ঘাইপথত কালি সংঘটিত হোৱা এটা পথ দুৰ্ঘটনাত এজন লোক চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। জানিব পৰা মতে দক্ষিণপুটা কলং অঞ্চলৰ হাচেন আলী নামৰ লোকজনে কালি চামগুৰি থানাৰ সন্মুখৰ ৰাষ্ট্ৰীয় ঘাইপথ পাৰ হ'বলৈ ধৰাৰ অৱস্থাত এ এছ-০২ এন-১৪৫২ নম্বৰৰ তীব্ৰ বেগী ছুইফ্‌ট ডিজেয়াৰ গাড়ীয়ে খুন্দা মাৰে। ফলত হাচেন আলী (৭১) নামৰ লোকজন গুৰুতৰভাৱে আহত হয়। পৰৱৰ্তী সময়ত চিকিৎসাধীন অৱস্থাত লোকজনৰ মৃত্যু হয়।



## গোসাঁইগাঁৱত দেশভক্ত দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও, ২৮ জুলাই ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগত সংগতি ৰাখি আজি গোসাঁইগাঁৱতো মহকুমা তথ্য আৰু জনসংযোগ বিষয়া কাৰ্যালয়ৰ উদ্যোগত মহকুমাধিপতি কাৰ্যালয়ৰ সভাকক্ষত দেশভক্ত তৰুন ৰাম ফুকনৰ মৃত্যুতিথি উপলক্ষে 'দেশভক্ত' দিৱস উদ্‌যাপন কৰা হয় । কাৰ্যসূচী মতে পুৱা ১১ বজাত দেশভক্ত তৰুণৰাম ফুকনৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে ভাৰপ্ৰাপ্ত মহকুমাধিপতি তথা তথ্য আৰু জনসংযোগ বিষয়া মৃদুল বড়োই আৰু বন্তি প্ৰজ্বলন কৰে নিৰ্বাচনী বিষয়া আহমেদুল্লা ঠাকুৰীয়াই । ইয়াৰ পাছত দেশভক্ত তৰুনৰাম ফুকনৰ স্মৃতি দিৱস উপলক্ষে আয়োজিত অনুষ্ঠানত ভাৰপ্ৰাপ্ত মহকুমাধিপতিৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হয় । সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত গোসাইগাঁও শাখা সাহিত্য সভাৰ সম্পাদক খনিন্দ্ৰ দাসে দেশভক্ত তৰুণৰাম ফুকনৰ স্মৃতিক সোঁৱৰি মূল্যবান ভাষন প্ৰসংগত তৰুণ ৰাম ফুকনৰ জীৱন আৰু ব্যক্তিত্বৰ বিভিন্ন দিশৰ সুন্দৰ ব্যাখ্যা দাঙি ধৰি তেওঁ কয় যে এসময়ত ৰাষ্ট্ৰীয় স্তৰত অসম বুলিলেই তৰুণ ৰাম ফুকনকে মানুহে জানিছিল।সু-সাহিত্যিক, চিকাৰী, সু-বক্তা হিচাপে পৰিচিত আছিল, তৰুণ ৰাম ফুকন আছিল এগৰাকী সাহসী ব্যক্তি, অসমীয়াৰ সাহসী প্ৰতিনিধি বুলি জনজাত আছিল। উক্ত অনুষ্ঠানতে দেশভক্ত দিৱসৰ লগত সংগতি ৰাখি মহকুমা তথ্য আৰু জনসংযোগ বিষয়া কাৰ্যলয়ৰ তৰফৰ পৰা বিদ্যালয়ৰ ছাত্ৰ সকলক এখনকৈ গছপুলিও বিতৰণ কৰা হয়। সভাত গোসাঁইগাঁও প্ৰেছ ক্লাৱৰ সভাপতি হাফিজুৰ ৰহমান,সম্পাদক উৎপল দে, শ্ৰীৰামপুৰ প্ৰেছ ক্লাৱৰ সহ সম্পাদক আজিজুল হকৰ লগতে গোসাঁইগাঁও,শ্ৰীৰামপুৰ,বড়ো প্ৰেছ ক্লাৱৰ সাংবাদিক সকল,বিভিন্ন শিক্ষানুষ্ঠানৰ শিক্ষক,ছাত্ৰ সকলৰ লগতে তথ্য আৰু জনসংযোগ বিষয়া কাৰ্যালয় বিষয়া আৰু বিশিষ্ট ব্যাক্তিসকল উপস্থিত আছিল।

## জামুগুৰি গৰখীয়া থানত 'শৰাই এদিন'- 'গৰখীয়া সবাহ' উদ্‌যাপনৰ প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, বেবেজীয়া, ২৮ জুলাই ঃ** নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৱৰ্তী ইতিহাস প্ৰসিদ্ধ জামুগুৰি গাঁৱৰ তিনিশ পঞ্চাশ বছৰীয়া ঐতিহ্যমণ্ডিত সাৰ্বজনীন গৰখীয়া থানত প্ৰতি বছৰে উদ্‌যাপিত হৈ অহা অন্যতম বাৰ্ষিক অনুষ্ঠান 'শৰাইৰ এদিন আৰু গৰখীয়া সবাহ' পূৰ্বৰ বছৰসমূহৰ দৰেই এইবাৰো অহা ৩০ আৰু ৩১ জুলাইত দুদিনীয়া বিভিন্ন কাৰ্যসূচীৰে আয়োজনৰ প্ৰস্তুতি চলিছে । অন্যান্য বৰ্ষসমূহৰ দৰে এইবেলি ২৮ তম বৰ্ষত পদাৰ্পণ কৰা ঐতিহাসিক জামুগুৰি সাৰ্বজনীন গৰখীয়া থানৰ বাৰ্ষিক সেৱাভাগৰ কাৰ্যসূচী অনুসৰি প্ৰথমদিনা অৰ্থাৎ ৩০ জুলাইত পুৱা ৭ বজাত পৰিৱেশ নিকাকৰণ, পুৱা ৭.৩০ বজাত মণিকূটত বন্তি প্ৰজ্বলনেৰে শৰাইৰ এদিন আৰু গৰখীয়া সৱাহ উৎসৱৰ শুভাৰম্ভ কৰিব থানঘৰীয়া টংকেশ্বৰ নাথে । ইয়াৰ পাছতে ধৰ্মধ্বজা উত্তোলন, স্মৃতি তৰ্পণ, খোল-তাল প্ৰসংগ আৰু নাম-প্ৰসঙ্গৰ অন্তত দুপৰীয়া ১২ বজাত ভাগৱত পাঠ আৰু ভাগৱত ব্যাখ্যাৰ শুভাৰম্ভ কৰিব মৰিগাঁও মহাবিদ্যালয় প্ৰবক্তা তথা বিশিষ্ট নিবন্ধকাৰ ড° বোধেন কুমাৰ শইকীয়াই। ইয়াৰ পাছতে সন্ধিয়া ৬.৩০ বজাত সমূহীয়া বন্তি প্ৰজ্বলনৰ সমান্তৰালভাৱে ওৰেনিশা ভাগৱত পাঠ আৰু ব্যাখ্যাৰ অন্তত পিছদিনা অৰ্থাৎ ৩১ জুলাইৰ পুৱা ৪ বজাত ভাগৱত পাঠৰ সামৰণি পৰিব। তাৰ পিছতে পুৱা ৮ বজাত সেৱকীসকলে আগবঢ়োৱা শৰাই উচৰ্গা, ৯.৩০ বজাত খোল আৰু নাম-প্ৰসংগ, ১১ বজাত আপ্যায়ন, দুপৰীয়া ১২ বজাত নগাঁও তথা মৰিগাঁও জিলাৰ আমন্ত্ৰিত সন্মিলিত বিশিষ্ট নামতী দলৰ মহানাম আৰম্ভ হোৱা মহাপালনাম পৰিশেষত বিয়লি ৫ বজাত মহানামৰ সামৰণি তথা প্ৰসাদ বিতৰণৰে অনুষ্ঠানৰ পৰিসমাপ্তি ঘটিব। উল্লিখিত দুয়ো দিনৰ কাৰ্যসূচীলৈকে উদ্যোক্তাসকলে সকলো ভক্তপ্ৰাণ ৰাইজৰ আন্তৰিক সহায়-সহযোগিতা আৰু উপস্থিতি একান্তভাৱে কামনা কৰিছে। সেই উপলক্ষে উৎসৱ উদ্‌যাপন সমিতিৰ হৈ সভাপতি শুকুৰাম বৰুৱা আৰু সম্পাদক যোগী অনিল নাথে সংবাদ মাধ্যমৰ আগত জানিবলৈ দিছে।

## ইটাখোলাত 'তিৰংগা বিপণী মুকলি বিধায়ক পদ্ম হাজৰিকাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ইটাখোলা, ২৮ জুলাই ঃ** স্বাধীনতাৰ ৭৫ বছৰ উপলক্ষে আজাদী কা অমৃত মহোৎসৱ পালনৰ লগত সংগতি ৰাখি কেন্দ্ৰীয় চৰকাৰে !এই বছৰ তিনিদিনীয়াভাৱে ঘৰে ঘৰে ত্ৰিৰংগা পতাকা উত্তোলনৰ যি ব্যৱস্থা কৰিছে উক্ত ব্যৱস্থাৰ আঁত ধৰি সমগ্ৰ দেশৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দৰে বিশ্বনাথ জিলাৰ চতিয়া সমষ্টিৰ ইটাখোলাত আজি বিধায়ক পদ্ম হাজৰিকই মুকলি কৰে তিৰংগা বিপণী কেন্দ্ৰ। ইটাখোলা ব্যৱসায় কেন্দ্ৰত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ জৰিয়তে খণ্ড প্ৰকল্প প্ৰবন্ধ গোটৰ ইটখোলাৰ মহিলা গোটসমূহে প্ৰতি ঘৰে ঘৰে ত্ৰিৰংগা, আজাদী কা অমৃত মহোৎসৱ, স্বাধীনতাৰ ৭৫ বছৰ উদ্‌যাপনৰ প্ৰস্তুতিত প্ৰায় হাজাৰ জাতীয় পতাকা বিক্ৰীৰ লক্ষ্য ৰাখি বিপণী কেন্দ্ৰটো মুকলি কৰে। দিনৰ ভাগত ইটাখোলাৰ ব্যৱসায়ী কেন্দ্ৰৰ মাজমজিয়াত বিক্ৰী কেন্দ্ৰটি উদ্বোধন কৰি বিধায়ক গৰাকীয়ে কয় যে- এই বিক্ৰী কেন্দ্ৰটোৰ জৰিয়তে ৰাইজে ত্ৰিৰংগা পতাকা ক্ৰয় কৰাৰ ক্ষেত্ৰত অঞ্চলবাসী ৰাইজৰ বাবে সহজ লভ্য হ'ব। আৰু স্বাধীনতাৰ কালি মহাৰজত জয়ন্তী ৭৫ বছৰৰ আজাদী কা অমৃত মহোৎসৱত সকলোৱে যেন সহযোগ কৰে আৰু ভাৰতৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই ১৩, ১৪, ১৫ আগষ্টত সকলোৱে ঘৰে ঘৰে যাতে ত্ৰিৰংগা পতাকা উত্তোলন কৰি ইংৰাজৰ কৱলৰ দেশ মুক্ত কৰিবলৈ স্বাধীনতাৰ বাবে যিসকল মহান ব্যক্তিয়ে জীৱনটো উচৰ্গা কৰিলে তেওঁলোকৰ প্ৰতি সন্মান জনাই তাৰ বাবে আহ্বান জনায়। এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত বিশেষকৈ মহিলা গোটৰ শতাধিক সদস্যাই অংশ গ্ৰহণ কৰাৰ লগতে চতিয়া আঞ্চলিক পঞ্চায়ত সভাপতি তথা যুৱ নেতা লক্ষীকান্ত বৰা, চতিয়া খণ্ড কাৰ্যবাহী বিষয়া মনীশ বৰকাকতি আৰু খণ্ড সমন্বয়ক দীপৰঞ্জন চমুৱাসহ স্থানীয় বহু কেইগৰাকী দল-সংগঠনৰ নেতা-কৰ্মী উপস্থিত থাকে। উল্লেখ্য যে ইটাখোলাত ১৫ আগষ্ট দিনটোত প্ৰতিবছৰে দেশৰ স্বাধীনতা দিৱস পালন কৰি আহিছে যদিও এই বেলি হৰ ঘৰ তিৰংগা শীৰ্ষক কাৰ্যসূচীয়ে নিশ্চয়কৈ অঞ্চলটোৰ ৰাইজেও এক ব্যতিক্ৰম ৰূপত স্বাধীনতা দিৱস ভাগ পালন কৰা পৰিলক্ষিত হ'ব।

# শিক্ষা বিভাগে শিক্ষানুষ্ঠান বন্ধ কৰাত গ্ৰামাঞ্চলৰ ৰাইজৰ প্ৰতিক্ৰিয়া

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম যোৰহাট, ২৮ জুলাই ঃ** অসম চৰকাৰৰ শিক্ষামন্ত্ৰীয়ে ঘোষণা কৰিছে ৰাজ্যত জনসংখ্যা অনুপাতে বহু বিদ্যালয় পৰিচালিত হৈ আছে। সেই বাবে বহু চৰকাৰী পাদেশীকিত বিদ্যালয় বন্ধ কৰি দিয়া হৈছে। ৩০ গৰাকীতকৈ কম শিক্ষাৰ্থী থকা হাইস্কুলবোৰো বন্ধ কৰি দিয়া হ'ব। এই লৈ সমগ্ৰ ৰাজ্যতে প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। চৰকাৰে বন্ধ কৰি দিয়া শিক্ষানুষ্ঠানবোৰৰ ইতিহাস বিলুপ্ত হ'ল। বহু লোকৰ শ্ৰম, ত্যাগ, কষ্ট অথলে গ'ল। শিক্ষানুষ্ঠান প্ৰতিষ্ঠাৰ বাবে বহু পৰিয়ালে দানৰূপে দিয়া ভূমিত হাবি-জংঘলে আৱৰি ধৰিছে। কাৰ দোষত কি কাৰণত দীৰ্ঘদিনে সুন্দৰভাৱে পৰিচালিত হৈ থকা শিক্ষানুষ্ঠানবোৰ বন্ধ কৰিবলগীয়া হ'ল সেয়া কিন্তু চৰকাৰ, শিক্ষা বিভাগে বিশ্লেষণ নকৰাকৈ শিক্ষক-শিক্ষয়িত্ৰীক অন্য বিদ্যালয়ত কাম কৰিবলৈ নিৰ্দেশনা দিয়াৰ লগতে অস্থাৱৰ সা-সামগ্ৰীবোৰ সেই নিদিষ্ট বিদ্যালয়খনলৈকে লৈ যাবলৈ নিৰ্দেশনা দিয়া হ'ল। সেই নিৰ্দেশনা মানিয়েই শিক্ষক-শিক্ষয়িত্ৰীসকলে অস্থাৱৰ সা-সামগ্ৰী লৈ নিৰ্দিষ্ট বিদ্যালয়খনত যোগদান কৰি কৰ্ম কৰি আছে কিন্তু দলনিত পোনা মেলাৰ দৰে শিক্ষাৰ্থীসকলক এৰি থৈ যোৱাত অভিভাৱকসকল বিপাঙত পৰিছে। শিক্ষা বৰ্ষৰ ৪ মাহ অতিক্ৰম কৰাৰ পাছত এনেদৰে শিক্ষাৰ্থীসকলক এৰি থৈ যোৱাত শিক্ষাৰ্থীসকলে দিক্-বিদিক্ হেৰুৱাইছে। এই ক্ষেত্ৰত চৰকাৰে, শিক্ষা বিভাগে নিৰ্দিষ্ট নিৰ্দেশনা নিদিয়াৰ বাবেই এই সমস্যাৰ সৃষ্টি হৈছে। অসম বে-চৰকাৰী শিক্ষা অনুষ্ঠান আইন-২০০৬, ২০১৩ আৰু সংশোধনী ২০১৮ ৰ মতে একে শ্ৰেণীৰ বিদ্যালয়ৰ মাজত (১) হাইস্কুলৰ ক্ষেত্ৰত এখনৰ পৰা আনখনলৈ দুৰত্ব ৫ কিলোমিটাৰ হ'ব লাগিব। (২) প্ৰাথমিক শিক্ষানুষ্ঠানৰ ক্ষেত্ৰত ১ কিলোমিটাৰ হ'ব লাগিব। হাইস্কুল, জ্যেষ্ঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ক্ষেত্ৰত নগৰ অঞ্চলত কমেও ৩ বিঘা আৰু গাঁও অঞ্চলত ৫ বিঘা মাটি শিক্ষানুষ্ঠানৰ নামত নঠি-পত্ৰত থাকিব লাগিব। সেই মৰ্মে ভূমি একে ঠাইতে হ'ব লাগিব। কিন্তু গ্ৰাম্যাঞ্চলৰ বহু পুৰণি শিক্ষানুষ্ঠান চৰকাৰে বন্ধ কৰি দিয়াৰ বিপৰীতে নগৰ অঞ্চলত কিন্তু এই নিৰ্দেশনা কাৰ্যকৰী নকৰাত গ্ৰামাঞ্চলৰ শিক্ষাৰ ক্ষেত্ৰত জড়িত ৰাইজ ক্ষোভিত হৈ পৰা দৃষ্টিগোচৰ হৈছে। একঠা,দুকঠা মাটিত অথবা লীজত লোৱা ভূমিত অথবা ভাৰা ঘৰতে বহু বিদ্যালয় বৰ্তমানো নগৰ অঞ্চলত পৰিচালিত হৈ আছে। ১ কিলোমিটাৰ ব্যাসাৰ্ধতে বহুকেইখন হাইস্কুল, জ্যেষ্ঠ উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিচালিত হৈ আছে।। বহু শিক্ষানুষ্ঠানৰ আকৌ স্কুল ঘৰ এঠাইত ভূমি অন্য ঠাইত দেখুওৱা আছে। চৰকাৰী নিয়ম অমান্য কৰি কেনেকৈ এই বিদ্যালয়বোৰ পৰিচালিত হৈ আছে সেই সম্পৰ্কেও গ্ৰাম্যাঞ্চলৰ ৰাইজে প্ৰশ্ন উত্থাপন কৰিছে। যোৰহাট জিলাতে এনে বহু উদাহৰণ আছে। ৰাজ্যত বহু ওলাব। খেনোক দেখি ৰন্ধা-বঢ়া, খেনোক দেখি দুৱাৰ বন্ধা নীতি পৰিহাৰ কৰিবলৈ গ্ৰামাঞ্চলৰ জনসাধাৰণে শিক্ষামন্ত্ৰীক দাবী জনোৱাৰ লগতে বন্ধ কৰি দিয়া শিক্ষানুষ্ঠানবোৰ ৰক্ষণাবেক্ষণৰ ক্ষেত্ৰত ব্যৱস্থা ল'বলৈও দাবী জনাইছে।

## মেৰাপানীত জঘন্য ঘটনা সংঘটিত

মেৰাপানী, ২৭ জুলাই : গোলাঘাট জিলাৰ মেৰাপানী আৰক্ষী থানাৰ অন্তৰ্গত সৰুপানী কলঞ্জ্যাণপুৰত বুধেশ্বৰ শইকীয়া নামৰ ৪২ উৰ্ধৰ লম্পট এটাই এগৰাকী এঘাৰ বছৰীয়া পিতৃহাৰা নাবালিকাক যৌন নিৰ্যাতন চলোৱা ঘটনাই অঞ্চলটোত তীব চাঞ্চলঞ্চ্য সৃষ্টি কৰিছে। পৰিয়ালৰ সুত্ৰৰ পৰা জানিব পৰামতে, কিশোৰী গৰাকীৰ ঘৰৰ সমীপৰে দৈয়াংপাৰ গাঁৱৰ বুদ্ধেশ্বৰ শইকীয়া নামৰ লম্পট টোয়ে কিশোৰী গৰাকীৰ মাতৃ ঘৰত নথকাৰ সুযোগ লৈ অসৎ চৰিত্ৰাৰ্থ পূৰণ কৰিব বিচাৰে । পিতৃহীনা কিশোৰী গৰাকীৰ মাক ঘৰত নাছিল যদিও ৰোগীয়া ককাক আৰু আইতাক শয্যাগত অৱস্থাত থকাৰ সুযোগ গ্ৰহণ কৰি কিশোৰী গৰাকী শুই থকা অৱস্থাত অসৎ কৰ্মৰ মানসিকতাৰে লিপ্ত হৈছিল লম্পটটো। বিড়ি খাবলৈ জুইশলা বিচাৰি অহাৰ চলেৰে কিশোৰী গৰাকীক যৌন উৎপীড়ন চলাই আৰু পাছত মাক ঘৰলৈ অহাত কিশোৰী গৰাকীয়ে লম্পটোৰ সকলো কৰ্ম-কাণ্ড অৱগত কৰাত মেৰাপানীৰ আৰক্ষীৰ থানাত এজাহাৰ দাখিল কৰে । মেৰাপানীৰ আৰক্ষীয়ে এই জঘন্য ঘটনা সংঘটিত কৰা চিচুপানী দৈয়াংপাৰ গাঁৱৰ বুধেশ্বৰ শইকীয়া নামৰ লম্পটটোক আটক কৰি জেল হাজোতলৈ প্ৰেৰণ কৰিছে।

## ধুবুৰীত 'দেশভক্তি দিৱস' পালন

### জিলা প্ৰশাসনৰ সৌজন্যত আৰু ধুবুৰী জনসংযোগৰ উদ্যোগত দেশভক্তক সশ্ৰদ্ধ স্মৰণ

দৈনন্দিন বাৰ্তা সেবা ধুবুৰী': ২৮ জুলাইঃ ধুবুৰী জিলা প্ৰশাসনৰ সৌজন্যত জিলা তথ্য আৰু জনসংযোগ বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত ধুবুৰী জিলা পৰিষদৰ সভাকক্ষত আজি দেশভক্ত তৰুণৰাম ফুকনৰ ৮৩ সংখ্যক মৃত্যু তিথি 'দেশভক্তি দিৱস' হিচাপে পালন কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত দেশৰ স্বাধীনতা সংগ্ৰামৰ অগ্ৰণী সেনানীগৰাকীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পন আৰু বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাডঞ্জলি জনোৱা হয়। ধুবুৰীৰ অতিৰিক্ত উপায়ুক্ত নিত্য বিনোদ ৰাবীৰ সভাপতিত্বত অনুষ্ঠিত সভাত নিৰ্দিষ্ট বক্তা হিচাপে ভাষণ দিয়ে ধুবুৰীৰ ভোলানাথ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক তথা অসম সাহিত্য সভাৰ পত্ৰিকা সম্পাদক ডঃ উপেন্দ্ৰজিৎ শৰ্মাই। 'স্বাধীনতা সংগ্ৰামী আৰু অসম হিতৈষী তৰুণৰাম ফুকন' শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰি অধ্যাপক শৰ্মাই কয়, 'তৰুণৰাম ফুকনে অসম আৰু অসমীয়াৰ স্বকীয় মহিমাৰে গৌৰৱান্বিত হোৱাৰ মাজেৰে গৈহে সৰ্বভাৰতীয় পৰিচয় আকোৱলি লৈছিল। তেওঁৰ জাতিপ্ৰেম আৰু দেশপ্ৰেম আছিল অতুলনীয়। আধুনিক মনৰ অধিকাৰী ফুকন ডাঙৰীয়াই সেইসময়ৰ গোড়া সমাজখনত অতি সাহসেৰে লোৱা বহু পদক্ষেপ পিছত সকলোৱে আকোৱলি লৈছিল।' ডঃ শৰ্মাই তৰুণৰাম ফুকনৰ জীৱনৰ আন বহু বিচিত্ৰ দিশৰ ওপৰত আলোকপাত কৰে। অনুষ্ঠানত মুক্তি যুঁজাৰু আব্দুৰ ৰছিদ আল ফাৰুকৰ নাতি তথা সমাজকৰ্মী মহম্মদ আব্দুল নাছেৰ আল ফাৰুক, অৱসৰপ্ৰাপ্ত শিক্ষক আব্দুৰ ৰহমান, সমাজকৰ্মী শিমূল সৰকাৰ, স্থানীয় সাংবাদিক সকল প্ৰমুখ্যে বহু লোক উপস্থিত থাকে।



#### তৰুণ ৰাম ফুকনৰ আদৰ্শৰ অনুকৰণে উচ্চতৰ সমাজ প্ৰতিষ্ঠা কৰিব ঃ অৰূপ পাঠক

# ধেমাজিত জিলা তথ্য আৰু জনসংযোগ বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত দেশভক্তি দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধেমাজি, ২৮ জুলাই ঃ** সমগ্ৰ ৰাজ্যৰ লগতে কালি ধেমাজি জিলাতো জিলা প্ৰশাসনৰ সৌজন্যত, জিলা তথ্য আৰু জনসংযোগ বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত দেশভক্তি দিৱস উদযাপন কৰা হয়। উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত এই অনুষ্ঠান আনুষ্ঠানিকভাৱে উদ্বোধন কৰে জিলা উন্নয়ন আয়ুক্ত অৰূপ পাঠকে। এই উপলক্ষে দিয়া ভাষণত তেওঁ কয় যে, তৰুণ ৰাম ফুকনৰ মহান ব্যক্তিত্বৰ অনুকৰণে আমাৰ নতুন প্ৰজন্মক উচ্চ আদৰ্শৰ প্ৰতি আকৃষ্ট কৰিব পাৰে। তেনে এগৰাকী দেশপ্ৰমিকক আমি সশ্ৰদ্ধ স্মৰণ কৰাটো আমাৰ নৈতিক দায়িত্ব বুলিও তেওঁ মন্তব্য কৰে। সভাত আমন্ত্ৰিত মূল বক্তা হিচাপে দিয়া ভাষণত বিশিষ্ট সাহিত্যিক -সাংবাদিক উমেশ চেতিয়াই দেশপ্ৰেমৰ মহান আদৰ্শৰ আজিৰ সামাজিক প্ৰেক্ষাপটত অতি প্ৰাসঙ্গিক হৈ পৰিছে। জননী আৰু জন্মভূমি স্বৰ্গতকৈও শ্ৰেষ্ঠ বুলি থকা ধাৰণা সৰোগত কৰি তেওঁ দেশৰ হকে সেৱা আগবঢ়োৱাৰ মনোভাৱ গঢ়ি তুলিবলৈ তেওঁ নবীন প্ৰজন্মৰ প্ৰতি মুকলি আহ্বান জনায়। চেতিয়াই তৰুণ ৰাম ফুকনৰ জীৱন আৰু আদৰ্শৰ বিভিন্ন দিশৰ বিষয়ে মনোগ্ৰাহী আলোচনা দাঙি ধৰে। অনুষ্ঠানৰ আৰম্ভণিতে আদৰণি ভাষণ দি জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাই কয় যে, তৰুণৰাম ফুকনে অসমত মহাত্মা গান্ধীৰ নেতৃত্বৰ অহিংসা স্বাধীনতা সংগ্ৰামৰ পাতনি মেলিছিল আৰু গুৰি ধৰিছিল। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, শেৱালি কবি ৰত্নকান্ত বৰকাকতী আদিৰ উদ্ধৃতিৰে তেওঁ দেশভক্তগৰাকীৰ মাজত সুলেখক, কবি, বক্তা, সংগঠক আদি অলেখ গুণৰ সমাহাৰ ঘটিছিল বুলি উল্লেখ কৰে। তেওঁ কয় যে, তৰুণ ৰাম ফুকনৰ অসাধাৰণ প্ৰতিভাসম্পন্ন ব্যক্তিত্ব নিজৰ আত্মোন্নতিৰ পৰিৱৰ্তে দেশ সেৱাৰ বাবেহে সমৰ্পিত হৈছিল বাবেই আজিও তেখেত সকলোৰে শ্ৰদ্ধেয় হৈ আছে। ধেমাজি বাণিজ্য মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ৰাজুমনি ভূঞাই তেওঁৰ চমু ভাষণত নবীন প্ৰজন্মৰ মাজত দেশভক্তিৰ মহান আদৰ্শ জাগৰিত কৰাৰ প্ৰাসঙ্গিকতা দোহাৰে। সভাত সাংবাদিক ৰাজীৱ দেউৰীয়েও চমু বক্তব্য দাঙি ধৰে। সভাৰ আৰম্ভণীতে তৰুণ ৰাম ফুকনৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পন কৰা হয়। ইয়াৰ পূৰ্বে আজি পুৱা জিলা তথ্য আৰু জনসংযোগ বিষয়াৰ কাৰ্যালয়ৰ তৰফৰ পৰা চহৰৰ স্থায়ী অনুভাষ যন্ত্ৰৰ জৰিয়তে দেশপ্ৰেমমূলক গীত পৰিবেশন কৰা হয়।



### ৰাজ্যৰ পৰিবহণ বিভাগৰ কামত কলকাতাৰ 'ফুকম'

# চাকৰি হেৰুৱাব এমট্ৰনৰ শতাধিক কৰ্মচাৰীয়ে

দৈনন্দিন বাৰ্তাৰ সেৱা, লখিমপুৰ, ২৮ জুলাই:- অসম চৰকাৰৰ পৰিবহণ বিভাগে শেহতীয়াকৈ কলকাতাৰ এটা ব্যক্তিগত প্ৰতিষ্ঠানক বিভাগটোৰ অনুজ্ঞাপত্ৰ আৰু পঞ্জীয়নপত্ৰ প্ৰিন্টিংৰ কামত নিয়োজিত কৰিবলৈ লোৱা সিদ্ধান্তৰ ফলত এমট্ৰনৰ ১১০ গৰাকী কৰ্মচাৰীয়ে চাকৰি হেৰুৱাবলগীয়াৰ উপক্ৰম ঘটিছে। এক বিশেষ সূত্ৰৰ পৰা প্ৰাপ্ত খবৰ অনুসৰি পৰিবহণ বিভাগে বিগত ১০-১৫ বছৰ ধৰি ৰাজ্যৰ প্ৰতিখন জিলাৰ পৰিবহণ বিষয়াৰ কাৰ্যালয়ত ৰাজ্য চৰকাৰৰ অধীনস্থ প্ৰতিষ্ঠান এমট্ৰনৰ জৰিয়তে স্থানীয় যুৱক-যুৱতীয়ে অনুজ্ঞাপত্ৰ, গাড়ীৰ পঞ্জীয়ন পত্ৰ প্ৰিন্টিং আৰু ডাকত চৰকাৰীভাৱে প্ৰেৰণ কৰা কামত নিয়োজিত হৈ আহিছিল যদিও ৰাজ্য চৰকাৰ তথা পৰিবহণ বিভাগে শেহতীয়াকৈ কলকাতাৰ ফুকম নামৰ প্ৰতিষ্ঠানক এই দায়িত্ব অৰ্পণ কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰাত এই কৰ্মচাৰীসকলৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য, এমট্ৰনে প্ৰস্তুত কৰা গাড়ীৰ অনুজ্ঞাপত্ৰ আৰু পঞ্জীয়ন চীম পদ্ধতিত হৈছিল। কিন্তু বৰ্তমান যি হাৰ ক'ডৰ পদ্ধতিৰে অনুজ্ঞাপত্ৰ আৰু পঞ্জীয়নৰ কাম কলকাতাৰ ফুকনক বিভাগ তথা ৰাজ্য চৰকাৰে গতাই দিয়াৰ ব্যৱস্থা কৰিছে। চৰকাৰৰ এনে সিদ্ধান্তৰ ফলত ফুকমে সম্পূৰ্ণ ব্যক্তিগত লাভৰ বাবেহে কাম কৰিবলৈ আৰম্ভ কৰিছে আৰু বিগত দুমাহত উক্ত প্ৰতিষ্ঠানটোৱে চৰকাৰী বিভাগটোৰ লগত কোনো যোগসূত্ৰ নৰখাকৈ ব্যক্তিগত কুৰিয়াৰৰ যোগেদি কাম কৰি যোৱাত এতিয়া সাধাৰণ নাগৰিকৰো সমস্যাৰ সৃষ্টি হৈছে। তদুপৰি ফোকম নামৰ বহিঃৰাজ্যৰ প্ৰতিষ্ঠানটোৱে পৰিবহণ বিষয়াৰ কাৰ্যালয়সমূহত যেনেদৰে জনসম্পৰ্ক ৰক্ষা কৰি কাম কৰিব লাগিছিল প্ৰতিষ্ঠানটোৱে কুৰিয়াৰত পঠোৱা অনুজ্ঞাপত্ৰ আৰু পঞ্জীয়ন কাৰ্ড বিচাৰি এতিয়া হাবাথুৰি খাবলগীয়াত পৰিছে সাধাৰণ নাগৰিকে। কিয়নো ট্ৰেকিং চাব পৰা বা ট্ৰেকিং নম্বৰ পাব পৰা কোনো ব্যৱস্থা এই পৰ্যন্ত ফুকম নামৰ প্ৰতিষ্ঠানটোৱে কৰা নাই। পৰিতাপৰ কথা যে বিগত প্ৰায় ডেৰ দশক ধৰি ৰাজ্যৰ পৰিবহণ বিষয়াৰ কাৰ্যালয় সমূহত অসম চৰকাৰৰ অধীনস্থ এমট্ৰন প্ৰতিষ্ঠানত প্ৰায় ১১০ গৰাকী কৰ্মচাৰী নিয়োজিত হৈ অহাৰ সময়তে কলকতাৰ প্ৰতিষ্ঠানটোক এই কামৰ দায়িত্ব অৰ্পণ কৰাত তেওঁলোক সংস্থাপনহীন হোৱাতো নিশ্চিত হৈ পৰিছে। এইক্ষেত্ৰত চাকৰি হেৰুৱাব লগীয়া ১১০ গৰাকী কৰ্মচাৰীয়ে চৰকাৰৰ এনে সিদ্ধান্তত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ দাবী কৰিছে।

# বাৰ্মিংহাম কমনৱেলথ গেমছত আজি শিৱ থাপাৰ অভিযান

**বাৰ্মিংহাম, ২৮ জুলাই ঃ** বাৰ্মিংহাম কমনৱেলথ গেমছত কাইলৈ ভাৰতীয় ক্ৰীড়াপ্ৰেমীৰ দৃষ্টি থাকিব অসম সন্তান বক্সাৰ শিৱ থাপাৰ ওপৰত। উল্লেখ্য যে কাইলৈ হ'বলগা পুৰুষৰ বক্সিঙৰ ৬০ কিলোগ্ৰাম শাখাত শিৱ মুখামুখি হ'ব পাকিস্তানৰ বক্সাৰ ছুলেমানৰ বিৰুদ্ধে। ভাৰত বনাম পাকিস্তানৰ এই বক্সিং যুঁজ লৈ ইতিমধ্যে চাপ-ৰোমাঞ্চ বৃদ্ধি পাইছে ভাৰতীয় ক্ৰীড়াপ্ৰেমীৰ মাজত। উল্লেখ্য যে দুবাৰকৈ অলিম্পিক খেলা শিৱই বিশ্ব চেম্পিয়নশ্বিপত পদক লাভ কৰাৰ লগতে কেবাখনো আন্তৰ্জাতিক প্ৰতিযোগিতাত দেশক পদক দিছে যদিও পূৰ্বে কমনৱেলথ গেমছত খেলাৰ পাছতো পদক লাভ কৰা নাই। এইবাৰ অভিজ্ঞ শিৱৰ পৰা পদক আশা কৰা হৈছে। ইফালে, শিৱৰ লগতে বক্সিঙত অলিম্পিক পদক জয়ী অসম কন্যা লাভলীনা বৰগোঁহায়ো কমনৱেলথ গেমছত খেলিব। সূচী অনুসৰি অহা ৩০ জুলাইত নিউজিলেণ্ডৰ নিকলছনৰ মুখামুখি হ'ব লাভলীনা। উল্লেখ্য যে এই সময়ত চৰ্চা আৰু চাপত আছে লাভলীনা। কমনৱেলথ গেমছৰ ভিলেজত প্ৰশিক্ষক সন্ধা গুৰুঙক প্ৰৱেশ কৰিব নিদিয়াত অনুশীলনত ব্যাঘাত জন্মা বুলি লাভলীনাই চাঞ্চল্যকৰ অভিযোগ উত্থাপন কৰিছিল। প্ৰশিক্ষকৰ অনুপস্থিতিত তেওঁ মানসিক অস্থিৰতাৰ সন্মুখীন হোৱা বুলি কৈ এয়া ৰাজনীতি বুলিও টুইটাৰত লাভলীনাই উল্লেখ কৰিছিল। এই বিষয় লৈ ক্ৰীড়াৰ পৰা ৰাজনীতিলৈ হৈ-চৈ লগাত প্ৰশিক্ষক গুৰুঙে ভিলেজত প্ৰৱেশৰ অনুমতি পত্ৰ লাভ কৰিছে। কিন্তু ইয়াৰ বাবে ভাৰতীয় বক্সিং দলৰ পৰা বাদ পৰি গ'ল চিকিৎসক আৰু মহিলাৰ মুখ্য প্ৰশিক্ষক ভাস্কৰ ভাট। উল্লেখ্য যে শিৱ-লাভলীনাৰ লগতে এইবাৰ কমনৱেলথ গেমছত অসমৰ অভিলেখ সাতগৰাকী খেলুৱৈয়ে অংশ লৈছে। ভাৰতীয় লন বল দলত অসমৰ তিনি গৰাকী খেলুৱৈয়ে স্থান লাভ কৰিবলৈ সক্ষম হৈছে। ১২ জনীয়া দলত স্থান লাভ কৰিছে অসমৰ তানিয়া চৌধুৰী, নয়মমণি শইকীয়া আৰু মৃদুল বৰগোঁহাই। ইফালে, এথলেটিকছত হিমা দাস আৰু ভাৰোত্তোলনত পপী হাজৰিকাই বাৰ্মিংহাম কমনৱেলথ গেমছত খেলিব।



## ৰাগবিৰ ল'ৰাত চৰাইদেউ ছোৱালীত নলবাৰী চেম্পিয়ন

**গুৱাহাটী, ২৮ জুলাই ঃ** অসমৰ ক্ৰীড়া প্ৰতিভাক ৰাষ্ট্ৰীয় পৰ্যায়লৈ আগবঢ়াই লৈ যোৱাৰ মহান উদ্দেশ্যৰে গুৱাহাটীত অনুষ্ঠিত অসম যুৱ অলিম্পিকৰ আজি সফল সামৰণি পৰিছে। উল্লেখ্য যে অসম যুৱ অলিম্পিক-২০২২ৰ ৰাগবি খেলৰ ল'ৰাৰ সোণ চৰাইদেউ জিলাই লাভ কৰাৰ বিপৰীতে ছোৱালীৰ সোণ লাভ কৰে নলবাৰী জিলা দলে। ল'ৰাৰ ফাইনেল খেলত চৰাইদেউ জিলা ৰাগবি দলে তামুলপুৰ জিলাক ১০-৫ ৰ ব্যৱধানত পৰাজিত কৰি সোণ লাভ কৰে। ইফালে, ছোৱালীৰ শাখাত সোণ লাভ কৰিছে নলবাৰী জিলা দলে। ফাইনেল খেলত ওদালগুৰি জিলা ৰাগবি সন্থাৰ দলে নলবাৰী জিলাৰ হাতত ১৫-৫ ৰ ব্যৱধানত পৰাজিত হৈ ৰূপৰ পদকতে সন্তুষ্ট থাকিবলগীয়া হয়। অৱশ্যে ৰূপৰ পদক লাভ কৰিলেও ওদালগুৰি জিলা ৰাগবি দলৰ কেবাজনো খেলুৱৈ অসম দলৰ হৈ খেলাৰ সুযোগ পাব বুলি কয় ওদালগুৰি জিলা ৰাগবি দলৰ মেনেজাৰ মৃদুল কুমাৰ নাৰ্জাৰীয়ে। উল্লেখ্য যে দলৰ প্ৰশিক্ষিক নিপম ৰাভা হোৱাৰ লগতে সহযোগ কৰে অনিমা নাৰ্জাৰীয়েও।

## ছেপাক টাক্ৰ'ত কাৰ্বি আংলঙৰ সোণ

**গুৱাহাটী, ২৮ জুলাই ঃ** অসম অলিম্পিক সন্থাই ৰাজ্য চৰকাৰৰ সহযোগত প্ৰথমবাৰৰ বাবে আয়োজন কৰা অসম যুৱ অলিম্পিক গেমছৰ আজি অন্তিমদিনা অনুষ্ঠিত হয় ছেপাক টাক্ৰ'ৰ ফাইনেল মেচ। ডাবলছ শাখাত ল'ৰাৰ ফাইনেলত কাৰ্বি আংলঙে শিৱসাগৰক ২১-১৪, ২১-৭ ৰ ব্যৱধানত পৰাস্ত কৰি সোণ লাভ কৰে। ইফালে, ডাবলছ শাখাৰ ছোৱালীৰ ফাইনেলত হাইলাকান্দিয়ে ২১-১১, ২১-১ ৰ ব্যৱধানত ডিব্ৰুগড়ক পৰাস্ত কৰি সোণ লাভ কৰে। ইফালে, ৰেগু ইভেণ্টৰ ল'ৰাৰ ফাইনেলত কাৰ্বি আংলঙে ২১-১২, ২১-১২ ৰ ব্যৱধানত কাছাৰক পৰাস্ত কৰি সোণ লাভ কৰে। আনহাতে, ৰেগু ইভেণ্টৰ ছোৱালীৰ ফাইনেলত কাচাৰে ২১-১৮, ২১-১৯ ৰ ব্যৱধানত হাইলাকান্দিক পৰাস্ত কৰি সোণ লাভ কৰে।

অসম যুৱ অলিম্পিক গেমছ-২০২২

## ৰাগবি খেলত ওদালগুৰি জিলা ৰাণাৰ্ছআপ দলক টংলাত বিপুল আদৰণি



**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ভেৰগাঁও, ২৮ জুলাই ঃ** অসমৰ ক্ৰীড়া প্ৰতিভাক বিশ্ব ক্ৰীড়া মঞ্চত আগবঢ়াই লৈ যোৱাৰ মহান উদ্দেশ্যৰে গুৱাহাটীত অনুষ্ঠিত বৰ্ণাঢ্য কাৰ্যসূচীৰে সফল সামৰণি হোৱা অসম যুৱ অলিম্পিক-২০২২ৰ ৰাগবি খেলৰ চূড়ান্ত খেলত ওদালগুৰি জিলা ৰাগবি সন্থাই নলবাৰী জিলাৰ হাতত পৰাজিত হৈ ৰূপৰ পদক লাভ কৰা ছোৱালীৰ দলটিক আজি ক্ৰীড়া নগৰী টংলাত বিপুল আদৰণি জনায়। গুৱাহাটীৰ পৰা অহা দলটিক আজি ক্ৰীড়া নগৰী টংলাস্থিত ৰেল ষ্টেচনত নমাৰ লগে লগেই কাৰ্যালয়ৰ পৰা জানিব ৰাগবি খেলুৱৈসকলক মেনেজাৰ মৃদুল কুমাৰ নাৰ্জাৰী, অনিমা নাৰ্জাৰী, প্ৰশিক্ষিক নিপম ৰাভা, টংলা ক্ৰীড়া সন্থাৰ সভাপতি খৰ্গেশ্বৰ বৰা, সম্পাদক ভাৰত চন্দ্ৰ ৰাভা, সহকাৰী সম্পাদক বৰুণ বড়ো, টংলা কাবাডী সন্থাৰ সম্পাদক ধ্ৰুৱ ৰাভা, আন্তঃৰাষ্ট্ৰীয় কাবাডী ৰেফাৰী নমল ৰাভা, ওদালগুৰি জিলা এথলেটিকছৰ প্ৰশিক্ষক মুকুন্দ শৰ্মা বৰুৱা, চন্দ্ৰ ঠাকুৰীয়াই ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰে। বিশেষ সূত্ৰে জানিবলৈ পৰামতে ওদালগুৰি জিলাৰ কেবাজনো যুৱক-যুৱতী ৰাগবি খেলুৱৈ অসম দলৰ হৈ খেলাৰ সুযোগ পাব।

## এ ডিভিজন ফুটবলত বৰভেটা স্পৰ্টছ ক্লাব ফাইনেলত

**গুৱাহাটী, ২৮ জুলাই ঃ** বৰভেটা স্পৰ্টছ ক্লাবে যোৰহাট এ ডিভিজন ফুটবলৰ ফাইনেলত প্ৰবেশ কৰিছে। যোৰহাট ষ্টেডিয়ামত আজি অনুষ্ঠিত হোৱা প্ৰথমখন ছেমিফাইনেলত বৰভেটা স্পৰ্টছ ক্লাবে অল ষ্টাৰ ক্লাবক ১-০ গ'লত পৰাভূত কৰি ফাইনেলত বৰভেটা উপনীত হয়। আজি খেলৰ আৰম্ভণিৰে পৰাই বৰভেটাই অল ষ্টাৰ ক্লাবৰ ওপৰত তীব্ৰ হেঁচা অব্যাহত ৰাখে বৰভেটাই। ফলত অল ষ্টাৰ ক্লাবে ৰক্ষনাত্মক ভাবে খেলাৰ বিপৰীতে বৰভেটা স্পৰ্টছ ক্লাবে অল ষ্টাৰ ক্লাবক চাপত ৰাখে। খেলৰ প্ৰথমাৰ্ধৰ ৪১ মিনিটত বৰভেটা স্পৰ্টছ ক্লাবৰ লানু তুচী লাংচাৰ সুন্দৰ হেডিঙেৰে গ'ললৈ ৰূপান্তৰিত কৰি দলক বিজয় নিশ্চিত কৰে। আজি খেল পৰিচালনা কৰে পুষ্প ৰঞ্জন বৰুৱাই, লাইনত থাকে পৰিমল বুঢ়াগোহাঁই আৰু বিমান সন্দিকৈ। চতুৰ্থ ৰেফাৰী পৱন পাঠক। ২৯ জুলাইত দ্বিতীয়খন ছেমি ফাইনেলত যোৰহাট টাউন ক্লাবে খেলিব ভিক্টোৰিয়াছ ক্লাবৰ বিৰুদ্ধে।

## কামৰূপ এ ডিভিজন লীগ

**গুৱাহাটী, ২৮ জুলাই ঃ** দক্ষিণ কামৰূপ জিলা ক্ৰীড়া সন্থাৰ এ ডিভিজন আন্তঃ ক্লাব লীগ ফুটবল প্ৰতিযোগিতাৰ আজিৰ খেলত নংবাগ ফুটবল ক্লাব আৰু বনগাঁও ফুটবল ক্লাব জয়ী হৈছে। বকো ক্ৰীড়া সন্থাৰ সহযোগত বকো হাইস্কুল খেলপথাৰত চলি থকা লীগৰ আজি প্ৰথম খেলত নংবাগে ভলকেনো ফুটবল ক্লাবক ১-০ গ'লত আৰু দ্বিতীয় খেলখনত বনগাঁও ফুটবল ক্লাবে চক্ৰপাণি ফুটবল ক্লাবক ৩-১ গ'লত হৰুৱায়।

## গুৱাহাটী চিটী-কাজিৰঙা এফ চি ফাইনেলত

**গুৱাহাটী, ২৮ জুলাই ঃ** নেহৰু ষ্টেডিয়ামত চলি থকা গুৱাহাটী ক্ৰীড়া সন্থাৰ ১৩ অনুৰ্ধ ফুটবল প্ৰতিযোগিতাৰ দ্বিতীয় ছিজনৰ ফাইনেলত নিজৰ স্থান নিশ্চিত কৰিছে ডিফেণ্ডিং চেম্পিয়ন গুৱাহাটী চিটী এফ চি আৰু কাজিৰঙা এফচিচিয়ে । আজি অনুষ্ঠিত প্ৰথম ছেমিফাইনেলত গুৱাহাটী চিটী এফচিয়ে নাৰেংগী এফচিচিক ৩-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে । গুৱাহাটী চিটী এফচিৰ হৈ দিশান্ত তালুকদাৰ, উজ্জেইল ইয়াংৰাই আৰু তুষাৰদীপ বৰ্মনে গ'ল কৰাৰ বিপৰীতে নাৰেংগী এফচিচিৰ হৈ গ'ল কৰে ৰক্তিম নাৰ্জাৰী আৰু ৰাজদীপ শৰ্মাই । দ্বিতীয়খন ছেমিফাইনেল খেলত কাজিৰঙা এফচিয়ে উদয়ন কৃষ্টি সংঘক ৬-১ গ'লত পৰাস্ত কৰে । কাজিৰঙাৰ হৈ পাঁচটা গ'ল কৰে জিত শৰ্মাই । আনহতে, অভিষেক বড়োৱে এটা গ'ল দিয়ে । উদয়নৰ হৈ একমাত্ৰ গ'লটো কৰে এ ঠাকুৰীয়াই। অহা ৩০ জুলাইত নেহৰু ষ্টেডিয়ামত ফাইনেল খেলখন অনুষ্ঠিত হ'ব।

## ইণ্টাৰ পুলিচ ষ্টেচন ফুটবল টুৰ্ণামেণ্টত লাহৰীঘাট থানা ২-০ গ'লত বিজয়ী




**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ভূৰাগাঁও, ২৮ জুলাই ঃ** মৰিগাঁও জিলা ইন্টাৰ পুলিচ ষ্টেশন ফুটবল টুৰ্নামেণ্টত আজি লাহৰীঘাট ব্লক খেল পথাৰত অনুষ্ঠিত হোৱা লাহৰীঘাট থানা আৰু ভূৰাগাঁও থানাৰ মাজত নক আউট খেল খনত লাহৰীঘাট আৰক্ষী দলে ভূৰাগাঁও আৰক্ষী দলক ২-০ গ'লত পৰাজিত কৰি বিজয়ীৰ তালিকাত অন্তৰ্ভুক্ত হয়। অৱশ্যে খেলৰ প্ৰথমাৰ্ধত দুয়ো দলে গ''ল শূন্য হৈ আছিল। কিন্তু দ্বিতীয়াৰ্ধৰ খেল আৰম্ভ হোৱাৰ ২০ মিনিটত লাহৰীঘাট আৰক্ষী দলে প্ৰথমটো গ'ল দিয়ে, পিছত খেল শেষৰ প্ৰায় ৪ মিনিট আগে পুনৰ আৰু এটা গ'ল দি লাহৰীঘাট আৰক্ষী দলে ২-০ৰ ব্যৱধানত ভূৰাগাঁও আৰক্ষী দলক পৰাজিত কৰি লাহৰীঘাট বাসীক বিজয়ৰ সোৱাদ দিয়ে। খেল পৰিচালনা কৰে মৰিগাঁও জিলা ক্ৰীড়া বিভাগৰ পৰিচালকদ্বয় ক্ৰমে মানস প্ৰতীমা কলিতা, বিজয় বৰদলৈ, বলেন বৰা আৰু দীগেন বৰদলৈয়ে। আমন্ত্ৰিত অতিথি হিচাপে চক্ৰ আৰক্ষী বিষয়া পি ৰাভা, ডেপুটি এডভাইজাৰ বিষ্ণু জ্যোতি ভাগৱতী, চি অ' বিডিঅ' মৰিগাঁৱৰ দিগন্ত কলিতা, চি অ' বিডিঅ' লাহৰীঘাটৰ দিপাংক মহেলা, লাহৰীঘাট থানাৰ ভাৰপ্ৰাপ্ত বিষয়া আমিৰ হুছেইন, ভূৰাগাঁও থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মামনি কুমাৰী, লাহৰীঘাট আঞ্চলিক পঞ্চায়তৰ সভাপতি নুৰ জামাল, সমাজ সেৱক আক্তৰ হুছেইনো উপস্থিত থাকে। সহস্ৰাধিক দৰ্শকৰ উপস্থিতিত অনুষ্ঠিত হোৱা ফুটবল খেলে স্থানীয় ৰাইজক বাৰুকৈ আনন্দিত কৰিলে।

আজি প্ৰথম টি-২০

## ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে ৩-০ত এদিনীয়া শৃংখলা দখল ভাৰতৰ



**পৰ্ট অব স্পেইন, ২৮ জুলাই ঃ** ভাৰতে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলা তিনিখনীয়া এদিনীয়া শৃংখলাটো ৩-০ ৰ ব্যৱধানৰে দখল কৰিছে। যোৱানিশা হোৱা তৃতীয় তথা অন্তিম মেচত ভাৰতে ডি এল পদ্ধতিত ১১৯ ৰাণত পৰাস্ত কৰে ৱেষ্ট ইণ্ডিজক। বৰ্ষাবিঘ্নিত মেচত পোনতে বেটিং কৰা ভাৰতে ৩৬ অভাৰত তিনি উইকেটত ২২৫ ৰাণ কৰে। দলৰ হৈ অপেনাৰদ্বয় শুভমন গিলে ৯৮ আৰু শিখৰ ধৱনে ৫৮ ৰাণ কৰাৰ লগতে শ্ৰেয়াছ আয়াৰে ৪৪ ৰাণ কৰে। প্ৰত্যুত্তৰত, ৱেষ্ট ইণ্ডিজে ২৫৭ ৰাণৰ বিজয়লক্ষ্য অনুসৰণ কৰি ২৬ অভাৰত ১৩৭ ৰাণত অলআউট হয়। ভাৰতৰ হৈ চাহালে চাৰিটা আৰু চিৰাজ তথা ঠাকুৰে দুটা উইকেট পায়। উল্লেখ্য যে ভাৰতে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলা তিনিখনীয়া এদিনীয়া শৃংখলাটো ৩-০ৰ ব্যৱধানৰে দখল কৰাৰ পাছত এতিয়া উভয় দলে তিনিখনীয়া টি-২০ শৃংখলা খেলিব। কাইলৈ অনুষ্ঠিত হ'ব প্ৰথমখন টি-২০ মেচ।

## অসম যুৱ অলিম্পিকত ৰহাৰ ৮ ৰেচলিং খেলুৱৈৰ পদক লাভ




**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ৰহা, ২৮ জুলাই ঃ** গুৱাহাটীত অনুষ্ঠিত হোৱা অসম যুৱ অলিম্পিক ২০২২ৰ ৰেষ্টলিং খেলৰ ফ্ৰি ষ্টাইল প্ৰতিযোগিতা শাখাত নগাঁও জিলাৰ ৰেষ্টলিং সন্থাৰ হৈ নিৰ্বাচিত হোৱা তথা নগাঁৱৰ সুদক্ষ প্ৰশিক্ষক ফিজেছ আহমেদৰ প্ৰশিক্ষণ প্ৰাপ্ত ৰহা ৰেষ্টলিং একাডেমীৰ পৰা অংশগ্ৰহণ কৰা ১২জন ছাত্ৰ-ছাত্ৰীৰ সাতজনৰ ভিতৰত ছজনে ব্ৰঞ্জ আৰু এজনে চিলভাৰ পদক পাবলৈ সক্ষম হৈছে। চিলভাৰ পদক জয়ী, কৈলাশ বৰা, ব্ৰঞ্জৰ পদক জয়ী ক্ৰমে— নীলাভ মেধি, দীপজ্যোতি হাজৰিকা, দুল শংকৰ পাটৰ, কাকলি কলিতা, বিদিশা কোঁৱৰ, পৰিণীতা পাটৰ। উল্লেখযোগ্য ৰহা ৰেষ্টলিং একাডেমীৰ মুখ্য পৰিচালক প্ৰণৱ মেধী আৰু সহকাৰী দিপাঞ্জু ডেকা মেধি, নগাঁও জিলাৰ ৰেষ্টলিং সন্থাৰ অন্তৰ্গত ৰহা ৰেষ্টলিং একাডেমীৰ বাবে টিম মেনেজাৰ হিচাপে অসম যুৱ অলিম্পিক ২০২২ত অংশগ্ৰহণ কৰে।

## ড্ৰেগন নাৱত শ্ৰেষ্ঠ মৰিগাঁও-শিৱসাগৰ

**গুৱাহাটী, ২৮ জুলাই ঃ** অসম যুৱ অলিম্পিকৰ দীঘলী পুখুৰীত অনুষ্ঠিত ড্ৰেগন নাও খেলত ল'ৰাৰ শাখাত মৰিগাঁও আৰু ছোৱালীৰ শাখাত শিৱসাগৰ চেম্পিয়ন হৈছে । উল্লেখ্য যে ল'ৰাৰ শাখাৰ ফাইনেলত মৰিগাঁৱে গুৱাহাটীক আৰু ছোৱালীৰ শাখাৰ ফাইনেলত শিৱসাগৰে মাজুলীক হৰুৱায় । দীঘলী পুখুৰীত এক উৎসৱমুখৰ পৰিবেশত অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱাই নিগমৰ উপাধ্যক্ষ দিলীপ দাস আৰু অসম পশুধন উন্নয়ন নিগমৰ অধ্যক্ষ মনোজ শইকীয়া উপস্থিতিত প্ৰতিযোগিতা উদ্বোধন কৰে । সামৰণি অনুষ্ঠানত অসম ৰাজ্যিক বিদ্যুত পৰিষদৰ মুখ্য অভিযন্তা শ্বাহনৱাজ আলী আহমেদ, মনোজ শইকীয়া, দিলীপ দাস, অসম অলিম্পিক সন্থাৰ কল্যাণ গগৈ, জেহিৰুল ইছলাম আদি উপস্থিত থাকি বঁটাসমূহ বিতৰণ কৰে।

### আমগুৰি লাহদৈগড় মিচিং গাঁৱৰ পঞ্চী পায়েঙৰ সাফল্য

## তিনিটাকৈ সোণ আৰু এটা ব্ৰঞ্জৰ পদক লাভ

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, আমগুৰি, ২৮ জুলাই ঃ** শিৱসাগৰ জিলাৰ আমগুৰিৰ এগৰাকী সুদক্ষ খেলুৱৈয়ে সদৌ অসম টাইকোৱাণ্ডো প্ৰতিযোগিতাত তিনিটাকৈ সোণ আৰু এটা ব্ৰঞ্জৰ পদক লাভ কৰি গৌৰৱ কঢ়িয়াই অনাত অঞ্চলবাসীয়ে ঢোলে-দগৰে, নাচি-বাগি আদৰণি জনায়। লাহদৈগড় মিচিং গাঁওৰ ইন্দ্ৰেশ্বৰ পায়েঙ আৰু মাতৃ জোনটি টায়ে পায়েঙৰ কন্যা তথা সপ্তম শ্ৰেণীৰ ছাত্ৰী পঞ্চী পায়েঙে বঙাইগাঁৱত অনুষ্ঠিত সদৌ অসম টাইকোৱাণ্ডো প্ৰতিযোগিতাত আমগুৰিলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। লাহদৈগড় মিচিং গাঁওবাসীয়ে পঞ্চী পায়েঙক জাপি-গামোচা পিন্ধাই, ফোল চটিয়াই আপোন গাঁওখনলৈ আদৰণি জনাই আৰ্শীবাদ দিয়ে। উল্লেখ্য যে ৬ বছৰৰ পৰা বৰ্তমান ১৩ বছৰ বয়সলৈ পংঞ্চী পায়েঙে ২০ টা সোণ আৰু ১টা ব্ৰঞ্জ আৰু চিলভাৰ ৩ টাকৈ পদক লাভ কৰিবলৈ সক্ষম হৈছে। দুচকুত অলিম্পিক খেলাৰ সপোন পুহি ৰখা আমগুৰিৰ এই গৰাকী কিশোৰীয়ে সমৰ কলাত বিশেষ পাৰদৰ্শিকতাৰে নিজকে আত্মপ্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছে। পঞ্চী পায়েঙে ৰাষ্ট্ৰীয় পৰ্যায়ত সমৰকলাত গ'ল্ড মেডেল লাভ কৰা লগতে বৰ্তমানলৈ মুঠ ২০ টাকৈ গ'ল্ড মেডেল লাভ কৰি আমগুৰিলৈ সুনাম কঢ়িয়াবলৈ সক্ষম হৈছে। ভৱিষ্যতে অলিম্পিকত খেলি সোনৰ পদক জয়ী হোৱাৰ সপোন পুহি ৰখা পঞ্চী পায়েঙে ২০২১ বৰ্ষতে মুঠ ১০ টাকৈ গ'ল্ড মেডেল লাভ কৰিবলৈ সক্ষম হৈছিল। আমগুৰিস্থিত অসম টাইকোৱাণ্ডো একাডেমিত ৰাজু কোঁৱৰৰ তত্ত্বাৱধানত প্ৰশিক্ষণ গ্ৰহণ কৰি থকা পঞ্চী পায়েঙে ২০১৮-১৯ বৰ্ষত পঞ্চম ৰাষ্ট্ৰীয় অলিম্পিক ষ্টুডেন্টছ গেমছত গ'ল্ড মেডেল লাভ কৰিবলৈ সক্ষম হৈছিল। ইতিমধ্যে পঞ্চীক বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানেও সম্বৰ্দ্ধনা জনাই উৎসাহিত কৰিছে।

## অসম যুৱ অলিম্পিকত ৩১টা পদকৰে উজলিল বিশ্বনাথৰ উশ্বু দল

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, চতিয়া, ২৮ জুলাই ঃ** চতিয়া প্ৰেছ ক্লাবৰ উদ্যোগত চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাৰ উপস্থিতিত অসম যুৱ অলিম্পিক ২০২২ত জিলিকি উঠিবলৈ সক্ষম হোৱা বিশ্বনাথ উশ্বুৰ খেলুৱৈসকল উষ্ম আদৰণি জনোৱা হয়। আজি চতিয়া ৰেলৰে ষ্টেচনত দুপৰীয়া গুৱাহাটীৰ পৰা ৰেল যোগে নিজ গৃহলৈ উভতি অহা উশ্বু খেলুৱৈসকলক উষ্ম আদৰণি জনায় চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকা, জিলা ক্ৰীড়া বিষয়া খনিন্দ্ৰ মুদৈ, চতিয়া পৌৰসভা, চতিয়া আঞ্চলিক ছাত্ৰ সন্থা, চতিয়া আঞ্চলিক গোৰ্খা ছাত্ৰ সন্থাকে ধৰি বহু বিশিষ্ট ব্যক্তিয়ে উশ্বু খেলুৱৈসকলক আদৰণি জনায়। ইতিমধ্যে বিশ্বনাথ উশ্বুৰ ১৬ জনীয়া দলে অসম যুৱ অলিম্পিক ২০২২ত অংশগ্ৰহণ কৰি ৩১টাকৈ পদকৰ ভিতৰত ৯ টা সোণ, ১১টা ৰূপ আৰু ১১টা ব্ৰঞ্জপদকৰে উশ্বু প্ৰতিযোগিতাত ২য় শ্ৰেষ্ঠ দল সন্মান লাভ কৰিবলৈ সক্ষম হয়। এই সফলতাক লৈ বিশ্বনাথ উশ্বুৰ প্ৰশিক্ষক পদ্ম জায়ৰু যথেষ্ট উৎফুল্ল। আজিৰ অনুষ্ঠানত বিধায়কগৰাকী খেলুৱৈসকল ভৱিষ্যতে আৰু অধিক সফল হোৱাৰ আশা প্ৰকাশ কৰে।

## যুৱ অলিম্পিকত বজালীৰ কৰ্দৈগুৰিৰ ভলীবল খেলুৱৈ, মুখ্য প্ৰশিক্ষকৰ স্বৰ্ণ পদক অৰ্জন

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, শালবাৰী, ২৮ জুলাই ঃ** অসমত পোনপ্ৰথমবাৰৰ বাবে গুৱাহাটীত ২২-২৭ জুলাইত অনুষ্ঠিত হোৱা যুৱ অলিম্পিক ক্ৰীড়াত ভৱানীপুৰ সমষ্টিৰ কৰ্দৈগুৰি গাঁৱৰ দুগৰাকী যুৱতী খেলুৱৈ আৰু এগৰাকী যুৱ প্ৰশিক্ষকে অৰ্জন কৰিছে স্বৰ্ণ পদক। উল্লেখ্য যে যুৱ অলিম্পিকত ছোৱালী ভলীবলত চূড়ান্ত বিজয়ী গুৱাহাটী ভলীবল দলৰ মুখ্য প্ৰশিক্ষক আছিল ভৱানীপুৰ বিধানসভা সমষ্টিৰ কৰ্দৈগুৰি গাঁৱৰ যুৱক সুদক্ষ ভলীবল খেলুৱৈ কংকণ ডেকা। তদুপৰি কংকণ ডেকাৰ দ্বাৰা পৰিচালিত কৰ্দৈগুৰি ভলীবল প্ৰশিক্ষণ কেন্দ্ৰৰ দুগৰাকী যুৱতী খেলুৱৈ ক্ৰমে-ডিম্পী দাস আৰু সাধনা উজিৰে গুৱাহাটী ভলীবল দলৰ হৈ যুৱ অলিম্পিকত খেলিছিল। চূড়ান্ত বিজয়ী হোৱা গুৱাহাটী ভলীবল দলৰ অন্যান্য খেলুৱৈৰ লগতে দলটোৰ খেলুৱৈ কৰ্দৈগুৰি গাঁৱৰ সাধনা উজিৰ, ডিম্পী দাস আৰু মুখ্য প্ৰশিক্ষক কংকণ ডেকাই স্বৰ্ণ পদক অৰ্জন কৰে। আন এক উল্লেখ্য যে সাধনা উজিৰ আৰু ডিম্পী দাস ভৱানীপুৰ সমষ্টিৰ প্ৰথম মহিলা ভলীবল খেলুৱৈ। যুৱ অলিম্পিকত স্বৰ্ণ পদক অৰ্জন কৰা সাধনা উজিৰ, ডিম্পী দাস আৰু কংকণ ডেকাক ভৱানীপুৰ বিধানসভা সমষ্টিৰ বিভিন্ন দল-সংগঠনে অভিনন্দন জনাইছে।

## কাটনিবাৰী-হাতীজুৰিৰ খেল ড্ৰ'

**গুৱাহাটী, ২৮ জুলাই ঃ** মৰিয়নি ক্ৰীড়া সন্থাৰ উদ্যোগত ইয়াৰ বাপুজী ষ্টেডিয়ামত চলি থকা নগেন বৰা ফুটবল লীগৰ আজিৰ খেল কাটনিবাৰী চাহ বাগিচা ফুটবল দল আৰু হাতীজুৰি ফুটবল ক্লাবৰ মাজৰ খেল গ'লশূণ্য হৈ অমীমাংসিতভাৱে সমাপ্ত হয়। ফলত দুয়োটা দলে লীগৰ পইন্ট ভগাই লয় । খেলখন পৰিচালনা কৰে দিব্যজ্যোতি শইকীয়া, এন্দ্ৰিয়াছ তাঁতী, মিকু পাওগাম আৰু প্ৰাঞ্জল পাওগামে । ২৯ জুলাইৰ খেল ঃ নগাধুলি চাহ বাগিচা ফুটবল দল বনাম হোনোৱাল চাহ বাগিচা ফুটবল দল।

**PRESS NOTICE**

The Superintending Engineer, PWD, Guwahati Building Circle-II, Chandmari, Guwahati-3 on behalf of Governor of Assam invites item rate bids in electronic tendering system for the work "Repair and Renovation works of the State Public Health Laboratory, Assam under Work Plan 2021-2022 against MoU between Food Safety and Standards Authority of India and Commissionerate of Food Safety, Assam" with an approximate value of work of Rs. 47,40,742.00 from APWD registered Class-I (A/B/C)/ Class-II contractors (under this circle) having experience of similar nature of work. Details of the bids may be seen at e-procurement portal website: www assamtenders.gov. in and also in the office of the undersigned during office hours. The bidders must be enrolled in www.assamtenders.gov. in for participating in the bidding process.

Note:-

1. Any modification of tender may be seen in the portal www.assamtenders.gov.in.
2. The prospective bidder must visit the work site before submission of tender. The bidders have to submit evidence of site visit in the form of a certificate duly certified by the concerned Executive Engineer, P.W.D.

Sd/-
Superintending Engineer, P.W.D.
Guwahati Building Circle-II
Chandmari, Guwahati-3

Janasanyog /C/7231/22

অসম যুৱ অলিম্পিকত ধেমাজিৰ সাফল্য

## ১০ সোণৰ পদকসহ মুঠ ৪৩ পদকেৰে ১১সংখ্যক স্থান দখল

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ধেমাজি, ২৮ জুলাই ঃ** অসম অলিম্পিক সন্থাৰ উদ্যোগত আৰু অসম চৰকাৰৰ সহযোগত গুৱাহাটীত অনুষ্ঠিত হোৱা অসম যুৱ অলিম্পিকত ধেমাজি জিলা দলৰ খেলুৱৈয়ে সন্তোষজনক ফলাফল লাভ কৰিবলৈ সক্ষম হৈছে। ধেমাজি জিলা দলে বিভিন্ন ইভেণ্টত অংশগ্ৰহণ কৰি ১০ টা সোণৰ পদক, ১৬ টা ৰূপৰ পদক আৰু ১৭ টা ব্ৰঞ্জৰ পদকেৰে মুঠ ৪৩ টা পদক লাভ কৰিবলৈ সক্ষম হৈছে । ৰাজ্যখনৰ মুঠ ৩৫ খন জিলা (গুৱাহাটী স্বতন্ত্ৰীয়া) দলে অংশগ্ৰহণ কৰা যুৱ অলিম্পিকত ধেমাজি জিলা দলৰ পদকৰ স্থান একাদশ সংখ্যক স্থানত। ধেমাজি জিলা দলৰ হৈ সোণৰ পদক লাভ কৰা খেলুৱৈ সকল হৈছে পলমণি বৰগোঁহাই (ফেন্সিং), পাৰিজাত দলে (লং জাম্প), চম্পা বসুমতাৰী (ৰেষ্টলিং), অনন্ত সোনোৱাল, পঞ্চমী সোনোৱাল (ভাৰ উত্তোলন), তেৰিচ পেগু, লিপু সোণোৱাল






(টাইকোৱানডো), জুৰিম পেগু, মিঠুন স্বৰ্গীয়াৰী (উশ্বু), ধনমায়া চেত্ৰী (কেৰাটে)। ৰূপৰ পদক লাভ কৰা খেলুৱৈসকল হৈছে— জানমণি পেগু, মণিকা সোনোৱাল, তিলোচনা ফুকন, খগেশ্বৰ সোণোৱাল, চাবিনা সোনোৱাল, কল্যাণ কুমাৰ কছাৰী (ভাৰ উত্তোলন), ৰঞ্জয় উজীৰ, ভূমিকা বসুমতাৰী (ৰেষ্টলিং), ৰবিন দাস (ফেন্সিং), হৰি কৃষ্ণ চাংমাই, ৰিছা সোণোৱাল (টাইকোৱানডো), জ্যোতিলতা দেউৰী (জুডু), অময় দলে, ৰাজীৱ সুত্ৰধৰ (উশ্বু)। ধেমাজি জিলা দলৰ ফুটবল ল'ৰা শাখাৰ দলটোৱে ৰূপৰ পদক লাভ কৰাৰ বিপৰীতে বাস্কেট বলত ধেমাজি জিলা ছোৱালী দলটো ৰূপৰ পদক অৰ্জন কৰে। এইদৰে ব্ৰঞ্জৰ পদক লাভ কৰে পাহি দলে (জেভলিন), অনামিকা পেগু, অনন্ত নৰহ (হাই জাম্প), ধনেশ্বৰী বসুমতাৰী, জাৰ্মিনী স্বৰ্গীয়াৰী, ৰংজালী বসুমতাৰী, বিপুল বসুমতাৰী (ৰেষ্টলিং), সন্ধ্যাৰাণী চেতিয়া (ভাৰ উত্তোলন), ভাইটি পায়েং, জিতুমণি বসুমতাৰী, জোনমণি মিচং, ছায়া দলে, নিছা দলে (টাইকোৱানডো), সুৰজ বৰুৱা, নৰকান্ত পেগু (উশ্বু)। পদক অৰ্জন কৰা সকলো খেলুৱৈলৈ শিক্ষামন্ত্ৰী তথা ধেমাজি জিলা ক্ৰীড়া সংস্থাৰ সভাপতি ডাঃ ৰণোজ পেগু আৰু সম্পাদক যতীন বুঢ়াগোঁহায়ে আন্তৰিক অভিনন্দন জ্ঞাপন কৰাৰ লগতে খেলুৱৈসকলক খেলৰ ধাৰাবাহিকতা ৰক্ষা কৰিবলৈ আহ্বান জনাইছে।

নলবাৰী জিলা ছাত্ৰ সন্থাৰ বিশেষ অভিনন্দন অনুষ্ঠান

## হাইস্কুল শিক্ষান্ত পৰীক্ষা-উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীক অভিনন্দন অনুষ্ঠান



**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ২৮ জুলাই ঃ** নলবাৰী নাট্য মন্দিৰত সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানত সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত নলবাৰী জিলাৰ বিভিন্ন শিক্ষানুষ্ঠানসমূহৰ পৰা সুখ্যতিৰে হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা কৃতী ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰাৰ বাবে এক অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰা হয়। প্ৰথমতে সমৱেত সংগীত আৰু দিহা নামেৰে অনুষ্ঠানৰ শুভাৰম্ভণী কৰা হয়। সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক অক্ষয় ডেকাই আঁত ধৰা, জিলা ছাত্ৰ সন্থাৰ সভাপতি গুণজিৎ পাঠকৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত উপস্থিত থাকে সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য, নলবাৰী কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° দীপক কুমাৰ শৰ্মা, সদৌ অসম ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক ভৰজিৎ বেজবৰুৱা, ৰাজ্যিক কাৰ্যনিৰ্বাহক ৰিয়াজুদ্দিন আহমেদকে প্ৰমুখ্য কৰি ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকল, কৃতী ছাত্ৰ-ছাত্ৰী, অভিভাৱক-অভিভাৱিকাসকলৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীসকল। ভাষণ প্ৰসংগত ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই ছাত্ৰ-ছাত্ৰীসকল দেশৰ ভৱিষ্যৎ। অসম মাতৃৰ সৰ্বাংগীণ উন্নয়ন আৰু নৱ ভাৰত গঢ়াৰ বাবে আজিৰ ছাত্ৰ-ছাত্ৰীসকলেই দায়িত্ব ল'ব লাগিব। লগতে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিটো সামাজিক দিশত সদায়ে আছুৰে অৰিহণা যোগাব বুলিও মন্তব্য প্ৰকাশ কৰে। শেষত কৃতী ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

বাঘবৰৰ মাজৰচৰত সন্ধানহীন ছাত্ৰী

# অপহৰণৰ সন্দেহত পৰিয়ালৰ এজাহাৰ আৰক্ষীৰ ভূমিকাত ক্ষুণ্ণ ভুক্তভোগী পৰিয়াল

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ২৮ জুলাই ঃ** বাঘবৰ সমষ্টিৰ আলোপতি চৰ থানাৰ অন্তৰ্গত মাজৰচৰ গাঁৱৰ এগৰাকী তেৰবছৰীয়া ছোৱালী যোৱা মঙলবাৰে বিদ্যালয়লৈ যোৱাৰ পিছৰ পৰাই সন্ধানহীন হৈ পৰাত অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। পৰিয়ালৰ লোকে বিভিন্ন ঠাইত বিচাৰ-খোঁচাৰ কৰে যদিও ছাত্ৰীগৰাকীৰ কোনো সন্ধান উলিয়াব পৰা নাই। যাৰ ফলত পৰিয়ালটোত এক শোকাকুল পৰিৱেশৰ সৃষ্টি হৈছে। পৰিয়ালৰ লোকে অভিযোগ কৰা মতে একে গাঁৱৰে তিনিজন ল'ৰা একে দিনৰে পৰা নাইকিয়া হয়, ল'ৰা তিনিজনেই ছোৱালীজনীক অপহৰণ কৰা বুলি সন্দেহ কৰে। মাজৰ চৰ নিৱাসী হামেদ আলীৰ তেৰবছৰীয়া কন্যা মীম আহমেদে মঙলবাৰে বিদ্যালয়লৈ যোৱাৰ সময়তে মাজৰচৰৰে আজিজুল হক, কছেৰ আলী ছফিকুল ইছলামে অপসৰণ কৰাৰ সন্দেহত তিনিজনৰ লগতে তিনিওজনৰে অভিভাৱক দিলবৰ হুছেইনৰ বিৰুদ্ধে আলোপতি চৰ থানাত গোচৰ ৰুজু কৰে ছোৱালীজনীৰ পৰিয়ালে। ইফালে এজাহাৰ দিয়াৰ তিনি দিন পাৰ হৈ যোৱাৰ পাছতো আলোপতি চৰ আৰক্ষীয়ে অভিযোগ সন্দৰ্ভত কোনো গুৰুত্ব আৰোপ নকৰাত পৰিয়াল বৰ্গই আচাৰ্য প্ৰকাশ কৰিছে। উপায়ান্তৰ হৈ ভুক্তভোগী হামিদ আলীয়ে আলোপতি চৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়াগৰাকীক ব্যক্তিগতভাৱে সাক্ষাৎ কৰি ব্যৱস্থা গ্ৰহণৰ আহ্বান জনায় যদিও ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মনোৰঞ্জন কেৱৰে হামিদ আলীক অকথ্য ভাষাৰে গালি-গালাজ কৰি প্ৰভাৱশালী ব্যক্তি দিলবৰ হুছেইনৰ নামত দিয়া গোচৰ প্ৰত্যাহাৰৰ বাবে হেঁচা প্ৰয়োগ কৰে বুলি অভিযোগ উত্থাপন কৰিছে ভুক্তভোগী পৰিয়ালে। অঞ্চলটোৰ সচেতন ৰাইজৰ মনত প্ৰশ্ন উদ্ৰেক হৈছে সাধাৰণ ৰাইজে ন্যায় পোৱাৰ আশাত যদি থানাত গৈ অকথ্য গালি-গালাজ খাবলগীয়া হয় তেন্তে সাধাৰণ দুখীয়া লোকসকলে ন্যায় পাবলৈ কাষ চাপিব কাৰ ? উপায়বিহীন হৈ ভুক্তভোগী হামিদ আলীয়ে আলোপতি চৰ আৰক্ষী থানাৰ বিষয়াগৰাকীৰ দুৰ্ব্যৱহাৰ বিৰুদ্ধে তদন্ত সাপেক্ষে বিহীত ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে নিৰুদ্দিষ্ট নাবালিকাগৰাকীক উদ্ধাৰৰ বাবে মুখ্যমন্ত্ৰী আৰু বৰপেটা জিলাৰ আৰক্ষী অধীক্ষকক কাতৰ আহ্বান জনাইছে।

## বিজুলী মহোৎসৱ উপলক্ষে তামুলপুৰ শক্তি বিভাগৰ সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২৮ জুলাই ঃ** ভাৰতৰ স্বাধীনতাৰ ৭৫ বছৰ উপলক্ষে আজাদী কা অমৃত মহোৎসৱৰ অধীনত ভাৰতৰ শক্তি মন্ত্ৰণালয়, ভাৰতৰ নতুন আৰু পুনৰ ব্যৱহাৰযোগ্য শক্তি বিভাগ, তামুলপুৰ জিলা প্ৰশাসন আৰু অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ উদ্যোগত আজি তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত বিজুলী মহোৎসৱৰ আয়োজন কৰা হয়। বিজুলী মহোৎসৱত ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ সহযোগত শক্তি বিভাগৰ মুখ্য সফলতাসমূহ দাঙি ধৰা হয়। তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত আজি বন্তি প্ৰজ্বলেনেৰে বিজুলী মহোৎসৱ আনুষ্ঠানিকভাৱে মুকলি কৰে বিটিআৰপ্ৰধান প্ৰমোদ বড়োৱে। গ্ৰাম্য বৈদ্যুতিকৰণ বিভাগৰ মুখ্য পৰিচালন সঞ্চালক সলিল কুমাৰে আদৰণী ভাষণ পাঠ কৰা সভাত উপস্থিত থাকি তামুলপুৰ জিলাৰ উপায়ুক্ত সীমান্ত কুমাৰ দাসেও ভাষণ প্ৰদান কৰে। বিশিষ্ট কবি দ্বিজেন কুমাৰ দাসে আঁত ধৰা বিজুলী মহোৎসৱৰ সভাত বিদ্যুৎ বিভাগৰ সজাগতাৰ ওপৰত বাটৰ নাট, চুটি ছবি, বিহু নৃত্য আদিও প্ৰদৰ্শন কৰা হয়। সম্পূৰ্ণ ক'ভিড-১৯ৰ বিধি পালন কৰি অনুষ্ঠিত বিজুলী মহোৎসৱৰ আজিৰ কাৰ্যসূচীত তামুলপুৰ জিলাৰ অতিৰিক্ত উপায়ুক্ত ডাঃ বেদাংগ তালুকদাৰ, তামুলপুৰ উপ-সংমণ্ডলৰ উপ-সংমণ্ডল বিষয়া সূৰ্য কিৰণ গগৈ, তামুলপুৰ সাংস্কৃতিক কেন্দ্ৰৰ সাংস্কৃতিক উন্নয়ন বিষয়া যুগান্ত বায়নকে ধৰি অঞ্চলটোৰ বহুসংখ্যক গণ্যমান্য ব্যক্তিয়ে অংশগ্ৰহণ কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে।

## বৰপেটা জিলা প্ৰশাসনৰ সৌজন্যত, জিলা তথ্য আৰু জনসংযোগ বিষয়াৰ উদ্যোগত দেশভক্ত তৰুণৰাম ফুকনৰ মৃত্যু দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ২৮ জুলাই ঃ** সমগ্ৰ ৰাজ্যৰ লগতে বৃহস্পতিবাৰে বৰপেটা জিলাতো বৰপেটা জিলা প্ৰশাসনৰ সৌজন্যত, জিলা তথ্য আৰু জনসংযোগ বিষয়া, বৰপেটাৰ কাৰ্যালয়ৰ উদ্যাগত আৰু বৰপেটা ছোৱালী মহাবিদ্যালয়ৰ সহযোগত দেশভক্ত তৰুণ ৰাম ফুকনৰ ৮৩সংখ্যক মৃত্যু দিৱসটো দেশভক্তি দিৱসৰূপে পানল কৰা হয় । বৰপেটা ছোৱালী মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহ অনুষ্ঠিত উক্ত অনুষ্ঠানটোত বন্তিপ্ৰজ্বলন কৰি উদ্বোধনী ভাষণ আগবঢ়াই অতিৰিক্ত উপায়ুক্ত লখিমী দত্তই। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ভাৰপ্ৰাপ্ত জিলা তথ্য আৰু জনসংযোগ বিষয়া তথা নিৰ্বাচনী বিষয়া ময়ূৰাক্ষী দত্তই। বিশিষ্ট অতিথি অক্ষয় কুমাৰ মিশ্ৰ আৰু নিৰ্দিষ্ট বক্তা হিচাপে বিশিষ্ট সাহিত্যিক তথা বি বৰুৱা কলেজৰ প্ৰাক্তন অধ্যক্ষ, ড° দীনেশ বৈশ্যৰ উপৰি বৰপেটা জিলাৰ বিশিষ্ট ব্যক্তিসকলৰ লগতে বিভিন্ন বিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।





*গুৱাহাটীৰ শ্ৰীশ্ৰীমাধৱদেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত মঞ্চস্থ কৰা 'এলাইচ ইন আছাম' নাটৰ এটি দৃশ্য, বুধবাৰৰ ছবি*

## বটদ্ৰৱাত আৰক্ষীৰ ড্ৰাগ্‌ছবিৰোধী অভিযান ২৪ ঘণ্টাত দুজন আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, বটদ্ৰৱা, ২৮ জুলাইঃ** ড্ৰাগ্‌ছৰ বিৰুদ্ধে বটদ্ৰৱা আৰক্ষীৰ বৃহৎ সাফল্য অৰ্জন কৰিছে। আৰক্ষীৰ অভিযানত এজনৰ পিছত আন এজন ধাৰাবাহিকভাৱে আটক হৈছে কুখ্যাত ড্ৰাগ্‌ছ সৰবৰাহকাৰী। বটদ্ৰৱাত যোৱানিশা এটা ড্ৰাগ্‌ছ সৰবৰাহকাৰী আটক কৰাৰ পিছত আজি পুৱাৰ ভাগত পুনৰ আন এটা ড্ৰাগ্‌ছ সৰবৰাহকাৰী আটক কৰে। এক বিশেষ সূত্ৰৰ পম খেদি কদমনি গড়কাপ্টানী পথৰ পৰা বটদ্ৰৱা থানাৰ ভাৰপ্ৰাপ্ত বিষয়া চিৰঞ্জীত লাহনৰ নেতৃত্বত যোৱা দলটোৱে অভিযান চলাই ড্ৰাগ্‌ছসহ এজনক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ কৰা ড্ৰাগ্‌ছ সৰবৰাহকাৰীটোৰ নাম জয়নালউদ্দিন (২৩)। জয়নালৰ ঘৰ ধিং থানাৰ অন্তৰ্গত লহকৰ ঘাটত বুলি জানিব পৰা গৈছে। প্ৰকাশ থাকে যে জয়নালউদ্দিনে, বহু দিনৰ পৰাই আৰক্ষীৰ চকুত ধূলি দি ড্ৰাগ্‌ছৰ ৰমৰমীয়া ব্যৱসায় চলাই আহিছিল। আৰক্ষীয়ে ড্ৰাগ্‌ছ সৰবৰাহকাৰীটোৰ পৰা উদ্ধাৰ কৰে ১০.৮ গ্ৰাম হিৰ'ইন। অধিক তথ্যৰ সন্ধানত আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে।

## জাপানীজ এনকেফেলাইটিছত পুনৰ কঠীয়াতলীৰ এজনৰ মৃত্যু

### আতংকিত হৈছে বানে গৰকা অঞ্চলৰ বাসিন্দা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ২৮ জুলাইঃ** নগাঁৱৰ বানে গৰকা অঞ্চলসমূহত ক্ৰমে বিভীষিকাময় পৰিৱেশৰ সৃষ্টি কৰিছে জাপানীজ এনকেফেলাইটিছ ৰোগে। ইতিমধ্যে বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত কামপুৰ, ননৈ, কঠীয়াতলীৰ উপৰি কচুৱা আদি অঞ্চলসমূহত এই ৰোগত আক্ৰান্তৰ সংখ্যা বৃদ্ধি পাইছে। প্ৰাপ্ত তথ্য অনুসৰি, কঠীয়াতলী খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত অমৰাৱতী গাঁৱৰ প্ৰবীণ বৰা (৫৮) নামৰ এজন লোক কালি জাপানীজ এনকেফেলাইটিছত আক্ৰান্ত হৈ মৃত্যু হয়। এমাহ মান পূৰ্বে আক্ৰান্ত লোকজনক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হৈছিল আৰু চিকিৎসাধীন অৱস্থাতে কালি বিয়লি প্ৰায় ২.৩০ বজাত মৃত্যু হয়। সহজ-সৰল স্বভাৱৰ প্ৰবীণ বৰা কঠীয়াতলীৰ এখন ফাৰ্মাচিত লেবৰেটৰী টেকনিচিয়ান হিচাপে কৰ্মৰত আছিল। মৃত্যুৰ সময়ত পত্নী আৰু এগৰাকী চিকিৎসক কন্যাকে ধৰি বহু আত্মীয়-স্বজনক এৰি থৈ যায়। উল্লেখ্য যে আজিৰ তাৰিখত এই ৰোগত আক্ৰান্ত হৈ নগাঁও জিলাত ৫ জন লোকৰ মৃত্যু হৈছে আৰু ৪৮ জন লোক আক্ৰান্ত হৈছে যদিও ইয়াৰে কিছু সংখ্যক লোকে আৰোগ্য লাভ কৰিছে বুলি যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকগৰাকীৰ পৰা জানিব পৰা গৈছে। অৱশ্যে বেচৰকাৰী সূত্ৰ অনুসৰি জিলাখনৰ ৮ জনৰো অধিক লোকৰ ইতিমধ্যে মৃত্যু হৈছে আৰু আক্ৰান্তৰ সংখ্যাও বহু বেছি হ'ব বুলি ধাৰণা কৰা হৈছে। ইফালে, এই পৰ্যন্ত জিলাখনৰ বানাক্ৰান্ত অঞ্চলসমূহত জাপানীজ এনকেফেলাইটিছ ৰোগৰ প্ৰতিষেধক হিচাপে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। ৰাইজে স্বাস্থ্য বিভাগৰ লগতে চৰকাৰলৈ এই ৰোগ নিৰাময়ৰ বাবে অচিৰেই যাৱতীয় ব্যৱস্থাগ্ৰহণৰ দাবী জনাইছে।

## বকোৰ ত্ৰিলোচনত ডি ভোটাৰৰ জাননী অহা বৃদ্ধাৰ ঘৰত কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি কমলাক্ষ দেৱ পুৰকায়স্থ, বিধায়িকা নন্দিতা দাস

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২৮ জুলাইঃ** সন্দেহযুক্ত নাগৰিকৰ গোচৰত বিদেশী ন্যায়াধীশ আদালতৰ দুৱাৰে দুৱাৰে ঘুৰা ত্ৰিলোচন গাঁৱৰ ৮৫ বছৰীয়া বৃদ্ধাৰ ঘৰত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ কাৰ্যকৰী সভাপতি কমলাকক্ষ দেৱ পুৰুকায়স্থ আৰু বকোৰ বিধায়িকা নন্দিতা দাস উপস্থিত হৈ বৃদ্ধাৰ লগত মত বিনিময় কৰে । কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত ত্ৰিলোচন গাঁৱৰ এগৰাকী ৮৫ বছৰীয়া বৃদ্ধাই সম্পূৰ্ণ ভাৰতীয় প্ৰমাণ-পত্ৰ থকাৰ পিছতো কেইবা বছৰ ধৰি সন্দেহযুক্ত নাগৰিকত্ব গোচৰত বিদেশী ন্যায়াধীশ আদালতৰ দুৱাৰে দুৱাৰে ঘূৰাটো দুৰ্ভাগ্যজনক কথা। এই সন্দৰ্ভত বৃহস্পতিবাৰে ত্ৰিলোচন গাঁৱৰ ভানুমতী বাঢ়ৈৰ ঘৰত উপস্থিত হৈ প্ৰদেশ কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি আৰু বিধায়িকা নন্দিতা দাসে চৰকাৰক তীব্ৰ সমালোচনা কৰে। সভাপতিগৰাকীয়ে বৃদ্ধাৰ খবৰ ল'বলৈ আহি সাংবাদিকৰে সৈতে মত বিনিময় কৰি কয় যে, বৰ্তমানৰ বিজেপি চৰকাৰৰ মুখ্যমন্ত্ৰীজন মিছলীয়া আৰু নিজৰ হাতত গৃহ বিভাগ ৰাখি সীমান্ত আৰক্ষী দি প্ৰকৃত ভাৰতীয় নাগৰিকক হকে-বিহকে ডি ভোটাৰৰ জাননী প্ৰেৰণ কৰি মানসিক হাৰাশাস্তি কৰিছে। কাৰণ ভাষিক সংখ্যালঘু ৰাইজক সুৰক্ষা দিয়াৰ বাবে 'কা' আইনখন বলৱৎ কৰিলে যদিও সেই সম্প্ৰদায়টোকে বেছিকৈ অত্যাচাৰ কৰিছে সেয়া স্পষ্ট হৈ পৰিছে। বিষটো কংগ্ৰেছৰ ফালৰ পৰা বিধানসভাত জোৰদাৰভাৱে উপস্থাপন কৰা হ'ব বুলি উল্লেখ কৰে । ইফালে ভানুমতী বাঢ়ৈৰ এই পৰিস্থিতিত উপস্থিত প্ৰায় শতাধিক স্থানীয় লোকে একেমুখে উল্লেখ কৰে যে, একাংশ সহজ-সৰল লোকক সীমান্ত শাখাৰ আৰক্ষীয়ে সন্দেহযুক্ত নাগৰিকৰ জাননী দি পিছত সীমান্ত আৰক্ষীয়ে বুজাবুজি কৰি দুখীয়া লোকক আত্যাচাৰ কৰি এক ছিণ্ডিকেট চলাইছে বুলি অভিযোগ কৰে। উল্লেখ্য, এইগৰাকী ভানুমতী বাঢ়ৈৰ নামত ১৯৯৮ চনত প্ৰথমবাৰ সন্দেহযুক্ত নাগৰিক বুলি গোচৰ ৰুজু হৈ, ২০০১ চনত বৃদ্ধাজনীক ভাৰতীয় বুলি আদালতে ঘোষণা কৰে। কিন্তু পিছত পুনৰ একেজন ব্যক্তিৰ নামত জাননী অহাত গাঁৱৰ ৰাইজে জাণ্ডুৰ খাই উঠিছে। প্ৰশ্ন হয় এইদৰে সমগ্ৰ অসমৰ লগতে বকো, ছয়গাঁও সমষ্টিৰ ভাষিক সংখ্যালঘু আৰু ধৰ্মীয় সংখ্যালঘুসকলক চৰম হাৰাশাস্তি কৰা প্ৰক্ৰিয়াটো কিমান দিনলৈ চলিব তাক লৈ ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়া হোৱা পৰিলক্ষিত হৈছে।



## ৰাষ্ট্ৰীয় পতাকাক অপমান কৰি ক্ষমা খুজিলে বিজেপি যুৱ নেতাই

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকপথাৰ, ২৮ জুলাই ঃ** কাৰ্গিল যুদ্ধৰ বিজয়ৰ গৌৰৱ উজ্জ্বল ইতিহাস সুঁৱৰি, ভাৰতীয় সেনাৰ বীৰ শ্বহীদসকলক স্মৰণ কৰি কাৰ্গিল বিজয় উৎসৱ বিজেপি দলে ২৭ জুলাইত দেশজুৰি পালন কৰাৰ সমান্তৰালকৈ শদিয়া জিলা বিজেপি যুৱ মৰ্চাৰ নেতৃত্বত কাৰ্গিল বিজয় দিৱস উদ্‌যাপনৰ উদ্দেশ্যে প্ৰভাত ফেৰী নামকৰনেৰে হাতত দেশৰ বিজয় ধ্বজা, ৰাষ্ট্ৰীয় পতাকা হাতত লৈ কাকপথাৰত এক পদযাত্ৰা বাহিৰ কৰে। এই পদযাত্ৰাৰ সময়ত শদিয়া জিলা বিজেপি যুৱ মৰ্চাৰ সম্পাদক উমেশ চাহুৰ হাতত দেখিবলৈ পোৱা দেশৰ ৰাষ্ট্ৰীয় পতাকাৰ ওপৰৰ গেৰুৱা ৰঙৰ সলনি হালধীয়া ৰঙৰ এখন বিসংগতিপূৰ্ণ পতাকা সামাজিক মাধ্যমত ভাইৰেল হৈ পৰাৰ লগতে ইয়াক লৈ সংবাদ মাধ্যমত বাতৰি প্ৰচাৰ হোৱাত ভুল অনুধাৱন কৰি দেশ তথা ৰাজ্যবাসীৰ লগতে সংবাদ মাধ্যমৰ ওচৰত ভুল ক্ষমা বিচাৰিবলৈ বাধ্য হয় যুৱ নেতাগৰাকী । কাকপথাৰ প্ৰেছ ক্লাবলৈ প্ৰেৰণ কৰা এক পত্ৰত শদিয়া জিলা বিজেপি যুৱ মৰ্চাৰ সম্পাদক উমেশ চাহুৱে নিজৰ ভুল স্বীকাৰ কৰি অসাৱধানবশতঃ উক্ত পতাকাখন লোৱা হৈছিল বুলি উল্লেখ কৰাৰ লগতে দেশৰ বীৰ শ্বহীদসকলৰ লগতে বীৰ সৈনিকসকলক তেওঁ অপমান কৰাৰ তিলমানো অভিপ্ৰায় নাছিল বুলি প্ৰকাশ কৰি অনাকাংক্ষিত ভুলৰ বাবে সকলো পক্ষৰ ওচৰত ক্ষমা বিচৰাৰ সমান্তৰালভাৱে ভৱিষ্যতে এনে ভুল নহয় বুলি লিখিত প্ৰতিশ্ৰুতি প্ৰদান কৰে ।

## নগাঁৱৰ শিমলুগুৰিৰ কৃষি বিজ্ঞান কেন্দ্ৰত বৃহৎ পৰিসৰত গছপুলি ৰোপণ কাৰ্যসূচী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৮ জুলাই ঃ** অসম চৰকাৰৰ বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ দ্বাৰা ৰাজ্যজুৰি আৰম্ভ কৰা 'মুখ্যমন্ত্ৰীৰ প্ৰাতিষ্ঠানিক গছপুলি ৰোপণ প্ৰকল্প'ৰ লগত সংগতি ৰাখি নগাঁৱৰ শিমলুগুৰিৰ কৃষি বিজ্ঞান কেন্দ্ৰত যোৱা ১৮ জুলাইৰ পৰা গছপুলি ৰোপণ কাৰ্যসূচী চলি আছে। অধিক সেউজ আৱৰণেৰে প্ৰাতিষ্ঠানিক চৌহদৰ সৌন্দৰ্য বৃদ্ধি কৰাৰ উদ্দেশ্যেৰে আৰম্ভ কৰা এই কাৰ্যসূচী আজি বৃহৎ পৰিসৰত অনুষ্ঠিত হয়। তদুপলক্ষে আজি অনুষ্ঠিত গছপুলি ৰোপণ কাৰ্যসূচীত কৃষি বিজ্ঞান কেন্দ্ৰ নগাঁৱৰ মুৰব্বী ড° নিৰঞ্জন ডেকাই আজি এটি থলুৱা প্ৰজাতিৰ আমগছ পুলি ৰোপণ কৰি 'এই প্ৰকল্পৰ মূল উদ্দেশ্য হ'ল কাৰ্বন ভাণ্ডাৰ বৃদ্ধি কৰা, ঔষধি আৰু ফলমূলৰ উদ্ভিদকে ধৰি গুৰুত্বপূৰ্ণ থলুৱা উদ্ভিদ প্ৰজাতিৰ সংৰক্ষণ, প্ৰাতিষ্ঠানিক চৌহদৰ সেউজ সৌন্দৰ্য বৃদ্ধি, জলবায়ু পৰিৱৰ্তন প্ৰশমনত সামূহিক অংশগ্ৰহণৰ বাবে সজাগতা সৃষ্টি কৰা, পৰিৱেশ সংৰক্ষণৰ যোগেদি জীৱনৰ সৌন্দৰ্য বৃদ্ধি কৰা আৰু চৌপাশত নিৰ্মল বায়ু লাভ কৰা'। বুলি মন্তব্য প্ৰদান কৰে। কেন্দ্ৰটিৰ ভূমি বিজ্ঞানী দ্বিপেন চন্দ্ৰ নাথে আঁত ধৰা আজি অনুষ্ঠানটিত নিমন্ত্ৰিত অতিথি ৰূপে অংশ গ্ৰহণ কৰি আঞ্চলিক কৃষি গৱেষণা কেন্দ্ৰ চিলঙনীৰ মুখ্য বিজ্ঞানী ড° অমল চন্দ্ৰ শৰ্মায়ো গছপুলি ৰোপণ কৰি 'গুৰুত্বপূৰ্ণ থলুৱা উদ্ভিদ প্ৰজাতিৰ সংৰক্ষণ কৰাৰ লক্ষ্যৰে অনুষ্ঠিত এই কাৰ্যসূচীয়ে পৰিৱেশত ব্যাপক প্ৰভাৱ বিস্তাৰ কৰিব' বুলি প্ৰকাশ কৰে। গছপুলি ৰোপণ অনুষ্ঠানটিত ড° অনিমেশ ডেকা, জুলি শৰ্মা, ড° বন্তি গগৈ, ড° আছফিকা ইছলামকে আদি কৰি কৃষি বিজ্ঞান কেন্দ্ৰ নগাঁৱৰ বিশেষজ্ঞ-বিজ্ঞানী, কৰ্মচাৰীসকলে অংশগ্ৰহণ কৰে।



*দিছপুৰ প্ৰেছক্লাবত অনুসূচিত জাতি যুৱ-ছাত্ৰ পৰিষদ, অসমৰ সাধাৰণ সম্পাদক জিতু কাকতিৰ সংবাদ মেলৰ ছবি, বৃহস্পতিবাৰে*




শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিন্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিন্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯

■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া

■ সম্পাদক ঃ শংকৰ গোহাঞি